# সূত্ৰধাৰ

১৬–৩১ ডিচেম্বৰ, ১৯৯২ ▫ সাত টকা

## পৰশুৰামৰ কুঠাৰ

## হিতেশ্বৰ শইকীয়া গণবন্ধু হোৱাৰ যোগ্যতা কিমান ?



## ভাৰত-আত্মাৰ, সন্ধানত

চাৰ্লচ চেছি

## এজন নাগা বুদ্ধিজীৱীৰ ভাৰত আৱিষ্কাৰৰ কাহিনী

---

# সূত্ৰধাৰ

চতুৰ্থ বছৰ দ্বাবিংশ সংখ্যা
১৬-৩১ ডিচেম্বৰ, ১৯৯২
Vol. IV. No.22
16-31, December, 1992

সম্পাদক (অবৈতনিক)
হোমেন বৰগোহাঞি
সম্পাদনা সহকাৰী
মালবিকা পাঠক
কলা নিৰ্দেশক
চম্পক বৰবৰা
কাৰ্যাধ্যক্ষ
অনিল কুমাৰ গগৈ
অংগ সজ্জা
মোহন নাথ

**Delhi Office :**
PURAVI PRAKASHON Pvt. Ltd.,
1/26 A LALITA PARK, LAXMINAGAR
Vikas Marg New Delhi-110092
Telephone : 225767

পূৰবী প্ৰকাশন প্ৰাইভেট লিমিটেডৰ হৈ অনিল কুমাৰ গগৈৰ দ্বাৰা ইষ্টাৰ্ণ প্ৰেছ এণ্ড পাব্লিকেশ্যনচ প্ৰাঃ লিঃ-ত মুদ্ৰিত আৰু মনজেবা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী –১-ৰ পৰা প্ৰকাশিত ঃ ▫ ফোন ঃ ৪৪৮৫৪, ৩৩৬১৮, ৪৬৫৯৮

## বিষয়-সূচী

প্ৰচ্ছদ নিবন্ধ
ভাৰত আত্মাৰ সন্ধানত ▫ চাৰ্লচ চেছি ▫ ৭
দৃষ্টিকোণ
হিতেশ্বৰ শইকীয়াৰ গণবন্ধু হোৱাৰ যোগ্যতা কিমান ? ▫ ৰিপুঞ্জয় গগৈ ▫ ১০
খাদ্য চৰ্চা
লেটা, কেকোঁৰা, কুচিয়া ইত্যাদি ▫ সত্যেন গগৈ ▫ ২৮
নাটক
পৰশুৰামৰ কুঠাৰ ▫ তড়িৎ চৌধুৰী ▫ ২৪
বিজ্ঞান
প্ৰসাৰিত মহাসাগৰ ▫ নকুল দত্ত ▫ ৩৮
সাহিত্য
অসমীয়া কবিতাৰ ভৱিষ্যত ঃ প্ৰবীণৰ দৃষ্টিত নবীনৰ বিচাৰ
▫ ইছমাইল হোছেইন ▫ ১৫
বিশ্ব সাহিত্য
ওমৰ খায়য়াম আৰু 'ৰুবাঈয়াত'ৰ অনুবাদ ▫ ড° হেম বৰা ▫ ১৭
মতামত
অসমক 'লেবাননকৰণ' ▫ অৰূপ কুমাৰ গোস্বামী ▫ ৫৬
বিতৰ্ক
পুনৰ জ্যোতিষ প্ৰসংগ ঃ সমালোচক সমীপেষু ▫ প্ৰসেনজিৎ চৌধুৰী ▫ ৫৩
প্ৰতিবেদন
গুৱাহাটী বিশ্ববিদ্যালয়ৰ জিলিকনি আৰু বিত্তীয় সংকট ▫ স্বপ্না বেজবৰুৱা ▫ ৩৭
ৰাজনীতি
চিকিৎসা সেৱা ঃ লেতেৰা ৰাজনীতি ব্যৱসায়
বন্ধ হওক ▫ হিতেন মহন্ত ▫ ৫০
টোকা
কেৰিবিয়ান 'হোমাৰ' ঃ ডেৰিক ওৱালকট ▫ ডা ঃ ৰণেন পাঠক ▫ ৪২
শিল্প-সংস্কৃতি
মাণিক বাবু সত্যজিত ৰায় ▫ আবু নাছাৰ ছাঈদ আহমেদ ▫ ৪৪
গল্প
কৃত্ৰিম উল্কা ▫ ঘনকান্ত চেতিয়া ফুকন ▫ ৪৭
স্মৃতিচাৰণ
অসমত কুৰিটা বছৰ ▫ নিৰ্মলা খৰ্কৱাল ▫ ৩৪
কাগজ-কলম
লেতেৰা ▫ ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য্য ▫ ৬২
ভ্ৰমণ
নেপাল ভ্ৰমণৰ দুটিমান অভিজ্ঞতা
▫ গিৰিণ ফুকন ▫ ২১
দৃষ্টিকোণ
প্ৰসংগ বড়োলেণ্ড আন্দোলন ▫ ধীৰেণ বৰুৱা ▫ ৫১

সম্পাদকৰ টোকাবহী ▫ ৯
চিনেমা ▫ ৬০
কবিতা ▫ ৪১
ধাৰাবাহিক উপন্যাস ▫ ৩০
গ্ৰন্থ জগত ▫ ১৯
বাটেঘাটে ▫ ২৩
বিচিত্ৰা ▫ ৫৮

## মানসিক পুষ্টিহীনতা

যোৱা ১৬-৩১ আগষ্ট '৯২ সংখ্যা সূত্ৰধাৰৰ সম্পাদকৰ টোকাবহীত প্ৰকাশিত 'মানসিক পুষ্টিহীনতা' সম্পৰ্কে একাষাৰ কব বিচাৰিছো।

প্ৰথমেই স্বীকাৰ্য যে – 'সূত্ৰধাৰ'ৰ যোগেদি আপুনি আমাক শাৰীৰিক আৰু মানসিক আহাৰৰ এটি যথাৰ্থ ধাৰণা দান কৰি উৎসাহিত কৰিছে আৰু জ্ঞান চকু খুলি দিছে। আপোনাৰ বহুমূলীয়া টোকাবহীত উল্লিখিত মানসিক পুষ্টিহীনতাৰ বাবে অসমীয়া জাতিটো পংগু জাতিৰ অন্যতম হৈ পৰিছে। উচ্চ শিক্ষিতকে ধৰি অৰ্দ্ধশিক্ষিতলৈকে শতকৰা ৮০% ভাগেই জ্ঞানাৰ্জন নকৰে, অধ্যয়ন নকৰে। কিতাপৰ সতে আমাৰ সৰহ সংখ্যক শিক্ষিতৰ সম্পৰ্ক নাই। কেৱল যুৱ সমাজ বা পুৰুষ সমাজ কিয় অজস্ৰ শিক্ষিতা মহিলাই বাতৰি কাকত আলোচনী এখনৰ নিয়মীয়া গ্ৰাহিকা আৰু পঢ়ুৱৈ হোৱাটো দূৰৰে কথা আনৰ ঘৰত পালেও পাত এখিলাও লুটিয়াই নাচায়। অথচ অলাগতিয়াল অপ্ৰয়োজনীয় বিলাস সামগ্ৰীৰে ঘৰ উপচায় পেলায়, সেই সোপা সামগ্ৰীত যিমান টকা সোমাই থাকে তাৰে কমেও পাঁচশমান মূল্যবান গ্ৰন্থ কিনিব পৰা হয়। সোণৰ গহনা, শাৰীসোপা বাদ দিও। কেৱল পুৰুষ শাসিত সমাজখনৰ পুৰুষৰ দ্বাৰা অৱদমিত সামাজিক স্থিতাৱস্থাৰ বাবেই প্ৰতিভাশালী মহিলাৰ সংখ্যা কমনে? সংখ্যাগত দিশত শিক্ষিতা নাৰীৰ সংখ্যা তেনেই তাকৰ নহয়, কিন্তু গুণগত দিশত সীমিত সংখ্যক নাৰীহে ওলাই আছে। অধ্যয়ন বিমুখিতাই ইয়াৰ অন্য এক প্ৰধান কাৰণ হিচাপে উল্লেখনীয় দিশ। আনহাতে যি সকল পুৰুষ আৰু মহিলা অধ্যয়নৰ প্ৰতি আগ্ৰহী সেই সকলৰ বাবে অসমীয়া ভাষাত উপযুক্ত গ্ৰন্থ দুষ্প্ৰাপ্য আৰু দুৰ্মূল্যজনিত কাৰণ বাধা হিচাপে থিয় হৈ আছে। তদুপৰি অনেক অধ্যয়নমুখী পাঠকৰ বাবে ইংৰাজী ভাষাজ্ঞানহীন অৱস্থাটো অভিশাপ হৈ পৰিছে। সেয়ে সৰহ সংখ্যক অধ্যয়নমুখী ব্যক্তিয়ে ৰাষ্ট্ৰীয় পৰ্যায়ৰ ইংৰাজী বাতৰি আলোচনী কেইখনো পঢ়িবলৈ অপাৰগ। অসমীয়া ভাষাত প্ৰকাশিত আঞ্চলিক বাতৰি কাকত কেইখনকেই একমাত্ৰ অধ্যয়নৰ নমুনা আৰু নিচা হিচাপে পঢ়ে। এইবোৰ বাতৰি কাকতৰ পৃষ্ঠা ভৰি থাকে চুৰি, ডকাইতি, ধৰ্ষণ, লুণ্ঠনৰ ঘটনাৰে, এইবোৰ ঘটনাৰ প্ৰত্যক্ষ দায়ী আৰু অপৰাধী বৰ্তমানৰ যুৱ সমাজ। অধ্যয়ন বিমুখী এইচাম যুৱক যুৱতীৰ মানসিক আহাৰ হৈ পৰিছে, অপসংস্কৃতিৰ বাহক সস্তীয়া যৌনগন্ধী হিন্দী চিনেমা, অশ্লীল ছবিৰ কিছু আলোচনী আৰু ভালুকযেন লগা আমদানিকৃত আপচু সাজ-পোছাকবোৰ। অসমৰ গাওঁ, নগৰবোৰৰ কোনো বিদ্যালয়তে শৈক্ষিক আৰু বৌদ্ধিক বাতাবৰণ সুস্থ কৰাৰ অনুষ্ঠান আদিৰ আয়োজন কৰা নহয়। হেজাৰ হেজাৰ টকা সংগ্ৰহ কৰি এইচাম যুৱকে অৱশ্যে বিহুমেলা কেইখনমান পাতে আৰু কেইটামান 'দিৱস'। সেয়ে ছাত্ৰ-ছাত্ৰী অভিভাৱক, শিক্ষক, অন্যান্য শিক্ষিত ব্যক্তি সকলে দৈনিক সাপ্তাহিক বাতৰি কাকত কেইখনৰ পৰাই মনৰ আহাৰ সংগ্ৰহ কৰে। এটি বৌদ্ধিক, সাংস্কৃতিক পৰিবেশ গঢ়ি তোলাৰ বাবে বাতৰি কাকতবোৰৰ দায়বদ্ধতা অনস্বীকাৰ্য। থলুৱা কাকতকেইখনত কুঠাৰৰ নাল ঘূৰাব নোৱৰাকৈ স্ব-নাম ধন্য সাংবাদিক এমখাৰ সৃষ্টি হ'ল। এই সকল 'নিজা বাতৰি দিওঁতা' 'নিজা প্ৰতিবেদকে' সদায় আবৰ্জনাময় বাতৰি এসোপাকে পৰিবেশন কৰি ধন্য মানিছে। বাতৰি কাকতবোৰে সাংস্কৃতিক আৰু বৌদ্ধিক দিশত পৰিবেশ এটি সৃষ্টি কৰিব নোৱৰালৈকে এনে অখাদ্য খাইয়ে আমি জীয়াই থাকিব লাগিব। সদায় অখাদ্য ভক্ষণ কৰি এটা জাতি মৰসজীয়া হৈ তাৰ অস্তিত্বকে হেৰুৱাই পেলায়।

আমাক শাৰীৰিক আৰু মানসিক আহাৰ লাগে। অলপো বাহুল্য নকৰাকৈ কব পাৰো আপোনাৰ ভূমিকাইহে বহল অধ্যয়নশীল অসমীয়া সমাজ এখন সৃষ্টি কৰিব। জ্ঞানাৰ্জনৰ বাবে অসমতো ডঃ মাৰ্টিমাৰ এড্লাৰৰ দৰে এটা পৰিবেশ সৃষ্টি কৰক, আপুনি তাৰ বাটকটীয়া হওক। ড° এড্লাৰে দিয়া পাঠকৰ প্ৰশ্নবোৰৰ উত্তৰ অসমীয়া সমাজলৈ আগবঢ়াওক। এশজন পাঠকে আপোনাক অনুৰোধ নকৰিলেও নিশ্চয় বুজন সংখ্যক পাঠক আছে, যি সকলে সেই উত্তৰবোৰৰ পৰা মধুৰস আহৰণ কৰিব। ড° এড্লাৰৰ নমুনা হিচাপে দিয়া প্ৰশ্ন আৰু উত্তৰে গণিতক ভয় কৰা পাঠকেও সামান্য পৰিমানে হলেও গণিত বিজ্ঞানৰ মৰ্ম উপলব্ধিত নতুনকৈ উৎসাহিত হৈছে। এনেকৈ সকলো প্ৰশ্নবোৰৰ উত্তৰ আগবঢ়াবলৈ অনুৰোধ জনালো।

ৰেণু গগৈ
চাবুৱা।

## প্ৰসঙ্গ ঃ মুছলিম মানসিকতা

ষষ্ঠদশ সংখ্যা 'সূত্ৰধাৰ'ৰ 'মুছলিম মানসিকতা' শীৰ্ষক সম্পাদকীয়টো সময়োপযোগী আৰু বস্তুনিষ্ঠ হৈছে। বিভিন্ন দেশত মুছলমান সকলক কেন্দ্ৰ কৰি ৰাজনীতি কৰাটো ক্ৰমান্বয়ে বৃদ্ধি পাইছে। এই ক্ষেত্ৰত আমিও অভিজ্ঞতা পুষ্ট। মানুহৰ একমাত্ৰ পৰিচয় মুছলমান, হিন্দু, খৃষ্টান অথবা বৌদ্ধ হ'ব নোৱাৰে। এনেদৰে চিন্তা কৰাটোও সাম্প্ৰদায়িক সমন্বয়ৰ পৰিপন্থী। থমাচ পেইনে, "যতেই স্বাধীনতা আছে সিয়েই মোৰ স্বদেশ" বুলি কোৱাৰ দৰে য'ত মানুহৰ নিৰাপত্তা আছে, য'ত বাক্ স্বাধীনতা আছে, য'ত মানুহে পৰিশ্ৰমৰ বিনিময়ত আহাৰ পাইছে, য'ত মানুহে নিৰ্ভয়ে জীৱন নিৰ্বাহ কৰিব পাৰিছে সেইখনে তেওঁৰ দেশ আৰু সেই দেশৰ পৰিচয়েই তেওঁৰ পৰিচয়। 'শ্ৰীলংকাত এল-টি-টি-ইৰ দ্বাৰা ত্ৰিশজন মুছলমান হত্যা' – শীৰ্ষক বাতৰিবোৰ প্ৰচাৰ হোৱাতকৈ 'শ্ৰীলংকাত এল-টি-টি-ইৰ দ্বাৰা ত্ৰিশজন নাগৰিক হত্যা' হ'লে হয়তো বাতৰিটো পঢ়ি এজন নাগৰিক কম উত্তেজিত হ'লহেঁতেন। ভাৰতবৰ্ষৰ সংবাদপত্ৰতো এনে ধৰণৰ বিভ্ৰান্তিকৰ শিৰোনামাৰ সংবাদ পৰিবেশন হোৱা দেখা যায়। ফলত সাম্প্ৰদায়িক গণ্ডগোলৰ সূত্ৰপাত হোৱাত এনে ধৰণৰ সংবাদ পৰিবেশনে অৰিহণা যোগায়। অসমৰ বিদেশী খেদা আন্দোলনৰ সময়ছোৱাত অসমৰ আগশাৰীৰ সংবাদপত্ৰ কিছুমানৰ বিভ্ৰান্তিমূলক সংবাদ পৰিবেশনৰ ফলত মানুহৰ মনত বিভেদ আৰু সাম্প্ৰদায়িকতাৰ বীজ ৰোপণ হৈছিল। আন্দোলনকাৰীসকলে বিদেশী খেদাৰ নামত সংবাদপত্ৰৰ শিৰোনামাৰ ওপৰত ভিত্তি কৰিয়েই এটা বিশেষ সম্প্ৰদায়ৰ ওপৰত অত্যাচাৰ চলাইছিল, ঘৰ-দুৱাৰ জ্বলাই দিছিল, মাকৰ কোলাৰ শিশুক জুইত দলিয়াই দিছিল। 'সূত্ৰধাৰ'ৰ সম্পাদক মহোদয়ক অনুৰোধ জনাইছো যাতে তেখেতে অসম আন্দোলনৰ সময়ছোৱাত সংঘটিত হোৱা সাম্প্ৰদায়িক ঘটনাবোৰ বিশ্লেষণ কৰি, তাৰ আঁৰত সংবাদপত্ৰৰ উচটনিৰ নিৰ্লজ্জ কাহিনীবোৰ উদ্ঘাটন কৰে আৰু আন্দোলনকাৰী সকলে কৰি অহা ভুলবোৰ আঙুলিয়াই দিয়ে।

এনে ধৰণৰ কিছুমান উক্তি শুনা যায় যে, 'আজি কয়াকুছি আৰু মন্দিয়া বজাৰত এজনো মানুহ নেদেখিলো ; চব মিয়াকেইটাহে আছে।' তাৰমানে 'মিয়া'সকল মানুহ নহয়! অসম আন্দোলনৰ সময়ৰে পৰা অসমৰ অভিবাসী মুছলমান সকলক 'মিয়া' নামেৰে উপলুঙা কৰি আহিছে "অতি অসমীয়া" ব্যক্তিয়ে। 'মিয়া' মূলতঃ উৰ্দু শব্দ আৰু ইয়াৰ আচল অৰ্থ হ'ল "ডাঙৰীয়া"। মুছলমান সম্প্ৰদায়ৰ লোকসকলে সন্মানাৰ্থত ইজনে সিজনক "মিয়া", "মিয়া চাহেব", "মিয়াজী" আদি সম্বোধন কৰে। অথচ "মিয়া" শব্দটো ব্যৱহাৰ কৰি এচাম ৰাজনীতিবিদে আৰু ন্যস্ত স্বাৰ্থ চক্ৰই অভিবাসী মুছলমান সকলক সমাজৰ নিকৃষ্টতম জীৱ হিচাপে চিহ্নিত কৰিব বিচাৰিছে। আন্দোলনৰ সময়ছোৱাত এজন মুছলমানক উদ্দেশ্যি কোনো ব্যক্তিয়ে "মিয়া" বুলি উচ্চাৰণ কৰিলেই মুছলমানজনৰ প্ৰতি আন্দোলনকাৰীয়ে কুদৃষ্টিৰে চাইছিল। ফলত এই সম্প্ৰদায়ৰ প্ৰতি সেই বিশেষ ব্যক্তিজনৰ বিদ্বেষ ভাব বৃদ্ধি পাইছিল। "অসমৰ চৰঅঞ্চলত হাজাৰ হাজাৰ মিয়া", "মিয়াই দেশখন খালে" আদি শিৰোনামাৰে অসম আন্দোলনৰ সময়ত সংবাদ পৰিবেশন হোৱাও দেখা গৈছিল।

অসমীয়া সংস্কৃতি কোনো বিশেষ সম্প্ৰদায়ৰ সংস্কৃতি নহয়। বিভিন্ন জাতি উপজাতিৰ সংস্কৃতিৰ মিলনতেই গঢ়ি উঠিছে অসমীয়া সংস্কৃতি। শঙ্কৰদেৱক অসমীয়া সমাজ আৰু সংস্কৃতিৰ প্ৰাণ প্ৰতিষ্ঠাতা বুলি কোৱা হয়। অনেক পণ্ডিতৰ মতে শঙ্কৰদেৱ ৰচিত "কীৰ্তন পুথি" অসমীয়া সকলৰ পৱিত্ৰতম ধৰ্ম গ্ৰন্থ। এই কথা কোনো মুছলমানেই সহজে মানি লব নোৱাৰে। এই ক্ষেত্ৰত সূত্ৰধাৰৰ সম্পাদকৰ টোকাবহীৰ "মুছলমান মানসিকতা" শিতানত শ্ৰদ্ধেয় হোমেন বৰগোহাঞিদেৱে দিয়া যুক্তি প্ৰণিধানযোগ্য। তেখেতে লিখিছে– "শ্ৰীশঙ্কৰদেৱ মূলতঃ এজন ধৰ্ম প্ৰচাৰক আৰু 'কীৰ্তন পুথি'ও এখন ধৰ্মগ্ৰন্থ। এজন মহান সন্ত আৰু অসাধাৰণ প্ৰতিভাশালী মানুহ হিচাপে অসমীয়া মুছলমানসকলেও তেওঁক অৱশ্যেই শ্ৰদ্ধা কৰে। শ্ৰীশঙ্কৰদেৱৰ জীৱন কাহিনীক ভিত্তি কৰি এখন এপিক উপন্যাস ৰচনা কৰিছে এজন মুছলমানেহে, অৰ্থাৎ চৈয়দ আব্দুল মালিকে। কিন্তু তাৰ অৰ্থ এইটো নহয় যে শ্ৰীশঙ্কৰদেৱৰ দ্বাৰা প্ৰচাৰিত ধৰ্মৰ লগতো অসমীয়া মুছলমানসকলে একাত্মতা বোধ কৰে, কিংবা কীৰ্তন পুথিক তেওঁলোকে পৱিত্ৰতম গ্ৰন্থ বুলি ভাবে। সেই কাৰণে যেতিয়া কোৱা হয় যে শ্ৰীশঙ্কৰদেৱেই অসমীয়া সমাজ আৰু সংস্কৃতিৰ প্ৰাণ প্ৰতিষ্ঠাতা আৰু তেওঁৰ কীৰ্তন পুথি অসমীয়া সকলৰ পৱিত্ৰতম ধৰ্মগ্ৰন্থ, তেতিয়া জানো প্ৰকাৰান্তৰে এই কথাই কোৱা নহয় যে মুছলমানসকল অসমীয়া নহয়? অন্ততঃ সেই অৰ্থত অসমীয়া নহয়– যি অৰ্থত হিন্দু তথা বৰ্ণহিন্দু অসমীয়াসকল অসমীয়া?"

বৰ্তমান ভাৰতবৰ্ষৰ জাতীয় ঐক্যৰ বিষয়টো স্পৰ্শকাতৰ। এই সময়ত "মুছলমান মানসিকতা" শীৰ্ষক টোকাই মানুহক সাম্প্ৰদায়িক সম্প্ৰীতি গঢ়াত অৰিহণা যোগাব।

ইছমাইল হোছেইন
কয়াকুছি, বৰপেটা।

## গণশত্ৰু বনাম গণবন্ধু

গুৱাহাটীৰ পৰাই প্ৰকাশিত অসমীয়া সাপ্তাহিক 'বুধবাৰ' কাকতখনত "গণশত্ৰু হিতেশ্বৰ শইকীয়া" শব্দ দুটা সঘনে পঢ়িবলৈ পাওঁ। কিন্তু ১৯৯১ চনৰ মাজ ভাগতে শইকীয়াই অসমত চৰকাৰখন গঠন কৰাৰ সময়তে কেন্দ্ৰীয় নেতৃবৃন্দই শইকীয়াক বছৰটোৰ 'শ্ৰেষ্ঠতম পুৰুষ' বুলি বিভূষিত কৰিছিল। অসম বিধান সভাৰ নিৰ্বাচনী যুদ্ধৰ সময়তো শইকীয়া নাজিৰা সমষ্টিৰ পৰা লাখ সংখ্যক ভোট লাভ কৰি জয়যুক্ত হৈছিল। নিজ দলৰ গৰিষ্ঠ সংখ্যক সদস্যক নিৰ্বাচনত জিকাই আনি তেওঁৰ দলৰে চৰকাৰখনও গঠন কৰিলে। আনহাতে সৌ সিদিনা আঞ্চলিক দল "জনশক্তি সংগ্ৰাম পৰিষদ"ৰ সভাপতি শ্ৰীডেকাই গোটেই দলসহ শইকীয়াৰ দলতে যোগ দিলে বুলি বাতৰি ওলাল। বাতৰি ওলাল কাৰ্বি আংলঙৰ কেইটামান দলেও চৰকাৰৰ দলতে যোগ দিলে। অ,গ,প আৰু ন,অ,গ,পৰ পৰাও দল হিচাপে নহলেও দুই এজনকৈ কংগ্ৰেছ দললৈ আহি আছে। তাৰ উপৰি অঞ্চল বিশেষে শইকীয়াক অভিনন্দন জনাবলৈ নিমন্ত্ৰণ কৰি অনা সভামঞ্চবিলাকতও জনসমাবেশ অভূতপূৰ্ব। সমাবেশবোৰত ব্যক্তিবিশেষ বা কোনো কোনো সংঘ, সংস্থা আদিয়ে শইকীয়াক মালা পিন্ধাবলৈ, ডিঙিত গামোচা আঁৰিবলৈ আৰু নানা উপহাৰ যাচিবলৈ হেতা-ওপৰা লগা দৃশ্য। এনেবোৰ দৃশ্য দূৰদৰ্শন আৰু আকাশবাণী যোগে সকলোৱে দেখি আছে, শুনি আছে।

এনে অৱস্থাত হিতেশ্বৰ শইকীয়া অসমৰ এজন গণশত্ৰুনে গণবন্ধু হৈ উঠিছে আমাৰ দৰে সাধাৰণ জনগণে একো বুজিব পৰা নাই। গণশত্ৰু এজনে নানা বিদ্যালয়, মহাবিদ্যালয়, অনুষ্ঠান, প্ৰতিষ্ঠান আদিলৈ লাখ লাখ টকা অনুদান আগবঢ়ায় জানো? কামে-কাজেও দেখা গৈছে– শইকীয়াৰ ভাই-ভতিজাবিলাকৰ হত্যাকাৰীবিলাককে গঠনমূলক কামত প্ৰবৃত্ত কৰিবলৈ লাখ লাখ টকা আগবঢ়াইছে।

গতিকে সেইজন ব্যক্তিকে "বুধবাৰে" কিয় গণশত্ৰু উপাধিৰে অভিহিত কৰিছে আমাৰ দৰে নিৰ্দলীয় লোকসকলক "বুধবাৰ"ৰ যোগেদিয়েই খোলোচাকৈ বুজাই দিলে ভাল হব।

মদন বৰুৱা
খোৱাং

## ডিবুৰুলৈ মৰমেৰে

১৬-৩১ আগষ্টৰ সূত্ৰধাৰত প্ৰকাশিত ডাঃ মুক্তি প্ৰসাদ গগৈদেৱৰ লেখাখিনি পঢ়ি ভাল লাগিল। তেখেতে অতি সৰল ভাষাত যি কোনো পাঠকৰ মন চুই যোৱাকৈ 'ডিবুৰু' নগৰখনৰ অৱক্ষয়ৰ ধাৰণা দিব পৰাকৈ থূলমূল বিৱৰণ দিছে। লগতে ১৬–৩০ চেপ্তেম্বৰৰ সূত্ৰধাৰত প্ৰকাশিত শ্ৰীদেবকুমাৰ শইকীয়াদেৱৰ চিঠিখনো ইতিমধ্যে প্ৰকাশ পাইছে। সেয়েহে দুয়োটি লেখাৰ ওপৰত নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ৰসতে নাম থব খুজিছো।
ডাঃ গগৈদেৱে লেখাটিৰ শেহৰ ফালে সকলোৱে ভৱা এটি সত্য কথা কৈ থৈছে ঃ "ডিব্ৰুগড়ৰ সেই অৱস্থাৰ বাবে তাৰ মানুহেই দায়ী। তাত জনমত নাই।" সঁচা কথা। নাকান্দিলে নিজৰ মাকেও কেঁচুৱাক গাখীৰ দিবলৈ পাহৰি থাকে। ডিব্ৰুগড়ীয়া ৰাইজৰ এনে নিৰ্লিপ্ত, উদাসীন মনোভাব এক কিম্বদন্তি হৈ পৰিছে। এখন নামজ্বলা উপন্যাস "পাতাল ভৈৰৱী"ৰ পাতনিতো কথাষাৰ উল্লেখ পাইছে। পত্ৰলেখক শ্ৰীশইকীয়াৰ এই সম্পৰ্কত লেখা চিঠিপত্ৰ বিলাক পঢ়াৰ সৌভাগ্য হোৱা নাই। (আজিকালি বজাৰত ওলোৱা আটাইবোৰ বাতৰি কাকত পঢ়াৰ সামৰ্থ্যও নাই) পিছে, শ্ৰীশইকীয়াদেৱে কোৱাৰ দৰেই মোৰ নিজা অভিজ্ঞতা আছে। কিছু বছৰৰ আগতে স্থানীয় পষেকীয়া কাকত "আলোড়ন"ৰ পাতত "ডিব্ৰুগড় ঃ এটি মুকলি চিন্তা" নাম দি ডিব্ৰুগড়ৰ ইতিহাস আৰু অৱক্ষয়ৰ এটি ছবি খণ্ড খণ্ডকৈ তিনি খণ্ডত ধাৰাবাহিক হিচাপে প্ৰকাশ কৰিছিলো। কিন্তু দুৰ্ভাগ্যৰ কথাই, শ্ৰীশইকীয়াদেৱৰ ভাষাতে কবলৈ "সেই প্ৰবন্ধৰ সঁহাৰি জনাই কোনো এজন ডিবুৰু বাসীয়ে এষাৰো বাক্য লিখা চকুত নপৰিল। অথচ সেই সময়তেই অসম চিকিৎসা মহাবিদ্যালয়ৰ পুৰণি সুনামত গৰাখহনীয়া আৰম্ভ হৈছিল। ডিব্ৰুগড় বিশ্ববিদ্যালয়খন ৰাজনীতিৰ লেতেৰা পলসত পোত যাব ধৰিছিল। ডিব্ৰুগড় আৰু তিনিচুকীয়াৰ মাজত আধিপত্য বিস্তাৰৰ "টাগ্ অফ্ ওৱাৰ" আৰম্ভ হৈছিল। নগৰৰ বাটপথবোৰ পচিবলৈ আৰম্ভ কৰিছিল। কিন্তু ডিব্ৰুগড়ীয়া ৰাইজ নিমাত। এনে ধৰণৰ মানসিক আৰু দৈহিক অৱক্ষয়ৰ বাবে কোনো এজন নেতা বা ব্যক্তিক দোষাৰোপ কৰি নিজৰ দায়িত্ব এৰুৱাব খোজা মানসিকতা আমাৰ নাই। "মাউখে উটিলে গুৰি পৰুৱাৰো মৰণ নাই" সকলো শ্ৰেণীৰ ৰাইজে একেমুখে সমস্বৰে দাবী নুতুলিলে কোনে শুনিব ডিব্ৰুগড় ৰাইজৰ মনোবেদনাৰ কথা।

উল্লেখ নকৰি নোৱাৰিলো যে এই পত্ৰলেখকে ধাৰাবাহিক ৰূপে কাকতত লেখাটি প্ৰকাশ কৰোতে বহুতে মন্তব্য দিছিল– এইজন ডাক্তৰে ৰোগী নাপায় চাগৈ, সেয়েহে লেখামেলাত ধৰিছে। পিছে, ডাঃ গগৈ এগৰাকী প্ৰসিদ্ধ স্ত্ৰীৰোগ বিশেষজ্ঞ আৰু জীৱনত কৃতকাৰ্যও হৈছে। তেখেতৰ লেখাবোৰে ডিব্ৰুগড়ীয়া ৰাইজৰ মন চুই যোৱা দেখি তেখেতক প্ৰশংসা নকৰি নোৱাৰি। অৱশেষত, শ্ৰীশইকীয়াৰ প্ৰতিবাদ সন্দৰ্ভত আমাৰ মন্তব্য হ'ল – তেখেতে প্ৰতিবাদ কৰিব লাগে বুলিয়েই প্ৰতিবাদ কৰা যেন হ'ল। ডিব্ৰুগড় নগৰত বাটত বৈ থকা গৰু নাই বোলা কথাষাৰো সত্য নহয়।

ডাঃ নুমল পেগু
ডিব্ৰুগড়

# সূত্ৰধাৰৰ দুটা বিশেষ সংখ্যা

▫ ১৯৯৩ চনৰ পহিলা জানুৱাৰীৰ **সূত্ৰধাৰ**
চতুৰ্থ প্ৰতিষ্ঠা বাৰ্ষিকী সংখ্যা হিচাপে প্ৰকাশ পাব

▫১৯৯৩ চনৰ পহিলা ফেব্ৰুৱাৰীৰ **সূত্ৰধাৰ** সেইমতে বহিবলগীয়া অসম সাহিত্য-সভাৰ অধিবেশন উপলক্ষে বিশেষ সাহিত্য সভা সংখ্যা হিচাপে প্ৰকাশ পাব।

*এই দুয়োটা বিশেষ সংখ্যাৰ বিস্তৃত বিষয়-সূচী তলত প্ৰকাশ কৰা হ'ল*

## প্ৰবন্ধ


ইউজেন ইউনেস্ক'ৰ নাটক/ অ জিৎ বৰুৱা
উপন্যাস লেখাৰ অভিজ্ঞতা/ চন্দ্ৰপ্ৰসাদ শইকীয়া
অসমীয়া উপন্যাসত জনকৃষ্টিৰ উপাদান/ বীৰেন্দ্ৰনাথ দত্ত
অসমীয়া চিত্ৰশিল্পী আৰু ভাস্কৰসকল/ নীলমণি ফুকন
মই মোৰ লেখাৰ বিষয়ে কি ভাবো/ শীল ভদ্ৰ
অসমত সংগীতৰ ভৱিষত/তফজ্জুল আলি
অসমত নৃত্যৰ ভৱিষ্যত/ প্ৰদীপ চলিহা
মোৰ লেখা আৰু মই/ মামনি ৰয়চম গোস্বামী
প্ৰাচ্যৰ দৃষ্টিত অসমীয়া উপন্যাসৰ চিন্তা/ ড° গোবিন্দ প্ৰসাদ শৰ্মা
চল্লিচ বছৰৰ অসমীয়া গল্প/ ড° পূৰ্ণানন্দ শইকীয়া
আধুনিক অসমীয়া কবিতা/ ৰঞ্জিত দেৱ গোস্বামী
পঞ্চাশৰ দশকৰ পৰা সাম্প্ৰতিক কাললৈ অসমীয়া নাটকৰ অভিনয়/ ড° অমৰজ্যোতি চৌধুৰী
পৰম্পৰাৰ ৰ'দ কাঁচিয়লিত অসমৰ নাটঘৰৰ ইতিহাস/ উত্তম বৰুৱা
স্বাধীনোত্তৰ যুগৰ অসমীয়া কবিতা/ প্ৰদীপ আচাৰ্য্য
মোৰ লেখাৰ বিষয়ে মই যি ভাবো/ উমা শৰ্মা
অসমীয়া চিন্তামূলক গদ্য/ হীৰেন্দ্ৰ নাথ দত্ত
অসমীয়া লেখিকাৰ সমস্যা/ প্ৰীতি বৰুৱা
অসমীয়া বামপন্থী সাহিত্য আৰু তাৰ মূল্যায়ন/ধনী বৰা
বিদায় ১৯৯২ ঃ স্বাগতম ১৯৯৩/ মুনীন বায়ন
মোৰ অভিজ্ঞতা আৰু কবিতাৰ সম্পৰ্ক/ সমীৰ তাঁতি
অসমত চিত্ৰকলা আৰু ভাস্কৰ্যৰ ভবিষ্যত/ সমিৰণ বৰুৱা
সাহিত্যৰ ভবিষ্যত/মদন শৰ্মা
গ্ৰফিকচ্/ বেণু মিশ্ৰ
অসমীয়া চুটি গল্প/ উপেন শৰ্মা
নাটকৰ ভৱিষত/ নয়ন প্ৰসাদ
চিনেমাত দাৰ্শনিক চিন্তা/চন্দন শৰ্মা
অসমীয়া মঞ্চত নাটকৰ ভবিষ্যত/ অৰূপ চক্ৰবৰ্তী
ভাৰতীয় প্ৰাদেশিক কবিতাৰ দৃষ্টিত অসমীয়া কৱিতা/ ড° কিশোৰ ভট্টাচাৰ্য্য
অসমীয়া সাহিত্যত দাৰ্শনিক চিন্তা/ প্ৰদীপ খটনিয়াৰ
অসমত চিনেমাৰ ভৱিষ্যৎ/ দিলীপ শৰ্মা
অসমীয়া চিনেমা/ পংকজ বৰুৱা
অসমীয়া সাহিত্যৰ ভৱিষ্যত / কুমুদ গোস্বামী
কাগজ/ কলম/ ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য্য
ইতিহাস আৰু সমন্বয় প্ৰক্ৰিয়া /নলিনীধৰ ভট্টাচাৰ্য
লেটিন-আমেৰিকাৰ চুটি গল্প /পংকজ ঠাকুৰ
অসমৰ জনজাতীয় সমস্যা–ড° শিৱনাথ বৰ্মন
শিৱসাগৰ সাহিত্য সভা; এক বিগত স্মৃতি– ড° সুনীল দত্ত
বিজ্ঞান কল্প- ছবি/সৌৰভ কুমাৰ চলিহা


## কবিতা


নৱকান্ত বৰুৱা
হীৰেন ভট্টাচাৰ্য
সনন্ত তাঁতি


## বিদেশী সাহিত্যৰ অনুবাদ


আলিবাটৰ কবিসকল/ মূল ঃ অক্টাভিও পাঁজ ▫ অনুবাদ ঃ সুৰেশ শৰ্মা
সৃজনশীলতা নে ব্যৱসায়/ মূল ঃ হেনৰিক্ বেইন ▫ অনুবাদ ঃ দিলীপ কুমাৰ দত্ত
বিদেশী গল্প/ অনুবাদ ঃ আবুল লেইচ




# ভাৰত-আত্মাৰ সন্ধানত

চাৰ্লচ চেছি



### চাৰ্লচ চেছি

*নতুন প্ৰজন্মৰ নাগা বুদ্ধিজীৱীসকলৰ ভিতৰত চাৰ্লচ চেছিৰ সমান চিন্তাশীল আৰু প্ৰতিভাবান ব্যক্তি দ্বিতীয় এজন নাই বুলিয়েই মোৰ ব্যক্তিগত ধাৰণা। ১৯৬০ চনত এটা সম্ভ্ৰান্ত আঙ্গামী নাগা পৰিয়ালত জন্ম গ্ৰহণ কৰা চাৰ্লচ চেছিয়ে পুনে বিশ্ববিদ্যালয়ৰ পৰা আইনৰ স্নাতক উপাধি লাভ কৰাৰ ওপৰিও ১৯৮২ চনত এবছৰৰ কাৰণে তেওঁ অষ্ট্ৰেলিয়াৰ মেলবৰ্ণত লীডাৰশ্বিপ কৰ্ছ এটাত যোগদান কৰিছিল। ছাত্ৰ অৱস্থাৰ পৰাই নাগালেণ্ডৰ ছাত্ৰ আন্দোলনত সক্ৰিয় অংশ লোৱা চাৰ্লচে নাগালেণ্ডৰ প্ৰথম আৰু সৰ্ববৃহৎ ছাত্ৰ ধৰ্মঘটত এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। ১৯৮৩ চনত তেওঁ কহিমাত 'A Dialogue of Understanding' শীৰ্ষক ছেমিনাৰৰ আয়োজন কৰিছিল আৰু তাত আছুৰ নেতাসকলেও অংশ গ্ৰহণ কৰিছিল। ১৯৮৫ চনত চাৰ্লচে এজন গুজৰাটী বন্ধুৰ সক্ৰিয় সহযোগত ভাৰতত এটা 'আন্তৰ্জাতিক যুৱক শিবিৰৰ' আয়োজন কৰিছিল আৰু তাত পৃথিৱীৰ চৈধ্যখন দেশৰ প্ৰতিনিধিয়ে যোগ দিছিল। চাৰ্লচে গভীৰভাবে বিশ্বাস কৰে যে হিংসাই কোনো সমস্যাৰ সমাধান নকৰে, আৰু তেওঁৰ নিজৰ ভাষাতে – 'I long for the day when the North East will become known as a sensible area instead of its present reputation as a sensitive region.'*

*কলেজত পঢ়ি থকা অৱস্থাতে সাংবাদিকতা আৰম্ভ কৰা চাৰ্লচ চেছি বৰ্তমান Nagaland Observer নামৰ ইংৰাজী দৈনিক কাকতৰ প্ৰতিষ্ঠাপক-স্বত্বাধিকাৰী।*

*চাৰ্লচ চেছিৰ লেখা 'সূত্ৰধাৰ'ৰ পাঠকে মাজে-সময়ে পঢ়িবলৈ পাব।*

–সম্পাদক

দেশখনৰ বহু ঠাইত ভ্ৰমণ কৰিবৰ বাবে সুযোগ পোৱা এজন নাগা ডেকা হিচাপে মোৰ এইটোৱেই অভিজ্ঞতা হৈছে যে ভাৰত এখন বিৰাট বৈপৰীত্যৰ দেশ, যিবোৰ বৈপৰীত্যৰ মাজত একো সময়ত সামঞ্জস্য ঘটোৱা অসম্ভৱ যেন লাগে। অথচ, আপাত দৃষ্টিত যিটো দেখা যায়, তাৰ অন্তৰালত এক নিশ্চিত গভীৰতাও আছে আৰু এই সুপ্ৰাচীন দেশখনৰ প্ৰান্তে প্ৰান্তে বাস কৰা মানুহবিলাকৰ সিৰাই সিৰাই প্ৰবাহিত হৈ আছে এক আন্তৰিকতা – যাৰ স্পন্দন কেৱল অনুভৱ কৰিব পাৰি, কিন্তু সৰহভাগ সময়তে চকুত নপৰে। এই কথাটোৱেই মোক ভৱিষ্যত সম্পৰ্কে আশাবাদী হবলৈ শিকাইছে। প্ৰায়েই মই নিজকে এটা প্ৰশ্ন কৰো, – "ভাৰতৰ প্ৰাণকেন্দ্ৰ ক'ত ?" দিল্লীয়ে কিন্তু আজিলৈকে নিজকে ভাৰতৰ প্ৰাণকেন্দ্ৰ বুলি দাবী কৰাৰ অৰ্হতা অৰ্জন কৰিব পৰা নাই। তাৰ পৰিবৰ্তে, ই এখন কঠুৱা আৰু শীতল মহানগৰতহে পৰিণত হৈছে। তদুপৰি, ইয়াত প্ৰায়েই এটা sense of perspective-অৰ অভাৱ অনুভৱ কৰা যায়। যেতিয়াই মই কলিকতা হৈ কোনোবা এঠাইলৈ যাবলগীয়া হওঁ, তেতিয়াই মই সেই মহানগৰখন দেখি বিস্ময়ত অভিভূত নোহোৱাকৈ থাকিব নোৱাৰো। ইমান বেছি জনাকীৰ্ণ আৰু দেখাত ইমান বিশৃংখল হলেও কলিকতাৰ গতি কিন্তু ৰুদ্ধ হৈ থকা নাই, আনকি প্ৰাণৰ স্পন্দনো তাত স্পষ্টকৈ শুনা যায়। এনেয়ে চাবলৈ গলে কলিকতাৰ প্ৰতিটো কথাই মন বিমৰ্ষ কৰে; আনকি তাৰ গৰম আৰু আদ্ৰতাইয়ো। যিপিনেই চকু ফুৰাওঁ, কেৱল দুখ-দুৰ্দশাকে দেখো। তাৰ কিছুমান মানুহৰ তেওঁলোকৰ দৰেই আন কিছুমান মানুহৰ প্ৰতি যি সহানুভূতিহীন আচৰণ, তাক দেখিলে আৰু বিশেষকৈ বিমানকোঠ আৰু ৰেল-ষ্টেচনত 'দালাল'বোৰক লগ পালে খঙত জ্বলি-পকি উঠো। তথাপিও এই কথা ক'বই লাগিব যে কলিকতাক যেয়ে বিশ্বাসৰ চকুৰে চায়, তেওঁক কলিকতাই আশাও নিদিয়াকৈ নাথাকে। মই এটা কথা আন্তৰিকভাবে বিশ্বাস কৰো যে যিবিলাক মানুহে আটাইতকৈ বেছি দুখ ভোগ কৰিছে, তেওঁলোকৰেই পৃথিৱীক আটাইতকৈ বেছি দিবলগীয়া থাকে। ইমান দুখ-দুৰ্দশাৰ মাজত কটাইয়ো কলিকতাই পৃথিৱীক বহুত দিছে আৰু তাৰ শেহতীয়া আৰু সুখ্যাত দানটি হৈছে মাদাৰ টেৰেছা। বৰ্তমান কালত আমাৰ অতি প্ৰয়োজনীয় বস্তুবোৰৰ ভিতৰত আটাইতকৈ দুষ্প্ৰাপ্য হৈছে আশা। সেই আশাকে কলিকতাই এনে বহুত মানুহক দিছে – যি তাক গ্ৰহণ কৰিবলৈ বিচাৰিছে।

এবাৰ এজন গুজৰাটী বন্ধুৰ সৈতে বিহাৰৰ ছোটনাগপুৰ আৰু সিংভূম জিলাত ভ্ৰমণ কৰোতে আমাৰ কেইবাঘৰো মানুহৰ আতিথ্য গ্ৰহণ কৰাৰ সৌভাগ্য ঘটিছিল। তাৰে এঘৰৰ গৃহস্থজন ধানবাদ অঞ্চলৰ এজন ট্ৰেড ইউনিয়ন নেতা আছিল। তেওঁৰ প্ৰাণ নাশৰ বাবে তিনিবাৰকৈ চেষ্টা কৰা হৈছিল – এবাৰ 'পান'ত বিহ দি। অৰ্দ্ধ শিক্ষিত সেই মানুহজনৰ কথা-বতৰাবোৰ আছিল খহটা আৰু তথাকথিত ভদ্ৰ পৰিবেশত দেখাদেখিকৈয়ে তেওঁ অস্বস্তি বোধ কৰিছিল। কিন্তু যেতিয়া তেওঁ তেওঁৰ নিজৰ মানুহখিনিৰ অধিকাৰৰ বাবে যুঁজ কৰাৰ প্ৰয়োজন হৈছিল, তেতিয়া তেওঁ নিৰ্ভীকভাবে



OKDISCD

যুঁজ কৰিছিল আৰু কোনো আপোচ কৰিবলৈ ৰাজী নহৈছিল। ভাৰতত যিমান যি বেয়া হবলৈ ধৰিছে, সেইবোৰৰ বেছিভাগৰে প্ৰতিনিধিত্ব কৰে বিহাৰে। কিন্তু, মোৰ বোধেৰে বিহাৰে এই দেশখনৰ কিছুমান শ্ৰেষ্ঠ গুণৰো প্ৰতিনিধিত্ব কৰি আছে। সেইবোৰৰ ভিতৰত জ্বলজ্বল্ পটপটকৈ চকুত পৰা গুণটো হ'ল চৰিত্ৰ বল। বহুতে হেয় জ্ঞান কৰি 'দেছৱালী' আখ্যা দিয়া এই বিহাৰীবিলাকৰ সমান উৎপাদনশীল মানুহ মই দেশখনৰ ক'তো লগ পোৱা নাই।

বিহাৰীবিলাকৰ দৰেই পঞ্জাবী মানুহখিনিও অতি পৰিশ্ৰমী। তেওঁলোকৰ চৰিত্ৰ বল আৰু আন্তৰিকতা সহজেই চকুত পৰে। কিন্তু তেওঁলোক যে আচলতেই এটা অসাধাৰণ জাতি, তাক ব্যক্তিগত অভিজ্ঞতাৰ যোগেদিহে পূৰাপূৰিকৈ বুজা সম্ভৱ। বৰ্তমান যি শোকাবহ পৰিবেশে তেওঁলোকক আচ্ছন্ন কৰি ৰাখিছে, আৰু বেছি ৰক্তপাত হোৱাৰ আগতেই যেন তাৰ অৱসান ঘটে – তাকেহে কামনা কৰিছো।

মই পুণেত আইন পঢ়ি থাকোতে এটা মজাৰ ঘটনা ঘটিছিল। মোৰ খোৱা-বোৱাৰ ব্যৱস্থাটো তাৰ ইউনিভাৰ্চিটিৰ মেছত নাছিল যদিও পকেট খালি হৈ থকাৰ কাৰণে মই গৈ মেছৰ 'কিউ'ত থিয় দি আছিলো। এনেতে কোনোবাই পিছপিনৰ পৰা মোক চুই দিয়াত ঘূৰি চালো।

মোক অভিবাদন জনাই মানুহজনে নিজকে এজন 'ৰিচাৰ্চ স্কলাৰ' বুলি চিনাকি দিলে।

"আপুনি কোন দেশৰ পৰা আহিছে?"

"নাগালেণ্ডৰ পৰা।" বেছ অস্বস্তি বোধ কৰি মই উত্তৰ দিলো।

"আপোনালোকৰ প্ৰধান মন্ত্ৰীজন কোন?"

"মই কলেও কিজানি আপুনি তেওঁক নাজানিব।"

"কওকচোন নামটো, মই জানিম।"

ওপৰোক্ত ঘটনাটো উল্লেখ কৰি মই পুণে বা মহাৰাষ্ট্ৰৰ মানুহক লঘু কৰিব খোজা নাই, কেৱল ইয়াকে বুজাব খুজিছো যে এইখনো ভাৰতেই আৰু ভাৰতৰে এইটো এটা অতি বাস্তৱ দিশ। মোৰ কেইবাজনো বিশ্বস্ত বন্ধু মাৰাঠী আৰু পুণেত কটোৱা বছৰ কেইটা মোৰ জীৱনৰ এছোৱা শ্ৰেষ্ঠ সময়। দৰাচলতে, কেইজনমান মহাৰাষ্ট্ৰীয় বন্ধুৰ সহায় নোপোৱা হ'লে মোৰ কেতিয়াও আইনৰ ডিগ্ৰীটো লোৱা নহ'লহেঁতেন। বিশেষকৈ পুণেৰ নাগৰিকসকল অতি সংস্কৃতিবান লোক যদিও একো একো সময়ত তেওঁলোকে পূৰ্ব-পৰম্পৰাৰ প্ৰাচীৰখন ভাঙি ওলাই আহিবলৈ টান পায়।

মোৰ মনত স্থায়ীভাবে সাঁচ পেলোৱা আন এটা অভিজ্ঞতা হৈছিল এবাৰ পুণেৰ পৰা দিল্লীলৈ ৰেলেৰে আহোতে। মোৰ সৈতে একেটা কম্পাৰ্টমেন্টতে ভ্ৰমণ কৰিছিল এটা

◆

ওপৰোক্ত ঘটনাটো উল্লেখ কৰি মই পুণে বা মহাৰাষ্ট্ৰৰ মানুহক লঘু কৰিব খোজা নাই, কেৱল ইয়াকে বুজাব খুজিছো যে এইখনো ভাৰতেই আৰু ভাৰতৰে এইটো এটা অতি বাস্তৱ দিশ। মোৰ কেইবাজনো বিশ্বস্ত বন্ধু মাৰাঠী আৰু পুণেত কটোৱা বছৰকেইটা মোৰ জীৱনৰ এছোৱা শ্ৰেষ্ঠ সময়। দৰাচলতে, কেইজনমান মহাৰাষ্ট্ৰীয় বন্ধুৰ সহায় নোপোৱা হ'লে মোৰ কেতিয়াও আইনৰ ডিগ্ৰীটো লোৱা নহ'লহেঁতেন।

◆

পাঁচজনীয়া সিন্ধী পৰিয়াল। এই সম্প্ৰদায়টোৰ বিষয়ে কিমান যে দয়া-মায়াহীন কাহিনী শুনিছিলো তাৰ লেখ-জোখ নাই। সৌভাগ্যক্ৰমে এই পৰিয়ালটোৱে তাৰ ওলোটাটোহে প্ৰমাণ কৰিলে। ল'ৰা-ছোৱালী কেইটিৰ আচৰণ অতি ভদ্ৰ আৰু মাক-বাপেক দুয়ো প্ৰথম শ্ৰেণীৰ মানুহ। সেইবাৰ মোৰ লগত বস্তু বাহানি বুলিবলৈ মাত্ৰ এয়াৰ-বেগ এটাহে আছিল। বোধকৰো মোৰ অৱস্থাটো বেছ পুতৌলগা হৈছিল। পৰিয়ালটোৱে তৎক্ষণাতে মোক তেওঁলোকৰে এজন কৰি ল'লে, তেওঁলোকৰ খোৱা-বস্তুৰ ভাগ মোকো দিলে। তেওঁলোকৰ জলকীয়া দিয়া জ্বলা 'পকোৰা'বোৰ খাই মোৰ নাগা জিভাই জুতি পোৱা নাছিল যদিও মোৰ প্ৰতি তেওঁলোকৰ মধুৰ ব্যৱহাৰে সেই ৰেল-ভ্ৰমণটোক এটা প্ৰমোদ ভ্ৰমণত পৰিণত কৰিছিল। তেওঁলোকৰ নাম মোৰ মনত নাই। আচলতে আমি পৰস্পৰে পৰস্পৰৰ সাহচৰ্যক ইমান সহজ আৰু স্বাভাৱিকভাবে গ্ৰহণ কৰিছিলো যে নাম ঠিকনা আদান-প্ৰদান কৰাৰ কথাটোৱেই আমাৰ মনত একেবাৰে নেখেলালে। কিন্তু সেই ৰেল ভ্ৰমণৰ স্মৃতি বৰ হেঁপাহেৰে মই আমৰণ বহণ কৰি থাকিম।

ধ্যান-ধাৰণাৰ প্ৰাচুৰ্যৰ বাবে দক্ষিণ ভাৰতৰ ওপৰত দেশখনে আগত বছৰ কেইটাত ক্ৰমে বেছিকৈ নিৰ্ভৰ কৰাৰ এটা নিশ্চিত সম্ভাৱনা আছে। দক্ষিণ ভাৰত, স্বাভাৱিকতে, এটা বৈচিত্ৰ্যপূৰ্ণ অঞ্চল। দক্ষিণ ভাৰতৰ বাহিৰে আন কোনখন ঠাইত এম জি ৰামচন্দ্ৰনৰ দৰে এজন কেৰলীয় আন এখন ৰাজ্য তামিলনাডুৰ মুখ্যমন্ত্ৰী হ'ব পাৰে, বা, গাইকোৱাড় বোলা এজন মহাৰাষ্ট্ৰীয় মানুহ দক্ষিণ ভাৰতৰ আটাইতকৈ নামী আৰু আটাইতকৈ জনপ্ৰিয় চিত্ৰ-তাৰকা ৰজনীকান্ত হ'বগৈ পাৰে? আকৌ, দক্ষিণ ভাৰত হৈছে ভাৰতত প্ৰৱেশ কৰা আটাইতকৈ প্ৰাচীন সভ্যতাৰো প্ৰতিনিধি আৰু এতিয়া বিদেশীলৈ ভালেখিনি ওলাই যোৱাৰ পিছতো বুদ্ধি-বৃত্তিৰ এটা বৃহৎ পুঁজি দক্ষিণ-ভাৰতত মজুত হৈ আছে। ইয়াৰ মানুহখিনিয়ে জাতীয় জীৱনত এটা বৰ অৰ্থপূৰ্ণ ভূমিকা ল'ব পাৰে; কেৱল তাকে পৰিপূৰ্ণভাৱে কৰাৰ বাটত তেওঁলোকৰ সাংস্কৃতিক অহমিকাই যেন বাধাৰ প্ৰাচীৰ এখন থিয় নকৰায় – তাকেহে আমি কামনা কৰিছো।

ভাৰতৰ সভ্যতা অতি পুৰণি আৰু হিন্দু ধৰ্ম তথা হিন্দু সভ্যতাই সম্ভৱতঃ পৃথিৱীৰ একমাত্ৰ প্ৰাচীন সভ্যতা যি আজিলৈকে বৰ্তি আছে। আৰু ভাৰতৰ সাৰুৱা মাটিয়ে পৃথিৱীৰ আটাইকেইটা প্ৰধান ধৰ্মমতকে জীপ দি ৰাখিছে। এই কথা নকলেও হ'ব যে ভাৰতে এনে কেইজনমান মহাত্মাক জন্ম দিছে – যি কেইজনৰ নাম সমগ্ৰ পৃথিৱীয়ে শ্ৰদ্ধাৰে সৈতে স্মৰণ কৰি আছে। কিন্তু ভৱিষ্যতে ভাৰতৰ বাবে কি সাঁচি থৈছে? প্ৰভুৰ প্ৰতি দাসৰ যি মনোবৃত্তি সেই মনোবৃত্তিক লালন কৰি অস্থ সংস্কৃতিটোৱে ৰাজত্ব ইয়াত চলি থাকিবনে? আৰু ভাৰতীয়বিলাকৰ নিৰাসক্তিৰ পৰম্পৰাটো – যিটোৱে তেওঁলোকক তেওঁলোকৰ চৌপাশে থকাবিলাকৰ প্ৰতি উদাসীন কৰি ৰাখিছে – সি কি অব্যাহত হৈ থাকিব আৰু ভাৰতৰ ভাগ্য নিৰ্দ্ধাৰণতো এটা ডাঙৰ ভূমিকা লৈ থাকিব? মানৱ জাতিৰ প্ৰতি ভাৰতৰ বৰঙণি বাৰু কি হ'ব? ইয়াৰ উত্তৰ স্থিৰ কৰাৰ দায়িত্বটো মই মোৰ এই লেখাটো যিসকলে পঢ়িবলৈ পাইছে, তেওঁলোকৰ প্ৰত্যেকৰে ওপৰত সঁপিলো।

পাদটীকাঃ

*এইটো এটা বিশ্লেষণাত্মক লেখা নহয়। ইয়াৰ দ্বাৰা মই দেশখনৰ এখন সৰ্বাত্মক ছবিও দাঙি ধৰিব খোজা নাই, আৰু পৃথিৱীৰ বৃহত্তম গণতান্ত্ৰিক দেশখনক ছাটি পেলোৱা অন্যায়-অসূয়াবোৰকো ঢাকিবলৈ চেষ্টা কৰা নাই। ই হৈছে এজন মানুহে নিজে সঞ্চয় কৰা কিছুমান ব্যক্তিগত অভিজ্ঞতা সম্পৰ্কে মনত পোষণ কৰা কেইটিমান অভিমত মাত্ৰ।* ■





# এজন নাগা ডেকাৰ ভাৰত-আৱিষ্কাৰৰ কাহিনী

এই সংখ্যা 'সূত্ৰধাৰ'ত আমি চাৰ্লচ চেছি নামৰ এজন ৩২ বছৰীয়া নাগা ডেকাৰ এটা বিশেষ প্ৰবন্ধ প্ৰকাশ কৰিছো। প্ৰবন্ধটোৰ লগতে লেখক-পৰিচিতি দিয়া হৈছে; গতিকে এই টোকাত সেই বিষয়ে দোহাৰিবৰ একো দৰকাৰ নাই। প্ৰায় এমাহৰ আগলৈকে চাৰ্লচ চেছিৰ নামটো পৰ্যন্ত মই শুনা নাছিলো। কিন্তু ঘটনা-ক্ৰমে তেওঁৰ লগত চিনাকি হোৱাৰ কেইদিনমানৰ ভিতৰতে এই নাগা ডেকাজনৰ মধুৰ ব্যক্তিত্ব আৰু গভীৰ প্ৰজ্ঞাই মোক এনেকৈ মুগ্ধ কৰিছে যে মোৰ হাতৰ আঙুলিৰ মূৰত লেখি শেষ কৰিব পৰা ঘনিষ্ঠ বন্ধুকেইজনৰ চুটি তালিকাখনত তেওঁকো স্থান দিবলৈ মই বাধ্য হৈছো। মই আশা কৰোঁ যে এই সংখ্যা 'সূত্ৰধাৰ'ত প্ৰকাশিত চাৰ্লচৰ প্ৰবন্ধটো পঢ়াৰ পিছত মোৰ দৰে আন বহুতেই এই মননশীল নাগা বুদ্ধিজীৱীজনৰ প্ৰতি শ্ৰদ্ধা-মিশ্ৰিত কৌতূহল অনুভৱ কৰিব।

খুশৱন্ত সিঙৰ মতে উত্তৰ-পূৰ্বাঞ্চলৰ পাহাৰী জনজাতিবোৰৰ ভিতৰত খাচিসকল দেখিবলৈ আটাইতকৈ ধুনীয়া, নাগাসকল আটাইতকৈ বন্ধুবৎসল আৰু মিজোসকল আটাইতকৈ প্ৰতিভাবান। খুশৱন্ত সিঙৰ এই পৰ্যবেক্ষণৰ লগত মই সম্পূৰ্ণ একমত – যদিও এই বিষয়ে মোৰ নিজৰো অলপ ক'ব লগা আছে। কলিকতাৰ 'আজকাল' নামৰ বাংলা দৈনিকৰ বিশেষ প্ৰতিনিধি হিচাপে উত্তৰ-পূৰ্বাঞ্চলৰ পাহাৰী ৰাজ্যবোৰত বহুবাৰ ভ্ৰমণ কৰাৰ সময়ত মই এই মানুহবোৰক ঘনিষ্ঠভাবে জানিবলৈ সুযোগ পাইছিলো। তেতিয়া মই 'আজকাল'ত এটা প্ৰবন্ধত লিখিছিলো যে উত্তৰ-পূৰ্বাঞ্চলৰ জনজাতীয় মানুহবোৰৰ ভিতৰত আটাইতকৈ কৰ্মঠ আৰু কৰ্তব্যপৰায়ণ হ'ল মিজোসকল; আটাইতকৈ ধোদ আৰু পৰিশ্ৰম-বিমুখ হ'ল খাচিসকল। নাগাসকল যে অতি বন্ধুবৎসল সেই কথা ময়ো ব্যক্তিগত অভিজ্ঞতাৰ পৰা আৱিষ্কাৰ কৰিছিলো, আৰু 'আজকাল'ত লেখা প্ৰবন্ধৰ বাহিৰেও 'অসম-বাণীত' প্ৰকাশিত 'চেচামাত এদিন' নামৰ প্ৰবন্ধতো মই সেই কথা উল্লেখ কৰিছিলো। কিন্তু মোৰ নিজৰ অভিজ্ঞতাৰ পৰা ধাৰণা হৈছিল যে নাগাসকলো খাচিসকলৰ দৰেই পৰিশ্ৰম বিমুখ। অন্ততঃ যিসকল শিক্ষিত নাগাই আজিকালি অফিচ-কাছাৰিত বিষয়া বা বাবু হিচাপে কাম কৰে তেওঁলোকে সমূলি কাম কৰিব নোখোজে। অৱশ্যে এই কথা কোৱা নিশ্চয় অনুচিত হ'ব যে এই বাবু শ্ৰেণীৰ নাগাই সমগ্ৰ নাগা সমাজৰ প্ৰতিনিধিত্ব কৰে। বৰং নাগা বুলিলেই এজন দৃঢ়-পেশী আৰু পৌৰুষ-দৃপ্ত মানুহৰ ছবিহে আমাৰ চকুৰ আগত ভাহি উঠে।

খুশৱন্ত সিঙে মিজোসকলক প্ৰতিভাবান বুলি কৈ উদাহৰণ স্বৰূপে মিজোসকলৰ সঙ্গীত প্ৰতিভাৰ কথা উল্লেখ কৰিছে। নিজৰ অভিজ্ঞতাৰ পৰা ময়ো ক'ব পাৰো যে মিজোসকলৰ সঙ্গীত-প্ৰীতি আৰু সঙ্গীত-প্ৰতিভা অসাধাৰণ। মই 'আজকাল'ত প্ৰকাশিত একাধিক প্ৰসঙ্গত এই বিষয়ে লিখিছো। কিন্তু উত্তৰ পূৰ্বাঞ্চলৰ পাহাৰী ৰাজ্যবোৰত ঘূৰি ফুৰোতে মই কাচিৎহে এনে মানুহ লগ পাইছিলো – যাক আধুনিক অৰ্থত বুদ্ধিজীৱী (intellectual) বুলি ক'ব পাৰি। একেবাৰে নাই বুলি নিশ্চয় ক'ব নোৱাৰি। শ্বিলঙৰ টেৰেঞ্চ কাজি বা আইজলৰ ডেঙ্গুনাৰ (দুয়োজনেই আই এ এছ বিষয়া) লগত ঘন্টাৰ পিছত ঘন্টা কথা পাতিও মোৰ আমনি নালাগে; তেওঁলোকৰ প্ৰজ্ঞা, অনুসন্ধিৎসা আৰু উদাৰ আধুনিক মনোভঙ্গীয়ে মোৰ মনত দকৈ ৰেখাপাত কৰি থৈছে। কিন্তু তথাপিতো এই কথা স্বীকাৰ কৰিবই লাগিব যে বুদ্ধিজীৱী বুলিলে আমি যি শ্ৰেণীৰ মানুহক বুজো তেনে শ্ৰেণীৰ মানুহৰ উদ্ভৱ হবলৈ এটা দীঘলীয়া বৌদ্ধিক পৰম্পৰা তথা ঐতিহ্যৰ দৰকাৰ, আৰু উত্তৰ পূৰ্বাঞ্চলৰ পাহাৰী ৰাজ্যকেইখনত তেনে পৰম্পৰা-সৃষ্টিৰ প্ৰক্ৰিয়া এতিয়াহে সূচনা হৈছে।

মই ভাবো যে এই পৰম্পৰা-সৃষ্টিত যিসকল লোকে আগভাগ লৈছে তেওঁলোকৰ ভিতৰত কহিমাৰ চাৰ্লচ চেছিৰ নাম অগ্ৰগণ্য।

চাৰ্লচৰ লগত মোৰ চিনাকি হয় মোৰ বন্ধু আৰু প্ৰতিবেশী বৈকুণ্ঠ গোস্বামীৰ যোগেদি বৈকুণ্ঠ এতিয়া কহিমাত ইউ এন আই-ৰ মেনেজাৰ)। এমাহমানৰ আগতে বৈকুণ্ঠই এদিন এজন নাগা ডেকাক মোৰ ওচৰলৈ লৈ আহিল। চিনাকি কৰি দিলে চাৰ্লচ চেছি বুলি। চাৰ্লচে কলেজৰ ছাত্ৰ হৈ থাকোতেই নাগালেণ্ড অবজাৰ্ভাৰ নামৰ এখন ইংৰাজী সাপ্তাহিক প্ৰকাশ কৰিছিল। এতিয়া তেওঁ কাকতখনক দৈনিক কৰিব খোজে। নতুন দৈনিক কাকতখনৰ উদ্বোধনী উৎসৱত তেওঁ কেন্দ্ৰীয় তথ্য মন্ত্ৰী অজিত কুমাৰ পাঁজাক আৰু লগতে অসমৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াক বিশিষ্ট অতিথি হিচাপে পাব খোজে। চাৰ্লচ মোৰ ওচৰলৈ আহিছিল এই সম্পৰ্কত মোৰ পৰা সহায় বিচাৰি। এনেকৈয়ে আমাৰ প্ৰথম পৰিচয় হ'ল। কিন্তু বন্ধুত্ব হ'ল তাৰ কেইদিনমানৰ পিছতহে।

দ্বিতীয়বাৰ চাৰ্লচ মোৰ ওচৰলৈ আহোতে সাপ্তাহিক নাগালেণ্ড অবজাৰ্ভাৰ কাকতৰ এটা সংখ্যা তেওঁ মোক পঢ়িবলৈ দিলে। কাকতখন হাতত লৈ পাত লুটিয়াওঁতেই চুটি সম্পাদকীয় প্ৰবন্ধটোৰ ওপৰত মোৰ চকু বৈ গ'ল – কাৰণ সম্পাদকীয়টোৰ বিষয়বস্তু আছিল নাগালেণ্ডত নাগামিজৰ ভৱিষ্যত। প্ৰবন্ধটো পঢ়িবলৈ মোৰ মাত্ৰ তিনি মিনিটমান সময় লাগিছিল। সম্পাদকীয় প্ৰবন্ধটোত এই কথাই কোৱা হৈছিল যে নাগামিজৰ নিচিনা এটা জগা-খিচুৰি বেবেৰিবাং ভাষা এখন ৰাজ্যৰ সংযোগী ভাষা হৈ থকাটো অতিশয় লাজৰ কথা আৰু এই ভাষাত কেতিয়াও কোনো উচ্চস্তৰৰ সাহিত্য সৃষ্টি হ'ব নোৱাৰে। গতিকে নাগাসকলে নাগামিজ পৰিত্যাগ কৰি উপজাতীয় নাগা ভাষাবোৰৰ বিকাশৰ কাৰণে চেষ্টা কৰিব লাগে।

এই কথা নিশ্চিত যে কোনো এটা বিশেষ নাগা উপভাষা সমগ্ৰ নাগা সমাজৰ কাৰণে কেতিয়াও গ্ৰহণ-যোগ্য নহ'ব। এনে অৱস্থাত নাগামিজৰ একমাত্ৰ বিকল্প হ'ল ইংৰাজী। কিন্তু দেশৰ অন্যান্য অঞ্চলৰ দৰেই নাগালেণ্ডতো সৰ্বসাধাৰণ মানুহৰ কাৰণে প্ৰচলিত শিক্ষা-ব্যৱস্থাত ইংৰাজী ভাষা-শিক্ষাৰ মান ইমান নিম্নগামী হৈছে যে ইংৰাজীক সংযোগী ভাষা হিচাপে ব্যৱহাৰ কৰাটো সাধাৰণ নাগা মানুহৰ কাৰণে সম্ভৱ নহ'ব যেন লাগে। আনকি চাৰ্লচেও তেওঁৰ লগত লৈ অহা ছেমা গোষ্ঠীৰ নাগা মেনেজাৰজনৰ লগত নাগামিজতহে কথা পাতিব লগা হৈছিল, কাৰণ ছেমা ডেকাজনৰ ইংৰাজীৰ জ্ঞান আছিল তেনেই সীমাৱদ্ধ। তদুপৰি নাগাসকলে ইংৰাজীত উচ্চস্তৰৰ সাহিত্য সৃষ্টি কৰিবলৈ আশা কৰিব পাৰেনে?

মোৰ এইবোৰ প্ৰশ্নৰ উত্তৰত চাৰ্লচে একে আষাৰে কলে যে যদিও তেওঁৰ নিজৰ কাকততেই নাগামিজৰ বিৰুদ্ধে মত প্ৰকাশ কৰা হৈছে (চাৰ্লচ কাকতখনৰ সম্পাদক নহয়), কিন্তু তেওঁ নিজে সম্পাদকীয় প্ৰবন্ধটোৰ বক্তব্য একেবাৰেই সমৰ্থন নকৰে। বৰং তেওঁ নিজে বিশ্বাস কৰে যে নাগালেণ্ডত নাগামিজৰ কোনো বিকল্প নাই, আৰু এই ভাষাক উন্নত সাহিত্য-সৃষ্টিৰ বাহন হিচাপে গঢ়ি তুলিব পৰাৰ যথেষ্ট সম্ভাৱনা আছে।

পাঠকসকলে যেন ভুল নকৰে যে চাৰ্লচে নাগামিজৰ সপক্ষে কথা কোৱাৰ কাৰণেহে মই তেওঁৰ প্ৰতি আকৃষ্ট হ'লো। মই তেওঁৰ প্ৰতি আকৃষ্ট হলো তেওঁৰ যুক্তিবাদিতা, পাণ্ডিত্য আৰু চিন্তাৰ স্পষ্টতাৰ কাৰণে। নাগামিজৰ বিষয়ে কবলৈ গৈ চাৰ্লচে মোক কৈ শুনালে – ইংৰাজী ভাষাই সকলো ভাষাৰ পৰা শব্দ-সম্ভাৰ গ্ৰহণ কৰি কেনেকৈ আজি আন্তৰ্জাতিক ভাষাত পৰিণত হৈছে আৰু আনহাতে বিশুদ্ধতাবাদী ফৰাচী ভাষা কেনেকৈ কেৱল ফ্ৰান্সৰ ভাষা হৈ ৰ'ল। নাগামিজৰ সূত্ৰ ধৰি চাৰ্লচে মোক গোটেই পৃথিৱীখন ফুৰাই আনিলে। মই বুজিলো যে দুৰ্গম পাহাৰী ৰাজ্য নাগালেণ্ডত নতুন জীৱনৰ সাধনা আৰম্ভ হৈছে; তাত এক নতুন শ্ৰেণীৰ মানুহে প্ৰথমবাৰৰ কাৰণে আত্মপ্ৰকাশ কৰিছে। আমি এতিয়া কেৱল পশ্চিমলৈকে কাণ পাতি নাথাকি আমাৰ পূবৰ ফালে পিৰালীৰ কাষতে কি ঘটিছে তাৰো খবৰ লোৱাৰ সময় হ'ল।

## আল্‌ফাক নিশ্চিহ্ন কৰিবলৈ এটা বিশেষ সূত্ৰ আৰু এটা নতুন কৌশল

# হিতেশ্বৰ শইকীয়াৰ গণবন্ধু হোৱাৰ যোগ্যতা কিমান?

ৰিপুঞ্জয় গগৈ

আমেৰিকাৰ সামৰিক বিষয়াসকলক নিয়মিত ভাবে গিয়াপ, মাওজেদং, গুৱেভাৰা আদি গেৰিলা যুদ্ধৰ যোদ্ধা আৰু তাত্ত্বিকৰ ৰচনাবোৰ পঢ়িবলৈ দিয়া হয়। ইয়াৰ দ্বাৰা পেন্টাগনে কিদৰে আমেৰিকান সাম্ৰাজ্যবাদৰ স্বাৰ্থত আঘাত হনা তৃতীয় বিশ্বৰ গেৰিলা বিপ্লৱীসকলক নিশ্চিহ্ন কৰিব পাৰি তাৰ কৌশল আয়ত্ত কৰে। আমাৰ প্ৰবন্ধৰ শিৰোনামাই পেন্টাগনৰ আৰ্হিত আমাৰ চৰকাৰক আল্‌ফাক ধ্বংস কৰা সূত্ৰ-কৌশলৰ যোগান ধৰা দাবী কৰে যদিও আমি তেনে আৰ্হি সূত্ৰ-কৌশল চৰকাৰক আগবঢ়াবলৈ অসমৰ্থই নহয় অনিচ্ছুকো। পেন্টাগনৰ সমুখত কিউবা, বলেভিয়া, ভিয়েতনাম আদিৰ গেৰিলা বিপ্লৱীয়ে যি ভাবুকি সৃষ্টি কৰিছিল ঠিক সেইদৰে অসমৰ আল্‌ফাই সঁচা বিপ্লৱৰ উদ্দেশ্য–আঁচনিৰে আমাৰ চৰকাৰৰ সৈতে যুদ্ধ-সংঘৰ্ষত লিপ্ত হোৱাহেঁতেন আমি আল্‌ফাক নিশ্চিহ্ন কৰাতকৈ চৰকাৰকহে নিশ্চিহ্ন কৰা সূত্ৰ-কৌশল উদ্‌ভাৱনত নিজক নিয়োগ কৰি গৌৰৱান্বিত হলোহেঁতেন। কিন্তু আল্‌ফাৰ যুদ্ধত সেয়া সুদূৰপৰাহত।

এচাম ব্যক্তিয়ে যেতিয়া অহোৰাত্ৰি হিতেশ্বৰ শইকীয়াক একমুখে 'গণশত্ৰু' আখ্যাৰে বিভূষিত কৰি আছে সেই মুহূৰ্তত আমি তেওঁক গণবন্ধুৰ আসনত বহুওৱা কাৰবাৰ কৰিবলৈ ওলাইছোনেকি? তাতে আল্‌ফাক নিঃশেষ কৰা কৌশল ৰচনাৰ ইংগিতেৰে! প্ৰিয় পাঠক, আপুনি ধৈৰ্য সহকাৰে আপোনাৰ কৌতূহল-সংশয় নিৰসনৰ বাবে প্ৰবন্ধৰ শেষলৈকে বাট চাওক।

হয়, আমি আল্‌ফাৰ ৰণকৌশলৰ দুৰ্ঘোৰ নিন্দুক। কিন্তু আমি সেইবুলি এইদৰেও নাভাবো যে আল্‌ফা মানে কেৱল অসমৰ এচাম মানসিক বিকাৰগ্ৰস্ত উদণ্ড যুৱকৰ উত্তাওলি। আমি নিজেও যুৱক আৰু আল্‌ফাৰ বহু যুৱকৰ ঘনিষ্ঠ সান্নিধ্যলৈ অহাৰ বাবে আল্‌ফাক ভালকৈ বুজো। 'স্বাধীন অসমৰ' দাবীৰ নেপথ্যত থকা সমস্যাবোৰ আমাৰ নিজৰো সমস্যা। অসমত আল্‌ফাৰ উত্থান নিতান্ত এক ইতিহাস বিৰুদ্ধ দুৰ্ঘটনা নহয়। বিভিন্ন আত্মঘাতী, অপঁইতা বিপ্লৱী কাৰ্যকলাপৰ বাবেই আল্‌ফাই এটা সময়ত নিজকে ৰাইজৰ আগত ভ্ৰমাত্মক ৰূপত উপস্থাপন কৰিলেও ইয়াৰ এক বস্তুগত আৰু বিষয়গত ভিত্তি নথকা নহয়। আধুনিক শিক্ষা, যোগাযোগ, পুঁজিবাদী সমাজ ব্যৱস্থাই প্ৰসৰ কৰা উৎকট ভোগবাদী জীৱন ধাৰাৰ মুকলি প্ৰদৰ্শনৰ বিজ্ঞাপনে – আজি আমাৰ তৃতীয় বিশ্বৰ যুৱকবোৰৰো তীব্ৰ ভোগাকাংক্ষা জগায়। (সাম্প্ৰতিক আমাৰ মহানগৰবোৰত সঘনে সংঘটিত হোৱা যুৱ-ছাত্ৰৰ চুৰি ডকাইতিবোৰো বহুলাংশে ইয়াৰ ফলশ্ৰুতি। কিছু আল্‌ফাই সহজে ধন ঘটা পৰম্পৰাৰ প্ৰেৰণা।) ভোগাকাংক্ষা চৰিতাৰ্থৰ বাবে তেওঁলোকে স্বপ্ন দেখে। কল্পনাত মগ্ন হয় – অশান্ত যৌৱন। কিন্তু নিৰ্মম বাস্তৱতাই তেওঁলোকৰ আশা আকাংক্ষাবোৰক কেনে নিকৰুণ ভাবে ইমান সহজে দুঃস্বপ্নলৈ পৰিণত কৰে! আকৌ অন্তহীন স্বপ্ন দেখাৰ আৰু অসম্ভৱক সম্ভৱ কৰাই হৈছে যুৱ ধৰ্ম। গতিকে এই অবাঞ্ছিত অৱস্থা অৱসানৰ বাবেই অস্থিৰ বিদ্ৰোহী হৈ উঠে দুঃসাহসী দুৰন্ত যৌৱন। অসমত আল্‌ফাৰ উত্থানৰ অন্যান্য বিভিন্ন কাৰণৰ মাজত এই উল্লিখিত কাৰণো এক অন্যতম কাৰণ। আল্‌ফাই জন্মতে বহণ কৰা কেতবোৰ বিকলাংগ বিপ্লৱী মানসিকতা আৰু সংগঠনলৈ সুমুৱাই অনা অপহুতা-অসুৰা কেতবোৰৰ দৌৰাত্ম্যৰ বাবে যিদৰে যোৱা কেইবছৰত ৰাজ্যখনত ধ্বংস যজ্ঞ চলিলে, সেইদৰে তাৰ সমস্ত আসুৰিকতা আৰু বিপ্লৱী ব্যৰ্থতাৰ সুযোগ লৈ সুচতুৰ (?) শইকীয়া চৰকাৰে তাক অসমত প্ৰায় অপ্ৰাসংগিক কৰি তুলিলে। এইবাবেই হয়তো তেওঁ বহুতৰ বাবে গণশত্ৰু! ইয়াৰ বিপৰীতে আল্‌ফাক অপ্ৰাসংগিক কৰি অসমক আল্‌ফাৰ অৰাজকতাৰ পৰা মুক্ত কৰিলে বুলিয়েই হিতেশ্বৰ শইকীয়াক আমি একমুখে গণবন্ধু আখ্যা দিব নোৱাৰো। এইয়া নিতান্ত মোচাহেবৰ স্তাৱকতা। কাৰণ আজি ব্যক্তি বা সংগঠন হিচাপে আল্‌ফা অপ্ৰাসংগিক হৈ পৰিলেও আল্‌ফাই উত্থাপন কৰা সমস্যাৰ আজিও অন্ত পৰা নাই। ক্ৰমশঃ বৃদ্ধি পোৱা নিবনুৱা যুৱকৰ স্বপ্ন ভংগৰ ক্ষোভ-ক্ৰোধে অতি কমদিনৰ ভিতৰতে আল্‌ফাতকৈ শতগুণে শক্তিশালী ৰূপত বিস্ফোৰণ ঘটি চৰকাৰৰ সমস্ত কৌশল, সৈন্যবাহিনী সকলোকে ব্ৰহ্মপুত্ৰ-বংগোপসাগৰত নিক্ষেপ কৰিব। প্ৰচণ্ড সৃষ্টিশীল ক্ষমতা সম্পন্ন যুৱ শক্তিক উৎপাদনত ব্যস্ত নাৰাখিলে একো সৃষ্টি কৰিবলৈ নাপালে (বিয়াখন পতাও য'ত সমস্যা!) অন্তহীন ধ্বংস যজ্ঞত প্ৰবৃত্ত হ'ব তেওঁলোকৰ সৃষ্টিশীল ক্ষমতা। আমাৰ যুৱ শক্তিক উৎপাদনত ব্যস্ত ৰাখিব পাৰিলেই (নায্যখিনি দি) বৰ্তমান আৰু ভৱিষ্যতৰ বাবে আল্‌ফাৰ দৰে শক্তি নিঃশেষ হ'ব। আৰু ইয়াকে কৰিব পাৰিলেই (আলাউদ্দিনৰ চাকিৰে নহয়) শইকীয়া দেউক গণশত্ৰু বোলা সকলৰ মুখত চূণ-ছাই সানি তেওঁ তৰ্কাতীত ভাবে গণবন্ধু হ'ব পাৰিব। প্ৰকৃত গণবন্ধু হোৱাৰ এইয়া শইকীয়াৰ কঠিন পৰীক্ষা অথচ সোণালী সুযোগ। আৰ্থ-সামাজিক দিশত ৰাজ্যখনৰ আমূল পৰিবৰ্তনৰ আন দীৰ্ঘম্যাদী সকলো আন্দোলন-আঁচনিৰ সম্ভাৱনাৰ কথা অস্বীকাৰ নকৰিও আহক এই মুহূৰ্তত কিছু প্ৰয়োগবাদী (Pragmatic) চিন্তা কৰো।

### আল্‌ফাক নিঃশেষ কৰি কেনেকৈ হ'ব পাৰি গণবন্ধু?

আজি কিছুদিনৰ পূৰ্বে শ্ৰদ্ধেয় হোমেন বৰগোহাঞিদেউৱে 'জনক্ৰান্তি'ৰ 'সৰৱ চিন্তা'ত আমাৰ মন্ত্ৰীসকলৰ কেৱল চাকৰি দিয়াই কাম নেকি বুলি প্ৰশ্ন কৰি মন্ত্ৰীসকলে যুৱক সকলৰ আন কৰ্ম সংস্থানৰ বাবে সৃষ্টিশীল ৰচনাত্মক চিন্তা-চৰ্চা নকৰে বুলি অভিযোগ তুলিছিল। তেওঁৰ ৰচনাখনত ভয়ংকৰভাবে বৃদ্ধি পোৱা কৰ্মসংস্থানহীন যুৱকে চাকৰি বিচাৰি কিদৰে তেওঁৰ দৰে নিৰীহ বুদ্ধিজীৱীবো শান্তি হৰণ কৰিছে তাক উল্লেখ কৰিছে। আল্‌ফাৰ অস্ত্ৰৰ জন্‌জননি বন্ধ কৰা পৰ্যায়ৰ তথাকথিত আল্‌ফা সমস্যা সমাধান কৰি চৰকাৰে দেশত শান্তি সমৃদ্ধিৰ কথা ঘোষণা কৰিলেও বাস্তৱিকতে যে যুৱক সকলক কৰ্ম সংস্থাপনৰ মাজেদি সৃষ্টিশীল কামত নিয়োগ নকৰা পৰ্যন্ত কেৱল বৰগোহাঞি দেউৰ দৰে বুদ্ধিজীৱীৰ শান্তি হৰণেই নহয় আন সমস্যাহীন স্বচ্ছন্দ জীৱন-যাপন কৰা সকলৰো যে শান্তি এটা সময়ত চিৰতৰে বিদায় ল'ব এই কথা আমাৰ লগতে চৰকাৰেও ভাবিবনে? এনে বৰ্তমান ভৱিষ্যতত চৰকাৰে এই সকলক চম্ভালিবলৈ গৈ আন একো সৃষ্টিশীল কামৰ বাবে আহৰি নাপাব। নিতৌ জ্বলি থাকিব শইকীয়া মন্ত্ৰীসভা গঠনৰ পাছতেই আল্‌ফাই সংঘটিত কৰা অপহৰণ ঘটনাৰ সময়ৰ দৰে অশুভ-অশান্ত ৰুদ্ধশ্বাসৰ দুঃসময়। ইয়াত লাভ হ'ব মাথো বিপ্লৱৰ ৰোমাঞ্চকৰ বাতৰিৰে বেপাৰ কৰা কেতবোৰ আধাকেচেলুৱা বিপ্লৱী কাকত বুদ্ধিজীৱীৰ, পুলকিত হ'ব এডভাঞ্চাৰৰ উপাদান থকা বাতৰি পঢ়ি শব্দ ড্ৰাগছৰ নিছা অনুভৱ কৰা মৌলিক সমস্যাহীন মধ্যশ্ৰেণী। বিভ্ৰান্ত হ'ব সাধাৰণ ৰাইজ। ইয়াত আমিবোৰ? হয় আমি নিজেই কৰ্মসংস্থাপনৰ উপায় উদ্ভাৱন কৰিব লাগিব। ইয়াৰ বাবে 'ৰাইজৰ চৰকাৰ'ক যিমান দূৰলৈকে 'ৰাইজৰ চৰকাৰ' বুলি প্ৰতিপন্ন কৰিব পাৰি সিমান দূৰলৈকে ব্যৱহাৰ কৰিব লাগিব। ৰাজ্যখনৰ আন সকলো ঔদ্যোগিক কাৰ্যকলাপ অব্যাহত ৰাখিও আমি অসমীয়া যুৱকে খেতি কৰি, পশুপালন কৰি, মাছ পুহি নিজক উৎপাদন কাৰ্যত ব্যস্ত ৰখাৰ মাজেদি কৰ্ম সংস্থাপনৰ দিহা কৰিম। ইয়াক টমাছ মুৰহঁতৰ ইউটোপিয়ান তত্ত্বৰ নতুন সংস্কৰণ আখ্যাৰে নভোমণ্ডলত বিচৰণকাৰী সকলে অলীক অবাস্তৱ বুলি উৰুৱাই দিব খুজিলেও আমি খেতিয়কৰ অভিজ্ঞতাৰে এখন আঁচনিৰ খচৰা দাঙি ধৰিব খুজিছো। লগতে প্ৰমাণ কৰিব খুজিছো যে চৰকাৰৰ ওচৰত দাঙি ধৰা এই আঁচনিৰে আমি যমৰ ওচৰত সন্তানৰ প্ৰাণ ভিক্ষা কৰিব খুজিছোনে – বাস্তৱিকতে শইকীয়া দেউক নিজকে গণবন্ধু ৰূপে প্ৰতিপন্ন কৰাৰ সুযোগ দিছো! আমাৰ পাঠকক এই প্ৰসংগত এই কথাও সোঁৱৰাই যোৱা ভাল যে কোনো সৃষ্টিশীল বিকল্প দাঙি নধৰাকৈয়ে চৰকাৰখনক আমি অহোৰাত্ৰি দুৰ্ঘোৰ নিন্দাৰে নিজৰ বিকৃত মানসিকতা চৰিতাৰ্থ কৰি তথাকথিত 'ৰাইজৰ পক্ষত' থাকি বিপ্লৱী মেজাজ প্ৰদৰ্শন কৰা যিদৰে পক্ষপাতী নহয় সেইদৰে তথাকথিত বৰলোক বা ৰজাঘৰীয়া সকলক প্ৰশংসা নকৰিলে মন নভৰা সামন্তীয় মানসিকতাও (ভাষ্য-চানক্য সেন) পোষকতা নকৰো।

প্ৰস্তাৱিত আত্মনিয়োজন – কৃষি ক্ষেত্ৰ উন্নয়ন আৰু সম্প্ৰসাৰণ – 'অসম এখন কৃষি প্ৰধান ৰাজ্য' – এই ক্লাচিক বাক্যশাৰী আজি কুৰি শতিকাৰ অন্ততো বিশেষ পৰিবৰ্তন হোৱাৰ কোনো সবল ইংগিত নাই। দেশখনৰ লগতে আমাৰ ৰাজ্যখনত কেতবোৰ উদ্যোগৰ বিকাশ ঘটিলেও উদ্যোগৰ ক্ষেত্ৰত কৰ্মসংকোচন বা তল বন্ধ হোৱা ঘটনা (নামৰূপৰ সাৰ কাৰখানাত যিটো সম্ভাৱনা আছে।) আজি ভাৰতবৰ্ষৰ বিকাৰগ্ৰস্ত অৰ্থনীতিৰ এক ফলশ্ৰুতি হিচাপে দেখা দিছে। যোৱা কেইটামান বছৰত ভাৰতৰ পুঁজিৰ লগত বহুজাতিক নিগমবোৰৰ পুঁজি লগ্ন হোৱাত (প্ৰতিবছৰে এই নিগমবোৰৰ বিনিয়োগ বহু হাজাৰ কোটি টকাকৈ বৃদ্ধি পাইছে।) সেই নিগমবোৰে অধিক মুনাফা লুণ্ঠনৰ ধান্দাত উদ্যোগ ক্ষেত্ৰলৈ উন্নত প্ৰযুক্তি বিদ্যা আমদানিৰে অতি দ্ৰুত গতিত কম শ্ৰমিক নিয়োজনেৰে (অটমেচন) অধিক উৎপাদনৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। উদ্যোগখণ্ডৰ পৰা দুৰন্ত গতিত বিতাড়িত হোৱা অথবা তাত নিয়োগৰ সুবিধা নোপোৱা শ্ৰমিক-যুৱক কৃষিখণ্ডত নিয়োজিত হোৱাৰ কোনো বিকল্প নোহোৱা হৈছে। অৱশ্যে কৃষিখণ্ডলৈও এই বহুজাতিক নিগমৰ জান্তৱ হাতোৰা সম্প্ৰসাৰিত হৈছে। কিন্তু সিহঁতৰ শোষণ-শাসনৰ নেটৱৰ্কে সহজে সমস্ত কৃষিক্ষেত্ৰ দখল কৰি লোৱাত কেতবোৰ বাস্তৱ অসুবিধাৰ বাবে এইখণ্ডত আমাৰ চৰকাৰে কেতবোৰ স্বাধীন সিদ্ধান্তৰে উৎপাদন বৃদ্ধিৰ লগতে কৰ্মসংস্থানৰ দিহা কৰিব পাৰে। আকৌ আমাৰ ৰাজ্যখনত খনিজ তেলেৰে যি প্ৰধান উদ্যোগটো চলি আছে এই উদ্যোগৰো মূল কেঁচামাল খনিজ তেল ৩০-৩৫ বছৰৰ পাছত অন্ত পৰাৰ সম্ভাৱনা আছে। ১০-১৫ বছৰৰ পাছতেই প্ৰাকৃতিক গেছো শেষ হ'ব পাৰে। এই অৱক্ষয়ৰ লগতে ইয়াৰ লগত সংশ্লিষ্ট আন উদ্যোগ বন্ধ হোৱাৰো সম্ভাৱনা আছে। এই অৱস্থাত 'ৰাজ্যখনৰ কৃষিখণ্ড উন্নয়ন এটা অতি প্ৰয়োজনীয় দাবী'। আমি এই ক্ষেত্ৰত সৰ্বভাৰতীয় অৰ্থনৈতিক প্ৰেক্ষাপটক উপেক্ষা নকৰিও মূলতঃ আমাৰ ৰাজ্যখনলৈ দৃষ্টি ৰাখিয়েই চিন্তাখিনি কৰিছো। অষ্টম পৰিকল্পনাত ভাৰত চৰকাৰে নিয়োগত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে। কিন্তু ইয়াৰ বিপৰীতে দেশখনত চলি থকা কৰ্মসংকোচনৰ যি বাস্তৱতা তাত এই নিয়োগক প্ৰত্যাহ্বান জনোৱাই স্বাভাৱিক। এই অৱস্থাত বছৰি দহ নিযুত লোকৰ কৰ্ম সংস্থাপনৰ আঁচনিৰ প্ৰতিশ্ৰুতি! ইয়াতকৈ শ্ৰুতিমধুৰ সাধু কি হ'ব পাৰে? অষ্টম পৰিকল্পনাত কৃষিখণ্ডক মুঠ বিনিয়োগৰ তৃতীয় স্থানত ৰাখি মুঠ খৰচৰ ১৮.৬৫% ধাৰ্য কৰা হৈছে। ইয়াত আমাৰ ৰাজ্যখনে কিমান অংশ পাব? অষ্টম পৰিকল্পনাত আমাৰ অসমে ৭৯১৩ কোটি টকা বিচৰাৰ বিপৰীতে ৪৫৬২ কোটি টকা ধাৰ্য কৰা হৈছে। ইয়াৰ বিপৰীতে গুজৰাট ১০,৫০০ কোটি আৰু উৰিষ্যাই ১০,০০০ কোটি টকা লাভ কৰিছে। এই ছবিখনে এই কথা স্পষ্ট কৰে যে আমাৰ প্ৰস্তাৱিত কৃষিখণ্ড বিকাশৰ বাবে প্ৰয়োজনীয় পুঁজি কেন্দ্ৰৰ পৰা উচিত ভাবে লাভ কৰাৰ সম্ভাৱনা কম। যোৱা কিছুদিন ৰাজ্যখনৰ প্ৰাপ্য তেলৰ ৰয়েলিটিৰ টকা কেইবা শ কোটিও (৩৫০ কোটি) পোৱা নাই। এই অৱস্থাত এইয়া 'কেন্দ্ৰৰ ঔপনিৱেশিক শোষণ' বোলা 'অপবাদ-সাধুকথাক' অপবাদ বা সাধুকথা নহয় বুলি প্ৰমাণ কৰিবৰ বাবে কেন্দ্ৰক ৰাজ্য চৰকাৰে হেঁচা দিয়াৰ অতীব প্ৰয়োজন আছে। নহলে কেন্দ্ৰৰ এনে 'মতলবী নীতিৰ' বাবে স্বাধীন অসমৰ প্ৰাসংগিকতাই পুনঃ মূৰ দাঙি উঠিব। আমাৰ প্ৰস্তাৱিত আঁচনি বাস্তবায়িত কৰিবৰ বাবে কেন্দ্ৰৰ পৰা আমাৰ ৰাজ্য চৰকাৰে প্ৰাপ্য ধন আদায়ৰ বাবে এঘৰি যুঁজাৰ প্ৰয়োজন আছে। বিত্তীয় দিশত ৰাজ্য চৰকাৰে অধিক কৰ্তৃত্ব দাবী কৰিব পৰাটোৱেই ৰাজ্যখনৰ উন্নয়নৰ প্ৰাৰম্ভিক চৰ্ত। চাৰকাৰীয়া আয়োগৰ চুপাৰিছ অনুসাৰে কেন্দ্ৰ-ৰাজ্যৰ মাজৰ ক্ষমতা বন্টনত ৰাজ্য চৰকাৰে সম্পূৰ্ণ বিত্তীয় কৰ্তৃত্ব লাভ কৰাত জোৰ দিব লাগিব।

১৯৯০ চনত এল চি জৈনৰ নেতৃত্বত গঠিত জৈন কমিটিয়ে অসমৰ অৰ্থনীতি উন্নয়নৰ সম্পৰ্কে এক অনুসন্ধান চলাই যি ৰিপোৰ্ট দাখিল কৰিছিল তাত অসমে বছৰি ৭০০ কোটি টকাৰ খাদ্য দ্ৰব্য ৰাজ্যখনৰ বাহিৰৰ পৰা অনাৰ কথা উল্লেখ কৰিছিল। এই সম্পৰ্কে বহুতে অভিযোগ কৰাৰ দৰে এইয়া বহিৰাগতখিনিয়ে খোৱা অতিৰিক্ত খৰচ হলেও অসমে বছৰি ১০ লাখ টনতকৈ অধিক যি চাউল আমদানি কৰে সেই ধন (পৰিবহণৰ খৰচো আছে।) যদি অসমৰ উৎপাদিত শস্যৰে ৰাখি থ'ব পৰাহেঁতেন সেই বৃহৎ পৰিমাণৰ ধনৰ গৰাকী অসম হ'লহেঁতেন। আমাৰ এই অৱস্থাত ৰাজ্যখনৰ পৰা অষ্টম পৰিকল্পনাৰ শেষত তিনি হাজাৰ কোটি টকা ওলাই যোৱাৰ সম্ভাৱনা আছে। জৈন কমিটিৰ পৰা অসমে কৃষি অৱস্থাৰ কথা গম পালে ঠিকেই, কিন্তু সেই কমিটিয়ে আগবঢ়োৱা পৰামৰ্শাৱলী – বহুতৰপীয়া খেতিত গুৰুত্ব দিয়া, কৃষি সম্বন্ধীয় ঋণৰ ব্যৱস্থা কৰা, কৃষি উন্নয়নৰ ব'ৰ্ড গঠন কৰা, বান নিয়ন্ত্ৰণ কৰা – আদি কথা নিতান্ত তত্ত্ব পৰামৰ্শতে আৱদ্ধ এখন অকাৰ্যকৰী আঁচনি হৈ ৰ'ল। এই ব্যৰ্থতাৰ পাছত আমি দাঙি ধৰিব বিচৰা আমাৰ প্ৰস্তাৱিত আঁচনি হৈছে – কৃষিখণ্ডত নিয়োজিত কৃষকক (নিবনুৱা যুৱকক) চৰকাৰী দৰ্মহা দিয়া পদ্ধতিৰে একোজন চৰকাৰী চাকৰিয়ালৰ স্বীকৃতিৰে চৰকাৰে এটা সম্পূৰ্ণ কৃষি বিভাগ (Agricultural Department) খুলিব লাগে। (আমি পূৰ্ণাংগ ৰূপত আঁচনিখন দাঙি ধৰিবলৈ সমৰ্থ হৈছো বুলি দাবী কৰিব নোৱাৰো। যোগ্যজনে ইয়াত পৰামৰ্শ আগবঢ়াব নিশ্চয়।) বহু মেৰপাক থকা কৃষি ঋণৰ সুবিধা যাচি চৰকাৰে দেশৰ নিবনুৱা সকলক কৃষিক্ষেত্ৰত আত্মনিয়োগ কৰিবলৈ কলে ৫% নিবনুৱা যুৱকো আগবাঢ়ি নাহে। কিয়নো একেখন সমাজত য'ত চৰকাৰী চাকৰি কৰা বা আন উদ্যোগত লগা এচামে নিশ্চিত অৰ্থনৈতিক নিৰাপত্তাৰে (মোহৰ অন্তত দৰমহা) স্বচ্ছল জীৱন যাপন কৰি থাকিব সেই একেখন সমাজৰেই একাংশ যুৱকে অনেক কষ্ট আৰু অৰ্থনৈতিক অনিশ্চয়তাৰে, অন্ধকাৰ ভৱিষ্যতেৰে খেতিয়ক হ'বলৈ মন নেমেলাই

স্বাভাৱিক। তাতে আজি য'ত ইলেক্ট্ৰনিক মাধ্যম বা বিভিন্ন শিক্ষা যোগাযোগেৰে ভোগবাদৰ যি অবিৰত বিজ্ঞাপন চলিছে তাত সময়ত দৰমহা পোৱাৰ দৰে এটা নিশ্চিত অৰ্থনৈতিক নিৰাপত্তা নথকা কৃষিক্ষেত্ৰই দৰিদ্ৰ যুৱককো আকৰ্ষণ নকৰে। সেয়ে আমি নিবনুৱা যুৱক সকলক ৰাজ্য চৰকাৰে প্ৰস্তাৱিত কৃষি বিভাগত নিয়োগ কৰি (দৰমহা পদ্ধতিৰে) নিবনুৱা সংস্থাপনৰ লগতে এটা লাভজনক উৎপাদন ব্যৱস্থা গঢ়ি তুলিবলৈ এই আঁচনিৰে আহ্বান জনাইছো। চৰকাৰেও অনুৎপাদনশীল ক্ষেত্ৰত (Non-productive) নিবনুৱা সংস্থাপনৰ দিহা কৰাতকৈ কৃষিৰ দৰে উৎপাদনশীল খণ্ডলৈ অধিক চকু দিব লাগে।

আমাৰ প্ৰস্তাৱিত দৰমহা পদ্ধতিত নিবনুৱা অসমীয়া যুৱকে কষ্ট কৰিবলৈ টান নাপাব বুলি আমি ১০০% গেৰান্টি দিব পাৰো। আজি অসমীয়াই কাম নকৰে বোলা তত্ত্ব অচল হৈছে। এই তত্ত্বৰ প্ৰবক্তা আজি অসমত শোষণ চলোৱা শক্তিবোৰৰ হাতধৰা লিগিৰা বুলি প্ৰমাণিত হৈছে। আজি হাজাৰ হাজাৰ অসমীয়া ডেকাই দৈনিক হাজিৰা কৰিছে। বিভিন্ন বাছ আস্থানত চাওক অসমীয়া ডেকাৰ ব্যস্ততা। নগৰত সুখ-স্বাচ্ছন্দ্যত থাকি নগৰীয়া মধ্যবিত্তৰ নিষ্কৰ্মা সন্তানবোৰক দেখিয়েই অসমীয়া কৰ্মবিমুখ বুলি ক'লে নিতান্তই সত্যৰ অপলাপ কৰা হয়। ডঃ হীৰেণ গোঁহাইৰ দৰে চিন্তাশীল ব্যক্তিয়ে তেওঁৰ 'সমাজ আৰু সমালোচনা' নামৰ গ্ৰন্থত অসমীয়াই কাম নকৰা – এই অপবাদটোৰ বিৰুদ্ধে কেইবাটাও তাৎপৰ্যপূৰ্ণ যুক্তি দাঙি ধৰিছে। ইয়াত কৰ্ম সংস্কৃতিৰো (work culture) কথা আছে। পুঁজিবাদী দেশবোৰত অমানুষিক অত্যাচাৰ আৰু প্ৰশাসনিক কঠোৰতাৰে এই কৰ্ম সংস্কৃতি গঢ়ি তুলিছিল। কিন্তু আমাৰ অসমত এই অৱস্থা বা ব্যৱস্থা নথকাৰ ফলত অসমীয়া কৰ্মবিমুখ হৈছে। কিন্তু আজি আমি যি অৱস্থা পাইছোহি তাত সুযোগ সুবিধা আৰু অৰ্থনৈতিক নিশ্চয়তা পালে তথাকথিত কৰ্মবিমুখ নিবনুৱা যুৱকৰ ৯৫% য়েই কাম কৰিবলৈ ইচ্ছুক বা বাধ্য হ'ব। প্ৰয়োজনত চৰকাৰে কেতবোৰ কঠোৰ অনুশাসনমূলক ব্যৱস্থাও ল'ব লাগিব। এই ব্যৱস্থৰে এবাৰ কৰ্মবিমুখ সকলক কৰ্ম-সংস্কৃতিৰ আওঁতাত সুমুৱাব পাৰিলেই তাৰ পৰা আৰু সুহজে ওলাই নাহে।

## অসমৰ কৃষি ভূমিৰ অৱস্থা আৰু সম্ভাৱনা

আমাৰ প্ৰস্তাৱিত আঁচনিখন ৰূপায়িত কৰিবলৈ যোৱাৰ আগতে বৰ্তমান অসমৰ কৃষি ভূমিৰ বিভিন্ন অৱস্থা চৰিত্ৰ আৰু ব্যৱহাৰৰ ছবিখন চকুৰ আগলৈ আনি লোৱা যুগুত। সেয়ে নিম্নোক্ত তালিকাখনত ইয়াৰ ছবিখন দাঙি ধৰা হৈছে।

| | |
|---|---|
| অসমৰ মুঠ মাটি কালি | ৭৮ লাখ ৫২ হাজাৰ হেক্টৰ। |
| কৃষি অনুপযোগী অনুৰ্বৰ মাটি | ১৫ লাখ ৪১ হাজাৰ হেক্টৰ। |
| খেতি কৰা মাটি | ২৭ লাখ ৬ হাজাৰ হেক্টৰ। |
| একাধিক বাৰ খেতি কৰা মাটি | ৭ লাখ ৫৪ হাজাৰ হেক্টৰ। |
| খেতি উপযুক্ত অথচ পতিত মাটি | ১ লাখ ৭২ হাজাৰ হেক্টৰ। |
| প্ৰতি হেক্টৰত ধান উৎপাদন | সৰ্বভাৰতীয় ১৪.৭ কুইন্টলৰ বিপৰীতে ১০.৪ কুইন্টল। |
| জলসিঞ্চনৰ ব্যৱস্থা | ১৫%ৰ তলত অথচ সম্ভাৱনা আছে ৮০% |
| ২ হেক্টৰতকৈ কম আয়তনৰ কৃষি গোট | ৮০% |

টোকা – এক হেক্টৰ = ৭ ১/২ বিঘা।

উৎস ঃ Statistical hand book, Assam 1988

৭ম সংখ্যাৰ 'ডেউকাৰ' তাৰকচন্দ্ৰ গোস্বামীকে ধৰি কেইবাজন লেখকৰ নিবন্ধ। (১৯৯২)

উল্লিখিত তালিকাৰ পৰা এই কথা স্পষ্ট যে – অসমৰ অতি কম মাটিত একাধিক বাৰ খেতি কৰা হয়। আকৌ খেতি কৰা মাটিত উৎপাদন আৰু জলসিঞ্চনৰ পৰিমাণ কম। সৰহ সংখ্যক কৃষি গোট ১৫ বিঘাতকৈ কম। খেতি নকৰি চন পেলাই থোৱা অনাবাদী মাটিও কেইবালাখ বিঘা আছে। উল্লেখ নকৰিলেও এই কথাও সৰ্বজনবিদিত যে আমাৰ খেতিত ৰাসায়নিক সাৰ প্ৰয়োগকে ধৰি উন্নত প্ৰযুক্তি বিদ্যাৰ ব্যৱহাৰ তেনেই সীমিত। এই ক্ষেত্ৰত আমাৰ প্ৰস্তাৱিত কৃষি আঁচনিখনৰে ক্ষুদ্ৰ কৃষিগোটবোৰ এক কৰি, ৰাসায়নিক সাৰ প্ৰয়োগ, ট্ৰেক্টৰ আৰু জলসিঞ্চন ব্যৱস্থাৰে এক সমবায়ৰ অন্তৰ্ভুক্তিৰে অধিক উৎপাদন কৰিব পৰা যাব। যিহেতু ৮০% মাটিৰ গোট ১৫ বিঘাতকৈ কম সেয়ে ইয়াত যৌথ ভাবে কাম কৰিবৰ বাবে সমবায় পদ্ধতি অপৰিহাৰ্য হ'ব। অৱশ্যে এই আঁচনিত এইবোৰ মাটি অন্তৰ্ভুক্ত কৰি সমবায় পদ্ধতিত খেতি কৰা কাৰবাৰটো তত্ত্ব হিচাপে সহজ হলেও বাস্তৱ ক্ষেত্ৰত সি মুঠেই সহজ নহ'ব। কৃষকৰ অভিজ্ঞতাৰে আমি জানো যে কৃষকৰ মাটিৰ প্ৰতি যি মোহ – তাত কৃষকে বহু উৎপাদনৰ প্ৰতিশ্ৰুতি পালেও সহজে কৃষি মাটি সমবায়ৰ বাবে এৰি নিদিব। ইয়াত চৰকাৰী কঠোৰ অনুশাসনৰ উপৰিও ৰাইজ চৰকাৰৰ উমৈহতীয়া সহযোগেৰে নতুন কৃষি বিভাগৰ আৰু সমবায় পদ্ধতিক জনপ্ৰিয় কৰি তুলিব লাগিব। যি দৃষ্টান্ত তাহানি সদ্য বিপ্লৱোত্তৰ ছোভিয়েতে কৰি দেখুৱাইছিল। (লেনিন-ষ্টেলিনে কুলাকবোৰৰ পৰা এনে বাধা পাইছিল।) অৱশ্যে এইবোৰে আমাৰ আঁচনি কাৰ্যকৰী কৰাত প্ৰধান বাধা হিচাপে থিয় নিদিব। কাৰণ আমাৰ আঁচনিৰ মূল নেটৱৰ্ক প্ৰধানকৈ ম্যাদী পট্টাৰ মাটিত নহয়। আমাৰ আঁচনিৰ নেটৱৰ্ক ক্ষেত্ৰ হৈছে – থলুৱা কৃষকে অধিক মোহ নেদেখুৱা বৃহৎ পৰিমাণৰ একছনীয়া মাটি আৰু হাজাৰ হাজাৰ বিঘা পতিত হৈ থকা নদী পাৰৰ/মাজৰ চৰ-চাপৰি মাটিবোৰ। সুবিধা অনুযায়ী ম্যাদী পট্টা মাটিবোৰক এই আঁচনিৰ অন্তৰ্ভুক্ত কৰিলেও তাৰ লাভ সম্পূৰ্ণ প্ৰস্তাৱিত কৃষি বিভাগত গচ্ছিত কৰা সম্ভাৱনা সদ্যহতে কম। কিন্তু চৰকাৰে এই আঁচনিৰ সফল ৰূপায়ণৰ বাবে ভূমি সংস্কাৰৰ প্ৰতিও গুৰুত্ব দিব লাগিব। অকৃষক আঢ্যবন্ত সকলৰ পৰা সকলো কৃষি মাটি অস্বচ্ছল কৃষকৰ হাতলৈ হস্তান্তৰ কৰিব লাগিব। এইবোৰ মাটি সমবায়ৰ অন্তৰ্ভুক্ত কৰিলে ২৫% মান লভ্যাংশ খেতিয়কক (মাটি গৰাকী) দিয়াৰ ব্যৱস্থা কৰিব লাগিব। আকৌ এই কৃষিবিভাগত মাটি গৰাকীৰ পৰিয়ালৰ লোকক নিয়োগ কৰাত আগস্থান দিয়াৰ ব্যৱস্থা থাকিব।

অসমৰ কৃষি মাটি ২০% তহে বানপানী হয়। আকৌ জুনৰ পৰা চেপ্তেম্বৰলৈকে এই চাৰিমাহ সময় বাদ দিলে ৰাজ্যখনত বছৰৰ বাকী ৮ মাহেই বানপানী মুক্ত অৱস্থা এটা থাকে। ইয়াৰ দ আৰু নিশ্চিত বানপানী অহা ভূমি ভাগত ক্ৰমে প্ৰভূত উৎপাদনক্ষম বড়ো ধান আৰু বাওধানৰ খেতি কৰিব পাৰি। বাকী নদীৰ পাৰৰ চৰ-চাপৰি অঞ্চলত (মোজুলীত এনে হাজাৰ হাজাৰ বিঘা মাটি আছে।) আলু, মাহ সৰিহয় আদি পৰ্যাপ্ত পৰিমাণে উৎপাদন কৰিব পৰা যাব। এইবোৰ কৃষিজাত দ্ৰব্যৰ প্ৰচুৰ উৎপাদনৰ ইমান সম্ভাৱনা আমাৰ ৰাজ্যখনত আছে যে ইয়াৰ দ্বাৰা ৰাজ্যখনৰ সিংহভাগ নিবনুৱা যুৱকক কৰ্মসংস্থাপন দিয়াৰ উপৰিও বহু কোটি টকাৰ খাদ্য দ্ৰব্য বাহিৰৰ বজাৰলৈ উলিয়াই দিব পৰা হ'ব। এইবোৰ সম্ভাৱনাৰ বিষয়ে চিন্তা-চৰ্চা কৰা শ্ৰদ্ধেয় মুকুল মহন্তই ভবাৰ দৰে ইয়াৰ দ্বাৰা আমাৰ ৰাজ্যখনে স্বতন্ত্ৰ অৰ্থনীতিৰ দ্বাৰা 'অসমীয়া টকা' প্ৰচলন কৰি এখন সমৃদ্ধিশালী ৰাজ্য গঢ়িব পৰা হ'ব। এইবোৰ কথাত কোনোবাই আল্ফাৰ গোন্ধ পাই জঁপিয়াই উঠিলে তেওঁলোকক ইয়াৰ ফলপ্ৰসু দিশটোলৈ চকু দিবলৈ কোৱা হ'ল।



ইতিমধ্যে ৰাজ্যখনৰ কেতবোৰ উদ্যোগী যুৱকে স্বচেষ্টাৰে আমাৰ প্ৰস্তাৱিত আঁচনিৰ সফলতাৰ ইংগিতেৰে কৃষি পামৰ দ্বাৰা প্ৰচুৰ পৰিমাণে কৃষিজাত দ্ৰব্য উৎপাদন কৰি বহুজনক সংস্থাপিত কৰিছে। এই ক্ষেত্ৰত নগাওঁৰ পৰা ৭৫ কিঃ মিঃ দূৰত্বত থকা কাকী মৌজাৰ 'কাকিনী কৃষিফাৰ্মৰ' কথা ক'ব পাৰি। ১৯৯০ চনত ৯০ জন যুৱকে ১০০০ বিঘা অনাবাদী মাটিত এই ফাৰ্ম স্থাপন কৰে। তেওঁলোকৰ উদ্যোগী মনোভাবৰ বাবে চেনিকলে তেওঁলোকক ১৭,০০০ টকা এককালীন ঋণ দিয়ে। তেওঁলোকে যোৱা দেড়টা বছৰতে এই ঋণ পৰিশোধ কৰিও ৩৫,০০০ টকা লাভ কৰে। ইয়াৰ উপৰিও তেওঁলোকে এই ফাৰ্মত চিত্ৰনলা, আনাৰস, মাটি মাহ আদিৰ খেতি কৰিছে। ফাৰ্মখনত মীন পালন, পশুপালন আদিৰো আঁচনি লৈছে। ইয়াৰ বিতং তথ্যপাতি চিত্ৰ ছবি ইতিমধ্যে প্ৰান্তিক, বুধবাৰ, জনক্ৰান্তি আদি কাকত আলোচনীত প্ৰকাশ পাইছে। আমাৰ প্ৰস্তাৱিত আঁচনিত চৰকাৰী সহযোগত এই কাকিনী কৃষি ফাৰ্মতকৈ অধিক দক্ষ ভাবে উৎপাদনৰ সম্ভাৱনা আছে। আজি দুমাহমানৰ পূৰ্বে যোৱা লোকপিয়লত অস্থায়ী ভাবে নিযুক্তি লভা সদ্য নিবনুৱা দল এটাক পাই আমাৰ এই প্ৰস্তাৱিত আঁচনিৰ কথা কওঁতে তেওঁলোকে এনে নিয়োজন হ'লে তাত বিনা দ্বিধাৰে-মহা উৎসাহেৰে কাম কৰাৰ আগ্ৰহ প্ৰকাশ কৰে। তেওঁলোকৰ সংগঠনৰ ১৫০০ নিবনুৱা যুৱকে এনে এখন আঁচনি কাৰ্যকৰী হ'লে নিবনুৱাৰ দুৰন্ত হাহাকাৰ এটাৰ পৰা মুক্ত হোৱা কথা আমাক কয়। আমাৰ আঁচনিৰ বাবে প্ৰয়োজনীয় মূলধন চৰকাৰেই বহণ কৰিব লাগিব। সুবিধাবাদী পথভ্ৰষ্ট আল্ফাৰ সদস্য কেতবোৰক সংস্থাপনৰ বাবে চৰকাৰে যি ১১০ কোটি টকা খৰচৰ আঁচনি ললে সেই ধন আমাৰ প্ৰস্তাৱিত আঁচনিত খটালে পানীত নপৰে। ই উৎপাদনত সহায়ক হব। মূলধনৰ বাবে ৰাজ্য চৰকাৰে চৰকাৰী চাকৰিয়াল আৰু অন্যান্য ঔদ্যোগিক প্ৰতিষ্ঠানবোৰৰ পৰা বৃত্তি কৰ কটা ব্যৱস্থা কৰিব লাগিব। ইয়াত লাখ লাখ নিবনুৱা সংস্থাপনৰ মুখত বৃত্তিকৰ দিওঁতাৰ কোনো ওজৰ আপত্তি নৰজিব। গণমত এই আঁচনিৰ পক্ষেহে থাকিব। এই আঁচনি কাৰ্যকৰী কৰিবৰ বাবে কেন্দ্ৰৰ পৰাও ৰাজ্য চৰকাৰে বিশেষ ধন পাবৰ বাবে সজোৰ দাবী কৰিব লাগিব। জ্যোতি বসুইতে কেন্দ্ৰৰ উদাসীনতাক আওকাণ কৰিও হালদিয়া শোধনাগাৰৰ বাবে নিজ চেষ্টাৰে ধন সংগ্ৰহ কৰি আজি তাৰ ২৬% অংশীদাৰ হৈ আমাৰ বাবে আৰ্দশ স্থাপন কৰিছে। আমাৰ ৰাজ্যচৰকাৰে নিজকে গণবাদী বুলি দাবী কৰিবলৈ হ'লে আৰু বিচ্ছিন্নতা ৰোধ কৰিবলৈ নিজেও উদ্যোগ লব লাগিব। নকলেও চলে সামৰিক বাহিনী অথবা বিচ্ছিন্নতাবিৰোধী বিজ্ঞাপনেৰে বিচ্ছিন্নতা ৰোধ কৰিব নোৱাৰি। অন্যাৰ্থত আল্ফাক নিঃশেষ কৰিব নোৱাৰি। সেয়ে সন্ত্ৰাসবাদক বিচ্ছিন্নতাৰ প্ৰৱনতা নিৰ্মূল কৰিবৰ বাবে বিজ্ঞাপনত খৰচ কৰা লাখ লাখ টকা এই আঁচনিৰ পুঁজিত গচ্ছিত কৰিব লাগে। চৰকাৰে মূলধনৰ বাবে কেৱল অসমীয়াৰ মাজতে বহু কোটি টকাৰ চেয়াৰ বিক্ৰী কৰিব পাৰে। সমবায় ভিত্তিত যি কৃষি বিভাগ গঢ়ি তুলিব লাগিব তাক পৰিচালনাৰ বাবে যিখিন মানুহ নিয়োগ কৰা হব তেওঁলোকৰ অকৰ্মণ্যতা বা দুৰ্নীতি গ্ৰস্ততাৰ বাবে যাতে প্ৰস্তাৱিত বিভাগটোৰ দেউলীয়া নহয় তালৈ আমি সততে সৰ্তক চকু দিব লাগিব। ইয়াৰ সঞ্চালনাৰ দায়িত্বত থকা ব্যক্তিসকলক সময়ে সময়ে গণতান্ত্ৰিক ভাবে নিৰ্বাচিত কৰিব লাগিব। ইয়াৰ তত্বাৱধানৰ দায়িত্ব অসমৰ অৰ্থনৈতিক দিশবোৰলৈ সততে চকু দিয়া আৰু ইয়াৰ আলোচনা সমালোচনাত সততে সৰৱ হোৱা-শ্ৰদ্ধেয় মুকুল মহন্ত, ডঃ হীৰেণ গোহাঁই, তাৰকচন্দ্ৰ গোস্বামী, যতীন্দ্ৰ কুমাৰ বৰগোহাঞি, ভুবন বৰুৱা আদি সামাজিক দায়বদ্ধতা থকা বিদগ্ধ পণ্ডিত অৰ্থনীতিবিদৰ হাতত তুলি দিব লাগিব। (এই সকলৰ উপৰিও অসমত এনে কেতবোৰ দক্ষ কৃষি, ভু -বা জলবৈজ্ঞানিক আছে যি আমাৰ ৰাজ্যত সুবিধা নাপাই অসম ব্ৰহ্মপুত্ৰ বানত উটি ভাহি থকা সময়ত আমাজান মিচিচিপি আদি বিদেশী নদীত নিয়ন্ত্ৰণৰ উপায়-আঁচনি উদ্ভাৱন কৰি সেই দেশবোৰৰ উপকাৰ সাধিছে) আমাৰ আঁচনিৰ মুখত কোনোৱে সাম্প্ৰতিক চৰকাৰী খণ্ডৰ শোচনীয়া অৱস্থা (HMT শোধনাগাৰ আদি চৰকাৰী খণ্ডৰ জয়জয় ময়ময় অৱস্থাৰ কথা নকয়)! আৰু ব্যক্তিগত খণ্ডৰ তথাকথিত জয়-জয়াকাৰ অৱস্থাৰ (ব্যক্তিগত খণ্ডত থকা হাজাৰটা উদ্যোগ তল বন্ধহোৱা খবৰ ইয়াত উহ্য) উল্লেখেৰে আমাৰ আঁচনিৰ নিশ্চিত ব্যৰ্থতাৰ কথা কওঁতা সকলক কব লাগিব ব্যক্তিগত খণ্ডৰ প্ৰচণ্ড শোষণ আৰু কৰ্মসংকোচনৰ কথাবোৰ ভাবি আৰু চৰকাৰী খণ্ডৰ দুৰ্নীতিগ্ৰস্ত অকৰ্মণ্য পৰিচালকহঁতৰ উচ্ছেদৰ দ্বাৰা চৰকাৰী খণ্ডই ৰাজহুৱা স্বাৰ্থ সামগ্ৰিক ভাবে ৰক্ষা কৰা নিশ্চিত সম্ভাৱনাৰ কথা পাহৰিব নালাগিব।

আমাৰ নিজস্ব অভিজ্ঞতাৰে সামৰিব পৰা কৃষি ভূমি খণ্ড এটাৰ সম্ভাৱনাৰ কথা প্ৰসংগক্ৰমে থাওকতে উন্মুকিয়াব খুজিছো। কৃষি খণ্ডটো হৈছে এইবাৰ (১৯৯৩) অসম সাহিত্য সভাৰ অধিবেশন অনুষ্ঠিত কৰিব খোজা শিৱসাগৰৰ ঐতিহাসিক 'ৰূপহী পথাৰ'। লেখক এই পথাৰৰ সমীপৰ মঠাদাং গাঁৱৰ নিবাসী। আঁচনিত অন্তৰ্ভুক্ত কৰিব পৰা নমুনা হিচাপে এই ৰচনাৰ লগতে পথাৰখনৰ মেপখন দিয়া হৈছে। (মেপখনত স্কেল ব্যৱহাৰ কৰা হোৱা নাই)

আমি ইয়াত মেপত দেখুওৱা ৩৭ নং ৰাষ্ট্ৰীয় পথৰ দাঁতিত থকা আৰু ম্যাদীমাটি পথাৰৰ তলত থকা কেইবা শ বিঘা একচনীয়া মাটিৰ কথাহে আলোচনা কৰিম। ইয়াৰ ৰাষ্ট্ৰীয় পথৰ দাঁতিৰ প্ৰায় ৫-৬ কিঃ মিঃ দৈৰ্ঘ্য পথাৰৰ মাটি প্ৰায়ে ১২ মাহ পানী থকা দ জলুকীয়া অনাবাদী অঞ্চল। এই গোটেই অঞ্চলটোত ৩০ মিটাৰ প্ৰস্থৰে তিনিশাৰী পুখুৰী খন্দাই (পাৰ বান্ধিলেই হ'ল) তাত মীন ফাৰ্মৰ ব্যৱস্থা কৰিব পাৰি। (নগাঁৱত ৩৭ নং ৰাষ্ট্ৰীয় পথৰ দাঁতিত এনে মীন ফাৰ্ম থকা আমাৰ চকুত পৰিছে।) ইয়াৰ পাৰ বিলাকত (১৫-২০ মিটাৰ প্ৰস্থৰ) হাঁহ কুকুৰা পোহা ব্যৱস্থা কৰিব পাৰি। প্ৰসংগক্ৰমে ক'ব পাৰি অকল কণীৰ বাবেই কেৱল গুৱাহাটীৰ পৰাই বছৰি ১৮ কোটিৰ অধিক ধন ওলাই যায়। মাছৰ বাবে আমাৰ ৰাজ্যই অন্ধ্ৰপ্ৰদেশক বছৰি শ শ কোটি টকা দিব লাগে। পথৰ দাঁতিত থকা কেতবোৰ মানুহৰ ঘৰ আৰু কেইবা শ বিঘা মাটি আগুৰি থকা অথাই সাগৰ পুখুৰীটোৰ পাছফালে আমাৰ প্ৰস্তাৱিত পুখুৰীবোৰ সাজিব লাগিব। ৰূপহী পথাৰৰ একচনীয়া মাটিখিনি বাৰিষা শালি খেতি কৰিব পাৰি। ইয়াত নদীৰ বানে একো ক্ষতি নকৰিলেও বৰষুণৰ আৱদ্ধ পানীয়ে এই খেতি প্ৰায়ে নষ্ট কৰে। ইয়াৰ অতিৰিক্ত পানীভাগ তেনেই কম দৈৰ্ঘ্যৰ খাল খান্দিয়েই দিখৌত পেলাব পাৰি। শালি খেতি কৰাৰ পাছত এই একচনীয়া মাটি আৰু গ্ৰেজিং ভাগৰ (একচনীয়া ভাগৰ তলৰ আৰু ৰাষ্ট্ৰীয় পথৰ মাজৰ) কেইবাহাজাৰ বিঘাৰ মাটিত প্ৰচুৰ ভাবে সৰিয়হ খেতি কৰিব পৰা হ'ব। আমাৰ আলোচনাত দ কৃষি ভূমিভাগে আগ স্থান পালেও অসমৰ বৃহৎ আকাৰৰ বাম টিউনা মাটি ভাগো আমাৰ প্ৰস্তাৱিত আঁচনিৰ অন্তৰ্ভুক্ত হ'ব। এইবোৰ মাটিত পাট শিল্পৰ (ৰেচম) কেঁচা মাল উৎপাদনৰ প্ৰচুৰ সম্ভাৱনা আছে। আমাৰ পাট-শিল্পৰ ৯০% সূতা কৰ্ণাটকৰ পৰা আহে। কিন্তু এই গোটেইখিনি সূতা আমাৰ ৰাজ্যতে উৎপাদন কৰিব পাৰি। আমাৰ প্ৰস্তাৱিত কৃষি বিভাগত নিয়োজিত নিবনুৱা যুৱকৰ সহায়ত পৰিকল্পিত ভাবে কৃষি, মীন আৰু পশুপালনৰ দ্বাৰা দুটা বছৰতে চৰকাৰে নিয়োগ কৰা মূলধন উলিয়াব পাৰিব বুলি আমাৰ বিশ্বাস। উৎপাদন অনুসৰি দৰমহা বৃদ্ধিৰ দ্বাৰা উৎপাদনত উৎসাহ যোগাব পাৰি। স্বায়ত্ত শাসিত সমবায় নিগমক ইয়াৰ কৰ্তৃত্ব দিব লাগিব। য'ত চৰকাৰী নিয়ন্ত্ৰণ বিশেষ নাথাকিব। স্পষ্টতঃ ইয়াত চৰকাৰে বিকেন্দ্ৰীকৰণ নীতিক অধিক গুৰুত্ব দিব – যেনেকি আমোলাতান্ত্ৰিক দুৰ্নীতিক সহজে শিপাবলৈ নিদিব। আমি নমুনা হিচাপে দেখুওৱা এই ৰূপহী পথাৰৰ আয়তন তুলনামূলকভাবে বহু পথাৰতকৈ সৰু। নিজৰ পথাৰ বাবেহে ইয়াত অৱতাৰণা কৰিছো। ইয়াৰ ওচৰতে থকা জেৰেঙা বা জকাইচুক আদি বৃহৎ পৰিসৰৰ পথাৰত আমাৰ পথাৰখনতকৈ আঁচনি ৰূপায়ণৰ অধিক সুবিধা আছে। আকৌ এইবোৰ পথাৰতকৈ ব্ৰহ্মপুত্ৰৰ দাঁতি বা মাজত থকা হাজাৰ হাজাৰ বিঘা চৰ-



টোকা বা পৰিচয় ঃ
(ব) বনগাওঁ
(ৰ) ৰুদ্ৰসাগৰ গাওঁ
(ফ) ন আলি
(প) O.N.G.C. পকী ৰাস্তা
(ন) জয়সাগৰ ষ্টেডিয়াম
(ধ) ৰংঘৰ চাৰিআলি

ৰূপহী পথাৰ – (ক), (খ) আৰু (গ)
(ক) – কটা শাৰীৰ মাজৰ ম্যাদী পট্টা মাটি।
(খ) – কটা শাৰীৰ মাজৰ একছনীয়া পট্টা মাটি।
(গ) – কটা শাৰীৰ মাজৰ গ্ৰেজিং
ঘ – দিখৌ নদী; ঙ – দুবৰণী পকী আলি।
(চ) – মঠাদাং গাওঁ; (ছ) দিছিয়াল গাওঁ

(জ) ঢুলীয়াপাৰ গাওঁ; (ঝ) – মৌপুৰীয়া গাওঁ।
(ঞ) হাতীকোষ গাওঁ; (ট) হাতীকোষ পথাৰ।
(ঠ) লাহিংগীয়া গাওঁ; (ড) O.N.G.C.ৰ তৈল ক্ষেত্ৰ।
(ঢ) G. G. S. ; (প) ৰংঘৰ।
(ত) অথাই সাগৰ; (থ) ৩৭ নং ৰাষ্ট্ৰীয় পথ।
(দ) ৰাষ্ট্ৰীয় পথ শিৱসাগৰ নগৰলৈ।

চাপৰি অঞ্চলত আমাৰ ৰূপহী পথাৰতকৈ হাজাৰ গুণ-অধিক উৎপাদনৰ সম্ভাৱনা আছে। আশা কৰো আমাৰ চৰকাৰে আমাৰ প্ৰস্তাৱিত আঁচনিৰ ৰূপায়ণৰ দ্বাৰা অসমৰ আৰ্থ-সামাজিক দিশত এক যুগান্তকাৰী চিহ্ন ৰাখিবৰ বাবে আমাৰ এই নিবন্ধৰ প্ৰাৰম্ভত উল্লেখ কৰা প্ৰত্যাহ্বানক মোকাবিলা কৰিবা।

## সংযোজন ঃ

(১) আমাৰ গোটেই পৰিকল্পনাটোত অসম কৃষিবিশ্ববিদ্যালয় উপেক্ষিত হৈ ৰোৱাত কেতবোৰ পাঠকৰ বাবে এইয়া অসমৰ কৃষিত বিশ্ববিদ্যালয়খনৰ ভূমিকা সম্পৰ্কে আমাৰ অজ্ঞতা অথবা তাৰ সম্পৰ্কে 'অৱহেলাজনিত আওকান' ৰূপেই প্ৰতিপন্ন হ'ব। প্ৰকৃততে দ্বিতীয় কাৰণেই প্ৰধান। ইতিমধ্যে 'সূত্ৰধাৰ'ত স্বপ্না বেজবৰুৱাই এই বিশ্ববিদ্যালয়ৰ কৃষিৰ লগত সম্পৰ্ক নথকা এটা বগা হাতী স্বৰূপ অনুষ্ঠান বুলি অনুসন্ধানমূলক প্ৰতিবেদনত দাঙি ধৰিছে। আমাৰ ব্যক্তিগত অভিজ্ঞতাৰেও দেখিছো ইয়াৰ ছাত্ৰ বৈজ্ঞানিকৰ স্থানীয় খেতি পথাৰৰ লগত সম্পৰ্ক ক্ষীণ। সিংহভাগেই ইয়াক এক স্বচ্ছল আৰ্থিক জীৱনৰ নিশ্চয়তা আদায় কৰা অনুষ্ঠানৰূপেই বিবেচনা কৰে। আমাৰ প্ৰস্তাৱিত আঁচনিত এই বিশ্ববিদ্যালয়ৰ প্ৰচলিত ৰূপ-ঢং সম্পূৰ্ণ সলনি কৰি তাত ৮০% কৃষকৰ সন্তান নিয়োগৰ ব্যৱস্থাৰ ওপৰিও খেতি-পথাৰত হাতে কামে লাগিব পৰা ছাত্ৰ-ছাত্ৰীকহে নাম ভৰ্তি কৰাৰ ব্যৱস্থা কৰিব লাগিব। আমি মনত ৰাখিব লাগিব কৃষি বিশ্ববিদ্যালয়ৰ লক্ষ্য উদ্দেশ্য কৃষকক সহায় কৰিব পৰা কৃষি বৈজ্ঞানিক সৃষ্টি কৰা ইয়াৰ লক্ষ্য এচাম নিষ্কৰ্মা মধ্যভোগীৰ আৰ্থিক স্বচ্ছলতা সৃষ্টি কৰা নহয়।

(২) যোৱা ৬ চেপ্তেম্বৰত বিশ্ব বেংকৰ প্ৰতিনিধি দল এটা অসমলৈ আহে। উদ্দেশ্য অসমক বিশ্ব বেংকে ঋণ দিব পৰাৰ সম্ভাৱনাৰ বাবে ক্ষেত্ৰ অধ্যয়ন। এই বিশ্ববেংকক অসমৰ কৃষি বিভাগে 'কৃষি উন্নয়ন প্ৰকল্প' এটাৰ বাবে বেংকৰ ওচৰত ২২০ কোটি টকা ঋণৰ প্ৰস্তাৱ আগবঢ়াইছে। আমাৰ প্ৰস্তাৱিত আঁচনি ৰূপায়ণৰ বাবে এই ঋণ লোৱাত আমি সামান্যও সন্মতি নজনাওঁ। কিয়নো বিশ্ববেংকে তৃতীয় বিশ্বক ঋণ দি কেঁকোৰা খোলা দিয়া কথা আমাৰ অজ্ঞাত নহয়। পেৰু ব্ৰাজিল আদি দেশবোৰলৈ চালেই হ'ল।





# অসমীয়া কবিতাৰ ভৱিষ্যত

## প্ৰবীণৰ দৃষ্টিত নবীনৰ বিচাৰ

ইছমাইল হোছেইন

নবীন কবি সকলৰ কবিতা সম্পৰ্কে প্ৰতিষ্ঠিত প্ৰবীণ কবিসকলৰ ধাৰণা তেনেই সন্তোষজনক নহয়। এজন প্ৰবীণ কবিয়ে তেখেতৰ কবিতা পুথিৰ বাবে বিশেষ পুৰস্কাৰ পোৱাৰ পিছত সাংবাদিকৰ সৈতে হোৱা সাক্ষাৎকাৰত কৈছিল, – 'নবীন কবিসকলৰ কবিতা মই নপঢ়োৱেই। নবীন সকলৰ এজনৰো কবিতা কবিতাই নহয়।' বক্তব্যটো অসমৰ দৈনিক কাকত এখনত প্ৰকাশ হোৱাৰ পিছত অসমৰ নবীন কবিসকলৰ মাজত কিছু বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। নবীন-তৰুণ কবিসকলৰ মাজৰ সকলোৰে কবিতা উচ্চ স্তৰৰ নহয় যদিও অনেক নবীন কবিয়ে অসমীয়া কবিতাত নতুন দৃষ্টিভঙ্গীৰে নতুন আঙ্গিকৰ সৃষ্টি কৰাত সফল হ'ব পাৰিছে। গুণগত দিশত কবি এজনক বিশ্লেষণ কৰিবলৈ হ'লে সেই কবিজনৰ কবিতা বিষয় বস্তু আৰু গুণগত চৰিত্ৰৰ ওপৰত বিশ্লেষকৰ সঠিক অধ্যয়ন থকা উচিত। এজন প্ৰবীণ কবিয়ে নবীন কবিসকলৰ কবিতা নপঢ়াকৈয়ে সকলো কবিৰে কবিতাৰ ওপৰত বক্তব্যৰ সাধাৰণীকৰণ ( Generalisation ) কৰা অনুচিত। এনে কৰিলে প্ৰবীণৰ প্ৰতি নবীনৰ বিশ্বাসভাজনতা কমে আৰু নবীন সকলো হতাশ হৈ পৰে। সেই একেজন প্ৰবীণ কবিকেই অলপতে অসমীয়া সাহিত্যৰ ভৱিষ্যত সম্পৰ্কে সোধা প্ৰশ্নৰ উত্তৰ দিছে এনেদৰে, – 'অসমীয়া সাহিত্যৰ ভৱিষ্যত সন্তোষজনক নহয়।'

অসমৰ এজন প্ৰবীণ কবিয়ে তেখেতৰ কবিতা পুথি এখনৰ বাবে সাহিত্য একাডেমীৰ পুৰস্কাৰ পাইছে। একাডেমীৰ দ্বাৰা পুৰস্কৃত পুথি এখনৰ সমাদৰ পঢ়ুৱৈ সমাজ, বিশেষকৈ তৰুণ চামৰ মাজত স্বাভাৱিকতেই বৃদ্ধি পায়। কিন্তু পুৰস্কাৰ ঘোষণা হোৱাৰ পিছত বজাৰত পুথিখন পাবলৈ নাই। কবিজনে হেনো মাত্ৰ এশখন কবিতা পুথিহে ছপা কৰি উলিয়াইছিল। সম্প্ৰতি অসমীয়া সাহিত্যত কবিতাৰ সমাদৰ যথেষ্ট পৰিমাণে বৃদ্ধি পাইছে। তেনে অৱস্থাত মাত্ৰ এশখন কবিতা পুথি প্ৰকাশ কৰা সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰত কবিয়ে কৈছে,– "মোৰ কবিতা অসমৰ এশজন কবিয়েও হয়তো বুজি নেপায়; সেয়ে বন্ধু বান্ধৱী আৰু আত্মীয়-স্বজনক বিলাই দিবলৈহে ইমান কম সংখ্যক কবিতা পুথি প্ৰকাশ কৰিছো।" এই কবিগৰাকী বয়সত প্ৰবীণ আৰু প্ৰতিষ্ঠিত হ'লেও তেখেতে মাত্ৰ এশখন কবিতা পুথি প্ৰকাশ কৰা বিষয়টোক সাধাৰণ পাঠকে "হাস্যকৰ" বুলি অভিহিত কৰিছে। অসমৰ নবীন সকলে এই বক্তব্যক "পশ্চাৎপদ" বুলি উৰাই দিব খোজে।

অসমীয়া সাহিত্যত 'গোষ্ঠীবাদ' এক অন্যতম দুৰাৰোগ্য বেমাৰ। গোষ্ঠীবাদৰ ফলতেই অসমীয়া সাহিত্যৰ গুণাগুণ বিচাৰ সু-সংহত আৰু গ্ৰহণযোগ্য নহয়। অসমৰ আন এজন প্ৰবীণ কবিক নবীন কবিসকলৰ কবিতা সম্পৰ্কে দূৰদৰ্শনে এটা প্ৰশ্নৰ অৱতাৰণা কৰোতে তেখেতে অসমৰ দুজন নবীন কবিৰ নাম উল্লেখ কৰিলে। দুবছৰমান পিছত সেই একেই প্ৰশ্নৰ অৱতাৰণা হোৱাত দেখা গ'ল যে প্ৰবীণ কবিজনে দুই বছৰৰ আগতে যি উত্তৰ দিছিল, দুই বছৰ পিছত প্ৰশ্ন কৰ্তাক সেই একেই উত্তৰ দিছে। জনামতে যি দুজন নবীন কবিৰ নাম প্ৰবীণ কবিজনে উল্লেখ কৰিছিল, সেই দুজনৰ বাহিৰে আন আন নবীন কবিসকলৰ কবিতা তেখেতে নপঢ়েই।

কবি সংগঠন এটাৰ সৌজন্যত ১৯৯০ চনৰ আগষ্ট মাহত গুৱাহাটীত অনুষ্ঠিত আলোচনা চক্ৰৰ "সাম্প্ৰতিক কবি আৰু কবিতা" শিতানত বক্তব্য প্ৰদান কৰোতে এজন প্ৰবীণ বিজ্ঞ কবিয়ে তেখেতৰ দুটা ডাঙৰ মোনাত ভৰাই অনা প্ৰায় ৩০ খন মান কিতাপ উলিয়াই এফালৰ পৰা সেইবোৰৰ বছা বছা কবিতা সমূহ পঢ়িবলৈ ধৰিলে আৰু সেই কেইজন কবিকেই অসমৰ তৰুণ-নবীন কবিসকলৰ অন্যতম আৰু ভৱিষ্যৎ কৰ্ণধাৰ বুলি বিশেষণ প্ৰদান কৰিলে। কবিতাৰ পাঠকৰ মাজৰ পৰা আপত্তি আহিল– 'মহাশয়, আপোনাক "সাম্প্ৰতিক অসমীয়া কবি আৰু কবিতা" সম্পৰ্কেহে বক্তব্য প্ৰদান কৰিবলৈ কোৱা হৈছিল। দহবছৰ আগৰ কবিতা পুথিবোৰ আমাক পঢ়াই শুনোৱাৰ প্ৰয়োজন নাই।' পাঠকে প্ৰশ্নটো সঠিক ভাবেই কৰিছিল যদিও প্ৰবীণ কবিজনক বিব্ৰত আৰু উত্তেজিত হোৱা দেখা গৈছিল। এই কবি গৰাকীয়ে হেনো সাম্প্ৰতিক আলোচনী, ক্ষুদ্ৰ পুথি আৰু নবীনৰ কবিতা খুব কমেই পঢ়ে। অথচ এইজন ব্যক্তিকেই সাম্প্ৰতিক কবিতা সম্পৰ্কে বক্তব্য প্ৰদান কৰিবলৈ কোৱাত তেখেতৰ ঘৰুৱা আলমাৰীত থকা একাংশ পুৰণি কবিতাপুথিৰ কবিতাবোৰকেই এফালৰ পৰা গাবলৈ ধৰিলে। এই কবিতা সমূহ সন্নিবিষ্ট কবিতাপুথিবোৰ বিভিন্ন সময়ত কবিসকলে প্ৰবীণ কবিজনক উপহাৰ দিছিল। তেখেতে কৃতজ্ঞতাৰ নিদৰ্শন স্বৰূপেই কবিকেইজনক আলোকত অনাৰ চেষ্টা কৰিলে। গুণগত, বস্তুগত বিচাৰ গৌণ হৈ পৰিল। এখন বা ততোধিক কবিতা পুথি প্ৰকাশৰ মাজেদিয়েই এজন কবিৰ কবিতাৰ মাপকাঠি জোখা নেযায়। অনেক প্ৰতিভাবান কবিয়ে অসমীয়া কবিতা ৰচনা কৰি আছে, অথচ ধন বা প্ৰকাশকৰ অভাৱত তেওঁলোকৰ কবিতাপুথি প্ৰকাশ কৰি উলিয়াব পৰা নাই। সেই হেতুকে কবিজনৰ কবিতাও আলোচক সমালোচকৰ হাতত পৰা নাই। সেই বুলিয়েই আলোচকৰ আলোচনাত অথবা সমালোচকৰ সমালোচনাত কবিজৰ কবিতাই স্থান নেপাব নেকি ?

অসমীয়া কবিতাৰ ভৱিষ্যত সন্দৰ্ভত সাহিত্য সভাৰ গোৰেশ্বৰ অধিবেশনৰ কবি সন্মিলনৰ সভাপতি ভবেন বৰুৱাই 'অসমীয়া কবিতাৰ ভৱিষ্যত জাতীয়তাৰ লগত জড়িত' বুলি অভিহিত কৰিছে আৰু 'কবি নৈৰ্ব্যক্তিকতাৰ উৰ্দ্ধত উঠিব লাগিব' বুলি কৈছে। কবিয়ে



OKDISCD

পৰাপক্ষত কবিতাৰ আলোচনাৰ প্ৰক্ৰিয়াটোক এক জটিলতা বুলি চিহ্নিত কৰিছে আৰু কবিতাৰ নান্দনিক আৰু আধ্যাত্মিক (কবিৰ মতে 'ধৰ্ম-দৰ্শন') দিশতহে ৰেছি জোৰ দিছে। কবিতাৰ নান্দনিক দিশটো সকলো কবিৰ বাবেই গ্ৰহণযোগ্য যদিও ধৰ্ম-দৰ্শন বা আধ্যাত্মিক ধাৰাটো সকলোৰে বাবে গ্ৰহণযোগ্য নহবও পাৰে। বিশেষকৈ অসমৰ তৰুণ লেখক-লেখিকাই বৰুৱাৰ তত্বক সমৰ্থন কৰিব পৰা নাই। বৰুৱাৰ বক্তব্যত তৰুণসকলক দিব পৰা তেনে কোনো সমলো বিচাৰি পোৱা নেযায়। বৰুৱাৰ বক্তব্যক কেন্দ্ৰ কৰি উত্তৰ হোৱা বিতৰ্কত অংশ গ্ৰহণ কৰি ড° হীৰেণ গোহাঁয়ে লেখিছে– "দুখৰ বিষয় যে কৰ্তৃত্ববাদী মনোভাবেৰে বৰুৱাই গণ্যমান্য লোকৰ উদ্ধৃতি দিয়েই মাৰ্ক্সবাদী সমালোচনাৰ ধাৰাটোক বিলুপ্ত কৰিব খুজিছে। তেওঁ যদি কেতবোৰ প্ৰসিদ্ধ আৰু সন্মানিত বাওঁপন্থী কবিতাৰ বিতং বিশ্লেষণেৰে প্ৰমাণ কৰিলেহেঁতেন যে এনে 'প্ৰজ্ঞাহীন' ৰাজনীতিয়ে অসাৰ্থক কবিতাৰ জন্ম দিবলৈ বাধ্য, আমি অন্ততঃ তেওঁৰ কথা শুনিলোহেঁতেন। তাকে নকৰি তেওঁ কৰিছে কি ? মাৰ্ক্সবাদক গৰিহণা দি এ'ড্‌মাণ্ড উইলছনে কৰা উক্তি এটাক প্ৰিচাৰ্ডে উদ্ধৃত কৰা দেখি, নিজেও তাক উদ্ধৃত কৰিছে। অৰ্থাৎ যুক্তিৰ ঠাইত উদ্ধৃতিৰ উদ্ধৃতি !! আমাৰ বিপথগামী 'শক্তিবাদী' যুৱকসকলক তেওঁ এনেকৈ পতিয়ন নিয়াব পাৰিব জানো ?"

অসমীয়া সাহিত্যত কট্টৰ 'কৰ্তৃত্ববাদী' ধাৰা আৰম্ভ হৈছে সত্তৰ দশকৰ পৰা। বিষ্ণু ৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালা, হেম বৰুৱা, ধীৰেন দত্ত, ভবানন্দ দত্ত, অমূল্য বৰুৱাৰ বাদে আন আন প্ৰগতিশীল সমাজবাদ চিন্তা-চৰ্চাৰ ধাৰক-বাহক কবিসকলৰ ব্যাপকভাবে আত্মপ্ৰকাশ ঘটিছে সত্তৰৰ দশকৰ পৰা। আকৌ সেই সময়তেই কৰ্তৃত্ববাদ আৰু ব্যক্তিবাদী চিন্তাৰ চৰম প্ৰকাশ ঘটিছিল অথচ একে সময়তেই বাওঁপন্থী চিন্তাধাৰাৰ লেখক-সাহিত্যিক সকলে অসমৰ সাহিত্য-সংস্কৃতি আৰু ৰাজনীতিত নিজস্ব স্বকীয়তা প্ৰকাশ কৰিছিল। মোহনকৃষ্ণ মিশ্ৰ, পুণ্ডৰীকাক্ষ ভুৱালী, জ্ঞান পূজাৰী, ৰাম গগৈ, বিজনলাল চৌধুৰীৰ কবিতাৰ আত্মপ্ৰকাশ এই সময়তেই ঘটে। এইসকল কবিয়ে অসমীয়া কবিতাত বিপ্লৱীধাৰাৰ সৃষ্টি কৰি জনসাধাৰণৰ মাজত প্ৰিয়পাত্ৰ হৈ উঠিছিল আৰু তাৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ বৰ্তমানেও আছে, ভৱিষ্যতলৈও থাকিব। অথচ এই সকল কবিও সম্প্ৰতি কৰ্তৃত্ববাদ আৰু গোষ্ঠীবাদৰ চিকাৰ হৈছে। ১৯৯১ চনৰ ১১ জানুৱাৰীত অকালতে মৃত্যুবৰণ কৰা কবি মোহনকৃষ্ণ মিশ্ৰৰ স্মৃতিত ২২ জানুৱাৰীত গুৱাহাটীত অনুষ্ঠিত হোৱা শোকসভাত অসমৰ কেইবা গৰাকী প্ৰসিদ্ধ কবি-সাহিত্যিক উপাস্থত আছিল; কিন্তু তেওঁলোকৰ মাজৰ শতকৰা ৯০ ভাগ লোকেই সেইদিনালৈকে নেজানে যে এইজন 'গণকবি'ৰ কাব্যসংকলন 'সমদল' ১৯৮৬ চনতেই প্ৰকাশ পাইছে। বিশিষ্ট কবিসকলক সেইদিনাৰ শোকসভাত একপিকৈ 'সমদল' উপহাৰ স্বৰূপে দিয়াৰ পিছতহে তেওঁলোকে গম পালে যে মোহনকৃষ্ণ মিশ্ৰৰ কবিতা সংকলন ইতিপূৰ্বে প্ৰকাশ পাইছে। কি আশ্চৰ্যৰ কথা ! প্ৰচাৰ বিমুখ, প্ৰতিশ্ৰুতিবান তৰুণ কবিসকলক কৰ্তৃত্ববাদী সকলে যে কিদৰে বৌদ্ধিকভাবে গ্ৰাস কৰি আছে তাৰ জ্বলন্ত প্ৰমাণ মোহনকৃষ্ণ মিশ্ৰ।

সম্প্ৰতি অসমৰ প্ৰতিষ্ঠিত কাকত-আলোচনীৰ ভূমিকাও তদ্ৰুপ। সূত্ৰধাৰ, পষেক, শ্ৰীময়ী, পাস্থপাদপ আদিত মাজে সময়ে নবীন কবিৰ কবিতা প্ৰকাশ, কবিতাৰ মূল্যায়ন হ'লেও অসমৰ আন আন প্ৰতিষ্ঠিত আলোচনীত কেইজনমান বিশেষ ব্যক্তিৰ কবিতাৰ অধিক প্ৰচাৰৰ বাদে নবীন কবিসকলৰ কবিতাৰ সামান্যতমো প্ৰচাৰ হোৱা দেখা নেযায়। নবীনসকলৰ কবিতাৰ মূল্যায়নৰ ক্ষেত্ৰত ব্যক্তিবাদো তলপৰি থকা নাই। কোনো এজন প্ৰবীণ কবিৰ কবিতা সম্পৰ্কে এজন নবীন কবিয়ে তীব্ৰ অথবা মৃদু সমালোচনা কৰিলেই সেই সমালোচক কবিজন প্ৰবীণৰ ৰুক্ষ দৃষ্টিৰ পৰা সাৰি যাব নোৱাৰে– এনে ধৰণৰ অভিযোগ প্ৰতিঅভিযোগ অনেক পোৱা যায় আৰু উদাহৰণো নথকা নহয়।

এজন প্ৰতিশ্ৰুতি সম্পন্ন জনপ্ৰিয় তৰুণ কবিয়ে প্ৰতিষ্ঠিত মূধাফুটা প্ৰবীণ কবি এজনক কবিতাপুথিৰ পাতনি লেখিবলৈ দিয়াত প্ৰবীণজনে পুথিখনৰ মাত্ৰ দুটা কবিতা পঢ়িয়েই ততাতৈয়াকৈ পাতনি লেখি দিলে। কবিতা পুথিখন প্ৰকাশ পোৱাৰ পিছত প্ৰবীণ কবিজনক তৰুণ কবিজনৰ কবিতা সম্পৰ্কে সোধাতহে জোলোঙাৰ মেকুৰী ওলাই পৰিল। পুথিখনৰ দুটা কবিতাৰ বাদে বাকী কবিতাবোৰৰ ব্যাখ্যা কবিজনে দিবলৈ সমৰ্থ নহ'ল। আচলতে পুথিখনৰ কবিতাকেইটাৰ সম্যক অধ্যয়নেৰে কবিজনে পাতনি লেখিলে হয়তো কবিতা পুথিখনৰ ওপৰত পাঠকৰ আগ্ৰহ বাঢ়িলহেঁতেন আৰু পাঠকে কবিজনক জনাৰ ফলত কবিজনো যথেষ্ট পৰিমাণে উপকৃত হ'লহেঁতেন। এজন কবিৰ দুটা কবিতাই এখন কবিতা পুথিৰ অস্তিত্ব নুবুজায়। প্ৰবীণ কবিয়ে যে নবীনৰ কবিতা নপঢ়ে আৰু নবীন কবিৰ বিষয়ে আগ্ৰহী নহয় তাৰ জ্বলন্ত প্ৰমাণ আৰুনো কি থাকিব পাৰে ? অসমৰ অভিবাসী মুছলমান (যিসকলৰ ঘৰুৱা ভাষা সংমিশ্ৰিত বাংলা অথচ শতকৰা এশভাগ মানুহেই অসমীয়া মাধ্যমৰ শিক্ষানুষ্ঠানত পঢ়ে) সকলৰ মাজত প্ৰতিশ্ৰুতিবান কবি খবিৰ আহমেদৰ নাম অসম সাহিত্য সভাৰ এজন প্ৰাক্তন সভাপতি তথা কবিয়ে হেনো আজিলৈকে শুনিয়েই পোৱা নাই। ই যে, কেনে ধৰণৰ প্ৰতাৰণা। খবিৰ আহমেদ, সমীৰ তাঁতী, সনন্ত তাঁতী, মোহনকৃষ্ণ মিশ্ৰৰ কবিতা যিসকল প্ৰবীণ কবিয়ে তন্ন তন্নকৈ পঢ়া নাই, তেওঁলোকে অসমীয়া কবিতাত প্ৰতিবাদী আৰু বিপ্লৱী ধাৰাৰ শেহতীয়া অৱস্থিতি সন্দৰ্ভত কিনো তত্বগধুৰ (!) বিশ্লেষণ আগবঢ়াব ? অসমৰ দুই এজন প্ৰবীণ কবি-সাহিত্যিক এই ক্ষেত্ৰত ব্যতিক্ৰম। ড° হীৰেণ গোহাঁইৰ দৰে বুদ্ধিজীৱীৰ হাতত সৰু এখন পুস্তিকা পৰিলেও তেখেতে লেখকক অনুপ্ৰেৰণা যোগাবলৈ দুকলম লিখে। কবি নলিনীধৰ ভট্টাচাৰ্য, নীলমণি ফুকন, তোষেশ্বৰ চেতিয়া, শশী শৰ্মাই নবীনৰ লেখা মন দি পঢ়ে আৰু শুনে। তেওঁলোকৰ আলোচনাত নবীনে স্থান পায়। বিশিষ্ট লেখক হোমেন বৰগোহাঞিয়ে এজন অখ্যাত কবি খবিৰ আহমেদৰ কবিতাপুথি 'যেতিয়ালৈকে জীয়াই থাকে সূৰ্য'ৰ পাতনিত লেখিছে– 'সনন্ত আৰু সমীৰৰ দৃপ্ত আত্ম ঘোষণাৰ পিছত এইবাৰ আমাৰ সমুখত আহি হাজিৰ হৈছে খবিৰ আহমেদ – জীৱনৰ জয় গান গাব খোজা আৰু এজন বিদ্ৰোহী বৈতালিক। খবিৰ আহমেদ অসমৰ পমুৱা মুছলমান ডেকা। এক হিচাপে কবিৰ কোনো জাতি ধৰ্ম নাই; ………… সনন্ত আৰু সমীৰ আহিছে অসমৰ চাহ-বনুৱা সম্প্ৰদায়ৰ মাজৰ পৰা ; খবিৰ আহিছে পমুৱা মুছলমান সম্প্ৰদায়ৰ মাজৰ পৰা। …………সনন্ত আৰু সমীৰে অসমীয়া কবিতাৰ এক নতুন দিগন্ত উন্মোচিত কৰিছে অসমীয়া কবিতাত সংগ্ৰামী শ্ৰমজীৱী মানুহৰ উজ্জ্বল আশাবাদ আৰু বলিষ্ঠ কণ্ঠস্বৰ যোগ দি। ঠিক সেই দৰে খবিৰেও অসমীয়া কবিতাত এক নতুন মাত্ৰা সংযোজিত কৰিছে শতাব্দীৰ পিছত শতাব্দী ধৰি নিৰ্মমভাৱে লাঞ্চিত আৰু শোষিত কিন্তু অপৰিমেয় প্ৰাণশক্তিৰে বলীয়ান এটা জনগোষ্ঠীৰ অদ্বিতীয় অভিজ্ঞতা আৰু অজেয় অভীপ্সাৰ জগতখন আমাৰ আগত মুকলি কৰি দি। মই আন্তৰিকভাবে বিশ্বাস কৰো যে আশীৰ দশকত যিকেইজন নতুন তৰুণ কবিৰ আৱিৰ্ভাৱে অসমীয়া কবিতাত এটা নতুন অধ্যায়ৰ সূচনা কৰিছে তেওঁলোকৰ ভিতৰত খবিৰ আহমেদো আগশাৰীৰ এজন।'

এই নিবন্ধত এইটো কবলৈ খোজা নাই যে প্ৰবীণসকলে নবীনৰ প্ৰশংসাত সদায় পঞ্চমুখ হৈ থাকক। মাত্ৰ নবীনৰ প্ৰতি প্ৰবীণৰ দৈন্যৰ কথাহে কোৱা হৈছে আৰু হোমেন বৰগোহাঞিৰ ওপৰোক্ত মন্তব্যখিনিৰে উনুকিয়াব খোজা হৈছে যে, নবীনৰ লেখাসমূহক উপযুক্ত বিশ্লেষণ কৰিলে তাৰ পৰা অনেক মৌলিক আৰু বস্তুনিষ্ঠ তত্ব আৱিষ্কাৰ কৰিব পৰা যায়। ফলত নবীন জনেও লেখাৰ সাৰ্থকতা উপলব্ধি কৰি দুগুণ উৎসাহিত হৈ অধিক গুণগত ৰচনা সৃষ্টি কৰিব পাৰে। তৰুণ কবিৰ উদ্দেশ্যে হো-চি-মিনে কোৱা কথাষাৰ এই ক্ষেত্ৰত প্ৰণিধান যোগ্য– "তোমালোকৰ কলম অন্যায়ৰ বিৰুদ্ধে ন্যায়ৰ সংগ্ৰামত শক্তিশালী অস্ত্ৰ। এই সংগ্ৰামত তোমালোকে সেই অনন্য সাধাৰণ অস্ত্ৰ



নিয়োজিত কৰিব লাগিব। যেনেদৰে সংগ্ৰামী যোদ্ধাসকলে তেওঁলোকৰ পিতৃভূমিৰ স্বাধীনতা ৰক্ষাৰ বাবে আগুৱাই আহে, শত্ৰুৰ বিৰুদ্ধে প্ৰতিৰোধ যুদ্ধত বীৰত্বৰ সৈতে যুঁজ কৰে।" ডব্লিউ, আৰ, উইলিয়ামচেও তৰুণ শক্তিক "Youth is the Season of hope, enterprises and energy,to a nation as well as individual." বুলি অভিহিত কৰিছে। আমাৰ প্ৰবীণ কবিসকলেও তৰুণৰ কবিতাক, শিল্পক কৰ্মমুখী জীৱনৰ আঁচনি হিচাপে গঢ়াৰ মন্ত্ৰণা দিব নোৱাৰেনে ?

অসমৰ তৰুণ কবিসকলে অসমৰ বাহিৰত বিভিন্ন কবি সন্মিলন আৰু সাহিত্যমেলাত প্ৰতিনিধিত্ব কৰাতো পক্ষপাতিত্বৰ অভিযোগ উঠে। অনেক সময়ত এজন কবিকেই বহুবাৰলৈ নিৰ্বাচন কৰা দেখা যায়। তাৰ উপৰি নবীনৰ বাবে সংৰক্ষিত প্ৰতিনিধিত্ব প্ৰায়েই প্ৰবীণৰ অন্তৰ্ভুক্তি হয়। কবিতাৰ মানদণ্ড, কবিৰ মৌলিকতা আৰু জনপ্ৰিয়তাক মুখ্য জ্ঞান নকৰি একোজন প্ৰবীণ কবিয়ে (যিজনে নিৰ্বাচনৰ দায়িত্বত থাকে) তেখেতৰ সৈতে ঘনিষ্ঠতা থকা কবিকহে নিৰ্বাচিত কৰে ; ফলত অসমৰ বাহিৰত অসমৰ প্ৰতিনিধিত্বও দুৰ্বল হৈ পৰে। কবিতাৰ, কবিৰ সুসংহত বিচাৰ নোহোৱাৰ বাবেই হয়তো আমাৰ প্ৰবীণ সাহিত্যিক সকলে সাক্ষাৎকাৰত প্ৰায়ে কয়,–'অসমীয়া সাহিত্যৰ ভৱিষ্যত অন্ধকাৰ।' আচলতে এইসকল ব্যক্তি সমাজৰহিত হৈ মানুহৰ পৰা নিলগত থাকি থাকি জড়তাত ভুগিছে অথবা এওঁলোক নিজক প্ৰতিষ্ঠাৰ বাদে অনুজসকল প্ৰতিষ্ঠা হোৱাটো নিবিচাৰে। যি সময়ত অসমত সৰ্বাধিক আলোচনী, কাকতৰ জন্ম হৈছে সেই সময়ত অসমীয়া সাহিত্যৰ অৱস্থিতি সন্দেহজনক বুলি ভবাটো দুৰ্ভাগ্যজনক। আচলতে আমি অসমীয়া সাহিত্যৰ বিস্তীৰ্ণ ভূমিৰ পৰা মুকুতা বুটলিব পৰা নাই অথবা মুকুতাৰ মূল্যায়ন কৰাত পক্ষপাতিত্বৰ আশ্ৰয় লৈছো।

অসম সাহিত্য সভাৰ সভাপতি হ'লে, সাহিত্যৰ পুৰস্কাৰ পালে, বহুকেইখন গ্ৰন্থ প্ৰকাশ কৰিলে, বিশ্ববিদ্যালয়ৰ উচ্চ ডিগ্ৰী থাকিলে, সঘনাই চৰকাৰী পক্ষৰ প্ৰশংসা লাভ কৰিলেই যদি এজন ব্যক্তি সাহিত্য আলোচনাৰ শিৰোনামাত উঠে তেনেহ'লে ড° হীৰেণ গোহাঁই, হোমেন বৰগোহাঞি, নলিনীধৰ ভট্টাচাৰ্য্য, কেশৱ মহন্ত– এওঁলোক উচ্চমানৰ সাহিত্যিকৰ শ্ৰেণীত নপৰিব, কাৰণ এওঁলোক সাহিত্য সভাৰ সভাপতি অথবা চৰকাৰী পক্ষৰ পৃষ্ঠপোষকতা লাভ কৰা নাই। জন কীট্‌চে ২৩ বছৰ বয়সত মাত্ৰ ১৮ টা কবিতা লেখি, সুকান্ত ভট্টাচাৰ্য্যই ২১ বছৰতে শ শ কবিতাৰে দুঃসাহসিক ক্ষমতাৰ পৰিচয় দি পৃথিৱী বিখ্যাত হৈ পৰিছিল মূলতঃ গুণৰ বলত। অসমীয়া কবিতাতো নবীনৰ কবিতাৰ গুণগত, বস্তুগত মানদণ্ডৰ বিশ্লেষণ অতীব প্ৰয়োজন। ৯



# ওমৰ খায়য়াম আৰু 'ৰুবাঈয়াত'ৰ অনুবাদ

হেম বৰা



পাৰস্যৰ মহাকবি সকলৰ ভিতৰত একাদশ শতাব্দীৰ কবি ওমৰ খায়্য়াম বিশ্ব-বিখ্যাত। তেওঁ ৰুবাঈ আৰু ৰুবাঈয়াতত প্ৰকাশিত কাব্য-দৰ্শনৰ বাবেই জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে। চুফীবাদী কবি হিচাপে ওমৰ বিতৰ্কৰ বাহিৰত নহলেও; চুফী কবি ৰূপেই তেওঁক ফাৰ্চী (persian) ভাষাত গ্ৰহণ কৰা হৈছে। ওমৰ খায়্য়ামক বহুতে ভোগবাদী (Hedonist) বুলিহে ধাৰণা কৰে। ওমৰে ৰুবাঈৰ মাজত অতীত আৰু ভৱিষ্যতক গুৰুত্ব নিদি, বৰ্তমানৰ ওপৰত গুৰুত্ব দি জীৱন উপভোগ কৰাত গুৰুত্বাৰোপ কৰাই ইয়াৰ মূল কাৰণ। তেওঁৰ উপভোগ–'খোৱা, পিয়া, ফূৰ্তিকৰা' (Eat, drink and be marry) মতবাদক যি সকলে পোনপটীয়াভাবে গ্ৰহণ কৰিছে, সেই সকলেই ওমৰক ভোগবাদী বুলি ধৰিছে। তেওঁলোকৰ মতেই ওমৰ এজন নাস্তিক ব্যক্তি; অস্তিত্ববাদী ৰহস্যবাদী চুফী নহয়। কিন্তু তেওঁৰ মতবাদৰ প্ৰতীকি অৰ্থ ৰহস্যৰ কুঁৱলিৰে আবৰা। বৰ্তমানৰ মাজতে তেওঁ ৰহস্যৰ সন্ধান কৰিলেও আল্লা বা ঈশ্বৰৰ অস্তিত্ব অস্বীকাৰ কৰা নাই। এতেকে

তেওঁ অস্তিত্ববাদী। এই বিতৰ্কৰ অৱসান হোৱা নাই। তথাপি, তেওঁ এজন মহান কবি। অসীম কাব্য-মূল্যৰে সমুজ্জ্বল তেওঁৰ ৰুবাঈ সমূহ জগত-জোৰা খ্যাতিৰে সমৃদ্ধ।

ওমৰ খায়্যামৰ আচল নাম-'গিয়াছুদ্দিন আবুলকাথ ওমৰ বিন-ইব্ৰাহিম আল-খায়্যামী'। দীঘল নামটোৱে নিৰ্দেশ কৰিছে যে তেওঁ ইব্ৰাহিম নামৰ ব্যক্তিৰ পুত্ৰ আৰু উপাধিটোৱে অৰ্থ প্ৰদান কৰিছে যে তেওঁলোক তম্বু-নিৰ্মাতা (tent-maker) অৰ্থাৎ 'খায়্যাম'। শিবিৰ নিৰ্মাতাও অৰ্থ কৰিব পাৰি। এনে ধৰণৰ তম্বুৰ শিবিৰ পাৰস্যদেশত (বৰ্তমান ইৰাণত) গুৰুত্বপূৰ্ণ আছিল। ওমৰে ইংৰাজী ১১৪৮ খ্ৰীষ্টাব্দত পাৰস্যৰ খোৰাচান প্ৰদেশৰ নিচাপুৰ নামৰ ঠাইত জন্ম লাভ কৰিছিল। তম্বু নিৰ্মাণ কৰি এহাতে জীৱিকা আৰু আনহাতে শিক্ষা গ্ৰহণ কৰা ওমৰে বিজ্ঞান বিষয়ত,-বিশেষকৈ গণিত শাস্ত্ৰ আৰু জোতিৰ্বিদ্যাত পাৰদৰ্শী হৈ অদ্বিতীয় প্ৰতিভা বুলি স্বীকৃত হয়। তেওঁৰ অসামান্য মেধাৰ বাবে পাৰস্যৰ চুলতান মালিক ছাহৰ পৰা মাহে এশটাকৈ সোণৰ-মোহৰ (মিস্কাল) লাভ কৰি 'জালালী পঞ্জিকা' খন শুধৰাই জ্যোতিষ-শাস্ত্ৰৰ অসাধাৰণ পাণ্ডিত্য প্ৰকাশ কৰিবলৈ সমৰ্থ হৈছিল। গণিত শাস্ত্ৰত "আল্‌জিব্ৰৰ" ৰচনা কৰি পশ্চিমীয়া দেশ সমূহতো বিখ্যাত হৈ পৰে। জীৱন কালতে এই দুই বিষয়ত আন্তৰ্জাতিক খ্যাতি লাভ কৰা ওমৰে শেষৰ ফালে কাব্য-চৰ্চাত মনোনিবেশ কৰি পাঁচশৰো অধিক ৰুবাঈ ৰচনা কৰে। ওমৰে সৰ্বমুঠ ওঠৰখন গ্ৰন্থ ৰচনা কৰিছিল। কিন্তু দুখন গ্ৰন্থ-"আল্‌জিব্ৰ" আৰু "ৰুবাঈয়াত" হে কালজয়ী হৈ ৰ'ল। এই অসাধাৰণ পণ্ডিত কবি জনাই ১২২৩ খ্ৰীষ্টাব্দত (কোনোৰ মতে ১২৩২ খ্ৰীঃ ৫২৬ হিজৰী-৮৪ বছৰ বয়সত) মৃত্যুক সাবটি লয়। খায়্যামৰ এজন প্ৰিয় ছাত্ৰ নিজামীয়ে উল্লেখ কৰি গৈছে যে কবিয়ে ইচ্ছা কৰা মতেই উত্তৰৰ বতাহে গোলাপৰ ঘ্ৰাণ ছটিয়াই যোৱা স্থানতে তেওঁক কবৰ দিয়া হ'ল। তদুপৰি আঙুৰ কুঞ্জৰ এচুকত পথৰ পথিকে চকুলো পেলাই যাব পৰা স্থানত নিৰলে সমাধিস্থ কৰাৰ কামনা কৰিছিল। তেওঁ আশা কৰিছিল,-

সমাধি কাষৰ বতাহ্‌ সদায়
থাকিব মধুৰ গোন্ধেৰে পূৰ
আকুল আবেগে পথৰ পথিকে
কৰিব ইয়াতে ভাগৰ দূৰ।
পাব জীৱনত প্ৰেমৰ পৰশ
শান্তিৰে পৰাণ পৰিব ভৰি
দূৰ ভৱিষ্যৰ সংগীতৰ সুৰ
বাজিব জীৱন মধুৰ কৰি।

(দুৱৰাৰ অনুবাদ)

ওমৰৰ ৰুবাঈৰ সঠিক সংখ্যাটো পোৱা নাযায়। কোৱা হয় পাঁচশৰো অধিক। ইংলণ্ডৰ ব্ৰডলিয়ান লাইব্ৰেৰীত সংৰক্ষিত পাণ্ডুলিপিত মাত্ৰ ১৫৮ টা ৰুবাঈ আছে। এইখনকে প্ৰথমতে সংগৃহীত ওমৰৰ "ৰুবাঈয়াত" বুলি ভবা হয়। লণ্ডনৰ ইণ্ডিয়া অফিচ লাইব্ৰেৰীত থকা দুটা পাণ্ডুলিপিৰ এটাত ৩৬২ আৰু আনটোত ৫১২ টা ৰুবাঈ আছে। ইয়াৰে কিছুমান ৰুবাঈ প্ৰক্ষিপ্ত বুলি সন্দেহ কৰা হয়। পৰবৰ্তী কালত ওমৰক প্ৰকৃত চুফীবাদী কৰাৰ অভিপ্ৰায়ত অন্য কবিয়ে ৰচনা কৰা অস্তিত্ববাদী ৰুবাঈ কিছুমান তেওঁৰ নামত প্ৰচলন কৰে বুলি বহুতে ধাৰণা কৰে।

ওমৰ খায়্যাম প্ৰায় ছয় শতাব্দীকাল পাৰস্যতে সীমাবদ্ধ আছিল। প্ৰখ্যাত ইংৰাজ অনুবাদক এড্‌ৱাৰ্ড ফিট্‌জাৰেল্ডে ১৮৫৯ খ্ৰীঃত পঁয়সত্তৰটা ৰুবাঈৰ অনুবাদ কৰি "ৰুবাঈয়াত অৱ ওমৰ খায়াম" (Rubaiyat of Omar Khayyam) নামেৰে প্ৰকাশ কৰাৰ পাছতহে বিশ্বত তেওঁ জনাজাত হয়। প্ৰথম সংস্কৰণে চুইনবাৰ্ণ, ৰছেটি আদি কবিক আকৰ্ষণ কৰিলেও দ্বিতীয়টো সংস্কৰণতহে খায়ামৰ খ্যাতি বৃদ্ধি পায় আৰু লগে লগে জাৰ্মান, ফৰাছী, ডেনিচ, ইটালীয়ান, হাঙ্গেৰীয়ান আদি ভাষালৈ অনূদিত হৈ উঠে। ফিট্‌জাৰেল্ডে সৰ্বমুঠ ১১১ ৰুবাঈ অনুবাদ কৰি ৫ম আৰু শেষ সংস্কৰণটোত অন্তৰ্ভুক্ত কৰে। ইংৰাজীলৈ নিকোলাচ নামৰ দ্বিতীয় এজন অনুবাদকেও ভালেখিনি ৰুবাঈৰ অনুবাদ কৰিছিল; কিন্তু ফিট্‌জাৰেল্ডেই এই ক্ষেত্ৰত স্বনামধন্য।

ফিট্‌জাৰেল্ডৰ অনুবাদৰ সহায়ত অসমীয়াত কবি যতীন্দ্ৰ নাথ দুৱৰাই ১০৫ টা ৰুবাঈৰ ভাঙনিৰে ১৯২৬ চনত "ওমৰতীৰ্থ" প্ৰকাশ কৰে। এই গ্ৰন্থৰ প্ৰকাশক আছিল যোৰহাটৰ দুৰ্গাধৰ বৰকটকী। দুৱৰাই ৰুবাঈ সমূহৰ ছন্দ-বৈশিষ্ট্যলৈ লক্ষ্য নাৰাখি জনপ্ৰিয় অসমীয়া দুলড়ী ছন্দ অনুকৰণত মুকলিকৈ যি অনুবাদ আগবঢ়াইছে; সেয়া পঢ়িলে মৌলিক কবিতা যেনহে লাগে। ফিট্‌জাৰেল্ডেও মুকলি অনুবাদেই কৰিছিল। গতিকে, দুৱৰাই মুকলিৰো মুকলি অনুবাদ কৰাত ভাবাৰ্থৰ বাদে আনবোৰ সলনি হৈ পৰিছিল। ৰচনা পদ্ধতিত ৰুবাঈবোৰ চাৰি শাৰীয়া একোটা স্তবক (stanza) মাত্ৰ। অন্ত্যমিল প্ৰথম, দ্বিতীয় আৰু চতুৰ্থশাৰীত পোৱা যায়। কেৱল ফিট্‌জাৰেল্ডেহে এই পদ্ধতি ৰক্ষা কৰিছে।

অসমীয়াত দ্বিতীয়তে ৰুবাঈ কেইটামানৰ অনুবাদ অধ্যাপক ৰায়হান শ্বাহে "কটনীয়ান"ৰ পাতত কৰিছিল। তৃতীয় অনুবাদক হ'ল মোহম্মদ চাদেৰ আলি। আলি আৰবী-ফাৰ্চী ভাষাৰ পণ্ডিত আৰু অসমীয়া ভাষালৈ "কোৰাণ শ্বৰীফ"ৰ অনুবাদক। তেওঁ মূল ফাৰ্চী ভাষাৰ পৰা ৩৫০ টা ৰুবাঈৰ অনুবাদ কৰি "ওমৰকাব্য" নাম দি ১৯৮০ চনত প্ৰথম সংস্কৰণ প্ৰকাশ কৰি উলিয়াইছে। সেইফালৰ পৰা বিচাৰ কৰিলে আলিৰ অনুবাদ মূলৰ ওচৰ চপা। কিন্তু, ৰচনা পদ্ধতিত ৰুবাঈৰ ৰীতি তেওঁ অনুসৰণ কৰা নাই। ছয়মাত্ৰাৰ দুটা পৰ্বৰে এটা চৰণ ৰচনা কৰি আঠটা চৰণত এটা ৰুবাঈ অনুবাদ কৰিছে। দুৱৰাৰ চৰণো আঠটা। কিন্তু পৰ্ববিলাক প্ৰথম চৰণত ৬ঃ৬, দ্বিতীয়ত ৬ঃ৫ মাত্ৰাৰ। এই ৰীতিৰেই পৰবৰ্তী চৰণ বিলাক ৰচিত।

ৰচনা-ৰীতি আৰু ভাব-বস্তু প্ৰকাশত "ৰুবাঈয়াত", "ওমৰতীৰ্থ" আৰু "ওমৰ কাব্য"ৰ বৈশিষ্ট্য একেটা ৰুবাঈৰ অনুবাদ দাঙি ধৰিলেই বুজা যাব।

ফিট্‌জাৰেল্ডৰ "ৰুবাঈয়াত"ত ১নং ৰুবাঈৰ অনুবাদ ঃ-

Awake! for Morning in the Bowl
of Night.
Has flung the stone that puts the
stars to Flight;
And Lo ! the Hunter of the East
has caught
The Sultan's Turret in a Noose
of Light.

"ওমৰতীৰ্থ"ত দুৱৰাই ইয়াক অনুবাদ কৰিছে,-

সোণালী ৰথত আলোকি বিমান
মাৰিলে সূৰুযে সোণৰ কাঁড়
পলাল আন্ধাৰ হৰিণীয়ে যেনে
হয় নিমিষতে চকুৰ আঁৰ
ৰাজ কাৰেঙক চুমিছে পোহৰে
উঠিছে মঙ্গল প্ৰভাতী গান
জীৱন্ত জগত উঠা উঠা হেৰা
এতিয়াও কিয় নিৰ্জীৱ প্ৰাণ।

এই একেটা ৰুবাঈৰ চাদেৰ আলিকৃত অনুবাদ হ'ল,-

উঠা প্ৰিয়তম মাৰিলে ভুমুকি
পূব আকাশত দীপ্ত উষাই
হ'লহি প্ৰভাত চোৱা তৰাবোৰ
গ'ল দিহাদিহি লাজতে পলাই।
উষাৰ কিৰণে বিয়পি দিগন্ত
পৰি আকাশৰ বিশাল কক্ষত
লগালে চমক সৌ চুলতানৰ
ৰাজ প্ৰসাদৰ ওখ মিনাৰত।

এই তিনিওটা অনুবাদৰ তুলনা কৰিলে দুৱাৰৰ অনুবাদ আটাইতকৈ মুকলি। তেওঁ যোগ-বিয়োগ ঘটাই অনুবাদ মৌলিক কবিতাৰ দৰে শুৱলা কৰি তুলিছে। আলিৰ অনুবাদ দুৱৰাৰ দৰে সাৱলীল নহলেও নিম্ন খাপৰ নহয়। ফিট্‌জাৰেল্ডৰ ওচৰ চপা বুলিব পাৰি। কিন্তু, দুয়োজন অসমীয়া অনুবাদকে স্তবক-নিৰ্মাণ নিজাকৈ নকৰি ফিটজাৰেল্ডৰ অনুসৰণ কৰা হ'লে আৰু সুন্দৰ হ'লহেতেন। তদুপৰি, 'ৰুবাঈ' এটা ছন্দ ৰীতিহে। ছনেটৰ দৰেই ইয়াৰ ছন্দৰীতিকো মুখ্য কৰিব লাগিছিল। আনহাতে, কবিতাৰ অনুবাদ যথাৰ্থ ভাবে নহয়। তথাপি ভাব বৈশিষ্ট্য ৰক্ষা কৰাত গুৰুত্ব দিব লাগে। ৰুবাঈৰ অনুবাদকসকলে এই ক্ষেত্ৰত দৃষ্টিপাত কৰাৰ প্ৰমাণ ওপৰৰ অনুবাদ তিনিটাই দাঙি ধৰিছে। সূ





## গ্ৰন্থজগত

নলিনীধৰ ভট্টাচাৰ্য

# চুটি গল্পত মধ্যবিত্ত নাৰীৰ মন

কাঞ্চন জঙ্ঘা
ড্ৰ° অনিমা দত্ত
*প্ৰকাশক ঃ ষ্টুডেন্টচ্ এম্পৰিয়াম*
*ডিব্ৰুগড়-১*

ৰবিঠাকুৰে তাহানি কৈছিল, ৰমণীৰ মনৰ কথা; সি হেনো সহস্ৰ বৰ্ষৰ সাধনাৰ ধন। সেই সাধনাৰ ধনকে আৱিষ্কাৰ কৰিবলৈ ড° অনিমা দত্তই তেওঁৰ শেহতীয়া গল্প সংকলন 'কাঞ্চনজঙ্ঘা'ত বিভিন্ন মধ্যবিত্ত নাৰীৰ মনৰ অভ্যন্তৰলৈ প্ৰবেশ কৰিছে। নাৰীৰ জীৱন-প্ৰত্যয়, সুখ-দুখ, হাঁহি-অশ্ৰুৰ সংযত ৰস-সমৃদ্ধ বৰ্ণনাই গল্প কেইটাৰ সৌন্দৰ্য বঢ়াইছে। লেখিকাই নিজৰ পৰিবেশৰ অভিজ্ঞতাকে কলাত্মক ৰূপ দিবলৈ চেষ্টা কৰিছে আৰু বহু ক্ষেত্ৰত সফলো হৈছে। তেওঁৰ কল্পলোকৰ ভিতৰৰ প্ৰকৃতি মূলতঃ ৰোমাণ্টিক, কিন্তু বৰ্ণনাৰ সংযম আৰু ভাষাৰ কাব্যিক লালিত্যই তাক পূৰ্ব-সূৰীৰ ৰোমাণ্টিকতাৰ পৰা পৃথক কৰিছে। মুঠতে নাৰীৰ প্ৰেম-প্ৰীতিৰ বিচিত্ৰ দলিল হিচাপে 'কাঞ্চনজঙ্ঘা'ৰ পৰীক্ষা-নিৰীক্ষাই অসমীয়া পাঠকৰ মনোযোগ আকৰ্ষণ কৰিব।

প্ৰথম গল্প 'অৱগাহন'ৰ পটভূমি আৰু তাৰ কথাংশই ব্যঞ্জনা কৰা প্ৰমূল্য বাকীবোৰ গল্পৰ পৰা অৱশ্যে পৃথক। এই গল্পৰ নায়িকা এগৰাকী বিদেশী নাৰী নাম, ৰ'জা মাৰ্গাৰেট ফিল্ড। এওঁ ৱৰ্ডচৱৰ্থৰ দেশৰ নাৰী, কিন্তু অসমৰ চাহ বাগিচাত বহুদিন অভিজাত পৰিবেশত থাকি তেওঁ অসমৰ অতীত পৰম্পৰা আৰু সংস্কৃতিৰ সতে গভীৰ ভাবে পৰিচিত হৈ পৰিছে। কেৱল পৰিচিতেই নহয়, তেওঁ তাৰ প্ৰতি অনুৰক্তও। মাজুলীত ৰাসলীলা চোৱা, নৃত্য দেখি বিভোৰ হোৱা আৰু তাৰ নিসৰ্গৰ মাজত আত্মহাৰা হোৱা এই গৰাকী বিদেশী মহিলা যে এখন প্ৰশস্ত হৃদয়ৰো অধিকাৰী তাৰ ইঙ্গিত দি গল্পটো সামৰা হৈছে। মহিলা গৰাকীৰ বৌদ্ধিক কৌতূহলৰ কথাও কোৱা হৈছে - কিন্তু চাহ বাগিচাৰ বনুৱাৰ মাজত শিক্ষা বিস্তাৰ কৰা, অসবৰ্ণ বিবাহৰ ফলত সমাজচ্যুত এযোৰ দম্পতিৰ মৃত্যু হোৱাত তেওঁবিলাকৰ সন্তানটিক তুলি-তালি ডাঙৰ-দীঘল কৰাৰ সংকল্প লোৱা আদি মানৱীয় কামত নিজকে উছৰ্গা কৰা এই মহিলা গৰাকীৰ মাতৃ-মূৰ্তি গল্পটোত জিলিকি উঠিছে। তেওঁ যেন শান্ত সমুদ্ৰ, তাত অৱগাহন কৰি তৃপ্তি আছে।

দ্বিতীয় গল্প 'স্বাৰ্থপৰ' তাৰ নায়িকা যমুনা। তেওঁ অভিজাত পৰিয়ালৰ ছোৱালী ; বিলাত-ফেৰৎ ডাক্তৰণী। স্বভাৱ চৰিত্ৰত সংযত, উদাৰমনা নাৰী। ঘৰখনত বহুত মানুহ, তেওঁবিলাকৰ মাজত কিন্তু আন্তৰিক যোগসূত্ৰ নাই। বেমাৰী মাক থাকে এটা আচুতীয়া কোঠাত, চাবলৈ কাৰো আহৰি নাই। যমুনাই চাকৰিৰ ব্যস্ততাৰ মাজতো মাকক চায়, ঘৰুৱা কাম-বনো কৰে। যমুনাই ইতিপূৰ্বে পুৰঞ্জয়ৰ প্ৰেম প্ৰত্যাখ্যান কৰি পঢ়া-শুনাত মন দিলে। সেই পুৰঞ্জয়ো তেওঁৰ এতিয়া সহকৰ্মী ডাক্তৰ। ককায়েকৰ বেয়া ব্যৱহাৰত যমুনা এদিন বিহ্বল হৈ পৰিল। যমুনাৰ অন্তৰ্দ্বন্দ্ব আৰম্ভ হ'ল। তাই সঁচাকৈ স্বাৰ্থপৰ নে কি ? আনহাতে ঘৰখনত তাই বোজা হৈ পৰা নাই জানো ? এনেবোৰ প্ৰশ্নই বাৰে বাৰে তাইৰ মনত ভুমুকি মাৰিলে। অৱশেষত তাই নতুন প্ৰস্তাৱ লৈ পুৰঞ্জয়ৰ ওচৰ চাপিল। কিন্তু বহুত পলম হৈ গ'ল, ইতিমধ্যে পুৰঞ্জয়ৰ ছোৱালী ঠিক হৈ গৈছে। যমুনাই অন্তৰ্দ্বন্দ্বৰ পৰা পৰিত্ৰাণ নেপালে। নোপোৱাৰ বেদনাৰে এটি নাৰী সত্তা অন্তৰ্দাহত জ্বলি পুৰি ৰ'ল। এই ইঙ্গিত গল্পটোৰ সামৰণিয়ে দিয়ে। পিছৰ গল্প 'আকাশলীনা'। আকাশলীনাই অমিতাভক বিয়া কৰাইছিল। সুখৰ সংসাৰ। কিন্তু অকস্মাৎ অমিতাভৰ মৃত্যু হ'ল। তাই হৈ পৰিল নিঠৰুৱা। অমিতাভৰ বন্ধু অৰিজিতৰ তলত আকাশলীনাই চাকৰি এটা লৈ জীয়েকৰ সৈতে মাকৰ ঘৰত থাকিল। অৰিজিতৰ অশালীন ব্যৱহাৰত তাই চাকৰি এৰি দি কলেজৰ অধ্যাপিকা হ'ল। এদিন জীয়েক বিবাহ-যোগ্যা হ'ল। অৰিজিতে পুতেকলৈ তাইক খুজিলে। সকলো মান্তি হ'ল, কিন্তু আকাশলীনা নহ'ল। বিয়াখনো নহ'লগৈ। আকাশলীনাই আৰিজিতৰ কামদৃষ্টিৰ কথা পাহৰা নাছিল, কাকো নকৈ মনৰ ভিতৰতে গুজৰি-গুমৰি অৱশেষত তাই সিদ্ধান্ত ললে, যি তাইৰ ব্যক্তিত্বক অপমান কৰিছে, তেওঁৰ লগত সম্পৰ্ক কৰাৰ কোনো প্ৰশ্নই উঠিব নোৱাৰে। 'সংসাৰত সকলো অনিত্য' - দৰ্শনৰ এই সূত্ৰয়ো আকাশলীনাক বাধা দিব নোৱাৰিলে। গল্পটোত নাৰীৰ ক্ষুব্ধ মনৰ চিত্ৰ আছে।

'বিষণ্ণ বিস্ময়' গল্পটোৰ প্ৰসঙ্গও প্ৰায় এনেকুৱাই। বিপাশাক অবিবাহিত অৱস্থাত অমিতাভে অশোভনীয় আচৰণ কৰিছিল,- তাৰ সেই আচৰণৰ কথা বিপাশাই পাহৰা নাছিল। স্বামী অভীকৰ মৃত্যুৰ পিছত এদিন অমিতাভ আহি বিপাশাক দেখা কৰিলেহি। তেওঁৰ মুখৰ পৰা জানিলে, বিয়াৰ দিনা বিপাশাই ডিঙিত পিন্ধা ৰজনীগন্ধাৰ মালাডাল হেনো অমিতাভৰ উপহাৰ। অমিতাভৰ প্ৰেম আছিল দেহবাদী, আত্মিক প্ৰেমত তাৰ বিশ্বাস নাই। বিধৱা বিপাশা বিষণ্ণ হ'ল, বিস্মিতো হ'ল যেতিয়া জানিলে যি ডাল ৰজনীগন্ধাৰ সুবাসে এদিন অভীকৰ মন-প্ৰাণ উতলা কৰিছিল, যি ডাল মালাৰ শুকান গোন্ধত অভীকৰ মধুৰ স্মৃতিৰ পাপৰি তাই বিচাৰি পায়, সেই মালাডালেই আছিল অমিতাভৰ উপহাৰ। এতিয়া অমিতাভক হঠাৎ দেখি বিপাশা আতংকিত হৈছিল, জানোচা অমিতাভৰ সৰ্বগ্ৰাসী চাৱনিত অভীকৰ স্মৃতিসৌধ ভাগি-ছিগি যায়। কিন্তু বিপাশাই ভুল ধাৰণা কৰিছিল। এইবাৰ অমিতাভ অনুতাপ দগ্ধ। বিপাশাৰ প্ৰত্যাখ্যান অহেতুক নহয় বুলি সি বুজিছে,- এতিয়া তাৰ হৃদয়ত কোনো ৰক্তাক্ত ৰেখা নাই। সি ভুল স্বীকাৰ কৰিছে আৰু বিপাশাৰ এই কৰুণ বিপৰ্যয়ত সমবেদনা জনাইছে। বিপাশাৰ সকলো দুঃস্বপ্ন ভাঙি দি সি ঘোষণা কৰিছে, সি এতিয়া অন্য এক গাভৰুৰ পাণিপ্ৰাৰ্থী। বিপাশা স্তম্ভিত হ'ল যেতিয়া দেখিলে যে অমিতাভ এতিয়া জুইত পোৰা সোণৰ দৰে উজ্জ্বল। তাৰ সত্তাৰ পৰিবৰ্তন হৈছে। আনহাতে তাই দুখো পালে; কিয়নো, সেই ৰজনীগন্ধাৰ মালাডালত অমিতাভৰ আত্মিক প্ৰেমৰ নিঃশ্বাস লাগি আছিল। লেখিকাই সম্ভৱতঃ এই দৰে আত্মিক প্ৰেমৰ প্ৰতি নাৰী মনৰ আকৰ্ষণৰ ইঙ্গিত দিছে।

'লোপামুদ্ৰা' গল্পৰ স্বাদ সুকীয়া। ইয়াত এগৰাকী কিশোৰীয়ে উদ্ভিন্ন যৌৱনৰ স্বপ্ন দেখিছে। তাই পৰম্পৰাগত ঐতিহ্যৰ মাজত ডাঙৰ-দীঘল হৈছে। মাকৰ পৰা শুনিছে উপনিষদৰ মৈত্ৰেয়ীৰ অমৃত সন্ধানৰ কাহিনী। আনহাতে, কেতিয়াবা, আধুনিকাৰ দৰে কবিতাও লিখিছে। তাইৰ এটা কথা সহ্য নহয় ; মানুহে তাইক সৰু ছোৱালী বুলি কয় ; সেই কথা তাইৰ বাবে অসহ্য। ফ্ৰক এৰি গাভৰুৰ দৰে সাজপাৰ কৰি তাই ভাবে, তাই দুই এদিনতে যৌৱনত ভৰি দিব। তাইৰ এই

পুলকিত মনটোৰ খবৰ মনে বিচৰাজনে আজি ল'ব নে ? মনে মনে তাইৰ অভিমান, তাইতো সৰু নহয় । তাই ডাঙৰ হ'ব । কবিতা লিখিব । হয়তো মৈত্ৰেয়ীৰ দৰে পৰম প্ৰজ্ঞাৰ সন্ধান কৰিব । এইদৰে, এগৰাকী অভিমানী কিশোৰীৰ কল্পলোকৰ আভাস দিবলৈ লেখিকা সমৰ্থ হৈছে । সংসাৰৰ জটিলতাৰ পৰশ নোপোৱা সহজ-সৰল কিশোৰীৰ মনৰ অভ্যন্তৰলৈ লেখিকাই সাৰ্থকভাবেই ভুমুকি মাৰিছে ।

নিম্ন মধ্যবিত্ত ছোৱালী ধনী অভিজাত পৰিয়ালত থাকিব লগা হলে তাইৰ স্বাভাৱিকতে নানা সংকোচ আৰু উদ্বিগ্নতা থাকে ; কিয়নো অভিজাত পৰিয়ালৰ ধৰণ-কৰণৰ লগত তাই খাপ খাব নোৱাৰে । কিন্তু 'মোৰ তীৰ্থ' গল্পৰ নায়িকাৰ ক্ষেত্ৰত তেনে হোৱা নাই । এজনী নিঠৰুৱা, শিক্ষিতা, সংগীত প্ৰিয় গাভৰু কৰবী । তাই অভিজাত পৰিয়ালত পালে চেনেহৰ উম, লাভ কৰিলে মনে বিচৰা জীৱন সঙ্গী । তাই ভাবিছিল – 'কাৰো প্ৰাণে মোৰ সুৰভিৰ বাবে হাহাকাৰ নকৰে । মই নীৰৱে ফুলি নীৰৱে মৰহি যাম ।' কিন্তু সম্পূৰ্ণ অপ্ৰত্যাশিত ভাবে ইয়াত বিপৰীতহে ঘটিল । গল্পটোত প্ৰেমৰ স্বপ্ন আৰু বাস্তৱ দুয়োটাই সম্ভৱ হৈ উঠিছে ।

'সূৰ্য সন্তৱা'ত দেখুওৱা হৈছে আধুনিক মনোবৃত্তি আৰু প্ৰাচীন আভিজাত্যৰ দ্বন্দ্ব । এটাৰ যেন উদয় হৈছে, আনটোৰ অস্ত গৈছে । শিৰফুটা বৰুঁৱাৰ ঘৰত আছিল আভিজাত্যৰ সকলো নিদৰ্শন । গিৰিহঁতনী বৰুৱানীয়ে সেই নিদৰ্শনবোৰ ৰক্ষা কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল । তাৰ বাবে তেওঁ মনতো আনন্দ পাইছিল । কিন্তু কাল পৰিবৰ্তনশীল ; সামন্তযুগীয়া আদৰ্শক ঠেলি আগবাঢ়ি আহিল পাশ্চাত্যৰ উদাৰনৈতিক ভাবধাৰা । বৰুৱানীয়ে যেতিয়া শুনিলে, তেওঁৰ পুতেক সুন্দৰে বিলাতলৈ পঢ়িবলৈ গৈ মেম বিয়া কৰালে, তেতিয়া বংশগৌৰৱত আঘাত কৰা হ'ল বুলি ধৰি ললে আৰু পুতেকৰ প্ৰতি কঠোৰ হৈ পৰিল । নতুন প্ৰমূল্যই প্ৰাচীন ভাবাদৰ্শক এইদৰে অৱজ্ঞা কৰি আগবাঢ়ে, আৰু প্ৰাচীন ভাবাদৰ্শ অসহায় হৈ নতুন অগ্ৰগতিৰ বিষণ্ণ দৰ্শক হৈ ৰয় । গল্পটোৰ শিকনি বোধহয় এয়ে ।

'মৃগতৃষ্ণিকা' অধিক বাস্তৱ গন্ধী । নিম্ন মধ্যবিত্তৰ দাৰিদ্ৰ্য, আৰু উচ্চবিত্তৰ ঐশ্বৰ্যৰ মাজত প্ৰেম এটা উজ্জ্বল প্ৰহাৰ স্বৰূপ হৈ পৰিছে । অভিৰাম আৰু পাঞ্চালীৰ প্ৰেমৰ পৰিণতি হ'ল বৰ করুণ । ধনীৰ দুলালী পাঞ্চালীয়ে ৰহস্যজনক ভাবে দৰিদ্ৰ অভিৰামৰ লগত পঢ়া কালৰে পৰা প্ৰেমৰ আদান প্ৰদান কৰিছিল – কিন্তু মূৰকত, পাঞ্চালীৰ ককায়েকে চাকৰি এটাৰ বিনিময়ত পাঞ্চালীৰ কথা মনৰ পৰা ত্যাগ কৰিবলৈ অভিৰামক নিৰ্দেশ দিলে । অভিৰামে পাঞ্চালীক কাঁইটীয়া কেতেকী বুলি ভাবিছিল । ছিঙিব নোৱাৰি । আনহাতে, ককায়েকৰ মতে, অভিৰামৰ বাবেই পাঞ্চালীয়ে বিয়া ভাঙি দিছে । তেন্তে তাৰ অৰ্থ কি ? তাই অভিৰামৰ প্ৰেমত বন্দী নে কি ? অভিৰামে ঠিক কৰিলে, পাঞ্চালীৰ প্ৰেম সত্য হ'লেও, তাক সি বিসৰ্জন দি চাকৰি ল'ব – কাৰণ তাৰ ঘৰত ৰুগীয়া মাতৃ আছে, সকলো সুবিধাৰ পৰা বঞ্চিত গাভৰু ভনীয়েক অপৰা আছে । বাস্তৱৰ এই কঠোৰ সংঘাতত প্ৰেম মৃগতৃষ্ণা মাথোন । গল্পটোত তাৰেই আভাস দিয়া হৈছে ।

নাৰীৰ মনৰ আন এটি দিশ দাঙি ধৰা হৈছে 'নিজস্ব' গল্পত । এই গল্পত নায়িকা সন্দেহ পৰায়ণতাৰ পৰা মুক্ত হ'ব পৰা নাই । জীৱনত সকলো বস্তু পাইছে, উপযুক্ত স্বামী, ধুনীয়া কন্যা সন্তান– সকলো পাইও তেওঁৰ গিৰিয়েকৰ চৰিত্ৰৰ ওপৰত আস্থা নাই । এটা স্পৰ্শকাতৰ মন যেতিয়া সন্দেহাক্ৰান্ত হয়, তেতিয়া তাৰ আচৰণবোৰো অদ্ভুত হয় । স্বামী সম্পৰ্কে থকা আশংকাই জয়শ্ৰীৰ মনৰ শান্তি দূৰ কৰিছে । অৱশেষত তাই অনুভৱ কৰিছে এটা শূন্যতা । তাইৰ আত্ম-বিশ্লেষণো আছে, অথচ তেনে বিশ্লেষণেও তাইক হতাশাৰ পৰা উদ্ধাৰ কৰা নাই । সম্ভৱতঃ অতিশয় আত্মকেন্দ্ৰিকতাও ইয়াৰ কাৰণ হ'ব পাৰে । স্বামীৰ দুশ্চৰিত্ৰৰ কোনো লক্ষণ তাই নিজে দেখা নাই– অহুকাণে-পহুকাণে শুনিছে মাথোন । ছোৱালীজনীৰ প্ৰতি পিতৃৰ যি কৰ্তব্য তাক তাইৰ স্বামীয়ে অৱহেলা কৰা নাই । তথাপি, সন্দেহ, তথাপি আশংকা কিয় ? এই প্ৰশ্নৰ উত্তৰ তাই বিচাৰি পোৱা নাই । কেউফালে অনিশ্চয়তা আৰু শূন্যতা । এনে ধৰণৰ অন্তৰ্মুখী বৃত্তৰ মাজত নায়িকাৰ মন অস্থিৰ । ই জানো আধুনিক কালৰ অৱক্ষয়ৰ ফল ? হয়তো নহয়, ই বিচ্ছিন্ন নিঃসঙ্গ নাৰীৰ ঈৰ্ষাজনিত বিকাৰ হ'ব পাৰে ।

এটি কন্যা সন্তানৰ মাতৃ হৈও, এগৰাকী বিধৱাই পুৰুষৰ প্ৰেমত মুগ্ধ হ'ব পাৰে নে ? 'কাঞ্চনজঙ্ঘা' গল্পত এই পৰিস্থিতিৰ সৃষ্টি হৈছে । গল্পটোত সুকান্তৰ প্ৰেম প্ৰত্যাখ্যান কৰিছে অনিন্দিতাই, কাৰণ, তাইৰ এটি কন্যা সন্তান আছে আৰু তাইক কেন্দ্ৰ কৰি আছে যুগ্ম জীৱনৰ স্মৃতি । অনিন্দিতাই সুকান্তক ভগ্নী বুলি ভাবিবলৈ পৰামৰ্শ দিছে যদিও, বিদায় ক্ষণত অনিন্দিতাৰ মন বেদনাবিধুৰ, দেহ নিশ্চল । অনিন্দিতাৰ প্ৰত্যাখ্যানৰ কাৰণ অস্পষ্ট । সমাজৰ বাধা নে যুগ্ম জীৱনৰ স্মৃতি ? সেই প্ৰেমঘন বিদায় মুহূৰ্তৰ ক্ষণিক মায়াক চিৰন্তন কৰাৰ হেঁপাহ আছিল নেকি অনিন্দিতাৰ ? এইবোৰৰ উত্তৰ নাই । সামৰণি ৰহস্যময় হোৱাত পাঠকৰ কৌতূহল নিশ্চয় বাঢ়িব ।

দাম্পত্য-জীৱনত স্বামী-স্ত্ৰীৰ সম্পৰ্ক কেনে হোৱা উচিত ? স্বামী যদি স্ত্ৰীৰ সুখ-দুখ সম্বন্ধে অমনোযোগী হয়, তেন্তে স্ত্ৰীৰ মনৰ অৱস্থাই কি ৰূপ ল'ব ? 'এনেকৈয়ে জীৱনৰ দিনবোৰ' গল্পত এনেবোৰ প্ৰশ্নৰে অৱতাৰণা কৰা হৈছে । গল্পটো আত্মজীৱনী মূলক । নায়িকাই সকলো পাইছে,– তথাপি স্বামীৰ অৱহেলাত তেওঁ নিঃসঙ্গ হৈ পৰিছে । কেতিয়াবা অতীতৰ স্মৃতিৰ ৰোমন্থন কৰিছে,– কেতিয়াবা অৱসন্ন হৈ মৃত্যুৰ কথা ভাবিছে । মৃত্যু চেতনা প্ৰবল হৈ উঠে কোনো কোনো সময়ত । ল'ৰা-ছোৱালী লৈও তেওঁ বিৱত । কোনোবাই বিদেশী গাভৰু বিয়া কৰাই দূৰ দেশত আছেগৈ,– কাৰোবাৰ আকৌ ঐতিহ্যবোধ নাই–কোনোৰ আকৌ আচৰণেই উশৃংখল ! ক'তো সান্ত্বনা নাই, শান্তি নাই । কেতিয়াবা সাময়িক আনন্দ পালেও, পুনৰ মন বিষণ্ণ হৈ পৰে । কেৱল উপেক্ষাজনিত অন্তৰ্দাহ । জীৱন যেন অৰ্থহীন ! এগৰাকী দুৰ্দশাগ্ৰস্ত নাৰীৰ মনৰ বেদনা ভাষা-চিত্ৰ হিচাপে গল্পটো আকৰ্ষণীয় ।

সংকলনৰ প্ৰায় আটাইবোৰ গল্পই সুখপাঠ্য । কিছুমান গল্পত ডাল-পাত হিচাপে প্ৰকৃতিৰ বৰ্ণনাও দিয়া হৈছে । এই বৰ্ণনাবোৰ জীৱন্ত আৰু মৰ্মস্পৰ্শী । নাৰী মনৰ ঘাত-প্ৰতিঘাতৰ চিত্ৰ হিচাপে 'কাঞ্চনজঙ্ঘা'ৰ গল্প সমূহ সাৰ্থক । অৱশ্যে, নাৰী চৰিত্ৰ সমূহ উচ্চবিত্ত বা মধ্যবিত্ত স্তৰৰ,– তেওঁবিলাক বিচ্ছিন্ন । তথাপি এই বিচ্ছিন্নতাও পৰোক্ষভাবে সমাজ বাস্তৱৰ ফলশ্ৰুতি । লেখিকাই নাৰী সমস্যাত ধৰিছে যেতিয়া কেনভাছ আৰু বহল কৰিলে ভাল হ'ব যেন লাগে । তেওঁৰ বৰ্ণনা কুশলতা আৰু ভাষাৰ সংযম প্ৰশংসনীয় । পুথিখনৰ ছপা বন্ধা ভাল । আগ্ৰহী পাঠকৰ হাতত পুথিখনে নিশ্চয় সমাদৰ পাব ।

## শুধৰণি

*১–১৫ ডিচেম্বৰ সংখ্যা সূত্ৰধাৰত 'গ্ৰন্থজগত' শিতানৰ লেখক নলিনীধৰ ভট্টাচাৰ্য আৰু 'মাধুকৰী'ৰ লেখক মুখলেছুৰ ৰহমানৰ নাম লেখা দুটাৰ সৈতে প্ৰকাশ নোপোৱাত আমি দুঃখিত । একেই সংখ্যাতে ডাঃ মুক্তি প্ৰসাদ গগৈৰ লেখা 'পাতি পইছা–ডবল পইছা' ৰ কিছু অংশ ভুল ক্ৰমে অগা-পিছাকৈ ছপা হৈছে । অনিচ্ছাকৃত ভুলৰ বাবে লেখক সকলৰ লগতে পাঠক সকলৰ ওচৰতো আমি ক্ষমা বিচাৰিছো ।*

*সম্পাদনা বিভাগ*





# নেপাল ভ্ৰমণৰ দুটিমান অভিজ্ঞতা

গিৰিণ ফুকন

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ পাঠ্যক্ৰমত "দক্ষিণ এচিয়াৰ" নেপাল, ভূটান বাংলাদেশ আৰু পাকিস্তানৰ–"চৰকাৰ আৰু ৰাজনীতি" সৰ্ম্পকীয় এখন ঐচ্ছিক "পেপাৰ" (প্ৰশ্ন কাকত) অন্তৰ্ভুক্ত কৰা হৈছে । এই পেপাৰখন অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীসকলক উল্লিখিত যি কোনো এখন দেশলৈ ক্ষেত্ৰ অধ্যয়নৰ বাবে যোৱা সুযোগও প্ৰদান কৰা হৈছে । এই দেশ কেইখনৰ ভিতৰত নেপাল আৰু ভূটানলৈ যোৱাটো অতি সহজ । ভাৰতীয় নাগৰিকৰ ভিছা-পাছপোৰ্ট আদিৰ আৱশ্যক নাই । যোগাযোগ ব্যৱস্থাও যথেষ্ট উন্নত । ছাত্ৰ-ছাত্ৰীসকলে সাধাৰণতে নেপাললৈ যাবৰ বাবে অধিক আগ্ৰহ প্ৰকাশ কৰে । নেপালৰ ৰাজধানী কাঠমাণ্ডুৰ প্ৰতি এক বিশেষ আকৰ্ষণো আছে । এই বছৰ ছাত্ৰ-ছাত্ৰী সকলৰ লগত নেপাললৈ যোৱাৰ দায়িত্ব এই লেখকৰ ওপৰত পৰিছিল । সেয়েহে, যোৱা অক্টোবৰ মাহৰ মাজভাগত চৈধ্যজন ছাত্ৰ-ছাত্ৰী সহ নেপাল ভ্ৰমণ কৰি আহিলোঁগৈ । ভাৰতৰ অন্যান্য অঞ্চলৰ তথা অসমৰ বহুতো লোক অহৰহ নেপাল ভ্ৰমণৰ বাবে গৈয়ে আছে । তদুপৰি, ভাৰতৰ ওচৰ চুবুৰীয়া তথা বন্ধুত্বপূৰ্ণ দেশ হিচাপে নেপালৰ আৰ্থ-সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক দিশৰ বিষয়ে কম-বেছি পৰিমাণে সকলো অৱগত । গতিকে এনেবোৰ দিশৰ ওপৰত আলোকপাত নকৰি কেৱল ভ্ৰমণকালত হোৱা দুই-এটি অভিজ্ঞতাৰ কথাহে ইয়াত উল্লেখ কৰিবলৈ প্ৰয়াস কৰা হৈছে ।

প্ৰাকৃতিক সৌন্দৰ্যৰে মনোমোহা নেপাল এখন সৰুদেশ । আৰ্থিক দিশত দুৰ্বল যদিও চীন, ৰাছিয়া, আমেৰিকা, গ্ৰেটবৃটেইন, জাপান, ভাৰত আদি দেশৰ সাহায্যত বিভিন্ন উন্নয়নমূলক কামৰ লগতে যোগাযোগ ব্যৱস্থাও যথেষ্ট উন্নত হৈছে । গতিকে ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰাৰ লগতে পুৰণি কীৰ্তি চিহ্ন আৰু মঠ-মন্দিৰ দৰ্শনাৰ্থে নেপালৰ ৰাজধানী কাঠমাণ্ডু আৰু ইয়াৰ পশ্চিম দিশত অৱস্থিত পোখ্ৰালৈ অধিক ভ্ৰমণকাৰী আকৰ্ষিত হৈছে । আমি এই দুই ঠাইলৈকে গৈছিলো যদিও আমাৰ উদ্দেশ্য কেৱল প্ৰাকৃতিক সৌন্দৰ্য উপভোগ আৰু মঠ-মন্দিৰ দৰ্শন কৰাই একমাত্ৰ নাছিল । নেপালৰ ৰাজনৈতিক তথা সামাজিক বিৱৰ্তনৰ বিষয়ে বুজ লবৰ বাবে দুই-এজন ৰাজনৈতিক ব্যক্তি আৰু বুদ্ধিজীৱীক লগ কৰাৰ মনস্থ কৰিছিলো । সেয়ে আমি যোৱা ১৩ অক্টোবৰ তাৰিখে কাঠমাণ্ডুত উপস্থিত হৈয়ে ত্ৰিভুৱন বিশ্ববিদ্যালয়ৰ শিক্ষক আৰু প্ৰধান মন্ত্ৰীকে ধৰি অন্যান্য ৰাজনৈতিক নেতৃবৃন্দক লগ পাবৰ বাবে যোগাযোগ কৰিছিলো । আমি কাঠমাণ্ডু গৈ পোৱা কথা জনোৱাত ত্ৰিভুৱন বিশ্ববিদ্যালয়ৰ অধ্যাপক ৰুদ্ৰপ্ৰসাদ উপাধ্যায়ে লগত কেইজনমান ছাত্ৰকলৈ আমাক হোটেলত লগ ধৰিলেহি । বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাসত আমাক থকা মেলাৰ ব্যৱস্থা কৰি দিম বুলি কৈছিল যদিও আমি হোটেলতে থাকিলো । পিছদিনা তেওঁলোকে আমাক ত্ৰিভুৱন বিশ্ববিদ্যালয়লৈ লৈ গ'লহি আৰু বিশ্ববিদ্যালয়ৰ বিভিন্ন বিভাগ সমূহৰ লগত পৰিচয় কৰি দিলে । অৱশ্যে সেই সময়ত পূজা বন্ধ চলি থকা বাবে আমাৰ ছাত্ৰ-ছাত্ৰী সকলে তাৰ অধিক ছাত্ৰ-ছাত্ৰীৰ লগত মত বিনিময় কৰিবলৈ সুযোগ নাপালে । যেই কি নহওক, অধ্যাপক উপাধ্যায়, বিশ্ববিদ্যালয়ৰ আন এজন কৰ্মচাৰী তীৰ্থ লামা আৰু কেইজনমান ছাত্ৰই কাঠমাণ্ডুত



*নেপালৰ প্ৰধান মন্ত্ৰী গিৰিজা প্ৰসাদ কৈৰালাৰ লগত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে লেখক।*

আমাৰ লগত অনবৰতে থাকি নেপালৰ বিভিন্ন দিশৰ বিষয়ে জনাত বিশেষভাবে সহায় কৰিছিল।

কাঠমাণ্ডুত থকা ভাৰতীয় দূতাবাসৰ প্ৰথম চেক্ৰেটেৰী (First Secretary) টিচেন তপডনক লগ ধৰি নেপালৰ প্ৰধান মন্ত্ৰীক সাক্ষাৎ কৰাৰ ব্যৱস্থা কৰি দিবলৈ অনুৰোধ কৰিলো। তেখেতে বহু চেষ্টা কৰি আমি বিচৰামতে ১৪ অক্টোবৰৰ দিনৰ এক বজাত সিংহ দৰবাৰৰ কাৰ্যালয়ত প্ৰধান মন্ত্ৰীক লগ ধৰিবলৈ–ঠিক কৰি দিলে। নেপালৰ সময় ভাৰতীয় সময়তকৈ যে বাৰমিনিট আগ বঢ়া আমি পাহৰিয়েই গৈছিলো। মনত পৰাতহে যেনিবা খৰ-খেদাকৈ গৈ নিৰ্দিষ্ট সময়ত প্ৰধান মন্ত্ৰীৰ সচিবালয়ৰ অভ্যৰ্থনা কক্ষত উপস্থিত হলোগৈ। সিংহদৰবাৰৰ চাৰিসীমাত প্ৰৱেশ কৰিয়েই কেইটামান কথা লক্ষ্য কৰি তাজ্জৱ মানিলো। প্ৰৱেশ দ্বাৰা অতিক্ৰম কৰি সংকোচ মনেৰে প্ৰধান মন্ত্ৰীৰ কাৰ্যালয়লৈ সদল বলে সোমাই গৈছো কিন্তু কোনেও সোধ-পোচ কৰা নাই– আমি ক'ৰ পৰা আহিছো আৰু ক'লৈ গৈছো। কৰ্তব্যৰত কোনো নিৰাপত্তা বাহিনী–থকাতো দূৰৰে কথা–কোনো বিশেষ কনিষ্টবলো নেদেখিলো। নিৰাপত্তাৰ খাতিৰত আমাক কোনেও কোনো ধৰণৰ পৰীক্ষা কৰা নাছিল। আমাৰ প্ৰায়বোৰৰ লগত নিজা বেগও আছিল। অথচ আমি ভাৰতীয় দূতাবাসলৈ যাওঁতে অনুমতি লব লগা হৈছিল। আৰু মেট্টেল ড়িটেক্‌টৰৰ মাজেৰে পাৰ হব লাগিছিল। অভ্যৰ্থনা কক্ষত আমি উপস্থিত হোৱাৰ লগে লগে প্ৰধান মন্ত্ৰীৰ ব্যক্তিগত সচিব পদ্মকুমাৰ আচাৰ্য আহি আমাক প্ৰধান মন্ত্ৰীৰ সাক্ষাৎ কক্ষলৈ লৈ গ'লহি। অলপ সময়ৰ পাছত প্ৰধান মন্ত্ৰী গিৰিজা প্ৰসাদ কৈৰালাই আমাক দেখা কৰিবলৈ আহিল আৰু আমাৰ অভিবাদন গ্ৰহণ কৰি নিৰ্দিষ্ট আসন গ্ৰহণ কৰিলেহি। আমাৰ লগত কথা-বতৰা হওঁতে তেখেতৰ ওচৰত কোনো নিৰাপত্তাৰক্ষী নাছিল। সেই সময়ত দিল্লী আৰু দিছপুৰৰ নিৰাপত্তা ব্যৱস্থাৰ কথা আমাৰ বাৰে বাৰে মনত পৰিছিল। প্ৰধান মন্ত্ৰী গৰাকীয়ে আমাৰ লগত প্ৰায় ৪০ মিনিট সময় কটালে। আমাৰ ছাত্ৰ-ছাত্ৰী সকলে কৰা প্ৰশ্নবোৰৰ উত্তৰ তেখেতে দি গ'ল। ইংৰাজী আৰু হিন্দী এই দুই ভাষাৰে আমাৰ লগত কথা পাতিছিল। অৱশ্যে আমাৰ লগত যোৱা একমাত্ৰ নেপালী ছাত্ৰ-দলবীৰ টামাঙৰ লগত নেপালীতে কথা-বতৰা হ'ল। আমাৰ নেতা সকলৰ দৰে তেখেতে লম্ফ-জম্ফ মাৰি কথা কোৱা নাছিল। আনকি প্ৰধান মন্ত্ৰী গৰাকীয়ে অকপটে স্বীকাৰ কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল যে নেপালত গণতান্ত্ৰিক প্ৰক্ৰিয়া আৰম্ভ হোৱাৰে পৰা জনসাধাৰণৰ বৰ্দ্ধিত আশা-আকাংক্ষা অনুসাৰে তেখেতে কাম কৰিবলৈ সমৰ্থ হোৱা নাই। কথা বতৰাৰ অন্তত তেখেতে আমাৰ ছাত্ৰ-ছাত্ৰী সকলক নেপালৰ সংবিধান আৰু অন্যান্য পঢ়া সামগ্ৰী উপহাৰ দিলে আৰু কাঠমাণ্ডুত ফুৰিবৰ বাবে এখন বাছ যোগাৰ কৰি দিবলৈ সচিবক নিৰ্দেশ দিলে। কথা মতে -কাম। পিছ দিনা এখন সুন্দৰ মিনি বাছ লৈ হীৰা সিং ভাণ্ডাৰী নামৰ এজন Tourist Guide আহি আমাৰ হোটেলৰ ওচৰত উপস্থিত হ'লহি। আমাক তেখেতে কাঠমাণ্ডুৰ প্ৰায়বোৰ ঠাই দেখুৱালে।

নেপালৰ পশ্চিম অঞ্চলত অৱস্থিত প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ 'পোখ্‌ৰা' এখন সৰু পাহাৰীয়া ঠাই। অক্টোবৰ মাহৰ পৰা মাৰ্চ মাহলৈকে তাত পৃথিৱীৰ বিভিন্ন দেশৰ অগণন ভ্ৰমণকাৰীৰ সমাগম হয়। যোৱা ১৫ অক্টোবৰ তাৰিখে নিশা বাছত কাঠমাণ্ডুৰ পৰা পোখ্‌ৰালৈ ৰাওনা হলো। বাছেৰে তালৈ আঠ ঘণ্টাৰ বাট। পোখ্‌ৰালৈ আমাক নৈশ বাছত যাবলৈ বহুতে মানা কৰিছিল। কাৰণ পোখ্‌ৰালৈ পাহাৰৰ মাজে মাজে একাবেঁকা পথেৰে যাব লাগে। চীন চৰকাৰে এই পথটো নিৰ্মাণ কৰি দিয়াৰ বাবে আগতকৈ বহুত উন্নত হ'ল। সেয়ে ড্ৰাইভাৰে প্ৰবল বেগেৰে বোলে গাড়ী চলায় যাৰ ফলত কেইদিনমানৰ আগতে এখন বাছ পাহাৰৰ তললৈ বাগৰি পৰি চিনচাব নাইকিয়া হৈছিল। হোটেলত নিশাটো কটোৱা মানেই সময় আৰু পইছা উভয়ৰে অহেতুক খৰচ। গতিকে আমি চুলিত জীৱ বান্ধি হলেও নৈশ বাছত গৈয়ে ১৬ অক্টোবৰৰ পুৱতি নিশা পোখ্‌ৰা পাইছিলোগৈ। উল্লেখযোগ্য যে আমি ভ্ৰমণ কৰা বাছখনৰ ড্ৰাইভাৰ জন একালত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছোৱালী হোষ্টেলৰ ৰান্ধনি আছিল। তেওঁক আমাৰ ছোৱালীবোৰে কলে যে তেওঁলোকৰ পাহাৰীয়া ৰাস্তাত ভ্ৰমণ কৰাৰ অভ্যাস নাই। প্ৰায়বোৰৰে মূৰ ঘূৰায় আৰু বমি হয়। (যদিও আচল কাৰণ অন্যহে আছিল।) গতিকে গাড়ী যেন লাহে লাহে চলায়। এই ক্ষেত্ৰত ড্ৰাইভাৰে আমাক নিৰ্ভয় দিলে। আমি পোখ্‌ৰা পাওঁতে তাত কিন কিনীয়া বৰষুণ আৰু লগতে ঠাণ্ডা। বাছৰ পৰা নামিবই নোৱাৰি। আমি অনুৰোধ কৰাত সেই নৈশ বাছখনেই কাঠমাণ্ডুৰ পৰাই ফোনেৰে ঠিক কৰি থোৱা হোটেল "এচিয়া"ৰ সমুখত নমাই দিলেগৈ। হোটেল পোৱাৰ লগে লগে তাৰ কৰ্মচাৰী কেইজনে আমাক বাছৰ পৰাই আথেবেথে আদৰি নিলেহি আমাৰ বাবে সাজু কৰি ৰখা কোঠা কেইটালৈ– যেন আমি নতুনকৈ মিতিৰ পাতিব খোজা কোনোবা ঘৰলৈ আলহি হৈহে গৈছো। হোটেলখন 'ফিওৱা' হ্ৰদৰ ওচৰত। এই হ্ৰদেই হৈছে পোখ্‌ৰাৰ ভ্ৰমণকাৰী সকলৰ মুখ্য আকৰ্ষণ। হ্ৰদৰ কাষে কাষে আটোম টোকাৰীকৈ বিভিন্ন ডিজাইন সহ সজোৱা পশ্চিমীয়া ভ্ৰমণকাৰীক আকৰ্ষণ কৰিব পৰাকৈ অজস্ৰ হোটেল আৰু দোকান পোহাৰ গঢ়ি উঠিছে। এই হোটেল বিলাক অতি ব্যয় বহুল। আমি থকা হোটেলখনতে কেৱল নিৰামিষ এসাজ ভাতত ভাৰতীয় পইছাৰ হিচাপত ত্ৰিশ (৩০) টকাকৈ দি খাইছিলো।

পোখ্‌ৰাত ত্ৰিভুবন বিশ্ববিদ্যালয়ৰ "পৃথিৱী নাৰায়ণ" নামৰ এটা Campus আছে। ইয়াক চমুকৈ " পি এন চি" বুলি জনাজাত। এই Campus ত অসমৰ ওম শৰ্মা নামৰ এজন অধ্যাপক আছে বুলি আমি কাঠমাণ্ডুতেই গম পাইছিলো। হোটেলৰ পৰা অধ্যাপক শৰ্মালৈ ফোন কৰিলো আৰু তেখেতে অলপ সময়ৰ পাছতে আমাক হোটেলত লগ ধৰিলেহি। শৰ্মাই অসমত জন্ম গ্ৰহণ কৰি শিক্ষা জীৱনো ইয়াতেই সমাপ্ত কৰিছিল। ডিগবৈ কলেজত কিছুদিন অধ্যাপনাও কৰিছিল। এতিয়া অৱশ্যে নেপালৰ বাসিন্দা। বৈবাহিক সম্পৰ্ক কিন্তু অসমৰ লগতে। পোখ্‌ৰাত থকা সময়ত তেখেতে আমাৰ লগত থাকি সকলো দিহা পৰামৰ্শ দিছিল। নেপালৰ আৰ্থ-সামাজিক তথা ৰাজনৈতিক বিষয়ে তেখেতৰ পৰা বহু কথাই জানিব পাৰিলো। অধ্যাপক শৰ্মাই এই সম্পৰ্কত কেইবাখনো গ্ৰন্থ ৰচনা কৰিছে। তেখেতে নিজেও "নেপালী কংগ্ৰেছৰ" লগত জড়িত। তেখেতৰ যোগেদি আন কেইবাজনো নেতৃস্থানীয় ব্যক্তিৰ লগত কথা-বতৰা হোৱাৰ সৌভাগ্য ঘটিল।

যেই কি নহওক, কাঠমাণ্ডু আৰু পোখ্‌ৰাত থকা দিন কেইটাত তাৰ মানুহৰ আচাৰ ব্যৱহাৰ আৰু সহজ সৰলতা খিনি দেখি আমি অভিভূত হৈছিলো। তেওঁলোকৰ কৰ্তব্য পৰায়ণতা, ন্যায় পৰায়ণতা আৰু অমায়িকতাক নশলাগি নোৱাৰিলো। আমাৰ দেশৰ দৰে ঠগ প্ৰৱঞ্চক ক'তো নাপালো। দাদাগিৰি কৰা, তিনি আলিত গোটখাই আড্ডামৰা ডেকা ল'ৰাৰ দলো নেদেখিলো। আমাৰ ছোৱালীবোৰে আনকি চাইকেল ভাৰাত লৈ অকলে পোখ্‌ৰাত ঘূৰিছিল। কাঠমাণ্ডুত ৰাতি ন-দহ বজালৈকে ঘূৰি ফুৰিও আমি ক'তো কোনো অসুবিধাৰ সমুখীন হোৱা নাছিলো। এই দৰে আমি নেপাল ভ্ৰমণ কৰি ১৭ অক্টোবৰ তাৰিখে পোখ্‌ৰাৰ পৰা নৈশ বাছত শিলিগুৰি অভিমুখে যাত্ৰা কৰিলো আৰু পিছদিনা পুৱা দহমান বজাত নেপালৰ সীমামূৰীয়া ঠাই কাঁকেভিটা পালোহি। ইয়াত হাতমুখ ধুই মধ্যাহ্ন ভোজন কৰি শিলিগুৰিলৈ আহিবৰ বাবে জীপ এখন বন্দবস্ত কৰিলো। নেপাল সীমা অতিক্ৰম কৰি ভাৰতৰ সীমাত (পশ্চিম বংগত) ভৰি দিয়াৰ লগে লগে দালালে আগুৰি ধৰিলে – যেন আমি স্বৰ্গপুৰীৰ পৰা আহি নৰকতহে ভৰি দিছোহি। প্ৰথমেই মই সকলো ছাত্ৰ ছাত্ৰীকে নেপালত বিদেশী বস্তু নিকিনিবলৈ সাৱধান কৰি দিছিলো। যাতে ভাৰতীয় সীমাত আমাক Custom Officer এ দিগদাৰী কৰিব নোৱাৰে। সেইদৰে আমাৰ কোনেও বিশেষ বিদেশী বস্তু কিনাও নাছিল। কিন্তু লগত কোনেও কেমেৰা নিনিয়াৰ বাবে দুটা বিদেশী কেমেৰা কিনা হৈছিল। তাতেই লাগিল লেঠা। অলপো লুক-ঢাক নকৰি আমাৰ বেগবোৰ পৰীক্ষা কৰাৰ আগতেই কেমেৰা কেইটা Custom Officer ক দেখুওৱা হ'ল আৰু যাৱতীয় কৰ দিয়া হ'ল। এই Check Post অতিক্ৰম কৰি অলপ অহাৰ পিছত পহৰাদাৰী পুলিচ চকি পালোহি। তাতো বোলে মাননী দিব লাগে। পুলিচৰ সমুখতে অন্য এটা গুণ্ডা বাহিনীয়ে ঘেৰি ধৰিলেহি–সকলোকে পইছা লাগে– কাৰণ আমি বিদেশী বস্তু আনিছো। আমাৰ কোনো কথা শুনিব নিবিচাৰিলে – দিন ডকাইতৰ দলে। তেওঁলোকৰ আদেশ নামানিলে বিপদ আছে বুলি সাৱধান বাণী শুনালে। অলপ অহাৰ পিছত অন্য এটি বীৰৰ দল ওলাল। তেওঁলোকে আমাৰ পৰা পাঁচশ টকা কালিপূজাৰ চান্দা দাবী কৰিলে। আদেশ অমান্য কৰিলে বিপদ। এইদৰে সকলোকে মাননী দি কোনো মতে শিলিগুৰি পালোহি। যি খন জীপ আমি বন্দবস্ত কৰি শিলিগুৰিলৈ আহিছিলো– সেই গাড়ীৰ ড্ৰাইভাৰে চাৰিশ টকা দাবী কৰিলে। শিলিগুৰিৰ পৰা গুৱাহাটীলৈ Railway Reservation কৰোতে ঠিক একে গতি হ'ল। গুৱাহাটী পাইহে ঘৰ পালোহি বুলি অনুভৱ কৰি উশাহ লব পাৰিছিলো।

উল্লেখযোগ্য যে নেপালৰ সীমা পাৰহৈ পশ্চিম বংগত সোমোৱাৰ লগে লগে কেৱল আমিহে যে আহুকালৰ সমুখীন হৈছিলো এনে নহয়– সেই সময়ত অসমৰ পৰা নেপাললৈ যোৱা প্ৰায়বোৰ দলকে পুলিচৰ সহযোগত দিন ডকাইতৰ দলে অসৎ ব্যৱহাৰ কৰিছিল বুলি নাজিৰা আৰু তেজপুৰ কলেজৰ ছাত্ৰ সকলক শিলিগুৰিত লগ পাই জানিব পাৰিলো। এই ছাত্ৰ সকলে আনকি এনে মত পোষণ কৰিছিল যে "আমি অসমৰ বাবেই পশ্চিম বংগত আমাক তেনে ব্যৱহাৰ কৰা হৈছে।" ডকাইতৰ কোনো জাত নাই যদিও নেপাল–পশ্চিম বংগ সীমান্তবৰ্তী অঞ্চলত অনা বঙালীলোকে যে অধিক লাঞ্ছিত হব লগা হয় এই কথা অস্বীকাৰ কৰাৰ উপায় নাই। সূক্ষ্ম হলেও এনেবোৰ ঘটনাই কেতিয়াবা দুই প্ৰদেশৰ জনসাধাৰণৰ মাজৰ সম্প্ৰীতিত যে ব্যাঘাত নজন্মাব – এই কথা একেবাৰে নুই কৰিব নোৱাৰি। গতিকে পশ্চিম বংগৰ চৰকাৰে এই ক্ষেত্ৰত সতৰ্ক দৃষ্টি ৰাখি নেপাললৈ যোৱা অহা কৰোতে সীমান্তবৰ্তী অঞ্চলত যাতে অসমৰ ভ্ৰমণকাৰী সকলে লাঞ্ছিত হব লগা নহয় তাৰ প্ৰতিকাৰৰ ব্যৱস্থা অতি শীঘ্ৰে কৰাটো বাঞ্চনীয়।

যেই কি নহওক, নেপালৰ পৰা ঘূৰি আহি আমাৰ সকলোৰে এনে ধাৰণা হ'ল যে ভাৰতৰ তুলনাত নেপাল এখন দুখীয়া দেশ হব পাৰে– কিন্তু এই দেশ এতিয়াও ভাৰতৰ নিচিনাকৈ দালাল আৰু ঠগ-প্ৰৱঞ্চকৰ দেশত পৰিণত হোৱা নাই। ■



## ভৃগু ফুকনৰ পুৰণা বেমাৰ

বোমা বিস্ফোৰণত অভিযুক্ত বড়ো বিধায়ক তিনিজনক গ্ৰেপ্তাৰ কৰাৰ পাছত তেওঁলোকক ৰখা হৈছিল পাণবজাৰ সদৰ থানাত। ঘটনাটো একেবাৰে মাজনিশা ঘটাৰ বাবে কোনো বাতৰি কাকতেই হট নিউজটো ক'ভাৰ কৰিব নোৱাৰিলে। ৰাতিপুৱা অহু কাণে পহুকাণে কথাষাৰ গৈ বাতৰি কাকতৰ কাৰ্যালয় পোৱাৰ লগে লগে থানাত অহৰহ টেলিফোন বাজিবলৈ ধৰিলে। কাৰ ৰিৰ্প'ট কিমান ষ্টেওাৰড্ হয় তাৰ তুমুল প্ৰতিযোগিতা। থানাৰ সমুখত সাংবাদিকৰ ভিৰ। ইজনে সিজনে কাণে কাণে কোৱা মেলা কৰিছে– 'চাৰ দেই দাস এইটো কথা কিন্তু কাৰো লগত চেয়াৰ নকৰিব। এইটো আপুনি আৰু মইহে পাইছো। আন কোনেও পোৱা নাই।'

ইতিমধ্যে আৰক্ষী মহাপৰিদৰ্শকে এখন সাংবাদিক মেল পাতি সকলোকে সমান চেয়াৰ কৰি দিলে। সাংবাদিকসকলৰ বাহিৰে আন লোকৰ থানাত প্ৰৱেশ নিষেধ আছিল। তেনেতে তাত সতীৰ্থসকলৰ খবৰ কৰিবলৈ বুলি হাজিৰ হ'ল প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তকে ধৰি ভৰত নৰহ, ছহিদুল আলম চৌধুৰী আৰু দিলীপ শইকীয়া। গাড়ী কেইখন ৰোৱাৰ লগে লগে চাৰিও ফালৰ মানুহবোৰ আলেখ লেখ চাবলৈ বুলি জুম পাতিলেহি। কিন্তু সেই মুহূৰ্তত বিধায়ক কেইজনক সহানুভূতি আদান প্ৰদানৰ অনুমতি দিয়া নহল। সেই কথা শুনি ভৰত নৰহে ৰসিকতাৰ সুৰতেই মাত লগালে– 'এদিন আমি ভিতৰত তেওঁলোক বাহিৰত আৰু আজি তেওঁলোক ভিতৰত আমি বাহিৰত।'

নৰহৰ কথাষাৰ শেষ হৈছেহে মাত্ৰ। তেনেতে বিধান সভাৰ প্ৰাক্তন অধ্যক্ষ পুলকেশ বৰুৱা সপত্নীক এখন ৰিক্সাৰে পাৰ হৈ গৈছে। বোধকৰো আলেখ লেখ চাবলৈকে আহিছিল। কাৰণ তেনে এটা পৰিস্থিতিত ঘৰত সোমাই থাকিলেও পিৰ পিৰণি উঠে। গধূলিলৈ টি ভিৰ বাতৰিটোৰ অপেক্ষাত সকলো উদ্বিগ্ন। বোমা বিস্ফোৰণৰ নাৰকীয় ঘটনাৰ পাছত আৰম্ভ হ'ল শোক প্ৰকাশ, গৰিহণা, নিন্দা ইত্যাদি। ভৃগু ফুকনৰ নেতৃত্বাধীন ন অ গ পই আকৌ বিধায়কৰ ঘৰত বিস্ফোৰক সামগ্ৰী উদ্ধাৰৰ ঘটনাটো ভাতৰ লগত পানী খোৱা কথা বুলিয়েই ভাবিলে। গৰিহণা দিলে বিধায়কৰ গ্ৰেপ্তাৰ কাৰ্যক। তাতে বোমা বিস্ফোৰণ ঘটাই হত্যালীলা কৰা বিধায়কৰ গ্ৰেপ্তাৰ। ন অ গ পৰ গৰিহণা শুনি এজনে মন্তব্য কৰিছে,– 'সন্ত্ৰাসবাদীক উচটনি দিয়াটো ভৃগু ফুকনৰ পুৰণা বেমাৰ। এইটো সোনকালে নিৰাময় হোৱাটো কঠিন। তাতে সৰু ল'ৰাতো, দেশৰ জটিলতা বুজিবলৈ এতিয়াও বাকী।'

## মিচ্‌ গুৱাহাটী

৩ ডিচেম্বৰত গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত এটা যুৱ সংগঠনৰ দ্বাৰা আয়োজিত 'ৰূপহী' প্ৰতিযোগিতা লৈ গুণ গুণনিৰ সৃষ্টি হৈছে। প্ৰতিযোগিতা চাবলৈ আমাৰ যি দুই এক বন্ধু গৈছিল তেওঁলোকেও এক নতুন অভিজ্ঞতাৰে প্ৰতিযোগিতা শেষ হোৱাৰ আগতেই উভতি আহিছিল। বিৰাট উৎসাহেৰে গৈছিল এজন ফটোগ্ৰাফাৰ। তেওঁৰ ধাৰণা আছিল সুন্দৰী সকলৰ ফটো আনি বাতৰি কাকতত প্ৰকাশ কৰিব। কিন্তু তেওঁ গৈ দেখিলে যে সুন্দৰী সকলৰ যি সাজোন কাচোন সেইবোৰ কেমেৰাত ধৰি ৰাখিলে তেওঁৰ ব্যৱসায়ে মাৰহে খাব। হেন জানি তেওঁ ঘৰমুৱা হ'ল।

বন্ধুৱে ওলাই আহিয়েই দেখিলে বাহিৰত তুমুল মুষ্টি যুদ্ধ। কাৰণ হ'ল সুন্দৰী সকলক চোৱাৰ বাবে যোৱা সুন্দৰ কোঁৱৰ সকলে টিকট নাপালে। গতিকে টিকটৰ ব্লেক চলাত কোঁৱৰ সকলৰ মাজতে মাৰপিট। ইফালে চৌহদত কোঁৱৰৰ ৰথৰ সংখ্যা ইমানেই বেছি আছিল যে ওলাই আহিবলৈ বিৰ দি বাট পাবলৈ নাই। ভিতৰত থকা সকলেও যেন একেবাৰে অমৃত সুধাহে পান কৰিছিল। উল্লাসত মতলীয়া। সুন্দৰী সকল ওলাইছিল প্ৰায় অৰ্দ্ধ নগ্ন সাজেৰে। বিশেষকৈ অসমীয়া যুৱতী সকলে এনে সাজেৰে প্ৰতিযোগিতাত নামিছিল। আনহাতে অনাঅসমীয়া কেইগৰাকীমান প্ৰতিযোগীয়ে পিন্ধিছিল মেখেলা চাদৰ বা শাৰী। প্ৰায় দুকুৰি প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰা প্ৰতিযোগিতাখনি অসীম ধৈৰ্যৰে উপভোগ কৰিছিল বিধান সভাৰ অধ্যক্ষ জীৱ কান্ত গগৈদেৱে। প্ৰতিযোগিতাৰ শেষত মিচ্‌ গুৱাহাটীৰ পুৰস্কাৰ প্ৰদানো কৰিছিল তেখেতেই। জানিব পৰা মতে গগৈদেৱে প্ৰতিযোগীসকলক অধিক সুন্দৰী হবৰ বাবে আশীৰ্বাদ দি বেচ উৎসাহিতও কৰিছিল।

স্বপ্না বেজবৰুৱা

### বিশেষ দ্ৰষ্টব্য

সূত্ৰধাৰত প্ৰকাশৰ কাৰণে পঠোৱা সকলো প্ৰৱন্ধ সহজে পঢ়িব পৰা গোট গোট আখৰত লেখাটো বাঞ্ছনীয়। প্ৰয়োজনীয় শুধৰণিৰ কাৰণে বাক্যবোৰৰ মাজত কমেও এক চেণ্টিমিটাৰ ঠাই ৰখা দৰকাৰ। পঢ়িব নোৱাৰা বা বেয়া আখৰেৰে লেখা কোনো প্ৰৱন্ধ প্ৰকাশৰ কাৰণে বিবেচনা কৰা নহয়।

# পৰশুৰামৰ কুঠাৰ

তড়িৎ চৌধুৰী

যিগৰাকী ব্যক্তিয়ে ভাৰতীয় নাট্যক এক নতুন ৰহণ সানি উজ্জ্বল কৰি তুলিবলৈ যত্নপৰ হৈছে, তেওঁৰ নাম বাদল সৰকাৰ। 'এবং ইন্দ্ৰজিত'ৰ নাট্যকাৰ ৰূপে তেওঁ ভাৰতব্যাপী খিয়াতি লাভ কৰিবলৈ সক্ষম হৈছে। ভাৰতীয় নাট্যজগতত এ্যবছাৰ্ড নাটকৰ পথিকৃৎ হিচাপে বাদল সৰকাৰ সকলোৰে সমাদৃত। 'অঙ্গনমঞ্চ'ৰ প্ৰতিষ্ঠাতাও তেওঁ। তেওঁৰ উদ্ভাৱিত নাট্যৰীতি– তৃতীয় থিয়েটাৰ বা সমন্বয় থিয়েটাৰ, নতুন চামৰ মাজত এক অভিলেখ সৃষ্টি কৰি গৈছে।

লোকনাট্য বা ঐতিহ্যগত থিয়েটাৰেই হ'ল প্ৰথম থিয়েটাৰ। যাত্ৰা, নৌটংকী, ভাৱাই, যক্ষগান, ভাওনা, কথাকলি, ৰামলীলা আদি নামেৰে ঠাইবিশেষে ই জনাজত। দ্বিতীয় থিয়েটাৰ হ'ল বিদেশৰ প্ৰচিনিয়াম মঞ্চৰ আৰ্হিৰে মঞ্চ আৰু প্ৰেক্ষাগৃহ সমন্বিতে সাজি উলিওৱা ৰঙ্গমঞ্চ বা চহৰীয়া থিয়েটাৰ। আৰু ৰাস্তা নাইবা পাৰ্কৰ খোলা ঠাইত প্ৰদৰ্শিত নাটেই হ'ল তৃতীয় থিয়েটাৰ, যি পূৰ্বোক্ত নাট্যধাৰাৰ সলনি মঞ্চ, সাজপোছাক, নাইবা প্ৰেক্ষাগৃহ ব্যতিৰেকে অভিনীত হয়। মাৰ্কিন নাট্য-সমালোচক ব্ৰুষ্টাইনৰ এখন কিতাপৰ নাম অনুসৰি, বাদল সৰকাৰে, তেওঁৰ অন্তৰঙ্গ থিয়েটাৰৰ নামকৰণ কৰিছিল 'থাৰ্ড থিয়েটাৰ'। প'লেণ্ডৰ গ্ৰোটোভ্স্কি, মাৰ্কিন দেশৰ ৰিচাৰ্ড শ্যেকনাৰ, জুলিয়ান বেক আৰু জুডিথ মালিনা, ইংলেণ্ডৰ জন লিটলউড, ৰুছিয়াৰ ইউলিটবিমভ আদি নাট্যকৰ্মীৰ পৰাই তেওঁ প্ৰেৰণা লাভ কৰিছিল। প্ৰথম থিয়েটাৰ বা এৰিণা নাট্যইও তেওঁক গভীৰভাৱে প্ৰভাৱিত কৰিছিল। আৰু তেওঁৰ প্ৰতিভাই ইয়াক এখন সুকীয়া ৰাজ্যলৈ ৰূপান্তৰিত কৰি তুলিলে। অৱশ্যে ৰাতিটোৰ ভিতৰতে তেওঁ এই তত্ত্বৰ প্ৰবক্তাৰূপে পোখা মেলা নাছিল। ইয়াৰ আগেয়ে তেওঁক বহুতো স্তৰ পাৰ হৈ যাবলগীয়া হৈছিল।

সাতষষ্ঠি বছৰীয়া বাদল সৰকাৰৰ জন্ম হয় ১৫ জুলাই, ১৯২৫ চনত। ১৯৬৮ চনত 'এবং ইন্দ্ৰজিৎ' নাটকৰ বাবে তেওঁ সংগীত নাটক অকাডেমি বঁটা লাভ কৰে। ১৯৭০ চনত তেওঁ জৱহৰলাল নেহেৰু ফেল'শ্বিপ লাভ কৰিছিল। মাৰ্কিন দেশত তেওঁ শাৰীৰিক অভিনয়ৰ প্ৰশিক্ষণ লৈছিল। ভাৰত চৰকাৰে তেওঁক 'পদ্মশ্ৰী' সন্মান যাচিছিল। বাস্তুবিদ এই নাট্যকাৰজনে চৰকাৰী কৰ্মচাৰী হিচাপে গ্ৰামোন্নয়নৰ সৈতে জড়িত আছিল। কৰ্মোপলক্ষে বিভিন্ন ঠাই পৰিভ্ৰমণৰ মাজেৰে কেৱল গাঁৱতেই তেওঁ জীৱনৰ মুখখন দেখা পাইছিল।

ল'ৰালিকালৰ পৰাই অভিনয়ৰ প্ৰতি তেওঁৰ ৰাপ আছিল। পটুৱৈ অৱস্থাত সমনীয়াৰ সৈতে



'মোৰ সামৰ্থ অনুযায়ী মই ষ্ট্ৰিট থিয়েটাৰক প্ৰাণৱন্ত কৰিবলৈ যত্নপৰ হৈছো। দুঃসময়ত থিয়েটাৰৰ প্ৰাসঙ্গিকতা অত্যন্ত তাৎপৰ্যপূৰ্ণ হব পাৰে আমাৰ দেশখন এতিয়া অত্যন্ত দুৰ্যোগপূৰ্ণ সময়ৰ মাজেদি যাবলগীয়া হৈছে আৰু আমি বিপাঙত পৰিছো'

— বাদল চৰকাৰ

তেওঁ নাট মেলিছিল। দৰ্শক আছিল পোন্ধৰজন মান মিতিৰ-কুটুম্ব। মাজত কলেজীয়া জীৱনত তেওঁ নাটকৰ পৰা আঁতৰি আহিলেও কৰ্মজীৱনত তেওঁ আকৌ নাট্যজগতলৈ উভতি আহিছিল। মাইথনত এটি নাট্যগোষ্ঠীৰ জন্মদাতাৰূপে তেওঁ আকৌ নাট মেলিছিল। প্ৰধানতঃ ধেমেলীয়া নাট তেওঁলোকে অভিনয় কৰিছিল। আটাইবোৰ ধেমেলীয়া নাট অভিনয় হৈ যোৱাৰ পাছত দলৰ প্ৰয়োজনলৈ চাই তেওঁ নাট লেখিবলৈ আৰম্ভ কৰিছিল। ১৯৫৬ চনত 'চ্যালুশ্বান এক্চ্' নাটকৰ জৰিয়তে তেওঁ নাট ৰচনাৰ পাতনি মেলিছিল। প্ৰধানতঃ বিদেশী চলচ্চিত্ৰৰ প্ৰেৰণাৰে তেওঁ 'ৰাম শ্যাম যদু', 'বল্লভ পুৰেৰ ৰূপকথা' আদি খুহুতীয়া নাট ৰচনা কৰিছিল। ইয়াৰ পিছত তেওঁ কৰ্মোপলক্ষে আফ্ৰিকাৰ নাইজিৰিয়ালৈ ৰাওনা হয়। বিদেশত থকা কালছোৱাত তেওঁৰ নাট্যচৰ্চাৰ ওৰ পৰা নাছিল। নিঃসঙ্গতা আৰু একাকিত্বৰ হাত সাৰিবলৈ তেওঁ এ্যবছাৰ্ড নাটক ৰচনাৰীতিৰ ফালে ঢাল খালে। ইখনৰ পিছত সিখনকৈ লেখি উলিয়ালে 'এবং ইন্দ্ৰজিৎ', 'বাকি ইতিহাস', 'সাৰা ৰাত্তিৰ', 'পৰে কোনোদিন' আদি নাটবোৰ। '৬২ চনৰ পৰা '৬৬ চনৰ ভিতৰত এই নাটবোৰ ৰচিত হৈছিল। '৬২ চনত ৰচিত 'এবং ইন্দ্ৰজিৎ' নাটখন 'বহুৰূপী' পত্ৰিকাত '৬৫ চনত প্ৰকাশিত হয় আৰু 'ৱান ৱাল' থিয়েটাৰৰ পৃষ্ঠাপোষক কলিকতাৰ 'শৌভনিক' নাট্যগোষ্ঠীয়ে নাটখন প্ৰথম মঞ্চস্থ কৰিছিল। কলিকতাৰ 'বহুৰূপী' নাট্যগোষ্ঠীয়ে শম্ভু মিত্ৰৰ প্ৰয়োজনাত মঞ্চস্থ কৰিছিল 'বাকি ইতিহাস' (৬৭), 'প্ৰলাপ' ('৬৭), 'ত্ৰিংশ শতাব্দী' ('৬৯) আৰু 'পাগলা ঘোঁৰা' (৭১)। '৬৭ চনত আফ্ৰিকাৰ পৰা ইউৰোপৰ মাজেৰে তেওঁ ভাৰতলৈ স্থায়ীভাৱে উভতি আহিল। আৰু '৬৭ চনতেই তেওঁ গঠন কৰিলে 'শতাব্দী' নাট্যগোষ্ঠী। প্ৰথমতে প্ৰচিনিয়াম মঞ্চতেই তেওঁ নাট মেলিবলৈ ধৰিলে। '৭২ চনৰ নৱেম্বৰ মাহত কলিকতাৰ 'অকাডেমি অৱ ফাইন আৰ্টচ্' ভৱনৰ তৃতীয় মহলৰ এটি সৰু ঘৰত তেওঁ 'অঙ্গনমঞ্চ'ৰ প্ৰতিষ্ঠা কৰিলে। ত্ৰিশ ফুট দীঘল আৰু আঠাইশ ফুট বহলৰ সৰু ঘৰটোৱেই হ'ল 'অঙ্গনমঞ্চ'। অঙ্গনমঞ্চত কোনো মঞ্চ নাই, ঘৰৰ মজিয়াতে নাটক অভিনীত কৰা হয়। সাধাৰণতে দৰ্শকসকলে আয়তাকাৰে ঘৰৰ চাৰিও পিনে বহিলেও নাটক অনুসৰি দৰ্শকৰ আসন বিন্যস্ত হয়। অঙ্গনমঞ্চত অকল অভিনেতাই প্ৰৱেশ প্ৰস্থান নকৰে, প্ৰয়োজন অনুসৰি দৰ্শকসকলকো খোজ কাঢ়িবলৈ বাধ্য কৰা হয়। যেনে, এখন নাটকৰ আৰম্ভণিতে স্বয়ং নাট্যকাৰে দৰ্শকসকলক সম্বোধন কৰি এইদৰে কয়, 'এই ঘৰটোৰ দুৱাৰ মুখত এখন 'অশ্লীল' চিত্ৰ আঁৰি থোৱা আছে। আপোনালোকে এজন এজনকৈ ছবিখনি চাই আহক।' দৰ্শকসকলে ছবিখন চাই আহে, য'ত কেৱল টকা পইচাৰ ছবি অঙ্কিত আছে। দৰ্শকসকলে আকৌ নিজ নিজ আসনত বহাৰ পিছত নাট্যকাৰে এই প্ৰসঙ্গতে তেওঁৰ বক্তব্য দাঙি ধৰে আৰু নাট আৰম্ভ হয়। অভিনয়ৰ সময়ত ৰূপসজ্জা বা সাজপোছাক ব্যৱহাৰ কৰা নহয়। অভিনয় চাবলৈ যাতে অসুবিধা নহয় আৰু দৃশ্যান্তৰৰ বাবে কিছুমান ফ্লাডলাইট আৰু স্পটলাইট ব্যৱহাৰ কৰা হয় যাৰ পোহৰ দৰ্শকৰ ওপৰতো বিৰিঙি পৰে। প্ৰচিনিয়াম মঞ্চৰ স্থাপত্যবিন্যাসক সমূলি বৰ্জন কৰা হয়। ফলস্বৰূপে অভিনেতাক কেতিয়াবা 'মাইম'ৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। শাৰীৰিক অভিনয়ৰ এই ৰীতিয়েই পৰৱৰ্তীকালত তৃতীয় থিয়েটাৰত আৰু বিস্তৃতি লাভ কৰিছিল। এই মঞ্চতেই তেওঁ মঞ্চস্থ কৰিছিল ছাগিনা মাহাতো, আবু হোচেন, ত্ৰিংশ শতাব্দী, স্পাৰ্টাকুছ, ভোমা আৰু মিছিল-ৰ দৰে নাটক। কিন্তু এদিন এই ঘৰটো হেৰুৱাই তেওঁ হিন্দ চিনেমাৰ বিপৰীতফালে স্কুলৰ বেৰা দিয়া খেলপথাৰ এখনত নাটক অভিনয় কৰিবলৈ আৰম্ভ কৰিলে। আনকি এই টুকুৰা ঠাই হেৰুৱাই তেওঁ আশ্ৰয় গ্ৰহণ কৰিলে কাৰ্জন পাৰ্কৰ 'মুক্তমঞ্চ'ত। আজি 'শতাব্দী' গোষ্ঠী লগত লৈ তেওঁ ঘূৰি ফুৰিছে গাঁৱে-ভূঞে। আজি তেওঁৰ নাটকৰ দৰ্শক স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকল, কাৰখানাৰ শ্ৰমিকসকল আৰু অসংখ্য সাধাৰণ শ্ৰেণীৰ মানুহ। গভীৰ আত্মপ্ৰত্যয়েৰে তেওঁ কব পাৰে, 'I see the whole face of life in the village.'

এতিয়ালৈকে বাদল সৰকাৰ ৰচিত-ৰূপান্তৰিত প্ৰায় পঞ্চাছখন উল্লেখযোগ্য নাট হ'ল–(ক) চ্যালুশ্ব্যান এক্চ, বৰ পিছিমা, ৰাম শ্যাম যদু, কবিকাহিনী, বল্লভপুৰেৰ ৰূপকথা, বাঘ, বীজ; (খ) এবং ইন্দ্ৰজিৎ, বাকি ইতিহাস, পাগলা ঘোঁৰা, শেষ নেই, ত্ৰিংশ শতাব্দী, পৰে কোনোদিন; (গ) প্ৰস্তাৱ, স্পাৰ্টাকুছ, লক্ষীছাড়াৰ পাঁচালী, ভোমা, সুখপাঠ্য ভাৰতেৰ ইতিকথা, প্ৰলাপ, মনিকাঞ্চন, হট্টমালাৰ ওপাৰে, ছাগিনা মাহাতো, আবু হোচেন, মিছিল, গণ্ডী, বাসী খবৰ, মানুষে মানুষে, নাগিনী কন্যা, খাটমাট ক্ৰিং, ছানা বাউৰিৰ কথকতা, জন্মভূমি আজ, বাইস্কোপ, ভুল ৰাস্তা, পদ্মানদীৰ মাঝি, দখল, আন্দ্ৰেক্লিছ আৰু সিংহ।

তেওঁৰ সম্পৰ্কে সমালোচক দেবাশিস দাশগুপ্তই লিখিছে ('দেশ', ১১ অক্টোবৰ, ১৯৭৬), 'সমকালীন বাংলা নাটকত যিজনে দৰ্শকসকলক নিৰ্লিপ্ত হৈ থাকিবলৈ নিদিয়ে, অকস্মাতে 'চণ্ডালিকা'ৰ মাকৰ দৰে দৰ্শকৰ সমুখত 'মায়াদৰ্পণ' দাঙি ধৰে আৰু দৰ্শকো নিজৰ গভীৰত বুৰ যায় আৰু বেদনা-বিমূঢ় হৈ স্বগতোক্তি কৰে, 'মই নাচাওঁ, নেদেখো তোৰ দৰ্পণ', আকৌ একেলগে যিজনে দৰ্শকসকলক আমন-জিমনকৈ বহি থাকিবলৈ নিদিয়ে, সেইজন একক ব্যক্তিত্বৰ নাম বাদল সৰকাৰ। হাঁহি কেৱল ভাঁড়ামি নহয়, ব্যংগ কেৱল কাতি-কুতা নহয়, আতিশয্য কেৱল বুৰ্বকামিৰ নতুন তাণ্ডৱণ নহয়, আকৌ বুদ্ধিদীপ্ত হাঁহি কেৱল ইনটেলেকচুয়াল দম্ভ-প্ৰদৰ্শন নহয়, বাদল সৰকাৰে বাৰংবাৰ এইবোৰ প্ৰমাণ কৰি দেখুৱাইছে।'

'চ্যালুশ্ব্যান এক্চ্' (৫৭) নাটকত বৈজ্ঞানিক শম্ভুনাথে হৃতযৌৱন প্ৰাপ্তি আৰু স্থায়ীকৰণৰ দৰৱ আৱিষ্কাৰ কৰিছিল আৰু ইয়াৰ নাম দিছিল চ্যালুশ্ব্যান একচ। এই দৰৱ পান কৰাৰ পিছত নাটকৰ চৰিত্ৰবোৰে যি কিম্ভূত-কিমাকাৰ আচৰণ কৰিছিল, সেয়া এই নাটকৰ বিষয়বস্তু। ইচ্ছাৰ সৈতে উপায়ৰ অসঙ্গতিৰ আলমত নাট্যকাৰে নাটখনিত অনাবিল ৰং-ধেমালি সৃষ্টি কৰিছে। 'বৰ পিছিমা' (ডাঙৰ পেহীয়েক) (৬০) নাটকত কোনো ধৰণৰ গভীৰ তত্ত্ব নাই। এই নাটখনো খুহুতীয়া নাট। এটি চৌখিন নাট্যদলে নাট মেলাৰ দুইদিন আগতে দলৰ নায়িকা অনুৰ অভিনয়বিৰোধী প্ৰবল ব্যক্তিত্বসম্পন্ন ডাঙৰ পেহীয়েক আহি পায়। তেওঁক আঁতৰত ৰাখি কেনেকৈ নাটখনি মঞ্চস্থ হ'ল, সেয়াই ইয়াৰ বিষয়বস্তু। 'বল্লভপুৰৰ ৰূপকথা' (৬৩-৬৪) বিদেশী চলচ্চিত্ৰৰ আলমত ৰচিত হ'লেও স্বীকৰণৰ বাবে ই সাধুকথাৰ ৰূপ লাভ কৰিবলৈ সক্ষম হৈছে। এটি পুৰণি কাৰেঙৰ হস্তান্তৰ লৈ দুইজন ক্ৰেতাৰ অৰিয়া-অৰি, ৰাজ-পৰিয়ালৰ



বাদল সৰকাৰ কাৰ্জন পাৰ্কত 'শতাব্দী' প্ৰযোজিত 'স্পাৰ্টাকুছ' নাটকৰ এটি দৃশ্য।

পুৰণি প্ৰেতাত্মাৰ আগমন আৰু বিভিন্ন আমোদজনক পৰিস্থিতিৰ পিছত প্ৰেতাত্মাৰ মুক্তিলাভ নাটখনিৰ বিষয়বস্তু। ভূতৰ জৰিয়তে ভয়ভীত কৰাৰ সলনি নাট্যকাৰে যেনেকৈ কৌতুক ৰসৰ সৃষ্টি কৰিছে, তাৰ মাজতেই নাট্যকাৰৰ সকলো কৃতিত্ব নিহিত হৈ আছে। যদিও নাট্যকাৰে নাটখনিক সাৰ্থক নাট বুলি ক'বলৈ নিবিচাৰে। সেইবাবে সূত্ৰধাৰৰ হতুৱাই তেওঁ এইদৰে কৈছে, 'কাহানিও ইয়াক এটি আকৰ্ষণীয় সাধুকথা বুলি ক'বলৈ মন নাযায়। দুই এক ঠাইত ই খুবেই কেঁচা। সাধুকথা বুলি মুঠেও কব নোৱাৰি।' তথাপি সৰস সংলাপৰ মাজেৰে নাটখনি বাধাহীন কৌতুক ৰসৰ ভঁৰাল হৈ উঠিছে। ৰাম শ্যাম যদু (৬২) নামৰ তিনিজন ঘৃণ্য অসামাজিক অপৰাধীয়ে ভৱানী চৌধুৰীৰ ঘৰত আশ্ৰয় লয় আৰু ডকাইতিৰ পৰিকল্পনা কৰে। কিন্তু ঘৰখনৰ গৰাকী, গৃহিণী আৰু ছোৱালী অৰুৰ মৰম চেনেহৰ পৰশেৰে তেওঁলোকৰ মনলৈ পৰিৱৰ্তন আহে। চৌধুৰী পৰিয়ালৰ সমস্যাৰ অন্ত পেলাই ছোৱালীজনীৰ বিয়া দিয়াৰ ব্যৱস্থা কৰি তেওঁলোকে গুচি যায়। 'কবিকাহিনী'ও হাস্যৰসাত্মক নাট। ভোটপ্ৰাৰ্থী মূৰ্খ ৰাজনৈতিক নেতা আৰু এগৰাকী নকল কবিৰ ল'ৰা-ধেমালিৰ মাজেৰে নাট্যকাৰে দৰ্শকসকলক হাঁহিৰ জোৱাৰত উটাই লৈ যায়। কমেডি ৰচনাত তেওঁৰ দক্ষতাৰ প্ৰমাণ হ'ল নাট্যজীৱনৰ প্ৰথম পৰ্বত ৰচিত এই ধেমেলীয়া নাটবোৰ।

নাট্যজীৱনৰ দ্বিতীয় পৰ্বত তেওঁ এ্যবছাৰ্ড নাট লেখিবলৈ ধৰিলে। উনৈশ শতিকাৰ ইউৰোপত যি বৈজ্ঞানিক যুক্তিবাদৰ সৃষ্টি হৈছিল, তাৰ পৰাই বাস্তৱবাদী নাটকৰ উদ্ভৱ হৈছিল। লাহে লাহে শিল্পীসকলৰ ওপৰত বৈজ্ঞানিক যুক্তিবাদৰ প্ৰভাৱ ক্ষীণ হবলৈ ধৰে আৰু তেওঁলোকে প্ৰকাশভঙ্গীৰ নব্যধাৰাৰ সন্ধানত মন পুতি লাগিছিল। চুইডিছ নাট্যকাৰ ষ্ট্ৰিণ্ডবাৰ্গে নেচাৰালিজমৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰি কৈছিল, 'জীৱন যেনেকুৱা তাক দেখুৱাই শিল্প নহয়, জীৱন যি হবলৈ বিচাৰে সেয়াই শিল্প।' এই ভাবনাক ফৰাছীদেশত ৰূপ দিছিল ইওনেস্কোই। তেওঁ এখোজ আগুৱাই ঘোষণা কৰিছিল, 'মানুহৰ অৱস্থাই সামাজিক ব্যৱস্থাক নিয়ন্ত্ৰণ কৰে। সমাজে মানুহক নহয়।' ইওনেস্কোৰ ৰচিত নাট য'ত আৰম্ভ হয়, শেষ হয় তাতেই। মানুহৰ অৱস্থা নিৰূপণ কৰাই তেওঁৰ মূল লক্ষ্য। 'আমি সকলোৱে ইয়াৰেই মানুহ। এই ঠাইখনক আমি চেৰাই যাব নোৱাৰো। ইয়াতে আমাৰ কৰণীয় কি?' এয়াই তেওঁৰ নাটকৰ বিষয়বস্তু। ইয়াৰ উপৰি তেওঁ ভাষাকো মুক্তি দিবলৈ বিচাৰে। তেওঁৰ মতে ভাষাই কোনোধৰণৰ প্ৰকাশমাধ্যম হ'ব নোৱাৰে। ই নৈৰ সোঁতৰ দৰে স্বচ্ছন্দ, মুক্ত। ভাষা এইবোৰ নাটকত কেতিয়াবা অৰ্থহীনতাৰ মাজত বুৰ যায়। সেয়ে এ্যবছাৰ্ড নাট্যকাৰে ভাষাৰ সলনি কেতিয়াবা মূকাভিনয় প্ৰয়োগ কৰে। প্ৰধানতঃ এ্যবছাৰ্ড নাটৰ বিষয়বস্তু হ'ল–মানুহৰ নিঃসংগতা, বিচ্ছিন্নতা, আনৰ সৈতে যোগাযোগৰ দুঃসাধ্যতা, অপৰাধবোধ আৰু মৃত্যুকাতৰতা। বস্তুতঃ এই শ্ৰেণীৰ নাট মানুহক বিষাদগ্ৰস্ত কৰি তোলে আৰু জীৱন আৰু জীয়াই থকাৰ যৌক্তিকতা সম্পৰ্কে হতাশ কৰি তোলে।


'মিছিল' নাটকত বাদল সৰকাৰ

'এবং ইন্দ্ৰজিৎ' নাটখনৰো আৰম্ভ আৰু পৰিণতি একেই। অমল, বিমল, কমল আৰু ইন্দ্ৰজিৎ আৰু মানসী–এইদৰে মানুহ বৃদ্ধিপ্ৰাপ্ত হয়, জন্ম লয়, বিদ্যালাভ কৰে, কাম-বন কৰে আৰু ঢুকায়। এইদৰে বৃত্তাকাৰে উদ্দেশ্যহীনভাবে আৱৰ্তন কৰে। সেইবাবে ইয়াৰ আৰম্ভণি নাই। সমাপ্তি নাই। জীৱনৰ উদ্দেশ্যহীনতা আৰু মৃত্যুকামনাৰ যোগেদি মানৱজীৱনৰ ব্যৰ্থতাই পৰিস্ফুট হয়। 'বাকি ইতিহাস' নাটকতো অৱসাদ, নিঃসঙ্গতা, আত্মহত্যা প্ৰবণতা আদি এ্যবছাৰ্ড নাটকৰ ভালেমান লক্ষণ দেখিবলৈ পোৱা যায়। তেওঁৰ এই 'পলায়নবাদী মানসিকতা' সম্পৰ্কে কবলৈ গৈ নাট্যকাৰে নিজেই কৈছে, 'মই সমস্যাৰ ওৰ পেলাবলৈ কাহানিও আত্মহত্যাৰ সমৰ্থন নকৰো। মই পলায়নবাদী নহয়। বৰং মই কওঁ, আজিৰ পৰিস্থিতি এনেকুৱা য'ত আত্মজাহক সমাধান হিচাপে জাপি দিয়া হয়। মই বিচাৰো, মানুহ স্বতঃপ্ৰণোদিত হৈ এনে পৰিস্থিতিৰ পৰিৱৰ্তন আনক।' 'পগলা ঘোঁৰা' নাটকত অমল, বিমল, কমল আৰু ইন্দ্ৰজিতৰ জীৱনদৰ্শন নাই। কিন্তু নাট্যকাৰ বাদল চৰকাৰে এই নাটকখনিত জীৱনৰ ওচৰলৈ আহি থিয় দিছে। এখন মৰিশালিৰ এন্ধাৰ চুকত চাৰিজন ভঙুৰ মানুহ–শশী, হিমাদ্ৰি, সাতু আৰু কাৰ্তিকে এটা মৰাশক কেন্দ্ৰ কৰি যি স্মৃতিচাৰণা কৰে তাত ফুটি উঠে জীৱনৰ প্ৰতি মৰম। পগলা ঘোঁৰাৰ দৰে যি উদ্দাম প্ৰেম জীৱনত আহে, কেতিয়াবা সেই প্ৰেম ব্যৰ্থতাৰ স্মৃতি হৈয়েই জীৱনত থিতাপি লয়। 'পৰে কোনোদিন' (৬৬) অত্যন্ত আৰ্কষণীয় নাট আৰু ৰচনাৰীতিত স্বতন্ত্ৰ। কল্পবিজ্ঞান আৰু এ্যবছাৰ্ড ৰীতিৰ সমন্বিতে নাট্যকাৰে 'ভৱিষ্যতৰ নাট' ৰচিছে। এই নাটখনিৰ দৰে 'ত্ৰিংশ - শতাব্দী'ও ভৱিষ্যতৰ নাট। এই ডকুমেনটাৰি নাটখনিত মানুহৰ অপৰাধবোধৰ প্ৰসঙ্গ বাৰংবাৰ উত্থাপিত হৈছে। গাইগুটীয়া বুদ্ধিজীৱী এজনৰ মানসত হিৰ'ছিমাৰ আণৱিক বোমাই যি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল, সেয়াই এই নাটকৰ বিষয়বস্তু। আত্মধ্বংস তথা সামূহিক আত্মজাহৰ পিনে মানুহ যেনেকৈ আগবাঢ়ি গৈছে, নাটখনিত তাৰে বিৰুদ্ধে সতৰ্কবাণী উচ্চাৰিত হৈছে।

তৃতীয় পৰ্বৰ নাটবোৰ ৰাজনৈতিক চিন্তাৰ পোহৰত চকু ছাট মাৰি ধৰে। 'শতাব্দী' পৰ্বত ৰচিত এইবোৰ নাটকত ধ্বনিত হৈছে প্ৰতিবাদৰ সুৰ। মুখাপিন্ধা ৰাজনীতিবিদ, শাসক, মধ্যবিত্ত ভদ্ৰলোক, আৰু লেৰেলা চেৰেলা জঁই পৰা শিক্ষা-অৰ্থনীতি-সমাজব্যৱস্থাৰ স্বৰূপ ইয়াতে উন্মোচিত হৈছে। অত্যন্ত অন্তৰঙ্গ ভঙ্গীত তেওঁ এই নাটবোৰ লেখি উলিয়াইছিল। যি নাট দেখাতকৈয়ো উপলব্ধিৰ বস্তু। এইবোৰ নাটকৰ ভিতৰত 'ভোমা' 'মিছিল' আৰু 'হট্টমালাৰ




'শতাব্দী' প্ৰযোজিত 'ভোমা' নাটকৰ এটি দৃশ্য

ওপাৰে' মানুহৰ মন মুহিছিল। 'মিছিল' এতিয়ালৈকে দুশবাৰ মঞ্চস্থ হৈছে। আওপুৰণি মানসিকতা আৰু জনবিৰোধী ৰাজনীতিকৰ সৈতে নতুন পুৰুষৰ সংঘৰ্ষই এই নাটকৰ কেন্দ্ৰবিন্দু। আৰ্থিক, সামাজিক তথা সাংস্কৃতিক সকলোপিনে ফেৰ মাৰিব নোৱাৰি ওন্দোলাই থকা মানুহবোৰ সমদলত ভাগ লয়। মধ্যবিত্ত 'বাবু'ৰ জহৰা লগুৱা ভোমা বোমাৰ দৰে বিস্ফোৰিত হয়। আজিৰ ন্যায়নীতিবৰ্জিত সমাজত প্ৰতিযোগিতাৰ মাজেৰে মানুহ যেনেদৰে এন্দুৰৰ দৰে দৌৰিবলগীয়া হৈছে, সেই জীৱনক 'হাইউৰুমিৰ সিপাৰ'ৰ (হট্টমালাৰ ওপাৰে) পৰা উপহাসৰ যোগ্য বুলি পতিয়ন হয়। পাৰস্পৰিক সহযোগিতাৰে মানুহৰ বুৰঞ্জী গঢ়ি উঠে, এয়াই নাট্যকাৰে নাটখনিত বেকত কৰিছে।

তৃতীয় পৰ্বৰ এই নাটবোৰ লৈয়েই বাদল সৰকাৰ মানুহৰ মাজত আহি থিয় দিলে। তেওঁলোকৰ মন্ত্ৰ হ'ল–'ফ্ৰী থিয়েটাৰ'। এই সম্পৰ্কত 'থিয়েটাৰত কিনাবেচা' প্ৰবন্ধত তেওঁ লিখিছে, 'ফ্ৰী থিয়েটাৰ হব পাৰে। থিয়েটাৰৰ পিনৰ পৰা, দৰ্শকৰ ফালৰ পৰা, আৰু খৰচৰ পিনৰ পৰা, ই অসম্ভৱ নহয়। --- এই থিয়েটাৰত যিসকল দৰ্শক আমি পাওঁ, তেওঁলোকে কিনোতাৰ দাবী লৈ ইয়ালৈ নাহে। টিকট কিনা-বেচা চলি থাকিলে ক্ৰেতা-বিক্ৰেতাৰ সম্পৰ্কত অলপ অচৰপ হ'লেও তাত ছাঁ পেলাব। ক্ৰেতাসকলক তুষ্ট কৰাটোৱেই প্ৰাধান্য পালে; যি কবলৈ বিচাৰো, যেনেকৈ কবলৈ বিচাৰো, বহুক্ষেত্ৰত তাকে কৰাটো সম্ভৱপৰ নহব পাৰে। ফ্ৰী থিয়েটাৰত দৰ্শকে যেতিয়া নাটক চাবলৈ যায়, তেতিয়া তেওঁ ক্ৰেতা নহয়, মানুহ। অভিনেতাও আৰু বিক্ৰেতা নহয়, মানুহ। মই বিশ্বাস কৰো, থিয়েটাৰ আচলতে মানুহৰেই ক্ৰিয়া–Human action, মানুহৰ সৈতে মানুহৰ সংযোগ স্থাপন।' এই আদৰ্শ বুকুত লৈ তেওঁ অভিনয় কৰিছে খেলপথাৰত, কাৰখানাৰ সমুখত স্কুলত-কলেজত আৰু গাঁৱে-ভূঞে। বিজুলী চাকিৰ অভাৱত মেণ্টেল লাইটৰ পোহৰত, মেণ্ঠল লাইটৰ অভাৱত সূৰুযৰ পোহৰত তেওঁলোকে নাট দেখুৱাই ফুৰিছিল।

এইদৰে তেওঁলোকে মানুহৰ ওচৰলৈ আহিছে। ফলস্বৰূপে নাট ৰচনাৰীতিতো আহিছে উল্লেখযোগ্য পৰিবৰ্তন। প্ৰথম আৰু দ্বিতীয় পৰ্বৰ নাটবোৰ ৰচিত হৈছিল শিক্ষিত চহৰীয়াৰ বাবে। আৰু এতিয়া তেওঁ নাট লেখিলে সৰ্বসাধাৰণ ৰাইজৰ বাবে। তেওঁলোকে বুজি পোৱা ভাষাত তেওঁলোকৰ কথা কোৱা হ'ল। কেতিয়াবা তেওঁ ভাষাক সমূলি বিদায় দিলে। ব্যৱহাৰ কৰিলে ইঙ্গিতৰ ভাষা। জোৰ দিলে শাৰীৰিক অভিনয়ৰ ওপৰত। প্ৰাধান্য দিলে নৈঃশব্দৰ ওপৰত। আৰু দৰ্শকেও তেওঁক উষ্ণ আদৰণিৰে গ্ৰহণ কৰিছিল। প্ৰত্যন্ত অঞ্চলতো তেওঁ হেজাৰ হেজাৰ দৰ্শকৰ শলাগ পাইছিল।

এই থিয়েটাৰৰ জৰিয়তে তেওঁ এটি পূৰ্ণাঙ্গ তত্ত্ব দাঙি ধৰিলে। পোনপটীয়া হোৱা বাবে তেওঁ নাট্যাভিনয়ৰ পৰা ৰূপসজ্জা-মঞ্চসজ্জা-সাজপোছাক আদি বৰ্জন কৰিছিল। কৃত্ৰিম ৰূপসজ্জাই দৰ্শকে মন পুতি অভিনয় চোৱাৰ পথত হেঙাৰস্বৰূপ হোৱা বাবে, তেওঁ ইয়াক বৰ্জন কৰিছিল। তেওঁৰ মতে চোলা আৰু পেন্ট পিন্ধা অভিনেতা গৰাকীৰ ৰজা অশোকৰ ভাও দিয়া কাৰ্য, ৰূপসজ্জা আৰু ঐতিহাসিক সাজপোছাক পিন্ধা অভিনেতা গৰাকীৰ ভাও দিয়াতকৈ বেছি টান। সকলো ধৰণৰ কৃত্ৰিমতা বৰ্জিত অভিনেতাই নিখাদ অভিনয়ৰ ওপৰত জোৰ দিবলৈ বাধ্য হয়। সেইবাবে নাট্যকাৰে দৈহিক অভিনয়, ইঙ্গিত আৰু মূকাভিনয়ৰ ওপৰত আটাইতকৈ বেছি গুৰুত্ব দিছিল।

'The Third Theatre' কিতাপত বাদল সৰকাৰে কৈছে যে এইবোৰৰ জৰিয়তে তেওঁ থিয়েটাৰৰ গুৰিলৈ–আদি অনুষ্ঠানলৈ যাব বিচাৰে। আদিম সমাজৰ যূথবদ্ধ মানুহে নাচ-গান-ধৰ্মীয় অনুষ্ঠানৰ মাজেৰে যি সমগ্ৰতাৰ সৈতে জড়িত আছিল, তেৱোঁ সেই যৌথ জীৱনৰ পিনেই আজিৰ মানুহক লৈ যাবলৈ বিচাৰে। অকলশৰীয়া আৰু ছিগি পৰা মানুহ সহযোগিতাৰ ভেটিত আকৌ জী উঠিব। সেয়ে তেওঁৰ নাটক কেৱল প্ৰমোদ উপকৰণ নহয়। ই লোকশিক্ষাৰ বাহন। 'We strive to educate the audience on the state of affairs in the society we live in.'

তেওঁৰ উদ্ভাৱিত নাট্যধাৰাত কোনো কাহিনী নাই, নাই চৰিত্ৰৰ বিৱৰ্তন। গদ্য-পদ্য নাইবা অশিষ্ট ভাষাৰে তেওঁৰ নাটকৰ চৰিত্ৰবোৰে কথা কয়। নাটক চলি থকা অৱস্থাত তেওঁলোকে নিজৰ মাজত আড্ডা মাৰে, কেতিয়াবা দৰ্শকৰ সৈতেও। মাজ-মূৰত আকস্মিকভাবে, শ্ল'গান দিয়া হয়, অভিনেতাই স্বতঃপ্ৰবৃত্তভাবে হঠাতে গান গায়, কছৰৎ দেখুৱায়, প্ৰায়ে পৰিসংখ্যাৰ, অৰ্থনীতি নাইবা সামাজিক সম্পৰ্কত উদ্ধৃতি দিয়ে। তেওঁৰ নাটকত যেনেকৈ নাট্য ঘটনা বা চৰিত্ৰৰ বিৱৰ্তন নাই, তেনেদৰে নাটকৰ শেহান্তৰত কোনো উপদেশো দিয়া নহয়। সূচনা কৰাটোৱেই তেওঁৰ দায়িত্ব। আৰু দৰ্শকৰ প্ৰতিক্ৰিয়া তেওঁৰ কাম্য। দৰ্শকক আমনি দিয়া বা মুগ্ধ কৰা তেওঁৰ উদ্দেশ্য নহয়। দৰ্শকৰ বিচাৰবুদ্ধি যাতে জাগ্ৰত হয় আৰু অৱস্থাৰ পৰিৱৰ্তন কৰিবলৈ উদ্যোগী হয়, সেয়াই তেওঁৰ আন্তৰিক কামনা।

'পথনাট্য'ৰ পথিকৃৎ এই নাট্যকাৰজনৰ বিষয়ে কবলৈ গৈ চলচ্চিত্ৰকাৰ মৃণাল সেনে কৈছে, 'Badal Sarkar, is indeed a giant among the iconoclasts.' নাট্যকাৰ গিৰিশ কাৰ্নাডে কৈছে, 'মই বৰ ভাগ্যৱান, কিয়নো আমাৰ সময়তেই বাদল সৰকাৰৰ দৰে নাট্যকাৰ ওপজিছে। ----- কলটিকত শেহতীয়াভাবে যি গৰাকী বঙালী নাট্যকাৰ অতিপাত চিনাকি, তেওঁ হ'ল বাদল, কেৱল বাদল।' মাৰাঠী নাট্য-সমালোচক জ্ঞানেশ্বৰ নাদকাৰ্নিয়ে জনাইছে, 'মহাৰাষ্ট্ৰৰ ডেকাচামৰ মাজত বাদল সৰকাৰে এক প্ৰকাৰৰ ক্ৰেইজ সৃষ্টি কৰিছে। তেওঁৰ কাম তেনেই চিগনিফিকেন্ট আৰু ফুল অব আইদিয়াজ।' কিন্তু তেওঁৰ সম্পৰ্কে শেষকথা কৈছে তেওঁ নিজেই, 'মই আশাবাদী, মোৰ যিখিনি ক্ষমতা মই তাকেই কৰিছো। মোৰ সামৰ্থ্য অনুযায়ী মই ষ্ট্ৰিট থিয়েটাৰক প্ৰাণৱন্ত কৰিবলৈ যত্নপৰ হৈছো। দুঃসময়ত থিয়েটাৰৰ প্ৰাসঙ্গিকতা অত্যন্ত তাৎপৰ্যপূৰ্ণ হ'ব পাৰে। আমাৰ দেশখন এতিয়া অত্যন্ত দুৰ্যোগপূৰ্ণ সময়ৰ মাজেদি যাবলগীয়া হৈছে আৰু আমি বিপাঙত পৰিছো।'

# লেটা, কেঁকোৰা, কুচিয়া ইত্যাদি

সত্যেন গগৈ

*"এড়ীয়াৰ এখনি মুগাৰো এখনি*
*মই বোলো বিহুলৈ যাওঁ,*
*ইয়ে নিলে এখনি সিয়ে নিলে এখনি*
*তাকে ঐ বিচাৰি যাওঁ ।"*

অসমীয়া জনজীৱনত এড়ী, মুগা আৰু পাট আৰু ইয়াৰ পৰা বৈ-কাটি উলিওৱা কাপোৰে এক বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে অতীজৰে পৰা, চ'তাই পৰ্ৱত, চিৰি লুইত বৈ থকা দিনৰে পৰা । দৈনন্দিন জীৱনত অন্ন-বস্ত্ৰৰ কথা ভাবোতে বিশেষকৈ গঞাঁ চহা জীৱনত এড়ী মুগাক বাদ দি এটা সময়ত ভাবিব নোৱৰা কথা আছিল । সেয়েহে বোধকৰো বিহুৰ বতৰত বিহু-বলিয়া ডেকা-ডেকেৰীৰ মুখত আখৈ ফুটাদি ফুটে, "অতিকৈ চেনেহৰ মুখাৰে মহুৰা অতিকৈ চেনেহৰ মাকো", বা গাত কাপোৰ লোৱা পাট গাভৰুৱে যৌৱনৰ উকমুকনিত "মুগা ৰিহা' গাত মেৰাই লৈ" গচকত যঁতৰ ভাঙি যাওঁ ভাঙি যাওঁ কৰিছিল ।

পিছে এড়ীমুগা আৰু পাট জনজীৱনত লাগতিয়াল বস্ত্ৰ কেইডুখৰিৰ বাবেই যে ব্যৱহৃত হৈছিল তেনে নহয় এই কেউবিধ প্ৰাণীৰে 'লেটা' ব্যৱহৃত হৈছিল জুতি লগা খাদ্য ৰূপে । "ভোকৰ ভাত পিয়াহত পানী ।" হয় পেটৰ ভোকৰ খাদ্য হিচাপে ভাত; পিয়াহত পানী । পিছে ইয়াতেই জানো আমাৰ উদৰ দেৱতা সন্তুষ্ট ? জিভাৰ জুতিয়ে বা কি বিচাৰে ? চহা জনজীৱনত দৈনন্দিন হাড় ভগা পৰিশ্ৰমৰ অন্তত "দেৱাই হওক কৰকৰাই হওক" এমুঠি তৃপ্তিৰে খাই যি সুখ, তৃপ্তি পোৱা যায় তাক জানো বৰ্ণনা কৰিব পাৰি ? "ভোকত তিনি মুঠি শুকান পিঠাগুৰি তাৰ লগত গুৱালৰ দৈ" তাতেই প্ৰাণ সনা সোৱাদ আছে । কিন্তু জীয়াই থকাৰ বাবে প্ৰয়োজনীয় খাদ্য খোৱাৰ উপৰিও সেই খাদ্য কেনেকৈ মুখৰোচক, জিভাৰ তৃপ্তিদায়ক হ'ব পাৰে তাৰ সন্ধানো কিন্তু মানুহে অতীজৰে পৰাই কৰি আহিছে । তাৰেই ফলশ্ৰুতি আমাৰ খাদ্য তালিকাখন, নতুন নতুন ব্যঞ্জন, ৰন্ধন প্ৰকৰণ ।

*"চতাই পৰ্ৱতত পহুজাল পাতিলো*
*চ'তাইতে গধূলি হ'ল ।*
*সমনীয়াই সুধিলে কমে কিয়ে বুলি*
*জাল ফালি হৰিণা গ'ল ।।*

'হৰিণা' জাল ফালি পলাই সাৰিব খুজিলেও জানো তাৰ ৰক্ষা আছে ? তৃপ্তিৰে জিভাক সন্তুষ্ট কৰি গঞাঁ জাতিৰে এসাজ যোগাৰ কৰিবলৈকেতো সেই অতীজৰ পৰা ক'ত যে যন্ত্ৰণা-মন্ত্ৰণা ! তেনেদৰেই বোধকৰো সেই তাহানিতে অনেক খাদ্য বস্তুৰ লগতে এড়ী মুগা আৰু পাট পলুৰ লেটাইও আমাৰ খাদ্য তালিকাত প্ৰৱেশ কৰিছিল । অৱশ্যে এই কেইবিধ খাদ্য আমাৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ মাজত সচৰাচৰ প্ৰচলিত খাদ্য হিচাপে ব্যৱহাৰ নহয় । আহোম সকল আৰু আন কেইটামান জনজাতীয় গোষ্ঠীৰ মাজতে লেটা খাদ্য হিচাপে সীমাবদ্ধ । এটা সময়ত আহোম গাওঁবোৰত বছৰৰ কেউটি মাহে ঘৰৰ ভিতৰতে এড়ী পুহি তাৰে সূতা উলিয়াই বৈ-কাটি এড়ীয়া, খনীয়া, চোলা আদি প্ৰস্তুত কৰি লোৱা হৈছিল । অসমৰ জলবায়ু এড়ী পালনৰ বাবে অনুকূল হোৱা বাবেও ইয়াক ঘৰে ঘৰে পুহিছিল । এড়ী পোহাৰ আন এক আকৰ্ষণ আছিল এড়ীলেটা । এড়ীলেটাক আহোম সকলে নিজৰ এক বৈশিষ্ট্যপূৰ্ণ খাদ্য হিচাপে ব্যৱহাৰ কৰিছিল আৰু এতিয়াও কম-বেছি পৰিমাণে কৰি থকা হৈছে । আজিকালি অৱশ্যে নানান কাৰণত গাওঁবোৰত এড়ী পোহাৰ নিয়ম কমি আহিছে তথাপি এই প্ৰথা গঞাঁ আহোম সকলৰ মাজত এক নিজস্ব কৃষ্টি হিচাপেই জীয়াই আছে । গাওঁবোৰৰ প্ৰায় প্ৰতি ঘৰৰে বাৰীত এড়াগছ প্ৰচুৰ পৰিমাণে হৈছিল আৰু ই এড়ীৰ প্ৰধান খাদ্য হিচাপে ব্যৱহৃত হৈছিল । এড়ীৰ দৰেই মুগাৰো 'খেতি' কৰা হৈছিল । মুগাৰ চোমনিত দিনে নিশাই মুগা ৰখা, মুগা খাবলৈ অহা চৰাই-চিৰিকতি খেনু-বাটলুগুটিৰে খেদি পঠোৱা জনজীৱনৰ এৰাব নোৱৰা সংস্কৃতিতে পৰিণত হৈছিল গৈ । সেয়েহে বোধকৰো বিহু গীতত প্ৰতিফলিত হৈছিল এনেদৰে–

*"মুগাৰে চোঙতে মুগা মেলিছিলো*
*খেনু জোঁৰ বাটোতা নাই ।"* ইত্যাদি ।

এড়ী সচৰাচৰ ঘৰৰ ভিতৰতে পোহা হয় । এড়ী পোকটো পকিছেনে নাই (পূৰঠ হৈছেনে নাই) অভিজ্ঞ লোকে, গাঁৱৰ বুঢ়ী আইতাহঁতে এড়ী পলুটোৰ গাত আঙুলিৰে টোকৰ দুটামান মাৰিয়ে কৈ দিব পাৰে । তদুপৰি পলুটো আলফুলে আঙুলিৰে মোহাৰিলেও পলুটোৰ গাৰ পৰা 'খমখমীয়া' শব্দ এটা হয় আৰু তেতিয়াই এড়ী পকা বুলি ধৰা হয় । পকা পলুবোৰ ফুটকলা, কলঠৰুৱা, নাহৰ আদি গছৰ শুকান পাতৰ একোটা 'জালিত' উঠাই দিয়া হয় । পকা পলুবোৰে লৰচৰ কৰিবলৈ এৰি কেইদিনমানতে একোটা বাহ বা খোলা সাজি তাতে নিজে বন্দী হৈ লেটালৈ পৰিবৰ্তিত হয় । আটাইবোৰ পলুৱে খোলা সজা সম্পূৰ্ণ হলে খোলাবোৰ 'জালি'ৰ পৰা একৰাই ডলা বা পাচিত থোৱা হয় । একোখন কাপোৰেৰে একোটা সোলোক-ঢোলোক টোপোলা কৰি খোলাবোৰ ধানখেৰ পুৰি কৰা খাৰ বা কলা খাৰ বা চ'দা খাৰ দি কেৰাহিত সিজোৱা হয় । প্ৰয়োজনমতে সিজিলে টোপোলাটো নমাই খোলাবোৰ উলিয়াই চালনীত বা ডলাত থোৱা হয় যাতে পানী সৰকি যাব পাৰে । ভালকৈ চেঁচা হলে খোলাটোৰ মুখ দিশেদি হাতেৰে সযত্নে ফালি লেটাটো বাহিৰ কৰা হয় । লেটা উলিয়াওঁতে যাতে খোলাৰ সূতা নষ্ট নহয় সেই কথালৈ চকু ৰখা হয় । লেটাবোৰ উলিয়াই একোটা লেটা মাজতে দুটুকুৰা কৰি ভিতৰত থকা মল ভাগ উলিয়াই পেলাই দিয়া হয় আৰু লেটাবোৰ খোৱাৰ বাবে/ৰন্ধাৰ বাবে প্ৰস্তুত হৈ উঠে । লেটা নভজাকৈ কেঁচাইও খাব পাৰি । কোনোৱে আকৌ তেল-নিমখ জলকীয়া সানি পিটিকা কৰিও খায় । লেটাবোৰ মিঠাতেলত মচমচীয়াকৈ ভাজি নিমখ-হালধি দিলেই খোৱাৰ উপযোগী হৈ পৰে । বতৰৰ শাক যেনে সৰিয়হৰ আগ, খুটুৰা, লাইশাকৰ সৈতে লেটা মচমচীয়াকৈ ভাজি ললে খাবলৈ অতি জুতি লগা হয় । ভাতৰ লগত অন্যান্য ব্যঞ্জনৰ সৈতে পৰিৱেশন কৰা হয় । আহোম সকলে বিশিষ্ট খাদ্য হিচাপে লেটাক গণ্য কৰে আৰু অতি তৃপ্তিৰে নিজে, ঘৰে-ঘৰোৱাহে খোৱাৰ উপৰিও আলহী-অতিথি-মিতিৰ-কুটুমলৈকো আগবঢ়ায় । মাছ-পুঠি নেথাকিলে আৰু তেনে দিনত ঘৰলৈ আলহী আহিলে লেটা কেইটামান ভাজি খুৱাবলৈ পালেও ঘৰৰ গিৰিহঁতনীৰ মনলৈ শান্তি আহিছিল । তদুপৰি আহোম সকলৰ নিত্য ব্যৱহাৰ্য আন এবিধ পানীয় 'দেৱৰ ৰস', 'দেৱৰ অমৃত' বা 'সাঁজ' কণ বা কেতিয়াবা 'তলসৰা জগলী'ৰ একোবাতি এড়ীলেটা ভজা অকণমানেৰে আপোনজনক পৰিৱেশন কৰিবলৈ পালেতো গৃহস্থৰ মন 'আনন্দে নধৰে হিয়া' হয় । খাদ্য বস্তুৰ তালিকাখনো সম্পূৰ্ণ হোৱা যেন লাগে ।

আমাৰ ল'ৰালিত আমাৰ গাওঁৰ ঘৰত বুঢ়ী আইতাহঁতে, আইহঁতে সিজোৱা এড়ীৰ টোপোলা একোটা লৈ কাঁহ-পিতলৰ চৰিয়া বা খৰাহী বা বাতি-কাঁহী একোখনত খোলাৰ পৰা এটা এটাকৈ লেটা উলিয়াই খেতি খোলাৰ প্ৰসঙ্গৰ পৰা বিয়া বাৰুৰ কথালৈকে ঘন্টাৰ পিছত ঘন্টা আলোচনা কৰি থকাৰ ছবিবোৰ এতিয়াও মনত সজীৱ হৈয়ে আছে । অকণমান আমনি বা ভাগৰ লাগিলে বোৱাৰীয়েকহঁতক খুজি একোবাতি সাঁজপানী খাই মনৰ অৱসাদ দূৰ কৰাৰ উপৰিও এড়ী খোলা একৰাওঁতে জঠৰ হোৱা, বিষোৱা আঙুলিৰ বিষ কোষ নাইকিয়া কৰিছিল । আমিও চেঙেলীয়াতে লেটা উলিওৱা কামত লাগি দুটামান খোলা একৰাৰ পিছতে আমনি লাগিলে বা আঙুলি বিষালে বাতি বা কাঁহীত গোট খোৱা এমুঠিমান লেটা লৈ কেঁচাই কেঁচাই চোবোৱা আৰু কেতিয়াবা বুঢ়ীআইহঁতৰ সাঁজৰ বাতিৰ পৰা থাউকতে দুপোহামান মাৰি লৰ মৰাটো আমাৰ একপ্ৰকাৰ নিৰ্দোষ খেমালি আছিল আৰু এনে কাৰ্যৰ বাবে অৱশ্যে মাজে সময়ে আইহঁতৰ দাবি-ধমকি আনকি দুঢকা-এঢকা নোখোৱাকৈও থকা নাছিলো ।

মুগাৰ লেটা এড়ী লেটাতকৈ আকাৰত যথেষ্ট ডাঙৰ আৰু এড়ীলেটাৰ দৰে খাবলৈকো সিমান সুস্বাদ যুক্ত নহয় । মুগা লেটাৰ ছোকোৰাটো আঁহ যুক্ত আৰু এড়ীতকৈ টান । মুগা লেটা হাতেৰে উলিওৱা সহজ নহয় সেয়ে খোলাটোৰ পৰা 'ভাঁউৰীত' সূতা কাটি লেটা উলিওৱা হয় । খাদ্য হিচাপে মুগালেটাৰ ব্যৱহাৰো কম নহয় । এইবিধ লেটাবো খাদ্যৰূপে প্ৰস্তুতি প্ৰণালী অন্যান্য লেটাৰ দৰেই । মুঠতে অসমৰ চহা গঞাঁ জনজীৱনত এড়ী, মুগা আৰু পাট পলুৰ লেটাক উৎকৃষ্ট আৰু জিভাৰ তৃপ্তিদায়ক খাদ্য হিচাপে ব্যৱহাৰ কৰাৰ প্ৰথা অতীজৰে পৰা প্ৰচলন হৈ আহিছে । আজিকালি এড়ীমুগাৰ লেটা প্ৰায় দুষ্প্ৰাপ্য হবলৈ ধৰিছে যদিও যি এবাৰ এইবিধ খাদ্যৰ জুতি পাইছে তেওঁ এনেবোৰ আপুৰুগীয়া খাদ্যৰ কথা ভাবি হা-হুমুনিয়াহ পেলাই অতীত ৰোমন্থন কৰিয়েই সান্ত্বনা লভে । বহুতে আকৌ বিশেষকৈ গাওঁ এৰি নগৰ চহৰবাসী হোৱা সকলে ছমাহে-বছৰেকে হলেও এনেবোৰ খাদ্য বহু প্ৰবন্ধে সংগ্ৰহ কৰি ৰান্ধি-বাঢ়ি খাই জীৱনক ধন্য কৰি তোলে ।

## কেঁকোৰা, কুচিয়া, শালমাছ ইত্যাদি

*"ডেউ দি সাৰিলে দেও দৰিকণা*
*লুটি মাৰি সাৰিলে শাল,*
*কিনো চেলেংখনি দিলা ঐ লাহৰী*
*জাল মাৰিবলৈ ভাল "*

ভালেমান জনগোষ্ঠীৰ বিশেষকৈ জনজাতীয় আৰু আহোম সম্প্ৰদায়ৰ লোক সকলে কেঁকোৰা, কুচিয়া, চেঙেলী, চেংমাছ, জেবাংকৰী, নিংকৰী, শাল-শিঙি আদি মাছ অবাধে খাদ্যৰূপে ভক্ষণ কৰে যিবোৰ আকৌ বহু জনগোষ্ঠীৰ লোকৰ মাজত সচৰাচৰ অপ্ৰচলিত । তেনেদৰে বৰ ভেকুলী/বামুণী ভেকোলা বা মাটি কপৰু (কপৌ), বাদুলি, গুঁই, নেউল, উঁইপোক, কাটি খোৱা ছেৱা তামোলৰ গছৰ মাজত থকা এবিধ পোক আহোম সম্প্ৰদায়ৰ কেতবোৰ লোকে খাদ্য হিচাপে ব্যৱহাৰ কৰে । অৱশ্যে নাম উল্লেখ কৰা আচহুৱা ধৰণৰ খাদ্যবোৰ সম্ভালনিকৈ সকলো আহোমেই যে ব্যৱহাৰ কৰে সেয়াও নহয় । ঠাই বিশেষে আহোম বসতিপ্ৰধান অঞ্চলত এনেবোৰ খাদ্যৰ বহুল প্ৰচলন আছে যদিও প্ৰায়ে কেউবিধ সামগ্ৰীয়েই সহজলভ্যতো নহয়েই কেতিয়াবা খাবৰ মন গলেও সেইবোৰ সংগ্ৰহ কৰিব নোৱাৰি । খাদ্য তালিকাৰ এই আচহুৱা যেন লগা 'জীৱ'বোৰৰ কিন্তু নিজা খাদ্য গুণাগুণ নথকা নহয় আৰু সেয়ে এইবোৰক অতি আগ্ৰহেৰে কাঁহীৰ কাণত ঠাই দিয়া হয় । আমি আগতেই কৈছো কাৰোবাৰ খাদ্য, কাৰোবাৰ বাবে অখাদ্য । কিন্তু খাদ্য-অখাদ্যৰ সামগ্ৰিক তালিকাখন আলোচনা নকৰিলে বৃহৎ অসমীয়া সমাজৰ খাদ্যাভ্যাস সম্পৰ্কে ভু পোৱা টান । কেঁকোৰা আহোম সকলৰ মাজত এবিধ জুতি লগা খাদ্য হিচাপে পৰিগণিত হৈ আহিছে । সচৰাচৰ কম প্ৰচলিত এটা ফকৰাত আছে 'লৰি ফুৰা কেঁকোৰাৰ তেল নাই ।' পিছে কেঁকোৰাৰ গাৰ টান আৱৰণ তথা খোলাটোৰ ভিতৰতে থাকে কোমল আৰু সোৱাদ যুক্ত মঙহখিনি । খোলাটো একৰাই ভিতৰৰ অংশটো ভাজি খোৱাৰ এক সুকীয়া সোৱাদ আছে । কেঁকোৰা পুৰিও খাব পাৰি । আন ভালেমান লোকে বিশেষকৈ জনজাতীয় আৰু চাহ শ্ৰমিক সম্প্ৰদায়ৰ লোকে কেঁকোৰাৰ মঙহ তৃপ্তিৰে পুষ্টিকৰ খাদ্যৰূপে ভক্ষণ কৰে ।

সাইলাখ সাপৰ দৰে মাটিৰ (মুগা ?) ৰঙী পথাৰৰ বোকাত, পথৰুৱা আলিৰ দাঁতিত, নৈ-বিলৰ পাৰত দ গাঁত কৰি থকা কুচিয়াৰ মঙহো এবিধ অতি পুষ্টিকৰ তথা ঔষধি গুণযুক্ত খাদ্য । জাকৈ, জুলুকি বা জাল মাৰি সাধাৰণতে কুচিয়া ধৰিব পৰা নাযায় । চেপা-খোকা, দলঙা পাতিলে অন্যান্য মাছৰ লগতে কেতিয়াবা দুই এটা কুচিয়াও ধৰা পৰে । গাঁতৰ কুচিয়া ধৰাৰ বাবে দীঘল লোৰ শলাৰে তৈয়াৰী 'কালি' ব্যৱহাৰ কৰা হয় । 'কালি'ৰ আগভাগটো কোৰাই চেপেটা আৰু জোঙা কৰি ক্ষুদ্ৰ অংকুশৰ দৰে সাজি লোৱা হয় । ওপৰৰ ভাগত হাতেৰে ধৰা অংশত বাঁহৰ বা গছৰ ডালেৰে দা-কটাৰীৰ নাল লগোৱাৰ দৰে নাল লগোৱা হয় । পথাৰত বা নৈ বিলৰ দাঁতিত অভিজ্ঞ লোকে কালি মাৰি একো একোটা বৰ কুচিয়া কালিৰে খুচি বামলৈ তুলি আনে । খাল-বিল পুখুৰী সিচোঁতেও কুচিয়া পোৱা যায় । কুচিয়া ধৰি তাৰ গাৰ পৰা খাদ্যৰ জোখাৰে পোৱা মঙহখিনি উলিয়াই লোৱাটোও সহজসাধ্য কাম নহয় । কুচিয়াটো মাৰি লৈ ডিঙিৰ অংশতে কটাৰীৰে ছালখন কাটি কেইডালমান ধানখেৰ বা শুকান কাপোৰ এটুকুৰাৰে ছালখন ছেলাই লোৱা হয় । ছালখন ছেলাই লৈ কুচিয়াৰ গাটো দাৰ গদিৰে প্ৰথমে খেতাঁলি ধুই পৰিষ্কাৰ কৰি সৰু সৰু টুকুৰাকৈ কুটি-বাছি ললেই ই খোৱাৰ উপযোগী হৈ উঠে । কুচিয়াৰ মঙহ ভালেমান ঔষধি গুণযুক্ত বাবে ই ভালে কেইটা ৰোগৰ ঔষধ আৰু পথ্য হিচাপেও ব্যৱহাৰ হয় । মঙহখিনি নিজ ৰুচি মতে তেলত মা-মছলা, জালুক আদি দি ৰান্ধি জোল আৰু মাংস ভক্ষণ কৰিব পাৰি ।

চেঙেলী, চেংমাছ, শাল-শ'ল, গৰৈ আদিক কাঠ মাছ বোলা হয় । কেউবিধ মাছৰে গাটো প্ৰায় ঘূৰণীয়া আকৃতিৰ আৰু তুলনামূলক ভাবে আন মাছতকৈ টান । বহুলোকে এই কেইবিধ মাছ ভক্ষণ নকৰে বোধকৰো কিবা সংস্কাৰজনিত কাৰণত । কিন্তু শক্তিদায়ক, সোৱাদযুক্ত আৰু পুষ্টিকৰ এই কেইবিধ মাছ খাদ্যৰ গুণাগুণত প্ৰথম শ্ৰেণীৰ । কেউবিধ মাছেই অসমীয়া চহা জনজীৱনৰ গীত-মাতত বিশেষকৈ বিহুগীত, বনঘোষা আৰু গৰখীয়া নামত বিশেষ উল্লেখযোগ্য স্থান দখল কৰি আছে । আমাৰ 'শ'লে মুলাই' খাদ্য তালিকাত যিস্থান লৈ আছে সেই একে স্থান বোধকৰো একেগোত্ৰীয় শাল, চেং, গৰৈ আদিয়েও পাবৰ যোগ্য ।

জেবাংকৰী নামৰ পাখিলগা উৰিব পৰা প্ৰাণীবিধৰ বাসস্থান পানীত আৰু অন্যান্য মাছ পুঠিৰ লগতে ইয়াৰ চলন-ফুৰণ । পথাৰত জাকৈ-জুলুকী বাওঁতে অন্যান্য মাছৰ লগতে জেবাংকৰীয়েও খালৈত স্থান পায় । পাখিকেইখন একৰাই মূৰৰ ভাগ পেলাই দি পুৰি বা ভাজি খাব পাৰি । ইয়াৰ সোৱাদ মাছৰ সৈতে নিমিলে । নিংকৰী বা কঠালগুটিয়া কেত্‌কেত্ কৰে ক'লা গুবৰুৱাৰ আকৃতিৰ পানীত থকা এবিধ প্ৰাণী । ই পানীৰ ওপৰেদি তীব্ৰ গতিত চলাফুৰা কৰিব পাৰে । নিংকৰীৰ সমগ্ৰ গাটো টান আৱৰণেৰে (খোলাৰে) আবৃত । নৈবিলত, পথাৰত জাল, জাকৈ, পল জুলুকী মাৰোতে আন মাছৰ লগতে পোৱা যায় । গাৰ ওপৰ ভাগৰ টান আৱৰণ (পাখি) একৰাই তেলত মচমচীয়াকৈ ভাজি খাবলৈ অপূৰ্ব । এই দুয়োবিধ প্ৰাণীৰ এক নিজা গোন্ধো ওলায় । যিয়ে ইয়াক কেতিয়াও খাই পোৱা নাই সেই সকলক ইয়াৰ আকৰ্ষণীয় গোন্ধ আৰু সোৱাদৰ ভাগ বৰ্ণনা কৰি দিবলৈ অক্ষম । ইয়াৰ জুতি জিভাই কেতিয়াও পাহৰিব নোৱৰা বিধৰ । এই দুয়োবিধ প্ৰাণী খাদ্য হিচাপে আহোম সকলৰ উপৰিও কেইটামান বিশেষ জনগোষ্ঠীৰ মাজতেই সীমাৱদ্ধ ।

*[টোকা– এই লেখাত আলোচনা কৰা খাদ্য সম্ভাৰৰ ব্যৱহাৰ কেৱল আহোম বা অন্য জনজাতীয় গোষ্ঠীৰ মাজতে সীমাৱদ্ধ বুলি ক'ব নোৱাৰি । আন দুই এক সম্প্ৰদায়ৰ লোকেও এইবোৰ খাদ্য হিচাপে ব্যৱহাৰ কৰাটো নুই কৰিব নোৱাৰি । তদুপৰি সকলো আহোমেই এইবোৰ ভক্ষণ কৰে বুলিবও নোৱাৰি । সামগ্ৰিক ভাবে আহোম সম্প্ৰদায়ৰ লোকৰ মাজত এইবোৰ খাদ্য অতীজৰে পৰা প্ৰচলন হৈ আহিছে আৰু এতিয়াও ই চলি আছে । খাদ্য বস্তুৰ প্ৰস্তুত বা ৰন্ধন প্ৰণালী নিজ অভিজ্ঞতা বা দেখি-শুনি লেখা, গতিকে ই স্বয়ং সম্পূৰ্ণতা দাবী কৰা নাই । – লেখক ।]*

# কালচক্ৰ ঃ সন্ধিক্ষণ

ডাঃ আনন্দেশ্বৰ বৰঠাকুৰ



শোৱাৰ আগতে সেই নিশা কিয় নেজানে শইকীয়াৰ হঠাৎ নিজৰ অতীতটোৰ কথা মনলৈ আহিছিল। দেউতাকে কোৱা কথাবোৰ তেওঁৰ চকামকাকৈ মনত পৰে। গদাধৰ সিংহৰ দিনত শইকীয়াৰ কোনোবা এজন উপৰিপুৰুষে বিদ্ৰোহী কোঁৱৰ এজনক বন্দী কৰি আনি ৰাজ চ'ৰাত শোধাই দিছিলহি। তাৰ বিনিময়ত গদাধৰ সিংহই তামৰ ফলি সহ বহুতো পুৰস্কাৰ দিছিল। শইকীয়াৰ উত্তৰ-পুৰুষৰ বাবে এই সকলোবোৰ অতীতৰ অন্ধকাৰত আজি চিৰকালৰ কাৰণে বন্দী হৈ থাকিল।

কেইদিনমানৰ পিছত কানাই পাল কোম্পানীৰ বস্তু আহি শইকীয়াহঁতৰ গুদাম সোমালেহি। কিছু বস্তু দোকানৰ আলমাৰিতো বিক্ৰীৰ বাবে আনি থ'লে। তাৰ কেইদিনমান পিছতেই সৰু ল'ৰা-ছোৱালীৰ কাপোৰ ফমহিচতকৈ দুগুণ হিচাপে আহি পালেহি। কলিকতাৰ পাইকাৰী দোকানৰ মালিকে সৰহকৈ দিয়া বস্তুখিনি ৰাখিবলৈ অনুৰোধ কৰিলে। পইছাৰ বাবে তাগিদা নাই।

দুদিন পিছতে তিনিচুকীয়াৰ পিনৰ পৰা ৱাৰেন চাহ-কোম্পানীৰ পৰা মানুহ আহিল বিলাতী বস্তুবোৰৰ কিবাকিবি কিনি নিবলৈ। হঠাৎ সৰু ল'ৰা-ছোৱালীৰ কাপোৰ-কানিবোৰ দেখি তাৰো কিছু বস্তু লগত ল'লে। বাগানৰ ক্লাবৰ লগতে থকা দোকানখনত সেইবোৰ বস্তু বিক্ৰীৰ বাবে ৰখাৰ ব্যৱস্থা হ'ল। প্ৰায় দহ-পোন্ধৰ দিনমানৰ ভিতৰতে গুদামৰ বস্তু কমি আহিল। সৰু ল'ৰা-ছোৱালীৰ কাপোৰবোৰো নাইকিয়া হৈ আহিল। দুয়ো জাগালৈ ফমহিচ পঠিওৱা হ'ব। লাভৰ অংশ নিজৰ বাবে কাটি ৰাখি বাকীখিনি টকা ৰতনবাবুৰ গাদীৰ জৰিয়তে কলিকতাৰ কোম্পানী দুটালৈ পঠিয়ালে।

কেউপিনৰ পৰা ব্যৱসায়ৰ উন্নতি হ'বলৈ আৰম্ভ কৰিলে। কাকতিয়েও গা ভালেখিনি ভাল পালে। বাহিৰ-ভিতৰ কৰিব পৰা হ'ল। শইকীয়াৰ ল'ৰাহাল আজি-কালি নাহৰৰ লগতে সৰহভাগ সময় থাকে। ডাঙৰটোৱে নিশা নাহৰৰ লগতে শোৱে। মামী বুলিলে হালেই অজ্ঞান। বহুত দিনৰ মূৰত সেইদিনা হঠাতে দোকানত ফুকন আহি ওলালেহি। আজিকালি ফুকনে সৰহভাগ সময় গুৱাহাটীতে থাকে। অহা মাহত কংগ্ৰেছৰ অধিবেশন বহিব। ইয়াৰ ভিতৰত আৰু অহা নহ'ব। গুৱাহাটীৰ অধিবেশন চাবলৈ শইকীয়াহঁত কোন তাৰিখে যাব সেই কথা খাটাং কৰিলে। ফুকনৰ ভায়েক ষ্টেচনলৈ আহিব। অধিবেশনৰ কেইদিনমান আগতেই যোৱাৰ দিনটো স্থিৰ কৰা হ'ল। নহ'লে ৰেলত ভিৰ হ'ব। উজনি অসমৰ পৰা ভালেমান মানুহ অধিবেশনলৈ যাব। শহুৰেকৰ গা আগতকৈ ভাল হোৱা বাবে শইকীয়া যাবলৈ ওলাল। অধিবেশনৰ বাবে উপযাচি এশ টকা চান্দাও দিলে।

ফুকনে মোনাৰ পৰা ৰছিদ বহীখন উলিয়াই লিখিবলৈ লওঁতে ক'লে, "মই জানিছিলো আপোনাক মই চান্দা খুজিব নালাগে, যি পাৰে আপুনি দিব। চকুৰ আগতে দেখিছো শহুৰেকৰ লগত কেনেকৈ পানীৰ দৰে টকা খৰচ কৰিব লগা হৈছে। এই চকবজাৰত কিমান ডাঙৰ ডাঙৰ ব্যৱসায়ী আছে। কিন্তু কেইজনৰ মাজত নিজে আগবাঢ়ি আহি এনেকৈ অৰিহণা যোগাবৰ বাবে স্বদেশপ্ৰেম আছে ?"

"লাজ নিদিব, ফুকন। আপুনি দেশৰ বাবে নিজৰ দেহাটোকে দিছে। বগাভাত খাই আহিছে। আমি কেইটামান টকাও দিব নোৱাৰিলে কেনেকৈ হ'ব ? আপোনাক ভালকৈ বহুত দিন লগ পোৱা নাই। বহুতবোৰ কথা মনলৈ আহে। কথা পাতিবৰ মন যায়। কিন্তু মনৰ লগত মিলা মানুহ পাবলৈ নাই। কেতিয়াবা ভাবো ঘৰ-সংসাৰ কৰি ভুলেই কৰিলো নেকি! আমাৰ ইকুলো নহ'ল সিকুলো নহ'ল।"

"তেনেকৈ নক'ব, শইকীয়া। আপোনালোক হৈছে আমাৰ অনুপ্ৰেৰণাৰ উৎস। আপোনালোকৰ ঘৰবোৰ কোনোবাদিনা ধুনীয়াকৈ সজাম। আলি-পদূলিবোৰ ভাল হ'ব। পঢ়া-শুনাৰ ব্যৱস্থাবোৰ ব্যাপক হাৰত বৃদ্ধি পাব। নতুন নতুন উপাৰ্জনৰ বাট মুকলি হ'ব। আমাৰ জীৱন আপোনালোকক লৈয়ে। সমাজৰ একতাৰ বান্ধটো আপোনালোকে জীয়াই ৰাখক। ৰুগ্ন, অসুস্থ শহুৰেকক আনি ইমানখিনি চিকিৎসা কৰি আৰোগ্যৰ বাটলৈ আনিছে। খুলশালি কেইটাক সংসাৰত থিতাপী লগাইছে। বিয়া পাতি দিছে। এইবোৰেইতো দেশৰ কাম। দেশখন এই মানুহবোৰক লৈহে। সংসাৰৰ মাজত থাকি ভাল মানুহ হৈ থাকিব পৰাটো আমাৰ কামতকৈ বহুত কঠিন। গীতাত কৰ্মযোগীৰ কথা কৈছে। প্ৰত্যেকে নিজৰ নিজৰ কামবোৰ ভালকৈ কৰি যোৱাটোকে গান্ধীজীয়ে বিচাৰে। কাইলৈ মই জেললৈ গ'লে দদাইদেউৰ ঘৰখন আপুনি নেচাব জানো ? আপুনি মোৰ কাৰণে এটা কিমান ডাঙৰ সাহস, আপুনি কেনেকৈ বুজিব ?"

দুয়ো বন্ধু কিছুপৰ নিমাত হৈ ৰ'ল। এটা নিবিড় বন্ধনে দুয়ো বন্ধুকে ওচৰ চপাই আনে। অতীত জীৱনৰ সম্পূৰ্ণ ভিন্ন পটভূমি লৈ এদিন ইজনে সিজনৰ ওচৰত থিয় হৈছিল। ফুকন আহিছিল এটা আহোম ৰাজত্বকালৰ ঐতিহ্যমণ্ডিত সেনাধ্যক্ষ পৰিয়ালৰ উত্তৰ পুৰুষ হিচাপে। এদিন খুবেই সচেতন আছিল পৰিয়ালৰ অতীতটো লৈ। আজি এখন বহল পৃথিৱীৰ চেতনা ফুকনৰ মনৰ গভীৰত জাগি উঠিছে। সেই সচেতনতাৰ মহাসমুদ্ৰৰ অতল তলিত আজি অতীতৰ গৌৰৱ নিমজ্জিত। এটা পৰিচয় লৈয়ে ফুকনে আজি শইকীয়াৰ সমুখত থিয় দিয়েহি। সেই পৰিচয় হৈছে মানৱতাৰ। আৰু শইকীয়া ? অতীত গৌৰৱৰ যি অকণমানো অস্তিত্ব আছিল, তাকো পিতৃ গৃহৰ দুৱাৰডলিত সকলোৰে অজ্ঞাতে নিশ্চিহ্ন কৰি এৰি থৈ আহিছে। সেই পৰিচয়ৰ সন্ধানত তেওঁৰ উত্তৰ-পুৰুষে কোনোদিনে যাব নোৱাৰিব অতীতলৈ। শইকীয়া পৰিয়ালৰ ঐতিহ্য আৰম্ভ হৈছে আজিৰ দিনত সবহিবন্ধাৰ ভেটিটোত। ভাল মানুহ হোৱাৰ প্ৰচেষ্টাত এই মানুহজনে বিৰাট এখন কৰ্মবন্ধনৰ মেৰজালৰ মাজত সোমাই পৰিছে। প্ৰতিটো পদক্ষেপতে সঙ্কট। অৰ্থ অনৰ্থৰ মূল। অথচ অৰ্থ নহ'লে সংসাৰ নচলে। বিদ্যাৰ প্ৰাচুৰ্য, সম্পদৰ পয়োভৰ, একোৱেই নাছিল গৰ্ব কৰিবলৈ। অথচ আত্মীয়, কুটুম্ব, বন্ধু-বান্ধৱ, লগৰ ব্যৱসায়ী সকল, সকলোৱে এক বাক্যে কয়, "শইকীয়া এজন ভাল মানুহ"। সৌ সিদিনা কলিকতাত ইমান ডাঙৰ ব্যৱসায় প্ৰতিষ্ঠান দুটাই হাজাৰ হাজাৰ টকাৰ বস্তু বিনা দ্বিধাই তেওঁক পঠাই দিলে। তেওঁলোকৰ এই আস্থাৰ মাজেৰে এটা কথাই স্পষ্ট হ'ল যে তেওঁলোকৰ বিচাৰত শইকীয়া এজন ভাল মানুহ। এজন বিশ্বাসযোগ্য মানুহ। এই মানৱতাৰ আধাৰতেই শইকীয়াই বন্ধুত্বৰ অধিকাৰ সাব্যস্ত কৰিছিল ফুকনৰ ওচৰত। দুয়ো নতুন যুগৰ আধুনিকতাৰ মাজত একোটা মানৱতাৰ অংশীদাৰ হৈছে আজি। নানা কামৰ বেমেজালিৰ মাজত আছিল ফুকন। লগুৱা ল'ৰাটোৱে দি যোৱা চাহ পিয়লা আৰু মিঠাই দুটা খাই ফুকনে এইবাৰ যাবলৈ থিয় হ'ল। শইকীয়াই সোধে, "মই সুৰকো লগতে লৈ যাব খুজিছো। তাই ডাঙৰ হৈছে। কোনদিনা বিয়া দি উলিয়াই দিবলগীয়া হয় ঠিক নাই। ছোৱালী মানুহৰ মনত বহুতো হেঁপাহ থাকে। তাইক লৈ গ'লে বেয়া হ'ব নেকি ? থকা ঠাইত আবুৰ আছেনে বাৰু ? বায়েকেও নহ'লে আহুকাল পাব।"

"আপুনি সেইবোৰ একো চিন্তা নক'ৰিব। ভবানীয়ে তাৰ ঘৰটোত চূণ-তেল "দিয়াই সকলো ব্যৱস্থা কৰি থৈছে। সি নিজে অইন ঠাইত থাকিবৰ বাবে ঠিক কৰি থৈছে।"

বিদায় লৈ ফুকন গ'লগৈ। তেওঁ যোৱাৰ পিনে মধু শইকীয়াই চাই ৰ'ল। কলিকতাৰ পৰা অহা চিঠি এখন হাতত লৈ শ্ৰীমন্তই আহি ওচৰত থিয় হ'ল। হঠাৎ সম্বিৎ ফিৰাই পাই শইকীয়াই সুধিলে "কি হ'ল ককাইদেউ, কাৰ চিঠি সেইখন"।

"কানাই পাল কোম্পানীৰ মাধৱ বাবুৱে লিখিছে। ভূয়সী প্ৰশংসা কৰিছে তোমাক। বস্তুবোৰ ইমান সোনকালে বিক্ৰী হোৱা শুনি আনন্দ প্ৰকাশ কৰিছে। মই মাজে-মাজে ভাবো তোমাক মানুহে ইমান সোনকালে ভাল পাই যায় কেনেকৈ ? আমাৰ ফৰমাইচ অনুসৰি পঠিওৱা বস্তুবোৰ অলপতে আহি পাবহি।

"তাকে মই চিন্তা কৰি আছিলো। আমাৰ চিঠিখন পালেনে নাই বা ? এতিয়াৰ পৰা আমাৰ ফমহিচৰ দুটা কপি কৰিব লাগে। এখন পঠিওৱাৰ এসপ্তাহ পিছতে ইখন পঠিয়াব লাগে। তেতিয়াহ'লেহে চিঠি পাব বুলি সুনিশ্চিত হ'ব পৰা যাব।"

অলপ সময়ৰ নিস্তব্ধতাৰ পিছত শইকীয়াই মাত লগালে, "ককাইদেউ, এটা ডাঙৰ কথা হৈছে। কলিকতাৰ পৰা লৈ অহা ব্যৱসায়বিদ্যাৰ পৰা বহুত লাভ হ'বলৈ আৰম্ভ কৰিছে। আগন্তুকলৈ আৰু হ'ব। এতিয়ালৈকে এই লাভৰ পইছা ৰতনবাবুৰ খাতাত মোৰ নামতে জমা হৈ আছে।"

"পিছে তাৰ পৰা কিনো হ'ল ? তোমাৰ কিবা অসুবিধা হৈছে নেকি ?"

"অসুবিধা মানে এটা ডাঙৰ অন্যায় হোৱা নাই জানো ? এই কাৰবাৰটো অকল মোৰ জানো ? লাভৰ এটা অংশহে মোৰ পাওনা। গোটেইখিনি মোৰ নামত জমা হ'লে আপোনালোকৰ প্ৰতি এটা ডাঙৰ অবিচাৰ কৰা নহ'বনে ?"

মধুৰ কথা শুনি এইবাৰ শ্ৰীমন্ত অত্যন্ত গহীন হৈ গ'ল। অলপ পৰ ৰৈ ক'লে, "মধু, তুমি মোতকৈ মানতহে সৰু। বয়সত যথেষ্ট ডাঙৰ। মেট্ৰিক পাছ কৰিব নোৱাৰি গাৱঁত পিতাইৰ হালোৱা হম বুলি পথাৰলৈ যাবলৈ ওলাইছিলো। তুমি ইয়ালৈ লৈ আহিলা। মাষ্টৰ ধৰি দিলা। মগজ নাছিল বাবে পঢ়া-শুনা কৰিব নোৱাৰিলো। তাৰ পিছত তোমাৰ দোকানত আনি বহুৱালা। তোমাৰ চিনাকিৰ গইনা লৈয়ে ৰতি মিস্ত্ৰীৰ হতুৱাই ইয়াত গুদাম সজালো। গাৱঁত কলঘৰ সজালো। সবহিবন্ধাত মোৰ নামত মাটি কিনাই থকা ঘৰ সজালা। ছোৱালীজনী ঠিক কৰি তোমাৰ সখিৰ খুলশালী নাহৰৰ লগত বিয়া পাতি দিলা। সিদিনা পিতাইৰ ইমান ডাঙৰ অসুখ হ'ল। তুমি লৈ আহিলা গৈ। চাহাব ডাক্তৰক দেখুৱালা। বেজবৰুৱা কবিৰাজৰ চিকিৎসা আৰম্ভ কৰিলা।

এতিয়া আকৌ কলিকতালৈ নি কোনোবা ডাঙৰ কবিৰাজক দেখুৱাব খুজিছা । ক'ৰবাত কেতিয়াবা কিবা কথাত মাতিছো ? বৰ পিতাইৰ ল'ৰা ৰঘু কানি খোলাৰ পৰা ওলাই আহি এটা মানুহ হ'বলৈ ওলাইছে । এইবোৰ কাৰ জহত কোৱাচোন ?" ক্ষুব্ধ অভিমানত উচুপি উচুপি শ্ৰীমন্তই ভিতৰৰ কোঠাটোলৈ সোমাই যায় । ভাগ্যে তেতিয়া দোকানত কোনো গ্ৰাহক নাছিল । শইকীয়াই ভিতৰলৈ গৈ দেখিলে শ্ৰীমন্তই বিছনাত দীঘল দি পৰি গাৰুটোত মুখখন লুকাই কান্দি কান্দি উশাহ ঘূৰাব নোৱৰা হৈ গৈছিল । এটা প্ৰকাণ্ড পাহুৱাল ডেকা ল'ৰাৰ মনটো যে এটা শিশুৰ মনৰ দৰে কোমল হ'ব পাৰে । সেই কথা শইকীয়াই ভাবিবই পৰা নাছিল । শ্ৰীমন্তৰ ওচৰতে বহি কেইবাৰমান কোমলকৈ মাতিও উত্তৰ নেপাই হাতত পানী এগিলাচ লৈ শ্ৰীমন্তক খাবলৈ কয়, "ককাইদেউ, অধীৰ হ'ব নেপায় নহয় । নিজক অলপ সংযত কৰক । মই কিহত আপোনাক ইমান আঘাত দিলো বুজিব পৰা নাই ।"

এইবাৰ শ্ৰীমন্তই উঠি বহি পানী গিলাচ খালে । তাৰ পিছত লাহে লাহে ক'বলৈ আৰম্ভ কৰিলে, "মধু পিতাইৰ লগত তুমি এই কেইদিন থকা নাছিলা । পিতায়ে বাচিম বুলি ভবা নাছিল । তুমি সেইটো নাজানা । সদায় নিশা মোক এটা কথাকে পিতায়ে এইকেইদিন বুজাইছিল – তোমাৰ কথা আমি কোনেও যাতে কোনোদিনে নেপেলাওঁ । পিতায়ে কৈছিল তোমাতকৈ শুদ্ধ মানুহ বোলে ক'তো নাই । তোমাৰ ভিতৰত গোসাঁই আছে বুলি পিতাই আৰু বৌটিয়ে ভাবে । মোৰ কথাই ধৰা । মোৰ ওপৰত সকলোৱে বিশ্বাস হেৰুৱাই পেলাইছিল । গাওঁৰ মানুহে মোক হাঁহে । ফুচফুচাই কয়, "হালোৱাৰ পো কোনোবা দিনা আমোলা হ'বগৈ । সেইটো গছত গৰু উঠা, হোলোঙাবে কাণবিন্ধোৱাৰ নিচিনা কথা হ'ব । আমাৰ পিতাইৰ ককাক বোলে মৌজাদাৰৰ ঘৰত হালোৱা আছিল । সেই কাৰণে আমাৰ অৱস্থা ভাল হোৱাৰ পিছতো অঞ্চলটোৰ আঢ্যৱন্তসকলে পিতাই-বৰপিতাইক কোনোদিনে কোনো মান্যতা দিয়া নাছিল । আজিকালিৰ কথা বেলেগ । আমাৰ ঘৰত ধানকল বহিল । ঘৰৰ ভেটি পকা হ'ল । ঘৰৰ ছাল খেৰৰ ঠাইত টিনৰ হ'ল । আমাৰ ঘৰৰ জীয়ৰীক তোমাৰ নিচিনা লাখপতি ব্যৱসায়ী এজনলৈ বিয়া দিলো ।" এইবাৰ শ্ৰীমন্তই অলপ হাঁহে আৰু কয়, "গাওঁৰ মানুহে তোমাৰ সম্পৰ্কে বহুতো অদ্ভুত অদ্ভুত কথা কয় । কেতিয়াবা সেইবোৰ শুনি হাঁহিমেই নে কান্দিমেই বুজিব নোৱাৰো । আমাৰ গোটেই অঞ্চলটোতে আজিলৈকে কোনো দৰাই মটৰ গাড়ীত উঠি যোৱা নাই ।"

বহুত বেলিৰ পিছত পৰিবেশটো অলপ পাতল হ'বলৈ আৰম্ভ কৰিলে । শ্ৰীমন্তই আকৌ ক'বলৈ লয়, "তোমাৰ ধন ইমান সৰহ যে সেইবোৰ বোলে তুমি গুদাম কৰিহে থ'বলগীয়া হৈছে । গাওঁত দহে তোমাৰ নাম ধন কুবেৰ বুলি ৰাখিছিল ।"

"মই ধন কুবেৰ ?" বহুত দিনৰ মূৰত শইকীয়াই প্ৰাণ খুলি হাঁহে ।

(অলপ বেলিৰ পিছত সৰলভাবে শ্ৰীমন্তই শইকীয়াক কৈ যাবলৈ আৰম্ভ কৰে, "এই কেইদিন ব্যৱসায় কৰি পইছা ঘটি মই যিটো দেখিলো পইছা আচলতে হাতৰ মলিৰ নিচিনা । পেলাই দিলেই পৰি যায় । কিন্তু মানুহ ? আচল মানুহ ক'ত পাবা ? ঘৰত বাহিৰত সকলোতে মোৰ ওপৰত আস্থা হেৰুৱাইছিল । ময়ো মোৰ নিজৰ ওপৰত বিশ্বাস হেৰুৱাই পেলাইছিলো । সেই সময়ত কেতিয়াবা কেতিয়াবা আপোনঘাতী হোৱাৰ কথাও ভাবিছিলো । কিন্তু এজন মানুহে – কেৱল এজন মানুহে মোৰ ওপৰত আস্থা হেৰুওৱা নাছিল । মই সেইবাৰ আকৌ মেট্ৰিক ফেল কৰাৰ পিছত তুমি তোমাৰ দোকানখনত বহুৱালাহি । সেইদিন ধৰি – এইটো তোমাৰ – এইটো মোৰ এই বিচাৰ মই কৰিবলৈ লোৱা নাই । আজি যদি তুমি মোক তোমাৰ পৰা আঁতৰ কৰি দিয়া, নিজৰ ওপৰত ভৰসা ৰাখি মইতো এদিনলৈকো থিয় হৈ থাকিব নোৱাৰিম । কি কৰিম ? কাৰ ওপৰত বিশ্বাস ৰাখি কামত আগবাঢ়িম ? কেনেবাকৈ কিবা ভুল হৈ যায় যদি কাৰ আশ্ৰয়ত তেতিয়া আকৌ থিয় হবলৈ চেষ্টা কৰিম ? সদায় ভাবি আহিছো তুমিয়েই এই সংসাৰখনৰ গৰাকী । তোমাৰ ইংগিতত আমি কাম কৰি গৈ আছো ।



আজি হঠাৎ শইকীয়াই লক্ষ্য কৰে শ্ৰীমন্তৰ মনৰ ভিতৰত অসংখ্য কথা হেঁচা খাই আহিল । তেওঁ বৰ অকলশৰীয়াকৈ সময়বোৰ কটাইছিল । হয়তো শইকীয়াই আগৰে পৰা অলপ অন্তৰঙ্গ হ'বলৈ চেষ্টা কৰিব লাগিছিল । তেৱোঁ বহুত সময়ত কথা পাতি মন পাতলাব পাৰিলেহেঁতেন ।

"কিন্তু ককাইদেউ, আপুনিতো নেজানে টকা-পইছাৰ প্ৰাচুৰ্যক মই কিমান ভয় কৰো । কেনেবাকৈ, কেতিয়াবা আপোনালোক ককাই-ভাই কেইজনে যদি ভাবে মই আপোনালোকক প্ৰতাৰণা কৰি বঞ্চিত কৰিছো বুলি – তেতিয়াহ'লে মই কেনেকৈ নিজকে প্ৰবোধ দিম ? মোৰ আপোনজন আপোনালোকৰ বাহিৰেতো আন কোনো নাই । এই কেঁচা টকা চুবলৈ পাই আপোনালোকৰ কোনোবা এজনে বা আপোনালোকৰ কোনোবা এটা ভাগিনীয়েকে যদি অবাটে যায় মই সেইটো কেনেকৈ প্ৰতিৰোধ কৰিম ?"

"তুমি আগ-গুৰি নাইকিয়া কথাবোৰ ভাবি মগজ ঘোলা কৰিছা । তোমাক আগত ৰাখি পিতায়ে কোৱাৰ দৰে আমি চলো যদি কোনটো আমাৰ ভিতৰত অবাটে যাব পাৰিব ? টকালৈ মই বেছি ভয় নকৰো । মোক টকা সাঁচিবলৈ নালাগে । কাম কৰিবলৈহে লাগে । কাৰবাৰ বঢ়াবলৈহে লাগে । কাৰবাৰ বঢ়ালে বহুত মানুহৰ আশ্ৰয় হ'ব । সিদিনা ফজল ভাই আহোঁতে তেওঁৰ কাৰণে একো এটা কৰিব নোৱৰা হ'লে সেই পৰিয়ালটো ধ্বংসৰ মুখলৈ আগবাঢ়ি যোৱা চাই থাকিব লাগিলহেঁতেন । আজি তেওঁলোক বাচি গ'ল । ডাঙৰ ল'ৰাটো স্কুলৰ পৰা উভতি যাওঁতে সিদিনা সোমাইছিলহি । দেউতাকে মোক মাতিছিল । মই থাওকতে সিহঁতৰ হিচাপখিনি দেখুৱাই দিলো । সিহঁতৰ নামত এহেজাৰমান টকা এতিয়া জমা হৈছে গৈ । মই তেওঁলোকৰ তালৈ গৈছিলো । মানুহজনে মদ খাবলৈ এৰিলে । আজি-কালি দিনত পাঁচ বাৰ নামাজ পঢ়ে । চেহেৰা-পাতি আগতকৈ বহুত ভাল হৈছে । বেজবৰুৱা কবিৰাজৰ দৰৱ খাই উদৰীটো ভালকৈ জামৰিছে । গাওঁৰ পৰা গাড়ী আহোতে পুননুৱা শাক অনাই দিয়াব লাগে আৰু শাকৰ শিপাৰে সৈতে পুলি কেইটামানো আনি দিব লাগে । বাৰীত ৰুই ল'ব । তাতে এটা কথা হ'ল । মই নাহৰকো কোৱা নাই ।"

"কি হ'ল কওকচোন !"

"মোক সেইদিনা ফজল ভাইৰ ছোৱালীজনীয়ে আহি ক'লেহি । চাচা, আপোনালোক সেইদিনা যোৱাৰ পিছত ৰাতি আম্মাজানে সপোনতে মোক বহুত বকিলে – আপোনালোকক মই চাহ-নাস্তা নিদিয়া বাবে । অলপ ৰৈ তাই আকৌ মোক সুধিলে, "ভাইজানে নতুন কাপ-প্লেট কিনি থৈছে । চাহ একাপ খাবনে বাৰু ? ছোৱালীজনী বৰ মৰম লগা । ফজল ভায়েও মোক ক'লে, ভাইজান, "তোমাৰ ভাবীয়ে কোনোদিনে এইখন ঘৰত তোমালোকে বেয়া পোৱা বস্তু বনাবলৈ দিয়া নাছিল । তেওঁৰ দাদী বোলে তোমালোকৰ কোনোবা খানদানী ঘৰৰ জীয়ৰী আছিল । তেখেতৰ দিনত ঘৰলৈ আনকি মুৰ্গীও সুমুৱাব নোৱাৰিছিল । কথাবোৰ, সিহঁতৰ আগ্ৰহ দেখি মই কৈছিলো, 'চাহ-নাস্তা দিব খুজিছ দে না । তই জানো মোৰ ভতিজা ছোৱালী নহয় ? তোৰ বাবাক মই ভাইজান বুলি নামাতো জানো ? কথা কেইটা শুনি তাই খিলখিলকৈ হাঁহি ভিতৰলৈ দৌৰি গ'ল । কি আনন্দ তাইৰ । সেইদিনা সিহঁতৰ ঘৰত চাহ-জলপান খাই মই কি তৃপ্তি পালো তোমাক কেনেকৈ বুজাম ? তাৰ বাবে মোৰ জাত গ'ল যদি যাওক । কিবা অধৰম হ'লেও হওক ।"

কথা কেইটা শুনি শইকীয়া চিন্তাগ্ৰস্ত হ'ল । বহুত পৰ ভাবিলে কি ক'ব । পকামূৰাৰ কাকতি পৰিয়াল যিটো আবেষ্টনীৰ মাজত সোমাই আছিল, সেই আবেষ্টনীটোৰ নিয়ম-শৃংখলাৰ সংস্কাৰৰ জেওৰা এখন সেইদিনা শ্ৰীমন্তই ভাঙিবলগীয়া হ'ল । এইটো তাৰ অধৰম হ'ল নে ? মানৱতাবোধৰ পিনৰ পৰা এইটো অধৰম হ'ব নোৱাৰে । সেইদিনা কৈশোৰ পাৰ হৈ যৌৱনৰ দুৱাৰডলিত ভৰি দিবলৈ ওলোৱা ছোৱালী এজনীৰ আগ্ৰহক ৰূঢ়তাৰে মষিমূৰ কৰাটো কেতিয়াও সমীচীন নহ'লহেঁতেন । হিন্দু আৰু মুছলমান দুটা জাতি একেখন আকাশৰ তলতে বসবাস কৰিবলগীয়া হৈছে । এসময়ত এই দুয়ো জাতিয়ে ইটোৱে সিটোৰ ওচৰ নচপাকৈ থাকিব পাৰিছিল । কিন্তু আজিৰ নতুন যুগত সেই লেখীয়াকৈ নিলগ হৈ থাকিব নোৱাৰি । ওচৰ চাপিলে স্বাভাৱিক মানৱসুলভ সহানুভূতি, মৰম, শ্ৰদ্ধা উপজিবই । তাক বাধা দিবলৈ গ'লে মানুহ অমানুহ হ'ব । কিন্তু তাৰ বাবে সংস্কাৰৰ জেওৰাবোৰ আজি ভাঙিবৰ কোনো আৱশ্যকতা নাই । জেওৰাখনৰ মাজেৰে প্ৰত্যেক ব্যক্তিয়ে সম্পূৰ্ণ সচেতনভাবে নিজৰ নিজৰ জীৱন পৰিবেশৰ মাজৰ পৰা এটা এটা বাট উলিয়াই ল'ব পাৰিব । শৃংখলা নোহোৱাকৈ জেওৰা ভাঙিলে, সমাজৰ বান্ধোন সুলকি গ'লে, অৰাজকতা আহিব । সমাজত নৈতিক শৃংখলাৰ অভাৱ ঘটিব । এইটো এটা দ্বান্দ্বিক সমস্যা – ইতি-নেতিৰ মাজৰ এটা পন্থা । তাৰ বাবে নতুন শৃংখলা, নতুন নিয়ম ৰচিব লাগিব । লাহে-লাহে ভাবোতে ভাবোতে ভাবনাৰ বাটটো পোহৰ হৈ আহিল । ফুকন থকা হ'লে এইবোৰ কথাৰ উত্তৰ সহজ হ'লহেঁতেন ।

বহুত পৰ মৌনতাৰ মাজেৰে পাৰ হৈ গ'ল । শ্ৰীমন্তৰ এইটো অসহ্য হৈ আহিল । সুধিলে, "কি হ'ল তুমি নেমাতা কিয় ? তোমাৰ নিচিনা মানুহ এজনেও মই কিবা অধৰম কৰা বুলি ভাবিছা নেকি ?"

"অধৰম নাই হোৱা, ধৰ্মক ইমান সৰু কথালৈ নানিব । ধৰ্ম জীৱনৰ সামূহিক দৃষ্টি-ভঙ্গীৰ ওপৰত প্ৰতিষ্ঠিত । সেইটো একোটা কৰ্মৰ দ্বাৰা ততালিকে নিশ্চিহ্ন হৈ নেযায় । আমাৰ সামাজিক মূল্যাঙ্কনবোৰ আমি প্ৰয়োজন অনুসৰি সলনি কৰিব লাগিব । আপোনাৰ সেই দিনাৰ কৃতকৰ্মটো আচাৰৰ কথা, বিচাৰৰ নহয় ।"

"সেই দিনা মই চাহটোপা খাই থাকোতে হাঁহি হাঁহি দেউতাকৰ পিঠিত গা লগাই থিয় হৈ ফজলভাইৰ কান্ধত হাত দুখন থৈ তাই দেউতাকক সুধিছিল, "আব্বাজান, মৌলবীচাহাবে এওঁলোকক কাফেৰ বুলি কিয় কয় ? এওঁলোকে জানো আল্লাক নামানে ? ফজলভায়ে তাইক বুজাই কৈছিল, মৌলবীচাহাবৰ কথা বেলেগ । তেওঁ কোৰাণচৰিফ পঢ়িছেহে কিন্তু বুজা হ'লে নাই । এওঁলোকে আল্লাক ঈশ্বৰ বুলি মাতে । ৰাম, হৰি বুলি মাতে । কিন্তু মূল কথা একেই । মই সিহঁতৰ কথাবোৰ শুনি আচৰিত হৈছিলো ।"

"বৰ ভাল হ'ল । ফজলৰ পৰিবৰ্তন হোৱাত বৰ ভাল পাইছো । মানুহটো বৰ বহল অন্তঃকৰণৰ মানুহ ।"

বাহিৰৰ দোকানৰ পৰা ল'ৰাটো আহি ক'লেহি – দেখা কৰিবলৈ কোনোবা দুজন মানুহ আহিছে বুলি । পিছফালৰ গুদামটোৰ লগতে শ্ৰীমন্তই নতুনকৈ অফিচ এটা কৰিছে । তাতেই মানুহ দুজনক বহুৱাবলৈ কৈ মধু শইকীয়াক লগত লৈ অফিচ পালেগৈ । মানুহ দুজনৰ এজনে কেইবাখনো বঙালী মানুহৰ দোকানৰ হিচাপ লেখে । শইকীয়াহঁতৰ হিচাপটো লিখাবৰ বাবে তেওঁ লগত আৰু এজন মানুহ লৈ আহিছে । হিচাপ ৰখাৰ বাবে ঠিকাত বন্দৱস্ত কৰিছে । শ্ৰীমন্তই কয়, "বছৰত এহেজাৰ টকাকৈ ল'ব ।"

অফিচ কোঠাত বহি থকা মানুহ দুজনৰ লগত শইকীয়াইও কথা পাতিলে । ভালেমান দিনৰ পৰা তেওঁ ভাবি আছিল – হিচাপবোৰ চিজিল কৰাৰ কথা ।

"বুজিছা মধু, আমাৰ এতিয়া কাৰবাৰ কেইবাটাও হ'ল । প্ৰত্যেকটোৰ কাৰণে হিচাপবোৰ বেলেগ কৰিব লাগিব । মই বেলেগ কৰি ৰাখিছিলো যদিও সিমান চিজিল হোৱা নাছিল । এতিয়া সেইবোৰ চিজিল কৰিব লাগিব । ৰতনবাবুৰ তাত প্ৰত্যেকটো ব্যৱসায়ৰ লাভৰ টকা সেই সেই ব্যৱসায়ৰ নামত জমা থাকিব । ব্যৱসায় বঢ়াওঁ বুলি বঢ়োৱাৰ কথা নহয় । তাৰ নিজস্ব এটা ক্ষমতা আছে, গতি আছে ।

মধু শইকীয়াই গোটেই কথাটোত সঁহাৰি জনায় । আপোনমনে ভাবে – এই ব্যৱসায়টো ক্ৰমবৰ্দ্ধমান গতিত তেওঁৰ আৰু কৰিবলগীয়া একো নাই । টকাৰ প্ৰাচুৰ্যৰ কথা লৈ অযথা চিন্তা কৰাৰ শইকীয়াৰ কোনো অধিকাৰ নাই । টকাক কচু পাতৰ পানীৰ দৰে ৰাখিব লাগিব । সকলো মানুহৰ জীৱনৰ গতি পূৰ্ব-নিৰ্ধাৰিত । তেওঁৰ পূৰ্বৰ কৰ্মই আজি তেওঁক এই বাটলৈ আনিছে । যিটোৰ মাজত তেওঁৰ সকলো কৰ্ম প্ৰচেষ্টাকে যিমানদূৰ সম্ভৱ তেওঁ ঈশ্বৰৰ ইচ্ছাৰ ওপৰত সমৰ্পণ কৰি আগবাঢ়ি যাব লাগিব । এটা জাগতিক শক্তিৰ নিয়মানুবৰ্তিতাই কেউপিনে পৰিবৰ্তনৰ সৃষ্টি কৰে । কোনোবা সময়ত কোনো পাৰ্থিৱ বস্তুৰ সৃষ্টি হয় । কোনোটোৰ আকৌ বৃদ্ধি, সমৃদ্ধি হয় । কোনোটো আকৌ লয় পায় ধ্বংসৰ চাকনৈয়াৰ মাজত । সৃষ্টি, স্থিতি আৰু বিনাশৰ অৱস্থিতি জাগতিক শক্তিৰ অৱশ্যম্ভাৱী গতিৰ পৰিণতি । এইবোৰ তত্ত্বৰ বিষয় । কেতিয়াবাকৈ শাস্ত্ৰবোৰ ভালকৈ পঢ়িব লাগিব । ভাটিৰ ফালে যাব লাগিব কাৰোবাক বিচাৰি । সেইজন পুৰুষক এই জনমত নেপালেও নাই । সেই অন্বেষণৰ সৃষ্টি হ'ব আজিৰ মুহূৰ্ততেই । মানুহে পঢ়িলে বিদ্বান হয় । পঢ়াবোৰ বুজিলে জ্ঞানী হয় । কিন্তু সকলো বিদ্যা, সকলো জ্ঞান উপলব্ধিৰ মাজেৰে আহৰণ কৰিব পৰা জন ক্ষণজন্মা মহাপুৰুষ । তেওঁ ঋষি । তেওঁ দ্ৰষ্টা । তেনে ঋষি ক'ত আছে বাৰু ? মহাপুৰুষ শঙ্কৰদেৱ । তেখেতে লিখি থৈ যোৱা পুথিবোৰেই অকল নহয় । তেখেতে সৃষ্টি কৰি থৈ যোৱা অসমীয়া সমাজখনকো ভালকৈ বুজিবলৈ চেষ্টা কৰিব পাৰিব লাগিব । কলিকতালৈ এবাৰ যাওঁতে হোটেলত লগ পোৱা মানুহ এজনৰ মুখত শ্ৰীৰামকৃষ্ণ পৰমহংসৰ কথা শুনিছিল । তেখেতে বোলে পাঠশালাৰ ক-খ শ্ৰেণীলৈকেহে পঢ়িছিল । কিন্তু উপলব্ধিৰ মাজেৰে প্ৰকৃত সত্যৰ সন্ধান পাইছিল । সেই সত্য তেখেতে বিতৰণ কৰিছিল ভক্তবৃন্দৰ মাজত । এইবাৰ কলিকতালৈ গ'লে দক্ষিণেশ্বৰলৈ যাব লাগিব । এবাৰ বৰদোৱালৈকো যাব লাগিব । শহুৰেকক চিকিৎসালৈ বুলি কলিকতালৈ নিওঁতে তেখেতক পাৰিলে শ্ৰীক্ষেত্ৰলৈকো লৈ যাব । মনত শাহুৱেক শহুৰেকে শান্তি পাব । যুগ যুগ ধৰি স্তূপীকৃত হৈ থকা অগণন মানুহৰ বিশ্বাস আৰু ভক্তিয়ে তেওঁলোকৰ মনৰ গভীৰক স্পৰ্শ কৰিব । মনে মনে সংকল্প কৰে পুৰীলৈ যাবই । অৱশ্যে জগন্নাথে নিলে ।

(ক্ৰমশ)

# অসমত কুৰিটা বছৰ

নিৰ্মলা খৰ্কৱাল

(৪)

ষাঠিৰ দশকটোৰ মাজভাগত নগাওঁ এখন সৰু মফচ্ছলীয়া চহৰ আছিল। আমি তালৈ বদলি হৈ তাত তিনিবছৰমান আছিলোগৈ। উজনি অসমলৈ যোৱা বা তাৰ পৰা উভতি অহা প্ৰতিজন বন্ধু বা জ্যেষ্ঠ বিষয়া আমাৰ ঘৰত নোসোমোৱাকৈ নাথাকিছিল। কাৰণ, নগাঁৱত থাকিবলৈ তেতিয়া বৰ ভাল আছিল। গধূলিবোৰ মনে বিচৰা মতে বৰ সুন্দৰকৈ কাটি গৈছিল। জহকালিৰ মাহকেইটাত নগাৱত, গৰম বেছিকৈয়ে পৰিছিল, আৰ্দ্ৰতাও কম নাছিল। গধূলি পৰত মহৰ উৎপাতত বাহিৰত বহা বৰ কষ্টকৰ হৈছিল। মহে কামুৰি তেজ চুহি খোৱাৰ পিছত মোৰ গাৰ ছালখনত ৰঙা ৰঙা দাগ পৰিছিল আৰু ফুলিও উঠিছিল।

নগাঁৱত প্ৰণতি শইকীয়া নামৰ ছোৱালী এজনীৰ সৈতে মোৰ বেছ বন্ধুত্ব হৈছিল। তেওঁ বৰ ভাল গান গাইছিল। লাহে লাহে তেওঁৰ গোটেই পৰিয়ালটোৰ সৈতেও মোৰ সম্ভাৱ গঢ়ি উঠিছিল। তেওঁলোকৰ ঘৰলৈ প্ৰায়ে মোক চাহ খাবলৈ মাতিছিল। তেওঁলোকৰ ঘৰটো সচৰাচৰ "আচাম টাইপৰ" ঘৰবোৰ যেনেকুৱা হয়, তেনেকুৱাই ; অতি পৰিষ্কাৰ পৰিচ্ছন্ন আৰু ৰুচি সম্মতভাবে সজোৱা পৰোৱা। তেওঁলোকৰ ঘৰতে মই প্ৰথম ধূনা জ্বলোৱা দেখিলো। তেতিয়াৰে পৰা ময়ো মহ খেদিবৰ বাবে ধূনা দি আহিছো। পিছে ই বৰ ফলদায়ক বুলি মোৰ মনে নধৰে। প্ৰণতি প্ৰায়েই ডিব্ৰুগড়লৈ গৈছিল। বেছ কিছু দিনৰ পিছতহে মই গম পালো যে তেওঁৰ বাগদত্ত মানুহজন ডিব্ৰুগড়ত থাকিছিল। ময়ো ভাল মূৰ্খ আছিলো। তেওঁ ডিব্ৰুগড়লৈ যোৱাৰ বিষয়ে মোক কোৱা কথাবোৰৰ পৰা মই একোকে ধৰিব পৰা নাছিলো। অৱশেষত সেই মানুহজনৰ লগত তেওঁৰ বিয়াও হৈ গ'ল। আজি প্ৰণতি আৰু এই পৃথিৱীত নাই, কিন্তু তেওঁৰ কথা মোৰ সদায়েই মনত থাকিব।

আমাৰ চুবুৰিৰে সৰুকৈ ঘৰ এটাত থকা ফুলু নামৰ ছোৱালী এজনীৰ সৈতেও মই চিনাকি হৈছিলো। তেওঁৰ নামটো শুনাৰ লগে লগে মোৰ তেওঁক ফুল এপাহৰ নিচিনা যেন লাগি গৈছিল। তেওঁৰ স্বভাৱটো বৰ মধুৰ আছিল। তেওঁৰ ঘৰলৈ গলে তেওঁ মোক তেওঁৰ হাতৰ কামবোৰ দেখুৱাইছিল আৰু বিহুত তিল পিঠা আৰু আন কেইবাধৰণৰো পিঠা কৰি খুৱাইছিল। নগাঁৱত কেইবাটাও মুছলমান পৰিয়ালৰ সৈতে আমাৰ পৰিচয় হৈছিল আৰু তেওঁলোকে আমাক ঈদত নিমন্ত্ৰণ কৰিছিল। তেওঁলোকৰ ভিতৰত দুজনী ছোৱালীৰ নাম পাৰ্ল আৰু ৰ'জ বুলি মোৰ মনত আছে। তছদ্দুক য়ুছুফ এতিয়া আৰু নাই। তেওঁ বৰ ভাল মঞ্চ অভিনেতা আছিল। মই তেওঁ অভিনয় কৰা নাটক এখন চাইছিলো।

আৰু এজন বন্ধু প্ৰায়ে আমাৰ ঘৰলৈ আহিছিল। তেওঁ বৰ ঠাণ্ডা মানুহ আছিল ; কিন্তু মাজে মাজে তেওঁ ভালকৈয়ে এটোপা ধৰিছিল। এবাৰ মই তেওঁক গৰু এজনী আনি দিব পাৰিব নেকি সুধি চাইছিলো ; কাৰণ, ভাল গাখীৰ পাবলৈ বৰ টান আছিল তেতিয়া। প্ৰতি দিনেই তেওঁ গধূলি হলে মোক কথা দিছিল যে পিছদিনা পুৱাতেই তেওঁ উচিত দামত এজনী গৰু আনি মোৰ ঘৰত পহুচাই দিব। কিন্তু সেই 'পিছদিনা'টো কেতিয়াও নাহিল, গৰুও আমাৰ ঘৰ নাপালেহি। মই এমাহ মানলৈকে তেওঁৰ কথাত বিশ্বাস কৰি আছিলো। শেষত মই নিজেই এজনী গৰু কিনি সমস্যাটোৰ সমাধান কৰিলো।

> বানপানী চাই অহাৰ পিছত মোৰ ল'ৰাটোৱে গা ধুৱৰ পৰত মূৰত এবাল্টি পানী ঢালি লৈ 'বানপানী আহিছে' বুলি কৈ জঁপিয়াবলৈ ধৰিছিল। বেচেৰা সৰু ল'ৰাটোৱেনো কেনেকৈ জানিব যে এই বানপানী কিমান মানুহৰ দুখ-দুৰ্দশাৰ কাৰণ আৰু ই ৰাজ্যখনৰ কি বিপুল ক্ষতি সাধিছে।

বাৰিষাৰ দিনত বানপানীয়ে বৰ বিপৰ্যয় ঘটাইছিল। আগতে মই কেতিয়াও বানপানী দেখা নাছিলো। এবাৰ আমি বানপানী চাবলৈ ধৰমতুললৈ গৈছিলো। নৈৰ পানী দলঙৰ ওপৰেদি ববলৈ ধৰিছিল আৰু অসমৰ অন্যান্য নগৰ চহৰৰ সৈতে নগাঁৱৰ সংযোগ দুদিন ধৰি বিচ্ছিন্ন হৈ আছিল। গৰু-ম'হবোৰ আনি আলিবাটৰ দুয়ো কাষে বান্ধি থোৱা হৈছিল। মানুহৰ থকা ঘৰবোৰৰ বেছিভাগেই পানীত বুৰ গৈছিল আৰু সেই ঘৰবোৰ এৰি মানুহবোৰ আন আন ঠাইলৈ গুচি গৈছিল। বানপানী চাই অহাৰ পিছত মোৰ ল'ৰাটোৱে গা ধুৱৰ পৰত মূৰত এবাল্টি পানী ঢালি লৈ 'বানপানী আহিছে' বুলি কৈ জঁপিয়াবলৈ ধৰিছিল। বেচেৰা সৰু ল'ৰাটোৱেনো কেনেকৈ জানিব যে এই বানপানী কিমান মানুহৰ দুখ-দুৰ্দশাৰ কাৰণ আৰু ই ৰাজ্যখনৰ কি বিপুল ক্ষতি সাধিছে। ধিং, ৰূপহী হাট আৰু লংকা এই তিনিখন সৰু ঠাইলৈকো মই মোৰ স্বামীৰ লগত গৈছিলো। সেই ঠাইবোৰত আমি সৰু সৰু ডাক বঙলাত থাকিব লগীয়া হৈছিল। ডাক বঙলাবোৰ একৰকম চাফ-চিকুণেই আছিল ; কেৱল ভাল দৰে চোৱা চিতা কৰাহে নহৈছিল। খোৱা-বোৱা নিৰামিষ ভোজীৰ বাবে সাধাৰণ, কিন্তু বাকীবোৰৰ বাবে মাছে-মঙহে বেছ জুতিলগা বিধৰে আছিল। লংকাত থাকোতে এবাৰ গধূলি পৰত বৰ আমনি লগাত আমি এটা ভগা-ছিগা হলত চিনেমা এখন চাবলৈ গৈছিলো। বৰ উৰহৰ কামোৰ খাব লগীয়া হ'ল তাত। ফিল্মখনৰ নাম আছিল "ওস্তাদোঁ কে ওস্তাদ" ; অভিনয় কৰিছিল কিশোৰ কুমাৰে ; বেছ আমোদদায়ক আছিল ছবিখন।

এবাৰ অফিচৰ কিবা এটা কামত মোৰ স্বামী লাকোৱালৈ যাওঁতে ময়ো লগতে গৈ তাত ৰাতি কটাইছিলো। তেতিয়া জুলাই মাহ আছিল ; ঘোৰ বাৰিষাৰ সময়। কেউপিনে বানপানী। আমি কোনো মতে আবেলি চাৰিমান বজাত আমাৰ গন্তব্য স্থান পালোগৈ। 'ৰেষ্ট হাউছ'টো পুৰণা আছিল আৰু তাত ইলেক্ট্ৰিচিটিও নাছিল। বানপানীৰ কাৰণে ৰেষ্ট হাউছটো এটা দ্বীপত পৰিণত হৈছিল। আমি এখন টুলুঙা নাৱত উঠিহে সেইখিনি পাইছিলোগৈ। তাত মই দুৰাতি আছিলো। তেতিয়া মোৰ নিজকে বৰ অসহায় যেন লাগিছিল আৰু মনত ভাব হৈছিল যেন মই কোনোবা প্ৰাচীন যুগতহে বাস কৰিছো। একোবাৰ আকৌ কাশ্মীৰৰ 'হাউচ বট'ত থকাৰ দৰেও লাগিছিল ; কেৱল যেনিবা কাশ্মীৰৰ



সঁচাসঁচি 'হাউচ বট'ৰ চাকচিক্য আৰু সৌন্দৰ্যখিনি তাত অনুপস্থিত।

এবাৰ আমি মঙলদৈ অঞ্চলৰ চাহ খেতিয়কৰ ক্লাব এটালৈ গৈছিলো। উভতি অহাৰ বাটত আমি দেখি অবাক হলো যে এখন নৈ ফেনে ফোটোকাৰে ওফন্দি উঠিছে আৰু তাত দলঙো নাই। আমি হাতত ধৰা ধৰিকৈ খোজ কাঢ়ি নৈখন পাৰ হব লগীয়া হল। তেনেকৈ নৈ পাৰ হওঁতে কিবা হিংস্ৰ প্ৰাণীয়ে আমাক আক্ৰমণ কৰেহি বুলি অনবৰতে ভয় লাগি আছিল। এনে অভিজ্ঞতা মোৰ আগতে কেতিয়াও হোৱা নাছিল আৰু মই সাঁতুৰিবও নাজানিছিলো। কিন্তু তাৰ পৰা যি শিক্ষা পালো, সি মোৰ জীৱনৰ পৰৱৰ্তী সময়খিনিক সমৃদ্ধ কৰাত নিশ্চয় সহায় কৰিছে।

ৰূপহীহাটলৈ যাওঁতে এবেলি আমি তাত এখন স্থানীয় চাৰ্কাছ চাবলৈ গৈছিলো। গোটেই কাণ্ডটো বেছ হাঁহি উঠা বিধৰ আছিল। বহুৱা কেইটা বৰ মৰম লগা আৰু বাওনা আছিল। তেওঁলোকে সাধাৰণ খুহুটিয়া কথাবোৰ অসমীয়াতে কৈছিল। মোৰ ল'ৰাটোৱে সেই চাৰ্কাছৰ কেৱল এইখিনিকে আজিকোপতি মনত ৰাখি থৈছে। সৰুতে মই মাদ্ৰাজত বৰ ভাল চাৰ্কাছ এখন চাইছিলো। তাত দেখুওৱা "The Well of Death" (মৰণৰ কুঁৱা) নামৰ খেলাটোৱে মোৰ অকণি মনত বৰ উত্তেজনাৰ সৃষ্টি কৰিছিল। সেই খেলাটোত এজন মানুহে তেওঁৰ মটৰ চাইকেলখন এবাৰ ওপৰ এবাৰ তললৈ কৰি সকলো দিশলৈকে চলাই লৈ ফুৰিছিল। তাৰ পিছত মীৰাটত থাকোতে আমি প্ৰতি বছৰে নওচণ্ডী মেলা চাবলৈ গৈছিলো। নৱৰাত্ৰিৰ সময়ত পতা এই মেলাখন বৰ বিখ্যাত। তাত মোৰ আটাইতকৈ ভাল লাগিছিল এজনী জলকুঁৱৰী চাই। পানীৰ তলতে আধা ছোৱালী আৰু আধা মাছৰ আকৃতিৰ জলকুঁৱৰীজনীয়ে কথা পতা আৰু হাত দুখন লৰাই থকা দেখি মই বৰ আচৰিত হৈ ভাবিছিলো কেনেকৈনো পানীৰ তলত তাই উশাহ লব পাৰিছে আৰু আধা মাছ হোৱা সত্বেও তাইৰ কথা কাণ্ডবোৰ কিয় মানুহৰ দৰে!

নগাঁৱৰ পৰা পুৰণিগুদাম আৰু জখলাবন্ধাৰ পিনে যাবলৈ বৰ ভাল লাগিছিল। জখলাবন্ধাত আমি সদায় সুস্বাদু নাৰিকলৰ পানী খাইছিলো। যোৰহাটতো মই বহুত মানুহৰ সৈতে চা-চিনাকি হৈছিলো। সেই অঞ্চলটোৰ প্ৰাকৃতিক দৃশ্যবোৰ বৰ মনমোহা, গাওঁবোৰ অতি চাফ চিকুণ। শিৱসাগৰৰো ধুনীয়া ধুনীয়া দ'লবোৰৰ এক বিশেষ আকৰ্ষণ আছে। সেই পিনলৈ গৈ থাকোতে বাটত তেতিয়া বেছি মানুহ দেখা নগৈছিল ; দোকান-পোহাৰো বৰকৈ নাছিল। বাটত কিবা খাবলৈকো হোটেল-ৰেষ্টুৰাঁ প্ৰায় নাছিলেই। বাটৰ কাষৰ চাহ দোকানবোৰৰ চাহবোৰ খাবলৈ বৰ বেয়া আছিল। কিন্তু বিহাৰ বা উত্তৰ প্ৰদেশত দেখাৰ দৰে দাৰিদ্ৰ্য আমি অসমত দেখা পোৱা নাছিলো। সেইবোৰ ঠাইৰ দৰে গাত ফটাকানি মেৰিয়াই আধাপেটি হৈ জীৱন কটোৱা মানুহ অসমত নাছিল। অসমত কোনোৱেই ভোকত থাকিব লগীয়া নহৈছিল। ৰঙা মেখেলা চাদৰ পিন্ধি ছাতি লৈ স্কুললৈ অহাযোৱা কৰা ছোৱালীবোৰ দেখি ভাল লাগিছিল। সকলো মানুহৰেই গাত কাপোৰ কানি আছিল। তেতিয়া অসমত মই ভিক্ষা মাগি ফুৰা মানুহ দেখা নাছিলো।

> তেওঁলোকে মোক ম'জং (Mohjong) বোলা চীনা খেল এটা শিকাবলৈ পাৰ্যমানে চেষ্টা কৰিছিল। মই কিন্তু খেলটো শিকিবলৈ মন নকৰিলো। পিছত গম পাইছো যে এই খেলটো চীনদেশৰ বুঢ়ী মানুহবোৰে খেলে। বয়স বেছি হোৱাৰ কাৰণে তেওঁলোকে যেতিয়া পথাৰত গৈ কাম কৰিব নোৱৰা হয়, তেতিয়া গাভৰু মানুহবোৰ কাম কৰিবলৈ ওলাই গলে সৰু সৰু ল'ৰা-ছোৱালীবোৰ ৰখি থকাৰ লগতে তেওঁলোকে এই খেলটো খেলিবলৈ বহে।

চাহ বাগিচাবোৰতো মোৰ কিছুমান বন্ধু আছিল। তেওঁলোকে মোলৈ মাজে মাজে চাৰি-পাঁচ কেজিমান ওজনৰ গুটি নথকা অমিতা আৰু আন আন ফল লৈ আহিছিল। এনেকুৱা ফলৰ খেতি কৰি অসমৰ মানুহবোৰে কিয় যে দুপইছামান বেছিকৈ ঘটাৰ চেষ্টা নকৰে, তাক ভাবি মই বৰ আচৰিত হৈছিলো। কিন্তু এতিয়া মই তাৰ কাৰণটো জানো। জাৰ কালিৰ চুটি দিনকেইটাত একাঁহী ভাত খাই লৈ অলপ জিৰণি লোৱাৰ পিছত একো এটা কৰিবলৈ মানুহৰ হাতত সময়েই নাথাকে। জহকালিৰ দিনবোৰ বৰ গৰম আৰু আৰ্দ্ৰ। ঘামৰ লগতে মানুহৰ গাৰ শক্তি খিনিও ওলাই যায়। এইকেইটা কথাই ইয়াৰ মানুহৰ কৰ্ম বিমুখিতাৰ বাবে দায়ী।

চাহ বাগিচাৰ ভদ্ৰ মহিলা সকলে মাজে মাজে মোক নিমন্ত্ৰণ কৰিছিল আৰু কেতিয়াবা মন গলে মই সেই নিমন্ত্ৰণ ৰক্ষাও কৰিছিলো। পিছে, তাত মোৰ বৰ আমনি লাগিছিল। তেওঁলোকে মোক ম'জং (Mohjong) বোলা চীনা খেল এটা শিকাবলৈ পাৰ্যমানে চেষ্টা কৰিছিল। মই কিন্তু খেলটো শিকিবলৈ মন নকৰিলো। পিছত গম পাইছো যে এই খেলটো চীনদেশৰ বুঢ়ী মানুহবোৰে খেলে। বয়স বেছি হোৱাৰ কাৰণে তেওঁলোকে যেতিয়া পথাৰত গৈ কাম কৰিব নোৱৰা হয়, তেতিয়া গাভৰু মানুহবোৰ কাম কৰিবলৈ ওলাই গলে সৰু সৰু ল'ৰা-ছোৱালীবোৰ ৰখি থকাৰ লগতে তেওঁলোকে এই খেলটো খেলিবলৈ বহে। মোৰ মতে এনেকুৱা খেল এটা খেলা মানে সময় নষ্ট কৰা। চাহ বাগানত থাকিও ইচ্ছা কৰিলে বিবিধ সৃষ্টিশীল কাম কৰিব পাৰি। অৱশ্যে, চাহবাগানৰ কেইগৰাকী মান বন্ধুৰ আতিথ্যও মই উপভোগ নকৰাকৈ থকা নাছিলো। তেওঁলোকে তেওঁলোকৰ এখন নিজস্ব জগতত বাস কৰিছিল আৰু অন্যান্য মানুহৰ জীৱনৰ বিষয়ে জানিব-বুজিবলৈ বৰ আগ্ৰহী নাছিল। নৱবৰ্ষৰ আগনিশা (New Year Eve) ভোজ পৰ্বটোৰ আয়োজন সদায় বৰ ডাঙৰকৈ হৈছিল। চাকৰ বাকৰৰ পৰা মালীলৈকে, ৰান্ধনিৰ পৰা ড্ৰাইভাৰ, পানীৱালালৈকে কিযে বিৰাট দাস বাহিনী! কেৱল মজিয়া আৰু দুৱাৰৰ হেণ্ডেলবোৰ ঘঁহি-পিহি থাকিবলৈকো কিছুমান মানুহ নিযুক্ত কৰি থোৱা হয়। লাঞ্চ ডিনাৰেই হওক বা চাহ জলপানৰ পৰ্বই হওক খোৱা বস্তুৰ কি যে পয়োভৰ। খোৱা বস্তুৰ ভৰত মেজখন যেন ভাগিয়েই পৰিব—এনেকুৱা লাগি গৈছিল। ইমান ডাঙৰ ডাঙৰ মিছা মাছ মই আৰু কেতিয়াও দেখা নাই। শুং কেইডাল খোৱা মেজখনৰ পথালিয়ে দুয়োকাষে চুইছিলগৈ। ইপিনে আমাৰ দেশৰে কিমান যে দুখীয়া মানুহে দিনৰ দি[illegible]টো পৰিশ্ৰম কৰিও দুবেলা দুসাজি পেট ভৰাই খা[illegible]লৈ নোপোৱাকৈ থাকিব লাগে— সেইটো ভাবি [illegible] মনোকষ্টও পাইছিলো। এনে পৰস্পৰ বিৰো[illegible] পৰিস্থিতি আমাৰ দেশত এতিয়াও বিৰাজমান

আমি তেজপুৰত থাকোতে এহাল ইংৰা[illegible] দম্পতীয়ে আমাক এটা 'ককটেল' পাৰ্টিলৈ নিম[illegible] কৰিছিল। তাত গোটখোৱা বগী মেমবো[illegible]ৰ তুলনাত ময়েই যি শ্যামবৰ্ণা আছিলো আৰু একমাত্ৰ শাৰী পৰিহিতা মহিলা আছিলো। এগৰাকী মহিলাই হাঁহি এটা মাৰি মোৰ সৈতে চিনাকি হ'লত আমি কথা পাতিবলৈ বহিলো। আমাৰ দৰে ভাৰতীয়বোৰৰ সম্পৰ্কে তেওঁৰ

বিৰূপ মন্তব্যবোৰ শুনি মই বেছ আতংকিত হলো। তেওঁৰ মতে ভাৰতীয় মানুহে 'ককটেল' পাৰ্টিৰ ৰীতি-নীতিবোৰো আনকি নাজানে আৰু 'ডিনাৰ'ৰ সময় নোহোৱালৈকে সুৰা পান কৰি কৰি একেবাৰে অভদ্ৰ হৈ নপৰালৈকে তেওঁলোক ক্ষান্ত নহয়। তেতিয়া মোৰ স্বভাৱটো বৰ লাজকুৰীয়া আছিল কাৰণে মই মনে মনে আছিলো। এতিয়া হোৱা হলে মই মানুহ গৰাকীক ভালকৈয়ে কথা শুনাব পাৰিলোহেঁতেন। যিবোৰ মানুহে আমাক দাসত পৰিণত কৰিছিল, আমাৰ ওপৰত প্ৰভুত্ব কৰিছিল, তেওঁলোকৰ ধৰণ-কৰণবোৰ এতিয়াও আমি বান্দৰৰ দৰে অনুকৰণ কৰি আছো। তেওঁলোকে আমালৈ বুলি এৰি যোৱা ভালেমান কথা-কামৰ প্ৰভাৱ এতিয়া কিয় আৰু কেইবা পুৰুষলৈকে অব্যাহত হৈ থাকিব। আমাৰ যুৱক-যুৱতীবিলাকক তেওঁলোকৰ সংস্কৃতিয়ে এনেদৰে মোহাচ্ছন্ন কৰি ৰাখিছে, এনেকৈ শিকলিৰে বান্ধি পেলাইছে যে তাৰ পৰা মুক্ত হৈ ওলাই অহাটো সঁচাকৈয়ে বৰ কঠিন কাম হ'ব।

তেজপুৰ তাহানিখন বৰ ধুনীয়া চহৰ আছিল আৰু বৰ শান্তও আছিল। কিন্তু বৃটিছবিলাক তাত থকাৰ সময়ত তেজপুৰখন আৰু বেছি নিৰ্জন আছিল। সেই সময়ৰ ভালেমান গল্প আমি শুনিবলৈ পাইছিলো। এবাৰ হেনো তেজপুৰৰ এচ পিৰ বঙলাত নৈশ ভোজ এটাৰ আয়োজন কৰা হৈছিল। ৰান্ধনি ঘৰটো বঙলাৰ পৰা অলপ আঁতৰত আছিল। ৰাতি অলপ পলমকৈ ৰান্ধনি ঘৰৰ পৰা ডাইনিং ৰুমলৈ খোৱা বস্তুৰ ট্ৰে এখন লৈ আহি থকা খানচামাটোক হেনো এটা বাঘে ধৰি বৰ বেয়াকৈ ক্ষত-বিক্ষত কৰি পেলাইছিল। আমি থকাৰ সময়তো বঙলাটোৰ পিছফালৰ বাৰীখন ডাঠ হাবিৰে ভৰি আছিল। প্ৰাতঃ ভ্ৰমণ কৰাৰ অভ্যাস থকা আমাৰ বন্ধু কেইজনমানৰ পৰা শুনিবলৈ পাইছিলো যে একেবাৰে পুৱাৰ ভাগত কাচিং চহৰৰ মাজমজিয়াতো বনৰজা ওলায়।

এনেকুৱা আৰু বহুত কাহিনী মই বৰ আগ্ৰহেৰে শুনিছিলো। কাৰণ সেই কাহিনীবোৰ মোৰ বাবে একেবাৰে নতুন আছিল। অসমলৈ অহাৰ আগতে মই এবাৰ কুমাওঁ পাহাৰৰ চৌকৰিত এখন চাহ বাগিচা দেখিছিলো। তাত ফুলাম অৰেঞ্জ পিক চাহৰ খেতি কৰা হৈছিল। সেই চাহৰ সোৱাদেই বেলেগ। এতিয়া চাহ বাগিচাখনৰ একেবাৰে চাব নোৱৰা অৱস্থা। এই খিনিতে মই শুনা আৰু এটা গল্প মনত পৰিছে। এজন বৃটিছ চাহ খেতিয়কৰ পত্নীয়ে হেনো এবাৰ ৰান্ধনি ঘৰলৈ গৈ দেখিলে যে বাবুৰ্চিয়ে চাহাবৰ মোজা এপাতেৰে 'ছুপ' ছেকি আছে। মেম চাহেৰে দেখি আশ্চৰ্য প্ৰকাশ কৰাত বাবুৰ্চিয়ে হেনো কলে যে ছুপখিনি তেওঁ পুৰণি মোজা এপাতেৰেহে ছেকিছে, নতুন মোজাতো নষ্ট কৰা নাই! এই গল্পবোৰ সঁচানে মিছা নাজানো, কিন্তু প্ৰায় বৈচিত্ৰ্যহীন ভাবে কটোৱা জীৱনত এইবোৰেই যথেষ্ট ৰসৰ খোৰাক যোগাইছিল।

শীতকালত তেজপুৰ চহৰখনে এক শান্ত ৰূপ ধাৰণ কৰিছিল। তাত জাৰৰ প্ৰকোপ বৰ বেছি নাছিল। ব্ৰহ্মপুত্ৰখনেও বাৰিষাৰ অতপালিবোৰ শেষ হোৱাৰ পিছত যেন শুবলৈহে গৈছিল। আঁতৰৰ পৰা চালে পাৰৰ বালিচৰেৰে সৈতে নৈখনক পাতল নীলা ৰঙেৰে বোলোৱা এখন ছবিৰ দৰেহে লাগিছিল। নৈখনৰ শান্ত ৰূপটো দেখি ভাব হৈছিল যেন দিনৰ দিনটো কঠোৰ পৰিশ্ৰম কৰাৰ পিছত এইবাৰ জিৰণিৰ প্ৰয়োজন হৈছে; ধীৰে ধীৰে বৈ থকা নৈখনৰ অ'ত ত'ত একো একোটা ডাঙৰ শিলে মূৰ উলিয়াই আছিল আৰু দুই-এজন মানুহে তাতে বহি বৰশি বাইছিল। সেই দৃশ্যটোও আছিল ছবিৰ দৰে স্থিৰ। কিন্তু, জাৰকালিৰ দিনবোৰ ইমান চুটি যে ঘৰখনৰ দৈনন্দিন কাম-কাজখিনি কৰি অঁতাই আবেলি পৰৰ সৌন্দৰ্য আৰু শান্ত নীৰৱতাখিনি উপভোগ কৰিবৰ বাবে বহিবলৈ লওঁতেই ছাঁবোৰে দীঘল হৈ হৈ সন্ধিয়াৰ এন্ধাৰ ওচৰ চাপি অহাৰ আগলি-বতৰা দিয়েই।

এন্ধাৰখিনি আঁতৰাই সন্ধিয়াবোৰ পোহৰাই দিব পৰা কেইবাজনো ভাল ভাল বন্ধুক আমি তেজপুৰত পাইছিলো। ডাঃ লক্ষ্মী গোস্বামী আৰু ডাঃ ৰবীন গোস্বামীয়ে তেওঁলোকৰ অসামান্য অতিথি পৰায়ণতাৰে আমাৰ ভালেমান গধূলিক প্ৰাণৱন্ত কৰি তুলিছিল। তেওঁলোক দুজনৰ নাম তেজপুৰৰ সৈতে ওত-প্ৰোতভাৱে জড়িত। দীপ বাইদেউ (ডাঃ লক্ষ্মী গোস্বামী) এগৰাকী অতি ব্যস্ত চিকিৎসক। তথাপি এই অসাধাৰণ প্ৰাণশক্তি সম্পন্না মানুহগৰাকীয়ে তেওঁৰ প্ৰতিজন অতিথিকে বৰ আদৰেৰে সোধ-পোছ কৰিবলৈ সময় উলিয়াব পাৰিছিল। এই গোস্বামী-দম্পতীৰ সৈতে আমাৰ কেইবাবাৰো নতুন বছৰৰ আগনিশা কটোৱাৰ সৌভাগ্য ঘটিছিল। এতিয়াও মনত পৰে কেনেকৈ আমি মাজনিশা একে লগে ফটকা ফুটাই নতুন বছৰক আদৰণি জনাইছিলো।

আৰু এযোৰা বৰ মৰমলগা স্বামী-স্ত্ৰীক আমি তেজপুৰত পাইছিলো। বৰদলৈক দেখাৰ পিছত তেওঁ যে তেজপুৰ মানসিক চিকিৎসালয়ৰ ডাক্তৰ আছিল আৰু পদ্মশ্ৰীও লাভ কৰিছিল—সেই কথা বিশ্বাস কৰিবলৈ মোক বেছ কিছুসময় লাগিছিল। সাধাৰণ সাজ-পোছাক পিন্ধা ক্ষীণকায় মানুহজনৰ মুখত সদায় তামোলৰ সেলেঙি আৰু হাঁহি এটা লাগিয়েই থাকিছিল। শ্ৰীমতী বৰদলৈ বৰ নিপুণা ৰান্ধনী আছিল। আমি তেওঁৰ ৰন্ধন-পুটতাৰ পৰা সুযোগ গ্ৰহণ কৰিছিলো আৰু তেওঁৰ হাতৰ বিধে বিধে ৰন্ধা-বস্তু খাই পৰম তৃপ্তি লাভ কৰিছিলো। এবাৰ ফাকুৱাত তেওঁলোকৰ সৈতে কৰা ৰং-ধেমালিৰ কথা আজিও মনত পৰে। ভালুকপুঙলৈ মটৰেৰে কৰা দীঘলীয়া যাত্ৰাবোৰেও আমাৰ শৰীৰ-মনত নতুন বল যোগাইছিল। গভীৰ অৰণ্যৰ ঘোৰ সেউজীয়া আৰু গছ-পাতৰ কোমল সেউজীয়া বোল, জিলিৰ মাত, চৰাইৰ কলকাকলি এই আটাইবোৰেই প্ৰাণত যি পুলক জগাইছিল—তাৰ ৰেশ আজিও মাৰ যোৱা নাই। তাহানিৰ সেই দিনবোৰত জীৱনটো সঁচাকৈয়ে বহু বৈচিত্ৰ্যৰে পৰিপূৰ্ণ হৈ আছিল।

এটা ঘটনাৰ বাবে যোৰহাটৰ কথা মোৰ সদায় মনত থাকিব। আমি তেতিয়া টোকলাইৰ বঙলা এটাত আছিলো। তাৰ কাষতে যোৰহাট জিমখানা ক্লাবৰ বিস্তীৰ্ণ 'গল্ফ ক'ৰ্ছ'টো। প্ৰতি বছৰে ফেব্ৰুৱাৰী মাহত তাত এখন পুষ্প-প্ৰদৰ্শনী আৰু ঘোঁৰা-দৌৰো পতা হৈছিল। ধেমালিতে সেই ঘোঁৰা-দৌৰক আমি ডাৰ্বি (Derby) বুলিও কওঁ। সেই উপলক্ষে তাত বহুত অতিথিৰ সমাগম হৈছিল। মই সেই ঘোঁৰা-দৌৰ চাবলৈ পোৱাৰ আগতেই তাৰ বিষয়ে বন্ধু এগৰাকীৰ পৰা বহুত হাঁহি উঠা কথা শুনিছিলো। তেওঁ কৈছিল যে সেই ঘোঁৰাবোৰ আচলতে ৰে'চৰ ঘোঁৰা নহয়েই, টাট্ৰু ঘোঁৰাহে; আৰু চোৱাৰীবোৰে ঘোঁৰাৰ পিঠিত জিন নলগোৱাকৈয়ে ঘোঁৰাত উঠাৰ কাৰণে বাৰে বাৰে পিছলি পৰাৰ আশংকাত ঘোঁৰাবোৰৰ গাত জোৰেৰে সাবটি ধৰি থাকিছিল। তাৰ পিছতো কেতিয়াবা সিহঁত বাগৰি পৰিছিল। মুঠতে মহা স্ফুৰ্তিৰ উপলক্ষ্য আছিল এই ঘোঁৰা-দৌৰটো। মোৰ মাৰ মুখত মই বোম্বাই মহালক্ষ্মী ৰে'চ-ক'ৰ্চৰ বৰ্ণনা শুনিছো। তেওঁলোকে তালৈ ৰে'চ চাবলৈ গৈছিল; বাজী ৰখাতকৈও ৰে'চ চাই আনন্দ লাভ কৰাটোহে তেওঁলোকৰ মুখ্য উদ্দেশ্য আছিল।

মোৰ বন্ধু শ্ৰীমতী নৱজিৎ সিঙৰ লগত মই বৰ হেঁপাহেৰে জিমখানা ক্লাবৰ সেই উৎসৱলৈ ওলালো। মনোহৰ পুষ্প-প্ৰদৰ্শনীখন আৰু হস্তশিল্পৰো প্ৰদৰ্শনী এখন চাই আমি মুকলি পথাৰলৈ গলো—ঘোঁৰাবোৰ চাই বাজী লগাবলৈ। ঘোঁৰাবোৰক পথাৰখনত পাক মৰাই নিয়া হ'ল। ঘোঁৰাবোৰ সঁচাকৈয়ে টাট্ৰু ঘোঁৰা আছিল আৰু সিহঁতৰ পিঠিত জিন লগোৱা নাছিল। তাকে দেখি ৰে'চখন যে কি হ'ব ভাবি মই হাঁহি সামৰিব পৰা নাছিলো। যি কি নহওক, পাঁচ মিনিটমান চাই লোৱাৰ পিছত মই কলো যে ক'লা ঘোঁৰাটো দেখিলে তাৰ গাত পাখি লগোৱা আছে যেন লাগিছে, গতিকে তাৰ ওপৰত বাজী ৰাখিলে আমি নিশ্চয় ধনী হ'ব পাৰিম। আমি দুয়োজনীৰ প্ৰত্যেকেই পঞ্চাছ পইছাৰ বাজী ৰাখিলো আৰু সঁচা সঁচিকৈয়ে তাৰ তিনিগুণকৈ পইছা ঘূৰাই পালো। পইছাখিনি হাতত লৈ জন্‌জনকৈ বজাই আমি যে কিমান স্ফূৰ্তি কৰিলো, তাক লিখি বৰ্ণাব নোৱাৰি। যোৰহাটখন অসমৰ এখন অভিজাত চহৰ। আমি তাত বেছিদিন থকা নাছিলো; কিন্তু থকা সময়খিনি বৰ ভালকৈ কটালো। যোৰহাটৰ পৰা বিদায় লোৱাৰ পৰত মোৰ চকুদুটা সেমেকি উঠিছিল। গাড়ীখনৰ এচুকত মই কুচি-মুচি বহি লেটা এটাৰ দৰে নিজৰ মাজত সোমাই লৈ অজস্ৰ মধুৰ স্মৃতিৰ ৰেছম সূতাৰে নিজকে মেৰিয়াবলৈ আৰম্ভ কৰি দিছিলো। *(আগলৈ)*





# গুৱাহাটী বিশ্ববিদ্যালয়ৰ জিলিকনি আৰু বিত্তীয় সংকট

স্বপ্না বেজবৰুৱা

গুৱাহাটী বিশ্ববিদ্যালয়ত চলি থকা আৰ্থিক সংকটে বিশ্ববিদ্যালয়ৰ বৃহৎ পৰিয়ালটোক গভীৰ চিন্তাত পেলাইছে। এই বিত্তীয় সংকটৰ বাবে বিশ্ববিদ্যালয়ৰ ভুক্তভোগী সকলেই যে চিন্তাত পৰিছে এনে নহয়। সমগ্ৰ অসমৰ সচেতন ব্যক্তিয়েই এই বিষয়ে এবাৰ চিন্তা কৰিব লগাত পৰিছে। কাৰণ গুৱাহাটী বিশ্ববিদ্যালয়ত অভাৱে দেখা দিয়া মানে অসমৰ বৌদ্ধিক জগততো অভাৱে দেখা দিয়ে।

গুৱাহাটী বিশ্ববিদ্যালয় শিক্ষক সংস্থাই অভিযোগ কৰিছে যে বিশ্ববিদ্যালয়ৰ আৰ্থিক অনাটনৰ বাবে বিভাগসমূহৰ বহুতো উন্নয়নমূলক কাম পিছ পৰি আছে। আনকি গৱেষণা কাৰ্য চলাই নিয়াটো যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে। এই কথা নিতান্তই সত্য। আজি বহুদিন ধৰি পুথিভঁৰাললৈ যথেষ্ট সংখ্যক কিতাপ অহা নাই, প্ৰয়োজনীয় জাৰ্নেল সমূহ যথেষ্ট সীমিত কৰা হৈছে। (যিবোৰে বিশ্বৰ নতুন নতুন তথ্য সমূহৰ যোগান ধৰে) আনকি গৱেষণাগাৰৰ বাবে প্ৰয়োজনীয় আহিলা পাতিও প্ৰয়োজন অনুপাতে যোগান ধৰিব পৰা নাই। ছেমিনাৰ আদি অনুষ্ঠিত কৰিব পৰা নাই। নতুন বিভাগ খুলিব পৰা নাই। সকলোৰে গুৰিতে আৰ্থিক সংকট। এই আৰ্থিক সংকটে কঢ়িয়াই আনিছে অসমলৈ গভীৰ বৌদ্ধিক সংকট।

বিশ্ববিদ্যালয়খনৰ আয়ৰ পথ প্ৰধানকৈ তিনিটা। মূল আয় হ'ল ৰাজ্য চৰকাৰৰ অনুদান। এটা হ'ল নাম ভৰ্তিকৰণৰ মাচুল আৰু পৰীক্ষাৰ মাচুল। ইউ, জি, চি, (U.G.C.)ৰ পৰা কিছু ধন পায় যদিও এইবোৰ একো একোখন বিশেষ আঁচনিৰ বিপৰীতেহে দিয়া হয়। এই ধন সাধাৰণতে অন্য কামত খৰচ কৰিব নোৱাৰে। গতিকে বিশ্ববিদ্যালয়খন পৰিচালনা কৰিবৰ বাবে প্ৰথম দুটাই প্ৰধান আয়ৰ পথ। চলিত বছৰত বিশ্ববিদ্যালয়খনে ৰাজ্য চৰকাৰৰ পৰা লাভ কৰা অনুদানৰ পৰিমাণ হ'ল মাত্ৰ ৬ কোটি টকা। ইয়াৰে প্ৰতিমাহে ৫০ লাখ টকা দিয়াৰ চৰ্ত আছিল। আনহাতে প্ৰতিমাহে বিশ্ববিদ্যালয়ৰ কৰ্মচাৰীক দৰমহা দিবলৈ লাগে ৬০ লাখ টকা। গতিকে দেখা যায় বিশ্ববিদ্যালয়খন কোনো মতে জোৰা তাপলি মাৰিহে চলি আছে। আৰু এই জোৰা তাপলি মৰা ব্যৱস্থাটোক কৰ্তৃপক্ষই নিৰ্বিবাদে মানি চলিছে। অৱশ্যে ৰাজ্যখনত চলি থকা বিত্তীয় সংকটেও এই বিষয়টোত প্ৰভাৱ পেলাইছে। চৰকাৰে যোৱা এপ্ৰিল আৰু জুন মাহৰ প্ৰাপ্য ধন নিদিয়াৰ বাবে বিশ্ববিদ্যালয় খনলৈ ক্ৰমাত অচলাৱস্থা নামি আহিল। অৱশেষত অক্টোবৰ মাহত কৰ্মচাৰীৰ দৰমহা দিবলৈও বিশ্ববিদ্যালয়ৰ ভঁৰালৰ তলি উদং হোৱাত উপাচাৰ্যই সাংবাদিক মেল পাতি বিশ্ববিদ্যালয়ৰ আৰ্থিক সংকটৰ কথা ঘোষণা কৰিলে আৰু তেনে অৱস্থা চলি থাকিলে উপাচাৰ্যই পদত্যাগ কৰিবলৈ বাধ্য হ'ব বুলিও জনালে।

গুৱাহাটী বিশ্ববিদ্যালয়লৈ বিত্তীয় সংকট আগতেও আহিছে যদিও চৰকাৰে সময়ে সময়ে বিশেষ অনুদান আগবঢ়াই তেনে অৱস্থাৰ বিলুপ্তি ঘটাইছে। ১৯৮৭-৮৮ চনত অসম চৰকাৰে ১ কোটি টকাৰ বিশেষ সাহায্য আগবঢ়াইছিল। সেইদৰে ১৯৯০-৯১ চনত বিশ্ববিদ্যালয়ৰ অনুদান ৮ কোটি ৪৫ লাখলৈ বৃদ্ধি কৰিছিল। সেই বছৰ কেইটাত ৰাহি হোৱা ধনেৰে বিশ্ববিদ্যালয়খনৰ কিছু উন্নয়নমূলক কাম হাতত লোৱা হৈছিল। কিন্তু চলিত বছৰত কৰ্মচাৰীৰ দৰমহা দিব নোৱৰা অৱস্থাত অন্যান্য কাম কৰাটো কিমান অসম্ভৱ কথা সেইটো সকলোৰে বোধগম্য।

মন কৰিবলগীয়া যে আগেয়ে বিশ্ববিদ্যালয়ৰ চৰকাৰী অনুদান তিনি মাহৰ মূৰে মূৰে দিয়াৰ ব্যৱস্থা আছিল। কিন্তু যোৱা দুটা বছৰে এই টকা প্ৰতি মাহে দিয়াৰ ব্যৱস্থা কৰা হৈছে। ফলত এটা মাহৰ দৰমহা পাতি দিয়েই পাছৰ মাহৰ দৰমহা দিবৰ বাবে কোষাধ্যক্ষ পুনৰ দিছপুৰৰ দুৱাৰে দুৱাৰে দৌৰিব লগা অৱস্থা হয়। ইয়াতকৈ আৰু দুৰ্ভাগ্যজনক কথা কি হ'ব পাৰে!

যিখন বিশ্ববিদ্যালয়ৰ স্থাপনৰ সময়ত বৃদ্ধ পোহাৰীয়েও হাত নগতাকৈয়ে নিজৰ গাঁঠিৰ ধন দান হিচাপে আগবঢ়াইছিল সেই বিশ্ববিদ্যালয়ৰ আজি পানীত হাঁহ নচৰা অৱস্থা। যিখন বিশ্ববিদ্যালয়ৰ উপাচাৰ্যই এদিন অসমৰ মুখ্যমন্ত্ৰীকো দেখা নকৰো বুলি ওভতাই পঠাইছিল সেই বিশ্ববিদ্যালয়ৰ উপাচাৰ্যই আজি মুখ্যমন্ত্ৰীক বহু চেষ্টাৰ পাছতো দেখা কৰিব পৰা নাই বুলি অভিযোগ কৰিছে। এখন বিশ্ববিদ্যালয় সমগ্ৰ ৰাজ্যৰ তথা চৰকাৰৰে সন্মানৰ বস্তু। গতিকে বিশ্ববিদ্যালয়ৰ এনে অৱস্থা গোটেই অসমীয়া জাতিৰ বাবেই চিন্তাৰ বিষয়। শেহতীয়াভাৱে অসম চৰকাৰে প্ৰাপ্য অনুদানৰ ১ কোটি টকা উলিয়াই দিছে যদিও ৪০ লাখ টকা এতিয়াও বাকী আছে। ইয়াৰ উপৰিও নতুন দৰমহা নিৰিখৰ বাবে চৰকাৰৰ পৰা আৰু ২ কোটি ৩০ লাখ টকা পাবলৈ আছে

গুৱাহাটী বিশ্ববিদ্যালয়ৰ এই বিত্তীয় সংকটৰ মাজতে পূৰ্ব নিৰ্দ্ধাৰিত কাৰ্যসূচী অনুসৰি দুটাকৈ যুৱ মহোৎসৱ অনুষ্ঠিত কৰিব লগা হৈছে। দুয়োটা উৎসৱেই অতি সীমিত বাজেটৰ মাজত অনুষ্ঠিত কৰা হৈছে। আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱৰ সময়ত প্ৰতিনিধি সকলক এবেলাৰ খোৱাৰ যোগাৰ দি দ্বিতীয় সাজৰ বাবে বিশ্ববিদ্যালয়ৰ ছাত্ৰই বস্তালৈ কাঁচি বজাৰৰ ব্যৱসায়ীৰ দোকানে দোকানে সাহায্য সংগ্ৰহ কৰিব লগা হৈছিল। বহুতো অনা অসমীয়া ব্যৱসায়ীয়ে দান দিবলৈ অমান্তিও হৈছিল। ডি, চি, ৰ অনুমতি আছে বুলি ছাত্ৰই তেওঁলোকক অৱগত কৰা সত্ত্বেও কৈছিল– 'কোন ডি, চি,! যাও দো ৰূপেয়া লে যাও।'

আজি এবছৰৰ আগতে চুক্তিবদ্ধ হোৱা পূব মাণ্ডলিক আন্তঃ বিশ্ববিদ্যালয় যুৱ মহোৎসৱ খনিও এইবাৰ গুৱাহাটী বিশ্ববিদ্যালয়তে অনুষ্ঠিত হৈছিল। এনে এটা উৎসৱত গোটেই ৰাজ্যখনৰে সন্মান জড়িত হৈ থাকে। সেয়ে এইখন অনুষ্ঠিত কৰিবৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষ আৰু ছাত্ৰ-ছাত্ৰী সকল অতি সতৰ্কতাৰে আগবাঢ়িব লগা হৈছিল। বিশ্ববিদ্যালয়ৰ আৰ্থিক সংকটৰ বাবে উৎসৱৰ খৰচৰ বাজেট ৬ লাখ টকাৰ পৰা ৪ লাখ ৫০ হাজাৰলৈ অৱনমিত কৰা হৈছিল। ইয়াৰে ১ লাখ ৮৪ হাজাৰ টকা এছ'চিয়েশ্যন অৱ ইণ্ডিয়ান ইউনিভাৰচিটি (Association of Indian University)ৰ পৰা দিয়া হৈছিল যদিও ইয়াৰ ৯২ হাজাৰ টকাহে আগতীয়া ধন হিচাপে দিছে। বাকী ধন হিচাপ দাখিল কৰাৰ পাছতহে দিয়া হ'ব। গুৱাহাটী বিশ্ববিদ্যালয়ে নিজাকৈ দিব পাৰিছিল মাত্ৰ ৫০ হাজাৰ টকা। সেয়েহে মহোৎসৱখনি পৰিচালনা কৰাটো যথেষ্ট কঠিন হৈ পৰিছিল। যিহেতু ইয়াত সমগ্ৰ ৰাজ্য তথা চৰকাৰৰো সন্মান জড়িত হৈ আছে সেয়ে চৰকাৰৰ সাহায্যও আশা কৰা হৈছিল। কিন্তু চৰকাৰৰ ফালৰ পৰা কোনো সাহায্যৰ প্ৰতিশ্ৰুতি দিয়া নাছিল। সেয়ে কৰ্তৃপক্ষৰ পৰা সাহায্যৰ আশাত চৰকাৰৰ প্ৰতিনিধিক মহোৎসৱলৈ আমন্ত্ৰণ জনোৱাৰ প্ৰস্তাৱ দিয়া হৈছিল যদিও ছাত্ৰ সকলৰ ফালৰ পৰা এই প্ৰস্তাৱ মানি লোৱা নহ'ল। অৱশেষত চৰকাৰৰ ফালৰ পৰাও কোনো সাহায্য নাহিল। এই দোমোজাৰ সময়ছোৱাত চৰকাৰেও অনুদানৰ টকা উলিয়াই নিদিয়া আৰু উপাচাৰ্যই বিত্তীয় সংকটৰ কথা ঘোষণা কৰাৰ মাজত এক ৰাজনৈতিক কৌশল নিহিত হৈ আছিল বুলি বহুতে মন্তব্য কৰিছিল। যিয়েই নহওক লাগে বিশ্ববিদ্যালয়খনক সকলো কূট কৌশলৰ পৰা নিলগত ৰাখি ইয়াৰ উজ্জ্বলতা সমগ্ৰ জাতিৰ বাবে সন্মানৰ কথা বুলি ভবাটোৱেই মঙ্গলজনক।

# প্ৰসাৰিত মহাসাগৰ

নকুল দত্ত

১৯৬০ চনৰ আগলৈকে বিজ্ঞানীসকলৰ মাজত ধাৰণা আছিল যে সাগৰ-মহাসাগৰৰ তলিখন পৃথিৱীৰ আটাইতকৈ পুৰণি শিলেৰে গঠিত ; অৰ্থাৎ মহাদেশ সমূহৰ তুলনাত মহাসাগৰৰ বয়স বহুত বেছি। পৃথিৱীৰ আটাইতকৈ পুৰণি যিবিলাক গেদীয় শিলা বৰ্তমান উন্মুক্ত অৱস্থাত আছে সেইবোৰ এসময়ত সাগৰতলিত জমা হৈছিল বুলি প্ৰমাণিত হৈছে। গতিকে সেই হিচাপে চাবলৈ গ'লে মহাসাগৰ সমূহ প্ৰায় ৩০০০ নিযুত বছৰ ধৰি পৃথিৱীৰ বৰ্তমানৰ অৱস্থানত আছে। সাগৰ-মহাসাগৰলৈ প্ৰধানকৈ নদ-নদীয়ে গেদ কঢ়িয়াই লৈ যায় আৰু সাগৰতলিৰ সুবিধাজনক ঠাইত সেইবোৰ জমা হয়। গতিকে পৃথিৱীৰ অসংখ্য নদ-নদীয়ে কঢ়িয়াই অনা গেদৰ নিক্ষেপণৰ ফলত সাগৰ-মহাসাগৰৰ তলিভাগৰ জন্ম, গঠন, বিবৰ্তন আদি সকলো অভিলেখ অটুট ৰাখিছে বুলি ভবা হৈছিল। কিন্তু ভূবিজ্ঞানীসকলৰ অনুসন্ধিৎসু মনৰ পৰা সেই ধাৰণাই পলাই ফাঁট মাৰিলে তেতিয়াই, যেতিয়াই উন্নত বৈজ্ঞানিক সা-সঁজুলিৰে চলোৱা সাগৰতলি অভিযানত ওলাই পৰিল যে সাগৰ-মহাসাগৰৰ তলিখনৰ বয়স ১৬০ নিযুত বছৰতকৈ বেছি নহয়। এই বয়স পৃথিৱীৰ বয়সৰ ত্ৰিশভাগৰ এভাগহে মাথোন।

আকৌ নদী এখনৰ কাষৰপৰা যিমানে মাজলৈ যোৱা হয় ইয়াৰ গভীৰতাও ক্ৰমে বৃদ্ধি পায় আৰু নদীৰ সোঁমাজটোৱেই হৈ পৰে নদীখনৰ আটাইতকৈ গভীৰ অংশ। ঠিক সেইদৰে ধাৰণা কৰা হৈছিল যে সাগৰ মহাসাগৰবো যিমানে মাজলৈ যোৱা হয় সিমানেই গভীৰতা বৃদ্ধি পাব আৰু সোঁমাজত হ'ব ইয়াৰ গভীৰতা সৰ্বোচ্চ। পিছে মহাসাগৰৰ মাজ অংশত আৱিষ্কৃত হোৱা মধ্য মহাসাগৰীয় গিৰিশিৰা (Mid-Oceanic ridges) বোৰৰ উপস্থিতিয়ে সেই ধাৰণাও সলনি কৰি পেলালে। ইবোৰৰ আৱিষ্কাৰৰ ফলত দেখা গ'ল যে মহাসাগৰৰ একেবাৰে মাজ অংশহে একেবাৰে বাম। এই মধ্য মহাসাগৰীয় গিৰিশিৰাবোৰ হৈছে বিশাল জলৰাশিৰ তলত লুকাই থকা সুউচ্চ প্ৰাকৃতিক গঠন। এইবোৰৰ কোনো কোনো অংশৰ উচ্চতাই গিৰিৰাজ হিমালয়কো চেৰাই গৈছে।

তাৰ পাছত ঘটিল আৰু এটা ঘটনা। আমি সকলোৱে জানো যে পৃথিৱীৰ ভিতৰ ভাগৰ পৰা হোৱা তাপৰ যি প্ৰবাহ সেয়া সম্ভৱ হয় ইয়াৰ অভ্যন্তৰত পোৱা কিছুমান তেজষ্ক্ৰিয় মৌল, যেনে- ইউৰেনিয়াম, থৰিয়াম, পটাছিয়াম আদিৰ অৱক্ষয়ৰ বাবেহে। বিশ্লেষণৰ পৰা প্ৰমাণ পোৱা গৈছে যে এই তেজষ্ক্ৰিয় পদাৰ্থ সমূহ পোৱা যায় মহাদেশসমূহ গঠিত গ্ৰেণাইট শিলতহে। মহাসাগৰৰ বেছল্ট (Basalt), গেব্ৰো (Gabro) বা পেৰিডটাইটত (Peridotite) নহয়। গতিকেই বিজ্ঞানীসকলে ধৰি লৈছিল যে মহাসাগৰৰ মাজ অংশত উত্তাপ প্ৰবাহৰ পৰিমাণ মহাদেশীয় অংশতকৈ বহুত কম হ'ব। হয়তো মহাদেশীয় অংশৰ দহভাগৰ এভাগমানহে হ'ব। কিন্তু ১৯৫৪ চনত বালাৰ্ড আৰু তেওঁৰ লগৰীয়াসকলে চলোৱা পৰীক্ষাসমূহে সেই ধাৰণাও সলনি কৰি পেলালে। সেইবোৰৰ পৰ্যবেক্ষণত ধৰা পৰিল যে পৃথিৱীৰ অভ্যন্তৰৰ পৰা মহাসাগৰৰ মাজতো মহাদেশৰ দৰেই সমান পৰিমাণৰ উত্তাপ প্ৰবাহিত হয়। এই অতিৰিক্ত উত্তাপ নিশ্চয় পৃথিৱীৰ ভিতৰ ভাগৰ মেণ্টেল্ (Mantle) নামৰ অংশৰ পৰাই আহিব লাগিব। কিন্তু কেনেকৈ ?

মহাদেশীয় বিস্থাপন (Continental Drift) আধুনিক যুগৰ বিজ্ঞানীসকলৰ বাবে এটা গ্ৰহণযোগ্য তত্ত্ব। এই তত্ত্বমতে পৃথিৱীৰ মহাদেশ কেইখন এসময়ত একেলগে থুপখাই আছিল।




*মহা সাগৰৰ প্ৰসাৰণ- পৃথিৱীৰ প্ৰস্থচ্ছেদৰ ছবি (উৎসঃ নিউ ভিউ অব দা আৰ্থ, ১৯৭৮*

প্ৰাকৃতিক কাৰণত ইহঁতৰ মাজত প্ৰথমে ফাঁট মেলিবলৈ ধৰে আৰু কেইবাশ নিযুত বছৰৰ পাছত ইহঁতে বৰ্তমানৰ স্থানত উপনীত হৈছেহি। উল্লেখযোগ্য যে বৰ্তমানেও মহাদেশবোৰ গতিশীল অৱস্থাত আছে। প্ৰত্যেক দুখন, তিনিখন বা চাৰিখন মহাদেশৰ মাজত আমি একো একোখন মহাসাগৰ দেখিবলৈ পাওঁ। কিন্তু পৃথিৱীৰ বৰ্তমানৰ মানচিত্ৰলৈ চালে এনেহে লাগে যেন মহাসাগৰবোৰৰ কোনো বৃহৎ অংশত মহাদেশবোৰ ওপঙিহে আছে! গতিকে যদিহে একেলগে থুপখাই থকা মহাদেশ কেইখনৰ মাজত ফাঁটমেলা অৱস্থাটোৰ পৰা এইবোৰ লাহে লাহে আঁতৰি যোৱা অৱস্থাটোৰ কথা ভবা হয় তেন্তে এটা কথা স্পষ্টকৈ ওলাই পৰে যে এসময়ত আটলাণ্টিক মহাসাগৰ, ভাৰত মহাসাগৰ, দক্ষিণ মহাসাগৰ আদি মহাসাগৰবোৰ তেনেই ঠেক আছিল। প্ৰসাৰণৰ বাবেহে ইহঁতে বৰ্তমানৰ বিশাল ৰূপ ধাৰণ কৰিছে।

মহাসাগৰৰ প্ৰসাৰণৰ লগত ওত-প্ৰোতভাৱে জড়িত বিষয়টো হ'ল মধ্যমহাসাগৰীয় গিৰিশিৰা সমূহৰ উৎপত্তি। এই গিৰিশিৰা সমূহে মোটামুটিভাৱে গোটেই পৃথিৱীকে আগুৰি আছে বুলি ক'ব পাৰি। এইবোৰৰ কোনো কোনো অংশ ৩০০০ মিটাৰতকৈও বেছি ওখ আৰু ২০০০ কিঃ মিঃ তকৈও বেছি বহল। আন কথাত ক'বলৈ গ'লে আকাৰৰ ফালৰ পৰা এইবোৰে পৃথিৱীৰ বৃহৎ পৰ্বতমালা আল্পচ্ আৰু হিমালয়কো চেৰাই গৈছে। তাৰ উপৰি মহাসাগৰীয় ভূমিকম্পৰ মধ্য মহাসাগৰীয় গিৰিশিৰাবোৰেই সক্ৰিয় অঞ্চল।

পৰ্যবেক্ষণৰ দ্বাৰা প্ৰমাণিত হৈছে যে মধ্য মহাসাগৰীয় গিৰিশিৰাবোৰৰ শিখৰ অঞ্চলত এটা সৰু আকাৰৰ সমান উপত্যকা থাকে। শিখৰটো ফাঁটি দুভাগ হৈ ক্ৰমে আঁতৰি গৈ এই উপত্যকাৰ সৃষ্টি হয়। পৰ্বত পাহাৰ আৰু মধ্যমহাসাগৰীয় গিৰিশিৰাবোৰৰ মূল পাৰ্থক্য হ'ল- পৰ্বত পাহাৰবোৰ গেদীয় শিলাৰে গঠিত হয়, কিন্তু এই গিৰিশিৰাবোৰ গঠিত হয় আগ্নেয় শিলাৰ দ্বাৰা। পৰ্বতবোৰত সৰু বৰ ভাঁজ স্পষ্ট আৰু এইবোৰ সংনমন (Compression) প্ৰক্ৰিয়াৰ ফলশ্ৰুতি ; কিন্তু মধ্যমহাসাগৰীয় গিৰিশিৰাবোৰত তেনে কোনো ভাঁজ নাথাকে আৰু এইবোৰৰ গঠনত টান (Tension) প্ৰক্ৰিয়া জড়িত।

আন এটা উল্লেখযোগ্য আৱিষ্কাৰ হ'ল- মধ্যমহাসাগৰীয় গিৰিশিৰাবোৰৰ শিখৰ অঞ্চলত উত্তাপ প্ৰবাহৰ পৰিমাণ সবাতোকৈ বেছি। ১৯৬১-৬২ চনৰ সময়ছোৱাত প্ৰশান্ত মহাসাগৰীয় গিৰিশিৰা সমূহত এলানি এনেধৰণৰ পৰীক্ষা চলোৱা হৈছিল। স্পেন্সাৰ এফ, বেয়াৰ্ড (Spencer F. Baird) নামৰ আধুনিক যন্ত্ৰপাতিৰে সজ্জিত জাহাজ খনেৰে ৩০০ তকৈও অধিক স্থানত পৰীক্ষা কৰি এইটো প্ৰমাণিত হৈছিল যে শিখৰৰ পৰা দুয়োফালে আঁতৰি গ'লে উত্তাপৰ পৰিমাণ কমি গৈ থাকে। এই তথ্যই ইয়াকে প্ৰমাণ কৰে যে গিৰিশিৰাবোৰৰ শিখৰত পৃথিৱীৰ অভ্যন্তৰৰ পৰা গলিত মেগ্‌মা ওলাই আহি লাহে লাহে জমা হোৱা প্ৰক্ৰিয়াটো অব্যাহত আছে।

এই গলিত মেগ্‌মা জমা হৈ আগ্নেয়শিলা গঠন কৰে আৰু শিখৰৰ এঠাইত জমা হয়। কিন্তু এইখিনিতে প্ৰশ্ন হয় যে সদায় নতুনকৈ জমা হোৱা এই মেগ্‌মাবোৰে স্থিতি লবলৈ ঠাই পায় ক'ত ? সেই প্ৰশ্নৰ উত্তৰতেই শিলামণ্ডল (Lithosphere) নামৰ পৃথিৱীৰ অস্থিৰ চামনিটোৰ চলাচলৰ কথাটো আহি পৰে। এই চলাচলক প্লেট টেক্‌টনিক্ (Plate Tectonic) নামৰ আন এটা তত্ত্বৰে আলোচনা কৰা হয়। এই তত্ত্ব অনুসৰি ভূমণ্ডলক জলভাগ আৰু স্থলভাগ সমন্বিতে কিছুমান বৃহৎ বৃহৎ ভাগত ভগোৱা হৈছে। প্ৰত্যেকটো ভাগকে একো একোখন প্লেট বোলা হয়। ভূমণ্ডলক প্ৰধানকৈ সাতখন প্লেটত ভগোৱা হৈছে। যেনেঃ- প্ৰশান্ত মহাসাগৰীয় প্লেট, উত্তৰ আমেৰিকা প্লেট, দক্ষিণ আমেৰিকা প্লেট, আফ্ৰিকীয় প্লেট, ইন্দো-অষ্ট্ৰেলিয় প্লেট, ইউৰেছিয় প্লেট আৰু এণ্টাৰ্কটিকা প্লেট। ইয়াৰ উপৰিও ইহঁতৰ আশে-পাশে সৰু বৰ আন বহুতো প্লেট আছে। প্লেটবিলাকৰ প্ৰত্যেকেই অনবৰতে কোনো এটা দিশত গতি কৰি আছে।

এই প্লেটসমূহৰ চলাচলৰ বাবে মধ্যমহাসাগৰীয় গিৰিশিৰাবোৰেই দায়ী বুলি ক'ব লাগিব। পৃথিৱীৰ অভ্যন্তৰৰ পৰা ওলাই অহা মেগ্‌মা জমা হৈ গিৰিশিৰাৰ দুয়োফালে বা তিনিওফালে থকা প্লেট কেইখনক ঠেলিবলৈ ধৰে। এনেকৈয়ে প্লেটকেইখনে গতি লাভ কৰে। নতুন পদাৰ্থবোৰে প্লেটখনৰ এফালে যোগ হৈ ইয়াৰ আয়তন বৃদ্ধি কৰে। আনহাতে




*মধ্য আটলাণ্টিক গিৰিশিখাৰ পৰা আটলাণ্টিক মহাসাগৰৰ প্ৰসাৰন দেখুৱা হৈছে। কেইটামান দ্বীপৰ বয়স বন্ধনীৰ ভিতৰত নিযুত বছৰত দিয়া হৈছে (উৎস - নিউ ভিউ অব্ দা আৰ্থ, ১৯৭৮)*




OKDISCD




*পৃথিৱীৰ অভ্যন্তৰৰ দুৰ্বল মণ্ডলৰ (As the nosphere) পৰা মেগ্‌মা ওলাই আহি মধ্য মহাসাগৰীয় গিৰিশিৰাৰ শিখৰত জমা হৈ দুয়োটা শিলামণ্ডলৰ দুফালে ঠেলি দিছে লগে লগে তাপ, প্ৰবাহৰ গতিও অব্যাহত আছে। (উৎসঃ নিউ ভিউ অব দা আৰ্থ, ১৯৭৮)*

প্লেটখনৰ আনটো মূৰ গৈ অন্য প্লেটৰ তলত সোমাই পৰে আৰু অধিক তললৈ গৈ উত্তপ্ত মেগ্‌মাৰ সংস্পৰ্শত ধ্বংস হয়গৈ। যিটো অঞ্চলত এখন প্লেট আনখনৰ তলত সোমাই পৰে সেই অঞ্চলটোক বোলা হয় ছাব্‌ডাক্‌চন অঞ্চল (Subduction Zone)।

মধ্যমহাসাগৰীয় গিৰিশিৰাবোৰেই যে মহাসাগৰৰ প্ৰসাৰণত বিশেষ ভূমিকা লৈ আহিছে আৰু প্লেটৰ গঠনত সহায় কৰি আহিছে তাক আন এটা প্ৰমাণিত ঘটনাৰ দ্বাৰা আলোচনা কৰিব পাৰি। গিৰিশিৰাবোৰৰ মাজ অংশৰ পৰা যিমানে মহাদেশীয় অঞ্চলৰ ফালে আঁতৰি যোৱা হয় সিমানে মহাসাগৰৰ তলিভাগ গঠিত শিলাৰ বয়স বৃদ্ধি পাই গৈ থাকে। ১৯৬০ চনত কানাডাৰ জে, টিউজ' উইলচনে (J. Tuzo Wilson) চলোৱা এলানি পৰীক্ষাৰ অন্তত প্ৰমাণিত হ'ল যে মধ্যআটলাণ্টিক গিৰিশিৰাৰ পূবফালে একেবাৰে ওচৰতে থকা এচেন্‌চন্‌ (Ascension) দ্বীপৰ বয়স ১ নিযুত বছৰৰ বেছি নহ'ব। কিছুদূৰ আঁতৰত থকা চেণ্ট হেলেনাৰ বয়স প্ৰায় ২০ নিযুত বছৰ; আফ্ৰিকাৰ পশ্চিম উপকূলৰ ওচৰত থকা ফাৰ্ণান্দো পো (Fernando Poo) আৰু প্ৰিন্সিপ (Principe) দ্বীপৰ বয়স প্ৰায় ১২০ নিযুত বছৰ। ঠিক সেইদৰে এই গিৰিশিৰাৰ পশ্চিমফালে থকা বাহামা দ্বীপপুঞ্জৰ বয়স ১২০ নিযুত বছৰ; কিন্তু বাৰ্মুদাৰ বয়স ৩৬ নিযুত বছৰ। এই তথ্যই মহাসাগৰৰ ক্ৰমাগতভাৱে হোৱা প্ৰসাৰণৰ কথাই স্পষ্টকৈ প্ৰমাণ কৰে।

মহাসাগৰৰ এই প্ৰসাৰণৰ গতিবিধিৰ পৰা এতিয়াৰ পৰা ৫০ নিযুত বছৰৰ পাছৰ পৃথিৱীখনৰ মহাদেশ আৰু সাগৰ মহাসাগৰবোৰৰ অৱস্থান সম্পৰ্কেও ধাৰণা কৰিব পাৰি। এই ধাৰণামতে উত্তৰ আমেৰিকা, দক্ষিণ আমেৰিকা আৰু আফ্ৰিকাৰ মাজৰ দূৰত্ব বৃদ্ধি পাব; অৰ্থাৎ আটলাণ্টিক মহাসাগৰৰ প্ৰসাৰণৰ বাবে ইয়াৰ কালি বৃদ্ধি পাব। আকৌ সেইদৰে বৃদ্ধি পাব ভাৰত মহাসাগৰ আৰু প্ৰশান্ত মহাসাগৰৰ কালি যাৰ ফলত অষ্ট্ৰেলিয়া আৰু আফ্ৰিকাৰ মাজৰ দূৰত্ব বৃদ্ধি পাব। এই প্ৰসাৰণে আফ্ৰিকা আৰু ভাৰতৰ মাজৰ দূৰত্বও বঢ়াব। আকৌ লোহিত সাগৰখন লাহে লাহে বহল হৈ ছৌদি আৰব আৰু উত্তৰ-পূব আফ্ৰিকাৰ দেশসমূহৰ মাজৰ ব্যৱধান বঢ়াব। মুঠতে মহাসাগৰৰ প্ৰসাৰণে ৫০ নিযুত বছৰৰ পাছত পৃথিৱীৰ মহাদেশ কেইখনৰ বৰ্তমানৰ ভৌগোলিক অৱস্থানকে সলনি কৰি পেলাব। ■

পূৰবী প্ৰকাশনৰ পৰা

অসমৰ সংবাদ জগতত সংযোজন নতুন আৰু বৰ্ণাঢ্য সাপ্তাহিক

**জনক্ৰান্তি**

প্ৰতি দেওবাৰে

সকলো ধৰণৰ প্ৰবন্ধ-পাতি পঠোৱাৰ ঠিকনা-
সম্পাদক,
জনক্ৰান্তি
মনজেৰা হাউচ, মতিলাল নেহৰু পথ
পানবজাৰ, গুৱাহাটী-১

(এজেন্সিৰ বাবে চাৰ্কুলেচন মেনেজাৰৰ লগত যোগাযোগ কৰক)





## সময়ত কথাবোৰ

গীতাঞ্জলি দেৱী

সময়ত কথাবোৰ-
নিয়ৰৰ দৰে সৰি পৰে টোপাটোপে,
সোণসেৰীয়া ধানশীহ হৈ উজলে
অথবা নদীৰ স্বচ্ছ তৰাং বুকুৰেদি
জাকৰীয়া মাছ হৈ দেও দিয়ে;

কথাবোৰ কেতিয়াবা
নিয়ৰৰ টোপাল
ধানশীহ
নহ'লে গতিময়ী মাছ;

সময়ত কথাবোৰ-
শ্বাসহীন বন্ধ কোঠালিৰ গুমগুমীয়া মাত,
সমৰ পেলৰৰ পৰিবৰ্তে তেজলগা পোছাক
ৰাতিৰ ধুমুহাই পেলাই যোৱা ফুটপাথৰ
চৰাইৰ নিৰ্জীৱ দেহ,

সময়ত কথাবোৰ হৈ পৰে,
শ্বাসহীন কোঠালি
তেজলগা পোছাক
অথবা নিৰ্জীৱ চৰাইৰ দেহ

কথাবোৰ, সুৰবোৰ, মৃত্যুবোৰ সময়ত একাকাৰ হয়

অনুভূতিৰ স্ফুৰণ ঘটিছে যাৰ এক সম্পূৰ্ণ স্বকীয়তা আছে। এক খণ্ডিত সত্বাৰ গভীৰত জীপ লৈ থকা বিচিত্ৰ দ্বন্দ্বৰ মাজেৰে বিকশিত হোৱা এক নতুন মানৱ চেতনাই হ'ল মুলেটো কবি আৰু নাট্যকাৰ ওৱালকটৰ সাহিত্যৰ

নিজৰ সমাজৰ গৈ
সেই সমাজৰ পৰা
হোৱা নাই। আনঃ
ওপৰতো পশ্চিমীয়া
আধিপত্য আজিও
শ্বেতাংগ আৰু কৃ নাৰ্ক পখিলা আৰু
বৈষম্য আৰু দ্বন্দ্ব উঁৰিক তাৰ
দ্বন্দ্বই বাৰু কেনে
মানৱ সন্তানক যাৰ
দুয়ো সম্প্ৰদায়ৰ শাত বৈ থকা সি এটা স্বপ্নাতুৰ
সত্তাৰ গভীৰত জী
মাজেৰে বিকশিত
মানৱচেতনাই হ'ল শৰীৰৰ
ওৱালকটৰ সাহিত্য
নিহিত আছে তেওঁৰ
এক বাৰে বৰ্ণ সাহসৰ
লৈ দ্বন্দ্বময় কাল
মানসিক আৰু আধ্য বিষয়ৰ তৰ্কত সি
লাভ কৰিছে তাৰেইৰ
আত্মজীৱনী মূলক

আৰু তাৰ সমুখত নদীয়ে নপঢ়ে লাজত
প্ৰেমৰ কবিতা।

নীল-নয়না এপাহ ফুলৰ আত্মাৰ হিম সনা তাৰ
চকু।
হৰিৎ শেলুৰৈৰ বৰ্মেৰে ঢাকি থোৱা তাৰ
বুকু।
উশাহত তাৰ শুকুলা ধ্বজাৰ বা,
শুকুলা ধ্বজাৰ বা।

আজিৰ পৰা দহদিন সি সপোনৰ সতে
হালি জালি নচাৰ কথা।
দহদিন ধৰি সি বাঁহীৰ সুৰেৰে এখন নদীক
কন্দুৱাই ৰখাৰ কথা।
দহদিন ধৰি সি এখন অৰণ্যৰ কেঁচুৱা পুলিৰ জিভাত
সানি দিয়াৰ কথা
দোৰোণ ফুলৰ
মৌ।

এতিয়া মই তাক কেনেকৈ কওঁ,
কেনেকৈ কওঁ-
চিচিফাছ নিহত হ'ল-
এক অচিন ব্যাধৰ শৰে শালি থলে তাৰ
ৰাঙল-ফুলীয়া
বুকু। □

## পৰ্বত

যতীন কোঁৱৰ

"Mother of rocks,
You are the spume that floats with condors.
Elevated stepping stones of the dawning of mankind"
-Pablo Neruda.

সহিব নোৱৰাকৈ সুখী তিনিজনী নিজৰাৰ সি
গৰ্বিত পিতৃ আৰু
চিচিফাছ নামৰ এটা শোকৰ কবিতাৰ সি
সখি।
তাৰ মাতৃ পলসৰ নুমলীয়া মাহী
আৰু পৰ্বতীয়া জিলীৰ জী তাৰ
গোপন
প্ৰেয়সী।

# কেৰিবিয়ান হোমাৰঃ ডেৰেক ওৱালকট




লৰ (As the nosphere) পৰা মেগ্‌মা ওলাই আহি মধ্য মহাসাগৰীয় হৈ দুয়োটা শিলামণ্ডলৰ দুফালে ঠেলি দিছে লগে লগে তাপ, প্ৰবাহৰ ংসঃ নিউ ভিউ অব দা আৰ্থ, ১৯৭৮)

অন্য প্লেটৰ তলত তললৈ গৈ উত্তপ্ত গৈ। যিটো অঞ্চলত সোমাই পৰে সেই ছাব্‌ডাক্‌চন অঞ্চল

আৰু প্লেটৰ গঠনত সহায় কৰি আহিছে তাঁৰ আন এটা প্ৰমাণিত ঘটনাৰ দ্বাৰা আলোচনা কৰিব পাৰি। গিৰিশিৰাবোৰৰ মাজ অংশৰ পৰ যিমানে মহাদেশীয় অঞ্চলৰ ফালে আঁতৰি যোৱ হয় সিমানে মহাসাগৰৰ তলিভাগ গঠিত শিলা

১৯৯২ ৰ নবেল বঁটা বিজয়ী ডেৰেক ওৱালকট

সাহিত্যৰ নোবেল বঁটাই এইবাৰ যিজন ব্যক্তিক ১৯৯২ চনৰ সৰ্বশ্ৰেষ্ঠ সাহিত্যিক হিচাপে স্বীকৃতি দিলে তেওঁৰ নাম ডেৰেক অলটন ওৱালকট। ডেৰেক ওৱালকটৰ এই মহান সাফল্যই কেৱল তেওঁৰ নিজস্ব প্ৰতিভাকেই সমুজ্জ্বল কৰা নাই ই কেৰিবিয়ান সাহিত্যকো মৰ্যাদাৰ এক উচ্চ আসনত প্ৰতিষ্ঠা কৰিলে। ৱেষ্ট ইণ্ডিজ আচলতে কেইবাটাও দ্বীপৰ সমষ্টি। এইবোৰৰ ভিতৰত ত্ৰিনিদাদ, বাৰ্বাদো, ডোমিনিক, চেন্ট লুইচ আৰু গুয়েনা উল্লেখযোগ্য। এইবোৰ দ্বীপৰ প্ৰত্যেকৰে একোটা সুকীয়া সাংস্কৃতিক সত্তা আছে। এই দ্বীপ সমূহে বিশ্বৰ কেবাগৰাকী বৰেণ্য লেখকৰ জন্ম দিছে। ইংৰাজী মাধ্যমত সাহিত্য চৰ্চা কৰা কেইগৰাকীমান আগশাৰীৰ সাহিত্যিকৰ নাম বিশেষ ভাৱে উল্লেখযোগ্য; তেওঁলোক হ'ল- উইলচন হেৰিচ, ৱি এচ নাইপল, জৰ্জ লেমিং আৰু এডৱাৰ্ড ব্ৰেথৱেইট। ইতিপূৰ্বে নোবেল বঁটা লাভ কৰা বিশ্ব বিশ্ৰুত সাহিত্যিক গেব্ৰিয়েল মাৰ্কেজও আচলতে কেৰিবিয়ান কিন্তু স্পেনিচ্ ভাষাত সাহিত্য ৰচনা কৰে। চেন্ট লুইচ দ্বীপ সম্পৰ্কে কোনো এক ভ্ৰমণকাৰীয়ে উল্লেখ কৰিছে এনেকৈ- "অপৰূপ সৌন্দৰ্যৰ সৈতে অভাৱনীয় দাৰিদ্ৰ্যৰ সংমিশ্ৰণ এনে বৈসাদৃশ্য কাচিৎহে দেখা যায়। কণমানি দ্বীপটো ঘন সেউজ দলিচাৰে আবৰা। অনবৰত মেঘে ঢাকি ৰখা পাহাৰৰ চূড়াবোৰৰ মাজত বিয়পি থকা ৰহস্যময় কুঁৱলিয়ে দ্বীপটোক এক অদ্ভুত মায়াবী ৰূপত সজাই ৰাখে। আকাশী যানৰ পৰা অৱতৰণ কৰি এনে লাগে যেন কোনো প্ৰাগ ঐতিহাসিক ইডেন এয়া।" এনে এক মনোৰম দ্বীপত ১৯৩০ চনৰ ২৩ জানুৱাৰীত ডেৰিক আৰু তেওঁৰ যমজ ভাতৃ ৰোডেৰিকৰ জন্ম হয়।

ডেৰিকৰ পিতৃ-মাতৃ দুয়োজনেই শিক্ষকতা কৰিছিল। দেউতাক ওৱাৰ উইক ওৱালকটে ছবিও আঁকিছিল। পানী ৰঙৰ ছবি। পিছত তেওঁ চৰকাৰী বিষয়াৰ পদো পায়। তেওঁৰ শৈশৱৰ ঘৰখনত এক অধ্যয়নৰ পৰিবেশ আছিল। আৰু আছিল এক মাৰ্জিত সাংস্কৃতিক ৰুচিৰ বাতাবৰণ।

১৯৪৮ চনত ওঠৰ বছৰীয়া তৰুণ যুৱক ডেৰিক ওৱালকটে নিজে লিখা কবিতা নিজেই ছপাই চহৰৰ গলিয়ে গলিয়ে বিক্ৰী কৰিবৰ চেষ্টা কৰে। পঁচিশটা কবিতা সম্বলিত এই সৰু পুথিখনৰ মাজেৰে ওৱালকটৰ সাহিত্য প্ৰতিভাৰ প্ৰথম আত্মপ্ৰকাশ ঘটিছিল। এই বিষয়ত ওৱালকটক স্নেহ আৰু প্ৰেৰণাৰে উৎসাহিত কৰিছিল তেওঁৰ চেনেহী মাতৃয়ে। কবিতা ছপাবলৈ প্ৰয়োজনীয় ধনো তেওঁ মাকৰ পৰাই পাইছিল।

১৯৫০ চনত স্নাতক শ্ৰেণীৰ ছাত্ৰ ডেৰিকে তেওঁৰ প্ৰথমখন নাটক লিখে। 'হেনৰি ক্ৰিষ্টোফ ঃ এ ক্ৰনিকল' এই নাটক খন চেন্ট লুচিয়াত অভিনীত হয়। এই সময়তে অনাতাঁৰৰ বাবে লিখি প্ৰস্তুত কৰা তেওঁৰ আন এক নাটক 'হেনৰি ভেনিয়েৰ' ও জনপ্ৰিয় হৈ পৰে।

১৯৫৩ চনত চেন্ট মেৰিজ স্কুলৰ পৰা বি.এ ডিগ্ৰী পোৱাৰ পিছত তেওঁ স্কলাৰশ্বিপ লৈ জামায়েকাৰ ৱেষ্ট ইণ্ডিজ বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিব যায়। সেই সময়তে তেওঁ ফ্ৰেন্স, লেটিন আৰু স্পেনিচ ভাষাত দক্ষতা অৰ্জন কৰে। এই সময়তে তেওঁ বিভিন্ন ধৰণৰ লেখা-মেলাত ব্যস্ত হৈ পৰে। ত্ৰিনিদাদৰ গাৰ্ডিয়ান আলোচনীত তেওঁৰ সাহিত্য আৰু শিল্প সমালোচনাৰ লেখা প্ৰায়েই প্ৰকাশিত হব ধৰে। জামায়িকাৰ পৰা প্ৰকাশিত 'পাব্লিক ওপিনিয়ন' নামৰ আলোচনীত ফিচাৰধৰ্মী ৰচনাও লিখিব ধৰে। ১৯৫৪ চনতেই তেওঁৰ দুখন নাটক ত্ৰিনিদাদত পৰিবেশিত হয়। ১৯৫৭-৫৮ চনত ৰক ফেলাৰ ফাউণ্ডেচন গ্ৰান্ট লাভ কৰি ডেৰিক ওৱালকটে নিউইয়ৰ্কলৈ গুচি যায়। তাত তেওঁ হাতে কামে নাটক বিষয়ৰ শিক্ষা লবলৈ আৰম্ভ কৰে। নিউইয়ৰ্কৰ পৰা উভতি আহি তেওঁ নিজে ত্ৰিনিদাদত থিয়েটাৰ ৱৰ্কচপ্ স্থাপন কৰে। ১৯৬৪ চনৰ শেষৰ ফালে তেতিয়াৰ এক নাম কৰা আমেৰিকান কবি ৰবাৰ্ট লয়েলে কবি ডেৰেকক তেওঁৰ নিজৰ গ্ৰন্থ প্ৰকাশকৰ ওচৰলৈ লৈ আহে। তাৰ পিছৰ পৰাই নিয়মীয়াকৈ ওৱালকটৰ গ্ৰন্থ প্ৰকাশ হবলৈ ধৰে।

মূলতঃ যিখন গ্ৰন্থৰ বাবে ওৱালকটক নবেল বঁটা দিয়া হৈছে বুলি অনুমান কৰিব পাৰি সেই কাব্য গ্ৰন্থৰ নাম 'ওমেৰস' (হোমাৰৰ গ্ৰীক নাম)। এই গ্ৰন্থখন ১৯৯০ চনত ব্ৰিটেইনৰ 'ফেবাৰ এণ্ড ফেবাৰ' কোম্পেনীয়ে প্ৰকাশ কৰিছিল। প্ৰকাশ হোৱাৰ পিছৰ বছৰতেই এই গ্ৰন্থই 'ডব্লিও এইচ্ স্মিথ' পুৰস্কাৰ লাভ কৰে। অতি সন্মানজনক এই পুৰস্কাৰৰ মূল্য ১০,০০০ পাউণ্ড। প্ৰায় ৩২৫ পৃষ্ঠা জোৰা এই কাব্যগ্ৰন্থখনত ওৱালকটে হোমাৰৰ 'ইলিয়াড আৰু ওডিচি'ৰ কাহিনীৰ ভাব বস্তুকেই তাৎপৰ্যমণ্ডিত নিজস্ব বাকশৈলীৰ অভিনৱ ছন্দত নতুনকৈ পুনৰ জীৱিত কৰি তুলিছে। এই কাব্যগ্ৰন্থখন লিখি শেষ কৰিবলৈ ওৱালকটৰ সময় লাগিছিল প্ৰায় তিনি বছৰ। ওৱালকটৰ কবিতা আৰু নাটক উভয়তে কেৰিবিয়ান জনজীৱনৰ আশ্চৰ্য বৰ্ণময় আৰু বিশ্বস্ত চিত্ৰ জীৱন্ত হৈ উঠিছে। ওৱালকট কেৰিবিয়ান ভাষা সংস্কৃতিৰ বিশাৰদেই নহয় তেওঁ এক নতুন সাহিত্য ধাৰাৰো প্ৰৱৰ্তক। তেওঁৰ কলমত ইংৰাজী ভাষাৰ যাদুকৰী শক্তি। সমসাময়িক বহুতো ইংৰাজী লেখকতকৈও তেওঁৰ ইংৰাজী অধিক অন্তৰংগ আৰু হৃদয়স্পৰ্শী। তেওঁ দেখুৱাব পাৰিছে কবিতাৰেও জীৱনৰ ছবি আঁকিব পাৰি। যেনেকৈ পাৰি তুলিকাৰে। আপাত দৃষ্টিত কবিতা আৰু নাটক সাহিত্যৰ দুটি স্বতন্ত্ৰ 'ফৰ্ম' হলেও ওৱালকটৰ সাহিত্যত ইটোৱে সিটোৰ পৰিপূৰক হৈ পৰিছে। তেওঁৰ মতে নিষ্ঠা আৰু একাগ্ৰতাৰ দিশৰ পৰা কবিতা ৰচনা শ্ৰমসাধ্য হলেও নাটক লিখা তাতোকৈ বেছি কঠিন। ভাষাৰ স্বতঃস্ফূৰ্ট দক্ষতাই কবিতাৰ সৃষ্টিক তুলনামূলক ভাৱে সহজ কৰি তোলে। কিন্তু নাটক লিখিবলৈ হলে বহুতো বাধ্যবাধকতা আৰু নীতি নিয়ম মানি চলিব লগা হয়। অৱশ্যে নাটক লেখিবৰ বেলিকা ভাষাৰ কাৰণে ইমান মূৰ ঘমোৱাৰ প্ৰয়োজন নহয়। ৱেষ্ট ইণ্ডিয়ান সমালোচক কেনেথ ৰামচন্দে ওৱালকটৰ কবিতা আৰু নাটক সম্পৰ্কত কৈছে–That Walcott the poet is inseparable from Walcott the dramatist, and that a profound dialogue and a balance exist between the presences and problems explored in the social worlds created in his plays and the dark internalisations of his poems."

কবি জনৰ জীৱন বৰ ব্যস্ত আৰু গতিশীল। বছৰটোৰ আধা সময় তেওঁ আমেৰিকাত কটায় ইংৰাজী সাহিত্য পঢ়াই আৰু আধা সময় কটায় ৱেষ্টইণ্ডিজত নাটক আৰু সাহিত্য ৰচনা কৰি। এইদৰে মাকো মাৰি থকা এটা জীৱনৰ বাবেই কিজানি ৬৩ বছৰ বয়সতো তেওঁৰ মুখত এক চিৰ-সেউজ তৰুণৰ হাঁহি বিৰিঙি থাকে। দুবাৰ বিবাহ বিচ্ছেদৰ পিছত তেওঁ ত্ৰিনিদাদৰ এগৰাকী নৰ্তকী অভিনেত্ৰীক জীৱন সংগিনী হিচাপে আদৰি লৈছে। 'ন্যাছনাল ৰাইটাৰ্চ প্ৰাইজ' আৰু 'কুইন্স গোল্ডমেডেল ফৰ্ পোয়েট্ৰি' আদি অসংখ্য পুৰস্কাৰেৰে ভৰি আছে তেওঁৰ ঘৰ। অধ্যাপনা আৰু নাট্যসূত্ৰে পোৱা গ্ৰান্টবোৰেই তেওঁৰ জীৱিকাৰ উৎস। ইয়াৰ উপৰি তেওঁ পাইছে ট্যাক্সফ্ৰি 'ম্যাক আৰ্থাৰ ফাউণ্ডেশ্যন অ্যাওয়াৰ্ড' যাৰ মূল্য ২,৫০,০০০ ডলাৰ। ইয়াৰ সৈতে যোগ হ'ল তেওঁৰ নোবেল পুৰস্কাৰৰ শকট ধনৰ টোপোলাটো।

কবি, নাট্যকাৰ ডেৰেক ওৱালকটৰ শৰীৰত প্ৰবাহিত হৈছে ত্ৰিজাতিক ৰক্তৰ সংমিশ্ৰণ। আফ্ৰিকান, ডাচ্ আৰু ইংৰাজ এই ত্ৰিজাতিক ৰক্ত জন্মসূত্ৰে লাভ কৰা ওয়ালকটৰ পিতামহ আৰু মাতামহ দুজনেই আছিল শ্বেতাঙ্গ। জন্ম সূত্ৰেই বহুজাতিক সংস্কৃতিৰ ঐতিহ্য লাভ কৰা ওৱালকটে ৱেষ্টইণ্ডিজ, আফ্ৰিকান আৰু ইউৰোপৰ লোক কলা আৰু লোকনাট্যক তেওঁৰ সাহিত্য সৃষ্টিৰ উপাদান হিচাপে প্ৰয়োগ কৰিছে। থলুৱা সংস্কৃতি, কথন ভঙ্গী আৰু

> ওয়ালকটৰ কবিতাত এনে এক মানবীয় অনুভূতিৰ স্ফুৰণ ঘটিছে যাৰ এক সম্পূৰ্ণ স্বকীয়তা আছে। এক খণ্ডিত সত্বাৰ গভীৰত জীপ লৈ থকা বিচিত্ৰ দ্বন্দ্বৰ মাজেৰে বিকশিত হোৱা এক নতুন মানব চেতনাই হ'ল মুলেটো কবি আৰু নাট্যকাৰ ওয়ালকটৰ সাহিত্যৰ মূল প্ৰেৰণা আৰু তাতেই নিহিত আছে তেওঁৰ কাব্য চেতনাৰ স্বকীয়তা

প্ৰবচন আদিয়েও তেওঁৰ নাটক আৰু কাব্যক চহকী আৰু সুখপাঠ্য কৰি তুলিছে। তেওঁক নোবেল বঁটাৰ বাবে বাছনি কৰাৰ বিষয়ে ব্যাখ্যা কৰি চুইডিছ্ নোবেল কমিটিয়ে এই বুলি মন্তব্য কৰিছিল-"three loyalties are Central for him—the Caribbean, the English language and his African origin." ওৱালকটৰ কবিতাত এনে এক মানৱীয় অনুভূতিৰ স্ফুৰণ ঘটিছে যাৰ এক সম্পূৰ্ণ স্বকীয়তা আছে। বিশ্ববিশ্ৰুত আমেৰিকান কবি ৱাল্ট হুইটমেন, ৰবাৰ্টফ্ৰাষ্ট আদিৰ কবিতাত সমসাময়িক আমেৰিকান জীৱনত দেখা দিয়া এক ৱিশেষ আবেগিক সমস্যা তেনেই অনুপস্থিত। এই আবেগিক সমস্যাৰ গুৰিতে আছে শ্বেতাংগ আৰু কৃষ্ণাংগৰ মিলনৰ ফলত উদ্ভৱ হোৱা এক নতুন শ্ৰেণীৰ মানৱ সত্তা। মুলেটো শ্ৰেণীৰ এই লোক সকলৰ দেহত প্ৰবাহিত হয় এফালে সভ্য, সংস্কৃত আৰু অভিজাত শ্বেতাংগ মানুহৰ ৰক্ত আৰু আনফালে অল্পশিক্ষিত, দাসত্ববিদ্ধিত, মূক কিন্তু মুক্তিপ্ৰয়াসী কৃষ্ণাংগৰ তেজ। সভ্যতা, সংস্কৃতি আৰু উন্নত বিজ্ঞানসন্মত জীৱনৰ কথাৰে পশ্চিমীয়া চাহাব সকলে যিমানেই নিজৰ সমাজৰ গৌৰৱ নবঢ়াওক, বৰ্ণ-বৈষম্য সেই সমাজৰ পৰা এতিয়াও সমূলঞ্চে আঁতৰ হোৱা নাই। আনহাতে আফ্ৰিকান জাতি সমূহৰ ওপৰতো পশ্চিমীয়া জাতিৰ দমন পীড়ন আৰু আধিপত্য আজিও খৰ্ব হোৱা নাই। কাজেই শ্বেতাংগ আৰু কৃষ্ণাংগৰ মাজত এক বৰ্ণগত বৈষম্য আৰু দ্বন্দ্ব সদায় বিৰাজ কৰিছে। এই দ্বন্দ্বই বাৰু কেনেকৈ পীড়া কৰে সেই সকল মানৱ সন্তানক যাৰ ৰগত অনবৰত প্ৰবাহিত হয় দুয়ো সম্প্ৰদায়ৰ ৰক্তচেতনা? এক খণ্ডিত সত্তাৰ গভীৰত জীপ লৈ থকা বিচিত্ৰ দ্বন্দ্বৰ মাজেৰে বিকশিত হোৱা এক নতুন মানৱচেতনাই হ'ল মুলেটো কবি আৰু নাট্যকাৰ ওৱালকটৰ সাহিত্যৰ মূল প্ৰেৰণা আৰু তাতেই নিহিত আছে তেওঁৰ 'কাব্যচেতনাৰ স্বকীয়তা।

এক বাৰে বৰণীয়া জন সমষ্টিৰ মাজত জন্ম লৈ দ্বন্দ্বময় কাল ভেদি কেনেকৈ দৈহিক, মানসিক আৰু আধ্যাত্মিক চেতনাই পৰিপক্কতা লাভ কৰিছে তাৰেই আলমত ৰচনা কৰা কবিৰ আত্মজীৱনী মূলক কবিতা Another Life (১৯৭৩) কেৰিবিয়ান সাহিত্যৰ এক ক্লাচিক হিচাপে পৰিগণিত হৈছে।

নিজৰ পিতৃভূমিলৈ ঘূৰি গৈ নিজকে এক আচহুৱা অতিথিৰ দৰে অনুভৱ কৰা কবিয়ে তেওঁৰ সেই দুখদায়ক অভিজ্ঞতাৰ আলমত ৰচনা কৰা Home coming : Anse La Raye আন এক চিত্তস্পৰ্শী কবিতা।

আফ্ৰিকাৰ মউ মউ সম্প্ৰদায়ৰ গণ অভ্যুত্থানক কেন্দ্ৰ কৰি ৰচনা কৰা A Far Cry from Africa (selected poems, 1964) ওৱালকটৰ এক বিখ্যাত কবিতা। এই কবিতাত তেওঁ উপনিবেশবাদী আৰু নেটিভ উভয়কে বৰ্বৰ আখ্যা দিছে। এই কবিতাত পৰিস্ফুত হৈ পৰিছে কবিৰ চিত্তৰ গভীৰত অনবৰত সংঘটিত হৈ থকা সেই দ্বন্দ্ব, যি কবিৰ কাব্য সাহিত্যৰ এক সামগ্ৰিক পৰিচয় বহণ কৰিছে–

*Between the African and the English tongue I love ?*
*Betray them both, or give back what they give ?*
*How can I face such sloughter and be cool ?*
*How Can I turn from Africa and live ?*

ডাঃ ৰণেন পাঠক

# মানিকবাবু সত্যজিৎ ৰায়

আবু নাছাৰ চাঈদ আহমদ

## অপু-ত্ৰিলজী

সাফল্যই সাধকক সাধনাৰ অনন্ত প্ৰেৰণা দিয়ে। "পথেৰ পাঁচালী"য়ে প্ৰথমতে নিউয়ৰ্কত প্ৰশংসা আৰু তাৰ পিছত কলিকতাত মুক্তি পোৱাৰ পিছত বিভিন্ন কাকতে পত্ৰই উচ্চমানবিশিষ্ট কথাছবি বুলি খ্যাতি লাভ কৰাৰ পিছত সত্যজিতে বোলছবি জগতত দৃঢ় আৰু সচেতন পদক্ষেপেৰে আগবাঢ়ি যোৱাৰ সিদ্ধান্ত ল'লে। বিভূতিভূষণ বন্দ্যোপাধ্যায়ৰ কাহিনী আৰু আগুৱাই নিব লাগে; "পথেৰ পাঁচালী"ৰ শিশু অপুক চহৰ আৰু অনাগত সংসাৰৰ সমস্যাৰ লগত মুখামুখী কৰাই দিয়াৰ লগতে ভাৰতৰ অলেখ অপুৰ পৰিধিবিহীন মানৱীয় আৰু বাস্তৱ সংঘাতৰ ছবিখন দাঙি ধৰিব লাগে–এই উদ্দেশ্য আগত ৰাখি সত্যজিতে আৰম্ভ কৰিলে "অপৰাজিত"। তাৰ পিছত তৃতীয়খন ছবি "অপুৰ সংসাৰ"। অৱশ্যে ১৯৫৯ চনত মুক্তি পোৱা "অপুৰ সংসাৰ" বোলছবিখনৰ আগতে "পৰশ পাথৰ" (১৯৫৭) আৰু "জলসাঘৰ" (১৯৫৮) তেওঁ সম্পূৰ্ণ কৰিছিল।

"পথেৰ পাঁচালী", "অপৰাজিত" আৰু "অপুৰ সংসাৰ"–এই তিনিখন কথাছবি চমুকৈ অপুত্ৰিলজী বুলি কোৱা হয়। অপু জন্ম হোৱাৰ পৰা অপুৰ জীৱনকৈলে যদিও এই তিনিখন বোলছবি নিৰ্মাণ কৰা হৈছিল, তথাপি কাহিনীৰ পৰিবেশ, মৌলিক ভাবাৰ্থ আদিত তিনিওখন ভিন্ন আৰু বৈচিত্ৰ্যময়ী। "পথেৰ পাঁচালী"ত অপুৰ জন্ম, বায়েক দুৰ্গাৰ লগৰীয়া হিচাপে নিৰ্দোষ আচৰণ, দুৰ্গাৰ মৃত্যুৰ পিছত অলপমান যেন দায়িত্ব তাৰ কান্ধত পৰা অনুভৱ কৰা সৰু ল'ৰা এটাৰ কোমল অভিব্যক্তি প্ৰকাশ কৰি দেখুওৱা হৈছে। "অপৰাজিত"ত অপুক বেনাৰস নগৰত ডাঙৰ হোৱা, পিতাকৰ মৃত্যুৰ পিছত আহি পৰা সমস্যাৰ মুখামুখী হ'ব পৰা অলপ বুজন ল'ৰা হিচাপে; আৰু "অপুৰ সংসাৰ"ত পোনতে সংসাৰী অপুক পিছত আবৰী ৰূপ দেখুৱাই শেষত পুত্ৰ কাজলৰ লগত মিলন হোৱাৰ দৃশ্যৰে ত্ৰিলজী সামৰি দিয়া হৈছে।

তিনিওখন বোলছবিৰ মাজত এক অবিচ্ছেদ্য যোগসূত্ৰ আছে যদিও তিনিওখনৰ সুকীয়া ভাবাৰ্থ, স্বকীয় সৌন্দৰ্য আৰু মৌলিকত্ব আছে। তিনিওখনৰ অন্যতম চৰিত্ৰ অপুৱে এই অবিচ্ছেদ্য যোগসূত্ৰক জীৱন্ত কৰি ৰখাৰ কাৰণেই "পথেৰ পাঁচালী", "অপৰাজিত" আৰু "অপুৰ সংসাৰ"ক




'অপৰাজিত'ৰ 'হেড মাষ্টাৰ' আৰু 'অপুৰ সংসাৰ'ত অপুৰ কোঠা ঃ সত্যজিতে অঁকা ছবি

চমুকৈ "অপু ত্ৰিলজী" বুলি জনা হয়। "পথেৰ পাঁচালী" কথাছবিখনৰ আগ ভাগতে অপু জন্ম হোৱা আৰু ইন্দিৰ ঠাকৰুণে তাক দোলনা এখনত শুৱাই নিচুকাই গীত গাই থকা দেখুওৱা হৈছে। তাৰ পিছত তাক ছবছৰীয়া ল'ৰা হিচাপে, স্কুললৈ যাবলৈ মন নকৰি বিছনাত পলমকৈ শুই থকা আৰু বায়েক দুৰ্গাৰ লগত থাকি আপোন জগতত বিভোৰ মৰম লগা ল'ৰা হিচাপে দেখুওৱা হৈছে। চুবুৰীয়াৰ জগৰ লগাই অহাৰ অভিযোগত মাকৰ নিৰ্মম প্ৰহাৰত দুৰ্গা আক্ৰান্ত হোৱাৰ দৃশ্য পেঁপুৱা লাগি চাই থকা অপুক "পথেৰ পাঁচালী"ত মিঠাইৰ আশাত মিঠাইৱালাৰ পিছে পিছে বাট লোৱা, ৰেলগাড়ী চাবলৈ দৌৰি যোৱা, বায়েকৰ লগত ইন্দিৰ ঠাকৰুণক মৃত অৱস্থাত আৱিষ্কাৰ কৰা, বৰষুণত বায়েকৰ লগত তিতি-বুৰি জুৰুলা হোৱা এটি সৰু নিৰ্দোষ ল'ৰাৰ ভূমিকাত দেখা গৈছিল। এটা সৰু ল'ৰাৰ সহজাত আৰু নিৰ্মল প্ৰকৃতিত প্ৰথম মচিব নোৱৰা আঘাত আহে দুৰ্গাৰ মৃত্যুত–সৰুৰে পৰা লগৰীৰ দৰে, চত্ৰছায়াৰ দৰে সদায়ে অনুপম ভূমিকা লোৱা বায়েক দুৰ্গাৰ মৃত্যুয়ে তাক জীৱনৰ বাটত ৰৈ থকা নিৰ্দয় বাস্তৱৰ লগত মুখামুখী হোৱাৰ প্ৰথম অভিজ্ঞতা দিলে। ইন্দিৰ ঠাকৰুণৰ মৃত্যুত সেই আঘাত পোৱা নাছিল; যি আঘাত অপুৱে দুৰ্গাৰ মৃত্যুত পালে, লগতে পালে জীৱন যুদ্ধত থিয় হোৱাৰ প্ৰশিক্ষণ–দেউতাকৰ অনুপস্থিতি আৰু দুৰ্গাৰ মৃত্যুৰ পিছত সংসাৰৰ সাধাৰণ দায়িত্ব লবলৈ আগবাঢ়িল অপু। হাতত ছাতি আৰু কেৰাচিন তেলৰ বটল লৈ দোকান মুৱা অপুক আৰু গম্ভীৰ লাগিছিল যেতিয়া দুৰ্গাই প্ৰতিবেশী ঘৰৰ পৰা চুৰ কৰি অনা সোণৰ চেইনদাল আৱিষ্কাৰ কৰি পুখুৰীত পেলাই দিছিল। শেষত মাক-দেউতাকৰ লগত অপু গাঁও এৰি চহৰ মুখী হ'ল।

"পথেৰ পাঁচালী" সম্পূৰ্ণকৈ গাঁৱৰ চিত্ৰ দেখুওৱা কথাছবি। ইয়াত চহৰৰ অকণো আভাস নাই। কিন্তু "অপৰাজিত" কথাছবিখন বেনাৰস নগৰত অপুৱে ভৰি দিয়াৰ পৰাই আৰম্ভ হৈছে। ঐতিহাসিক আৰু ধৰ্মীয় নগৰ বেনাৰস। গংগা এই চহৰৰ প্ৰাণকেন্দ্ৰ। এই পৱিত্ৰ নগৰখনৰ মন্দিৰ, নদীৰ কাষৰ ঘাট, আৰু তাত বহি বৈদিক মন্ত্ৰৰ অহৰহ উচ্চাৰণে চৌদিশ মুখৰিত কৰা পৰিবেশ,–এই সকলোবোৰ নতুন কথাৰ লগত গাঁৱলীয়া ল'ৰা অপুৰ পৰিচয় আছিল ৰোমাঞ্চকৰ। গাঁৱত সি নেদেখা বহুতো কথা ইয়াত দেখিবলৈ পাইছিল। তাৰ দেউতাক হৰিহৰো এজন ব্ৰাহ্মণ; তেওঁ পূজা-পাতল কৰে, মন্ত্ৰ মাতে; কিন্তু ইয়াত দেখোন পূজাৰীয়ে অনবৰতে পূজা কৰে আৰু মন্ত্ৰ উচ্চাৰণ কৰে, মন্দিৰৰ চৌহদত হাজাৰ-বিজাৰ পাৰ চৰাই; অলেখ গৰু আৰু বান্দৰৰ অতপালি, উৎসৱৰ বেলিকা আতচ-বাজী–এনেবোৰ নতুন কথাৰ



মাজত বিমোৰ অপুৱে আৰু নতুন ধৰণৰ আচহুৱা পৰিস্থিতিও দেখিবলৈ পায়। সিহঁতৰ প্ৰতিবেশী নন্দ বাবুৰ ঘৰত দেখাৰ "দৰৱ"ৰ বটল–যদিও দৰাচলতে নন্দ বাবুৰ কোনো বেমাৰ থকা যেন নালাগিছিল।

মুকলিমুৰীয়া অপুৰ জীৱনত আহিল আকৌ নতুন দুৰ্যোগ। দেউতাক হৰিহৰে আনদিনাৰ দৰে পূজা-পাতল কৰিবলৈ যাওঁতে ঘাটত বাগৰি পৰিল। দুদিনমানৰ পৰা অসুখত ভোগা হৰিহৰে পূজা-পাতল কৰি নুফুৰিলে যে সংসাৰ চলাব নোৱাৰে! দেহাই নাটানিলেও সেইদিনা ঘাটলৈ গৈ হৰিহৰ সুস্থ অৱস্থাত ঘূৰি আহিব নোৱাৰিলে। কেইজনমান মানুহে দাঙিলৈ হৰিহৰক ঘৰত থলেহি। অকণমান গংগাৰ পানী মুখতলৈ তেওঁ মৃত্যুৰ মুখত পৰিল। সৰ্বজয়া আৰু অপুৰ জীৱনলৈ আহিল ভয়াবহ দুৰ্দিন।

হৰিহৰৰ মৃত্যুৰ পিছত সৰ্বজয়াই ধনী মানুহ এঘৰত ৰান্ধনীৰ কামত সোমাল। অপুৱে লুভীয়া নন্দবাবুৰ দুই এটা লাগনি পাচনি আৰু পকা চুলি কাঢ়ি দি নিতৌ কেই পইছামান ঘটিবলৈ ল'লে। অলপ দিনৰ ভিতৰতে সৰ্বজয়াৰ সম্পৰ্কীয় মানুহ এজন আহি এই দুদৰ্শাৰ পৰা উদ্ধাৰ কৰি গাঁৱলৈ লৈ গ'ল। অপুৰ নগৰীয়া জীৱনৰ অন্ত পৰিল আৰু গাঁৱলীয়া জীৱন আৰম্ভ হ'ল।

অপুৰ বাবে এই পৰিবৰ্তন অকণো ভাল লগা বিধৰ নাছিল। আনৰ ওপৰত নিৰ্ভৰশীল হ'ব লগা হোৱাৰ কাৰণে সি পঢ়াশালিলৈ যাব পৰা নাছিল। তাক সকলোৱে পঢ়া-শুনা বাদ দি গাঁৱৰে পূজাৰী কামকে ধৰিবলৈ মন্ত্ৰণা দিলে। কিন্তু চকুৰ আগতে গাঁৱৰ ল'ৰাবোৰ পঢ়াশালিলৈ যোৱাৰ দৃশ্যই অপুক উদ-বাউল কৰিলে আৰু মাকক বুজাই বঢ়াই ক'লে যে সি দেউতাকৰ পদানুসৰণ কৰি পূজা-পাতল কৰিব; কিন্তু লগতে সি পঢ়াশালিলৈ গৈ পঢ়া শুনাও কৰি যাব। পঢ়াশালিত সি মেধাৱী ছাত্ৰ বুলি প্ৰমাণ কৰিলে। দোপতদোপে সি উন্নতিৰ জখলাত উঠিবলৈ ধৰিলে। পঢ়াশালি পৰিদৰ্শকৰ পুৰস্কাৰো পালে। এসময়ৰ থিতিঙালি কৰি থকা অপু লাহে লাহে ডাঙৰ হ'ল। প্ৰৱেশিকা ভালদৰে পাছ কৰি কলিকতাত বিজ্ঞান পঢ়িবলৈ ওলাল। চৰকাৰী জলপানিও পালে। কিন্তু তাক ইমান দূৰলৈ পঠাবলৈ মাক মান্তি নহ'ল। দেউতাকৰ কৰ্মকে অনুসৰণ কৰিবলৈ জোৰ দি কলে। সৰ্বজয়াৰ স্বাস্থ্যও ভাগি পৰিছে। অকলে সংসাৰ চলাব নোৱৰা হৈছে। কিন্তু অপুৱে এই বাধা ভাঙি পঢ়িবৰ কাৰণে সুদূৰ কলিকতালৈ যোৱাকে ঠিক কৰিলে। মাকৰ লগত ইয়াকৈলৈ দুৰ্ঘোৰ কাজিয়া হয়। অৱশেষত নিৰুপায় হৈ সৰ্বজয়াই তাক পঢ়িবলৈ যাবলৈ অনুমতি দিলে।

ইয়াতেই আৰম্ভ হয় পুত্ৰ আৰু মাতৃৰ মতবিৰোধ আৰু দ্বন্দ্ব। সত্যজিতে এয়া এক সাধাৰণ বিবাদৰ পৰা দুটা ভিন্নমুখী আদৰ্শৰ বিৰোধলৈ উত্তৰণ কৰিছে। তাৰ লগতে পুত্ৰই মাকক হেৰুওৱা আৰু মাকে পুত্ৰক নিলগত ৰখাৰ বেদনাক অতি নিপুণ ভাবে পৰিচালকে দেখুৱালৈ সমৰ্থ হৈছে। অপুৱে দিনত কলেজত পঢ়া-শুনা কৰে আৰু ৰাতি এটা ছপাশালত কাম কৰি পঢ়াৰ খৰচ উলিয়াই–যিটো কথা বংগৰ প্ৰায় বিলাক নিম্ন মধ্যবিত্ত বা দুখীয়া ছাত্ৰৰ স্বভাবগত ৰীতি আছিল বুলি ক'ব পাৰি। ক্ৰমাগতভাবে অপু মাকৰ সান্নিধ্যৰ পৰা নিলগলৈ যাব ধৰিলে, এনেকৈ এদিন নীৰৱে সৰ্বজয়াই ইহলীলা সম্বৰণ কৰিলে। অপুৱে বহুত পলমকৈ খবৰ পালে। ঘৰলৈ আহি মাকৰ বিয়োগত সি হুৰাউৰাৰে কান্দিলে। নিজৰ বুলি আৰু কোনো নাথাকিল তাৰ। গাঁৱৰ লগত যিকণো সম্পৰ্কৰ জৰি আছিল সিও চিঙি থাকিল। গাঁও চিৰদিনৰ বাবে এৰি অপু চহৰমুখী হ'ল।

"অপৰাজি"ত কথাছবিখনত মাতৃ আৰু পুত্ৰৰ মাজত উদ্ভৱ হোৱা সংঘাত "পথেৰ পাঁচালী" উপন্যাসত বৰ্ণনা কৰাতকৈ বেছি মানৱীয় আৰু মৰ্মস্পৰ্শী হৈছে। বেনাৰস এৰি গাঁৱলৈ আহি অপুৱে পঢ়াশালিত পঢ়িবলৈ বিচৰা আৰু মাকে তাত বাধা দান কৰি পূজা-পাতল কৰি দু-পইছা উপাৰ্জন কৰাৰ সপক্ষে ওকালতি কৰাৰ পৰা আৰম্ভ হোৱা দ্বন্দ্ব সত্যজিতে অতি স্পৰ্শকাতৰভাবে প্ৰকাশ কৰিছে। এই দ্বন্দ্বৰ পৰিণতি সৰ্বজয়াৰ মৃত্যুতহে দেখা যায়। মৃত্যুৱে যেন সকলো বস্তু ধুই নিব পাৰে আৰু সেইবাবে যেন অপুৱে অলপ সকাহ পালে। নিঃসন্দেহে সি মাকক খুব ভাল পায় তথাপি ভিন্নমুখী বিৰোধে তাক যেন মাকৰ পৰা ক্ৰমাগতভাবে আঁতৰাই নিছিল। মৃত্যুৰ শীতল হাতে এই বিবাদৰ যেন অন্ত পেলালে; অপুৱে সেই বাবে যেন স্বস্তিৰ নিশ্বাস পেলালে।

"অপৰাজিত" কথাছবিখনৰ প্ৰতিটো দৃশ্যত কবিতাসুলভ সাবলীল গতি আছিল। তাতেই পৰিচালকৰ সাফল্যৰ ৰহস্যও নিহিতহৈ আছিল। কিছুমান দৃশ্যত বিপৰীত মুখী অৱস্থান অতি সহজ আৰু কৌশলভাবে দেখুওৱা হৈছে। উদাহৰণ স্বৰূপে সৰ্বজয়া আৰু অপু বেনাৰসৰ বিখ্যাত বিশ্বনাথ মন্দিৰ দৰ্শন কৰিবলৈ গৈছে। মন্দিৰৰ ঘন্টাৰ অবিৰাম ছন্দময়ী শব্দ, পূজাৰ আৰতি আৰু ধূপ-ধূনাৰ সুবাসৰ মাজত সৰ্বজয়া একেবাৰে আপোন বিভোৰহৈ পৰে। কিন্তু অপুক এইবিলাকে কোনো প্ৰভাবান্বিত কৰিব পৰা নাই। দেৱালীৰ নিশা জাকজমক ভাবে জ্বলি থকা অলেখ চাকিয়েহে তাক আকৰ্ষিত কৰিছিল। এনেতে হৰিহৰ আহি ওলাইহি। স্বাস্থ্য যথেষ্টভাবে পৰি গৈছে। অপুক কাষতে বহুৱাই লৈ সুধিছে গাঁৱৰ দেৱালী বেছি ভাল লাগেনে বেনাৰসৰ দেৱালীহে বেছি ভাল লাগে। অপুৰ কিন্তু এইবোৰ কথাত কোনো ৰাপ নাই। সি মাথোন লগৰীয়াৰ সৈতে কেতিয়া খেলিবলৈ পাব তাৰে প্ৰতীক্ষাত উদবাউল। এই দৃশ্যৰ যোগেদি তিনিটা ভিন্ন মুখী পৰিস্থিতি দেখুওৱা হৈছে–সৰ্বজয়াৰ ধাৰ্মিক সচেতনতা, অপুৰ শিশু-সুলভ বিভোৰতা আৰু হৰিহৰৰ ভগ্ন স্বাস্থ্যৰ সম্ভাব্য শেষ পৰিণতি।

পিছ দিনা আন দিনাৰ নিচিনাকৈ হৰিহৰ ঘাটৰ পিনে বাট ললে। পূজা-পাতল কৰি, বৈদিক মন্ত্ৰ মাতি দুপইছা উপাজৰ্নৰ আশাত। সৰ্বজয়াই বাধা দিছিল–কাৰণ কেইবাদিনো ধৰি হৰিহৰ স্বাস্থ্য বৰ ভাল নাছিল। ঘাটৰ খটখটীত উঠি যাওঁতে তেওঁ বাগৰি পৰিল। কেইজনমান মানুহে ধৰি দাঙি তেওঁক মুমূৰ্ষ অৱস্থাত ঘৰলৈ লৈ আহিল। ডাক্তৰ আহিল। হৰিহৰক পৰীক্ষা কৰি চালে। সেই সময়তে নন্দবাবু নামৰ লুভীয়া প্ৰতিবেশীজনক খিৰিকিৰ



'অপুৰ সংসাৰ' বোলছবিত সৌমিত্ৰ আৰু শৰ্মিলা

কাষত পাইচাৰি কৰি থকা দেখা যায়। ঠিক এনে সময়তে কুঁৱাৰ পৰা পানী তোলা দৃশ্য এটা অপুৱে একান্তমনে চাই থকা দেখুওৱা হয়। বিয়াগোম চামবাৰ বেগৰ পৰা পানী সৰু সৰু ছিদ্ৰইদি ওলাই অহা দেখুওৱা হয়-যেন হৰিহৰ জীৱন এনেদৰে ফাটি ওলাই শেষ হৈ যোৱাৰ ক্ষণত উপনীত হৈছেহি। এনেতে দেখুওৱা হয় হৰিহৰ থকা ঘৰটোৰ ওপৰ তলালৈ যোৱা খটখটীৰ ওপৰত দুটা সৰু মেকুৰী পোৱালিয়ে খেলি আছে। নন্দবাবুৱে এযোৰ নতুন চিকমিকাই থকা জোতা পিন্ধি নামি আহিছে। নন্দবাবুৰ জোতা যোৰহে দেখুওৱা হয় আৰু তাৰ পৰা সেইজন মানুহ নামি অহাৰ ইঙ্গিত দিয়া হয়। নামি আহোঁতে এপাত জোতাই মেকুৰী পোৱালি এটাক ঠেলা মাৰি আঁতৰাই দিয়ে। এই অতিকৈ অৰ্থপূৰ্ণ দৃশ্যটোৱে এজন লুভীয়া চহকী মানুহৰ সুপ্ত অভিলাষৰ কলাত্মক প্ৰকাশ কৰি সত্যজিতে নিজৰ উচ্চ ধৰণৰ সংবেদনশীলতাৰ পৰিচয় দিছে। এই দৃশ্যই সৰ্বজয়া বিধৱা হোৱাৰ পিছত আহিব পৰা সম্ভাব্য বিপদৰ আগজাননী দিছে।

হৰিহৰৰ মৃত্যুৰ দৃশ্যত সত্যজিতে অতি নিপুণভাবে অৱতাৰণা কৰিছে। মৰণৰ সম্ভেদ পাই হৰিহৰে ক্ষীণ মাতেৰে গংগাৰ পানী অলপ বিচাৰে। অপুৱে ততালিকে পানী এঘটিলৈ আহে। সৰ্বজয়াই ঘটিৰ পৰা অলপ পানী হৰিহৰ মুখত বাকি দিয়ে। হৰিহৰৰ প্ৰাণবায়ু নিমিষতে অনন্ত ধামলৈ উৰি যায়। পুৱাৰ আকাশত অলেখ পাৰ চৰাই উৰি উৰি ছাটি ধৰে। এই অপূৰ্ব দৃশ্যৰ যোগেদি সত্যজিতে মানৱ জীৱনৰ এক অৱশ্যম্ভাবী ঘটনাৰ সৰল অথচ প্ৰাণস্পৰ্শী ব্যাখ্যা দাঙি ধৰিছে। ১৯৫৭ চনত ভেনিচ মহোৎসৱত "অপৰাজিত" প্ৰদৰ্শন কৰোঁতে এই দৃশ্যটো ওলাওঁতে দৰ্শকে অভিভূতহৈ সত্যজিতৰ অসামান্য কল্পনাশক্তি আৰু সৃজনীৰ মৌলিক প্ৰতিভাৰ প্ৰতি স্বতঃস্ফুত স্বীকৃতি জনাই হৰ্ষধ্বনি দিছিল। অৱশ্যে সৰ্বসাধাৰণ দৰ্শকৰ কাৰণে এনে ধৰণৰ দৃশ্যৰ ভাবাৰ্থ বুজাটো সহজ নহয়।

বেনাৰসৰ পৰা মাকৰ সৈতে অপু গাঁৱলৈ উভতি যোৱাৰ পিছৰ পৰা "অপৰাজিত" কথাছবিখনত মানৱীয় সংঘাত অতি সযত্নে দেখুওৱা হৈছে। এইখিনি দেখুৱাওঁতে মানিক বাবুৱে নিজৰ সফলতাৰ প্ৰতি যথেষ্ট সন্দেহভাব প্ৰকাশ কৰিলেও ভাৰতৰ বিভিন্ন চিত্ৰসমালোচকৰ লগতে বিদেশী সমালোচকেও ভূয়সী প্ৰশংসা কৰিছে। "পথেৰ পাঁচালী"ৰ সমান "অপৰাজিত" কাব্যময়ী আৰু সাবলীল নহলেও ইয়াৰ চৰিত্ৰ অংকন আৰু বিশ্লেষণ অতি উচ্চখাপৰ হৈছিল আৰু সেই কাৰণে ভেনিচ কথাছবি মহোৎসৱত শ্ৰেষ্ঠ ছবি হিচাপে পুৰস্কাৰ পোৱাৰ পৰা আৰম্ভ কৰি বিদেশত পাঁচ বাৰ পুৰস্কাৰ লাভ কৰিছিল।

অপুৱে মাকক বহুত বুজাই-বঢ়াইহে পঢ়াশালিত পঢ়িবলৈ গৈছিল, আৰু তাতেই আৰম্ভ



*অপুৰ কোঠা ঃ 'অপুৰ সংসাৰ'ৰ দৃশ্য*

হৈছিল মাক-পুতেকৰ মাজত সৰু-সুৰা মনোমালিন্য। একেদৰেই বহুত বুজনিৰ পিছতহে অপুৱে কলিকতাৰ মহাবিদ্যালয়ত পঢ়িবলৈ মাকৰ অনুমতি পাইছিল। এই সময়তে স্বাভাৱিকতে আকৌ মনোমালিন্য হৈছিল। তথাপি মাকৰ পুত্ৰৰ প্ৰতি বিনন্দীয়া চেনেহ অতি মানৱীয় দৃশ্য এটাৰ যোগেদি সত্যজিতে প্ৰকাশ কৰিছে। কলিকতাত পঢ়িবলৈ যোৱাৰ পিছত প্ৰথম বাৰৰ বাবে অপু ঘৰলৈ আহিছে। গছৰ তলত অপেক্ষাৰত অধীৰ সৰ্বজয়া। ৰেলৰ মাত শুনি পুত্ৰক আদৰি অনাৰ বাবে তেওঁ ব্যস্ত হৈ পৰিছে। চাৰঙ্গীৰ হৃদয় স্পৰ্শী সুৰে এই মুহূৰ্তবোৰ আৰু অধিক আৰু আবেগবিহ্বল কৰি তোলে। সৰ্বজয়াৰ অন্তহীন নিসংগতাৰ কথা এই সুৰে দৰ্শকৰ মাজলৈ কঢ়িয়াই আনে। এনেতে, মাকে কুঁৱাৰ পৰা পানী তোলাৰ বাবে ৰচিদাল টানি থাকোঁতে অপু আহি ওলাইহি। হাতৰ পৰা পানীতোলা ৰচিদাল পৰি যায় আৰু বাল্টিটো কুঁৱাত সোমাই যায়। চিত্ৰ সমালোচক সকলে ক'ব খোজে যে মাকৰ আনন্দ খিনি এনেদৰে নেদেখুৱাই যদি পুতেক অহাৰ লগে লগে মাকে উধাতু খাই দৌৰি গৈ সাবটি ধৰাকে দেখুৱালেহেঁতেন তেনেহলে বোধহয় এই দৃশ্যটো ইমান সাবলীল আৰু মৰ্মস্পৰ্শী নহলহেঁতেন। বোধকৰো অনন্য আৰু অতি সৰল ভঙ্গিমাত মানৱীয় আবেদন প্ৰকাশ কৰিব পৰা সত্যজিতৰ দৰে পৰিচালকৰ সংখ্যা বৰ কম।

বহুত দিনৰ পিছত মাকক লগ পাই অপুৰ ভাল লাগিছিল যদিও তাৰ আৰু মাকৰ মাজত সময়ে আনি দিয়া ব্যৱধান ক্ৰমাগতভাবে বাঢ়ি যোৱা কথাবোৰ সত্যজিতে অতি সাৱধানেৰে আৰু হৃদয়স্পৰ্শী দৃশ্যৰে উত্থাপন কৰিছে। মাকৰ ওচৰ পাই তাৰ বহু কথা ক'ব মন গলেও সি মাকৰ লগত অতি কম কথাহে পাতিলে। ৰাতি মাকে সযতনে তাক ভাত বাঢ়ি দি বিচনীৰে বিচি থাকি কলিকতাৰ কথা দুই এটা সোধাৰ চেষ্টা কৰে যদিও অপুৰ কোনো সঁহাৰি নাই। "পথেৰ পাঁচালী" কথাছবিখনতো হৰিহৰক ভাত বাঢ়ি খাবলৈ দি বিচি থকা দৃশ্যটোৰ যেন পুনৰাবৃত্তি "অপৰাজিত"ত কৰা হৈছে। ভাত পানী খাই অপুৱে কিতাপ এখন মেলি লৈছে। সৰ্বজয়াই কাপোৰ চিলাই আছে। অলপ সময় যোৱাৰ পিছত মাকে অপুক কিতাপখন বন্ধ কৰি কলিকতাৰ বিষয়ে ক'বলৈ ক'লে। কিন্তু ইমান দিন অকলশৰীয়াকৈ থকা সৰ্বজয়াৰ মনত সোমাই পৰা নানা দুঃশ্চিন্তাইহে কথোপকথনত ঠাই পাবলৈ ধৰিলে। সুধিবলৈ ধৰিলে ঃ "অপু, মই যদি বেমাৰত পৰোঁ তই বাৰু মোক চোৱা-চিতা কৰিবিনে ? মোৰ চিকিৎসাৰ বাবে তই টকা-পইছা খৰচ কৰিবিনে ?" দুই এটা প্ৰশ্নৰ উত্তৰ একো নভবাকৈ দি অপু টোপনিত লালকাল দিলে। সৰ্বজয়াৰ ভালদৰে মনত আছিল-নিজৰ মনৰ নানা আশংকাৰ আৰু দুঃশ্চিন্তাৰ কথা হৰিহৰক শোৱাৰ পাটীত কৈ থাকোঁতে হৰিহৰে একো গুৰুত্ব সহকাৰে উত্তৰ নিদি এটা সময়ত গভীৰ টোপনিত মগ্ন হৈ পৰাৰ কথা। অপু টোপনি যোৱাৰ পিছত নামি অহা অস্থিৰ নীৰৱতাই আগলি বতৰা আনি দিছিল-অনতিপলমে অনাদৰতে অপুৰ মাক সৰ্বজয়া মৃত্যুৰ মুখত পৰিব। বাঁহীৰ কৰুণ সুৰে পৰিবেশটো অতি গভীৰ কৰি তুলিছিল।





# কৃত্ৰিম উল্কা

ঘনকান্ত চেতিয়াফুকন



অংকন: চম্পক বৰুৱা

"বুজিছা আই, মই 'ৰাইফলত' যোগদিও মনত অকণো শান্তি পোৱা নাই। ককাইদেউৰ নামটো হত্যাকাণ্ড, ডকাইটি আদি ঘটনাৰ লগত জড়িত বুলি বাতৰি কাকতত প্ৰায়েই প্ৰকাশ হয়। কেইজনমান অসমীয়া ফৌজীয়ে মোক ভায়েক বুলি জানে। সিহঁতে কিবাকিবি কথা পতা মই শুনো।"

"কি কৰিবি বোপাই, সি হয়তো ভাবিছে সি ভালেই কৰিছে। কিন্তু আমিহে তাৰ প্ৰতিফল পাইছো। মই জানো গাঁৱৰ মানুহৰ পৰা অলপ কথা শুনিছো-কিমান ঠাট্টা, মস্কৰা, টিটকাৰি। দুই এজনে ভালেই কয় কিন্তু পেটত কি আছে কোনে জানে ?"

"এইকেইদিন পুলিচ, মিলিটেৰী কিবা আহিছিল নেকি ?"

"যোৱা শনিবাৰে মিলিটেৰী এজাক আহিছিল। ফুলেশ্বৰ আৰু কণবাপুক কেম্পলৈ ধৰি নি বহুতো কিবা কিবি সুধিলে। প্ৰকাশক সিহঁতে চিনি পাই নেকি ঘৰলৈ কেতিয়া আহে। মাকক মানে মোক টকা পইচা দিয়ে নে নিদিয়ে ইত্যাদি। সিহঁতে কি কলে নাজানো। দুদিনৰ মূৰতহে এৰি দিছে। আমাৰ ঘৰত আগৰ দৰে সোমাই লণ্ডভণ্ড কৰিলে। মোকো বেয়া ব্যৱহাৰ কৰিছিল। তোৰ কথা সোধাত 'আচাম ৰাইফল'ত দিয়া কথা কলত অলপ ঠাণ্ডা হৈছে। তোৰ নামটো লিখি নিছে। নামটো মই 'সৰুবোপাই' বুলিহে কলো।"

মাকৰ কথা শুনি বিকাশে হাঁহিবনে কান্দিব একো থিৰাং কৰিব নোৱাৰিলে। তথাপিও মাকক কলে-

"আই, মই তাৰ বাবেই চাকৰিত সোমালো। তাক ধৰি নিলে কতযে শান্তি নিদিব! মই যদি ককাইদেউক অলপ বচাব পাৰো। আই সি সঁচাকৈ ভাল আছিল। তাক সঙ্গদোষেই এনে কৰিলে। তাৰ লগৰ বোৰেইতো মন্ত্ৰী হ'ল, অফিচাৰ হ'ল। তাক যদি চাকৰি এটাকে দিলেহেঁতেন। সি আচল পথলৈ ঘূৰি আহিলহেঁতেন। এতিয়া শুনিছো সকলো সাংঘাতিক কামত তাকেই দৰকাৰ হয়। সি এতিয়া সাংঘাতিক সন্ত্ৰাসবাদী।"

"ককায়েৰা জানো কম সাহসী। এই সাহপিত ভাল কামত লগাবলৈ পোৱা হ'লে ----

"আই, ককাইদেউৰ ভাল গুণবোৰ আজি সমাজেই শেষ কৰি দিলে। সি চাকৰি এটা পোৱা হ'লে এনেখন নকৰিলেহেঁতেন। সমাজত পিছলৈ সকলোৱে বেয়া চকুৰে চাইছিল। অন্যাই বেয়া কাম কৰিলে তাৰ গাতেই দোষবোৰ দিয়ে। সি অধৈৰ্য হৈ পৰিছিল। অকল ককাইদেৱেই নহয় বহুতৰ এনে হৈছে।"

"নহয় সৰুবোপাই, অন্যক অশান্তি দি নিজে শান্তি পোৱাটো কেতিয়াও সম্ভৱ হব নোৱাৰে। সি যে এই হত্যাৰ দৰে সাংঘাতিক কামবোৰ কৰিছে নিজে শান্তিৰে জানো থাকিব পাৰিছে ? তদুপৰি এদিন নহয় এদিন ধৰা পৰিব। "এশ গৰু মাৰিলে বাঘৰো মৃত্যু" মাকৈহে তাৰ এইবোৰ মই কেনেকৈ সহ্য কৰো! সি যদি সঁচতেই মৰি গলহেঁতেন-"

বিকাশ মৌন হৈ থাকিল। তাৰো চকুৱেদি দুটোপাল চকুলো বাগৰি আহিল। মাকে নেদেখাকৈ সি মোহাৰি পেলালে।

-ঘৰখনত গোলাপী, পুতেক প্ৰকাশ আৰু বিকাশ। গোলাপীৰ স্বামীৰ মৃত্যু হোৱা প্ৰায় কুৰি বছৰেই হ'ল। প্ৰকাশে হাইস্কুল পাইছিলগৈ বিকাশ সৰু প্ৰাইমেৰী স্কুলত পঢ়ি আছিল। গোলাপীয়ে মাটি আধি দি যি ধান পাই তাৰে চলিছিল। বাৰীৰ তামোল পাণ বেচি নিজেও তাঁতশালত মেখেলা চাদৰ বৈ ঘৰখন চলাইছিল। ডাঙৰ পুতেক প্ৰকাশে ওচৰৰ কলেজতে পঢ়ি বি, এ পাছ কৰিলে। বিকাশেও মেট্ৰিক পাছ কৰিলে। কিন্তু ঘৰখনত অশান্তিৰ সূত্ৰপাত হ'ল প্ৰকাশক কেন্দ্ৰ কৰিয়েই। সেয়েহে বিকাশেও "আসাম ৰাইফলত" যোগ দিলে। প্ৰায় এবছৰেই হ'ল। সি ডিমাপুৰত থাকে। মাজে মাজে আৱশ্যক হলে নগৰ ফৌজৰ লগত যাব লাগে। সি আহি মাকৰ খবৰ লৈ যায়হি। আগদিনা আহি পিছদিনা গুচি যায়। প্ৰকাশহঁতৰ বাপেক গাঁৱৰ মানুহ যদিও অলপ

শিক্ষিত। ঘৰতে খেতি পথাৰ কৰিও পঢ়া শুনা কৰে–সৰ্বহাৰাদলৰ পাৰ্টিৰ লগত সাধাৰণ ভাবে জড়িত– মাৰ্ক্স লেনিনৰ ভাবধাৰা থকা সৰু সৰু অসমীয়া বঙালী কিতাপ পঢ়িছিল। কিন্তু দুকুৰি বছৰ নৌ হওঁতেই অচিন বেমাৰত ঢুকাল। পৰিয়ালৰ কাৰণে এৰি গ'ল দহবিঘা ৰূপিত মাটি আৰু পাণ-তামোলৰ এখন বাৰী। অৱশ্যে অন্য এটা উত্তৰাধিকাৰীসূত্ৰে প্ৰকাশ বিকাশহঁতে বাপেকৰ পৰা পালে সমাজৰ অন্যায় অত্যাচাৰৰ বিৰুদ্ধে মূৰ দাঙি উঠিব পৰা এটা আপোচবিহীন মনোভাব, এটা বলে নোৱৰা আদৰ্শ। গোলাপীয়ে স্বামী ৰমাকান্ত মৰাৰ পিছত বিধৱা হোৱাৰ যন্ত্ৰণাৰ ওপৰিও বহুতো ঘাত প্ৰতিঘাত পাইছিল। তাই দেখাত বয়সত বেচ ৰূপৱতী আছিল। সুন্দৰ গাৰ গঠন–উজ্জ্বল বগা বৰণ নাৰীৰ দেহত থাকিলে সাধাৰণতে পুৰুষৰ লুভীয়া চকুক একোৱে বাধা দিব নোৱাৰে। দুকুৰিৰ দেওনা পাৰ হোৱা নোহোৱা তাইৰ বয়স। ৰমাকান্তৰ বন্ধু কেইজনমানে ঘনাই অহা যোৱা কৰি খা খবৰ লোৱাৰ বাবে গাঁৱৰ সমাজত গোলাপীৰ মিছা বদনাম ওলাইছিল। যাৰ বাবে প্ৰকাশ বিকাশহঁতেও মাকৰ বাবেই বহুতো অপ্ৰীতিকৰ পৰিস্থিতিৰ সমুখীন হৈছিল। কিন্তু সময়ে প্ৰমাণ কৰিলে গোলাপীৰ ধৈৰ্য আছে, তাই পুতেকহঁতকলৈ এখন আদৰ্শ শান্তিৰ ঘৰ ৰচনা কৰা বাবে পৰিশ্ৰম কৰি গৈছিল।

বি, এ পাছ কৰাৰ পিছত প্ৰকাশে ৰাজনৈতিক ছাত্ৰ আন্দোলনত যোগ দিছিল। প্ৰকাশৰ যি বয়স এই বয়স স্বপ্ন দেখাৰ। সমাজখন সম্পূৰ্ণ ভাবে শোষণ, পীড়ন, দৰিদ্ৰতা, নিবনুৱা সমস্যা আদিৰ পৰা মুক্ত কৰি এখন সুষ্ঠ সমাজ গঢ়াৰ স্বপ্ন। সকলোৰে বাচিবৰ–থাকিবৰ অধিকাৰ আছে। কিন্তু শেষত আন্দোলনকাৰীৰ ভিতৰতো শ্ৰেণী বৈষম্যই দেখা দিলে। সাম্প্ৰদায়িকতা উচ্চ-নীচ আদি ভাবৰ প্ৰাধান্য পৰিলক্ষিত হ'ল। কিছুমানে সুবিধা পালে কিছুমানে নাপালে। এই নোপোৱাজাক হৈ পৰিলে সকলো পোৱা জাকৰ হাতিয়াৰ। প্ৰকাশে পাহৰি গ'ল তাৰ কান্ধৰ উত্তৰাধিকাৰী সূত্ৰে পোৱা আদৰ্শৰ মেটমৰা ভাৰখন। সি কান্ধৰ ভাৰখন নমাই থৈ অন্য এটা বস্তু ললে যিটোৱে বোলে শান্তি আনিব–এয়া হ'ল বন্দুক ৰিভলভাৰ। মানুহক হত্যা কৰাৰ প্ৰশিক্ষণ ললে। ই এটা শিল্প। ইয়াত আনন্দ পাবলৈ ধৰিলে। সুদূৰ আকাশত জিলিকি থকা আদৰ্শৰ জোন বেলিবোৰ খেদি ফুৰাৰ আৱশ্যক নেদেখিলে। কাৰণ হত্যাৰ কৌশলত লুণ্ঠনৰ সহজলভ্য উপাদানত উপভোগ কৰিলে এক আনন্দ–ই নন্দন তাত্বিক আনন্দ নহয় আধ্যাত্মিক আনন্দও নহয় ই হ'ল আদিম মানৱৰ বন্য আনন্দ। প্ৰকাশে তাৰ সমস্ত সাহস কৌশল প্ৰয়োগ কৰি এটা জনাজাত দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী হৈ বাতৰিৰ শিৰোনামা অধিকাৰ কৰিলে। এটি যেন হৃষ্টপুষ্ট ৰবট যাক পৰিচালনা কৰে কম্পিউটাৰৰ চুইচ হাততলৈ থকা প্ৰধান সেনাপতিয়ে যি হয়তো পৰিকল্পনা কৰিছিল সমগ্ৰ বিশ্বৰ সৰ্বহাৰাৰ মুক্তি। --

বিকাশ আজি যাবগৈ। গোলাপীয়ে পুতেকক আশীৰ্বাদ দি হয়তো বিদায় দিব "সকলো কামত দেউতাৰৰ আৰু এই মাৰা জনীৰ কথা মনত ৰাখিবি। তহঁতৰ বাবে সমাজত যাতে আমি লাঞ্চিতা হব লগীয়া নহয় মুখ উলিয়াব নোৱৰা অৱস্থা নহয়।"

কিন্তু বিকাশ যাবৰ সময়ত মাকে এইবোৰ একো নকলে। বিকাশে গধূলি সময়ত মাকক সেৱা এটা জনাই কলে "আই মই যাওঁগে খবৰ লৈ থাকিম। তুমি চিন্তা কৰি মিছাতে কষ্ট নাখাবা।"

মাকে চাদৰৰ আঁচলেৰে চকু মোহাৰি কলে "সকলো ঈশ্বৰৰ ইচ্ছা বোপাই। তই ধৈৰ্য নেহেৰুৱাবি। তই যি পথ লৈছ সেই পথেদিয়েই গৈ থাক। দেশৰ কাম কৰিলেই মোৰ কাম কৰা হব। মই ককায়েৰৰ মন ঘূৰাবলৈ যত্ন কৰিম। যদি সি ঘূৰি নাহে ময়ো একে পথকে লম। তাক মই সমাজৰ কলঙ্কহৈ পুলিচ মিলিটেৰীৰ হাতত শাস্তি খাই মৰিবলৈ এৰি নিদিওঁ। এই মাহতে হয়তো শেষৰ ফালে সি আহিব। আকৌ কৈছো যাৰ পুতেকে আজি দেশখনৰ আৰু চৰকাৰৰ বুকু কঁপাব পাৰিছে তাৰ মাক সিমান দুৰ্বল নহয়।"

বিকাশ সিদিনা গৈছিল। এবাৰ পিছলৈ ঘূৰি মাকৰ মুখখন চাই লৈছিল। এই মুখখনৰ ছবিখনেই তাৰ দুৰ্গম পথৰ পাথেয়।

শনিবাৰে গাঁৱত প্ৰকাশক বিচাৰি মিলিটেৰীয়ে উপদ্ৰৱ কৰি গ'ল। গোলাপীও বাদ পৰা নাই। প্ৰকাশক বিচাৰি বহুতো কথা শুনোৱাই গৈছে। ইয়াৰ পিছতে প্ৰকাশৰ মানুহ আহি গোলাপীক খবৰ দি গৈছে– । সেইদিনা প্ৰকাশ আহিব। গোলাপীয়ে হাতত থকা পইচাখিনি উলিয়াই বজাৰৰ ফালে গ'ল। কাৰোবাক কৰবাত দিব লগা ধাৰ মাৰিলে। কাম কৰিবলৈ কাম্লা দুটাক নালাগে বুলি জনাই দিলে। বজাৰৰ পৰা মাছ বিলাহী ইত্যাদি আনিবলৈ নাপাহৰিলে–এইবোৰ প্ৰকাশে ভাল পায়। আজি ৰাতি প্ৰকাশ আহিব। কালি তাৰ লগৰ এজনে গোপনে খবৰ দি গৈছে।

বজাৰৰ সমুখতে নিগনি মৰা দৰব বিক্ৰী কৰা মানুহটোৰ পৰা দুই পেকেট নিগনি মৰা দৰব কিনিলে। মানুহটোৱে কৈছিল "আই, বৰ সাংঘাতিক বিষ থকা দৰব। অলপ দিলেই হব, মাছৰ লগত মিহলাই ভাতৰ লগত দি থব। নিগনি খতম। কিন্তু খুব সাৱধানেৰে ৰাখিব, চাব যাতে ল'ৰা-ছোৱালীয়ে কেতিয়াও নাপায়।" গোলাপীয়ে পাতলকৈ হাঁহিলে হয়তো এনে অৰ্থ হব পাৰে চিকা, নিগনি, পইঁতাচোৰা আদিৰ বাহিৰে ঘৰত ল'ৰা-ছোৱালীনো ক'ত আছে? কিন্তু প্ৰকাশ সি সিংহনে নিগনি? সিংহৰ পোৱালিক নিগনি হবলৈ দিব নোৱাৰি তাই ভাবি গৈ থাকে। ------

–গাঁৱৰে আবিয়ে ছোৱালী ৰহিলা। তাই প্ৰকাশতকৈ সৰু বিকাশতকৈ ডাঙৰ। মেট্ৰিক পৰীক্ষা দিছিল। তাইৰ মতে "কমন" নপৰাৰ কাৰণে পৰীক্ষা বেয়া হ'ল। তাই গোলাপীৰ ওচৰলৈ কথা পাতিবলৈ কেতিয়াবা আহে। আজিও আহিছে। পদূলিৰ জপনা খুলিয়েই মাত দিলে–

"মাহীদেউ, বজাৰৰ পৰা মিঠাইৰ টোপোলা আনিছে বুলিয়েই চাহপানী এটোপা খাবলৈ আহিছো।"

"ৰহিলা আহ মিঠাই হওক নহওক চাহপানী খাই যাবি, ক চোন সিদিনা মিলিটেৰীয়ে কি কৰিলে।"

"কি কৰিব আৰু আমাৰ কণবাপু আৰু দচোবাৰ ফুলেশ্বৰক নিছিল নহয়। কেম্পত দুৰাতি ৰাখিলে। সুধিছিল বোলে প্ৰকাশ ঘৰলৈ কেতিয়া আহে কব লাগে মাকক টকা পইচা কিমান দিছে–এইবোৰ সুধিছে সিহঁতে নাজানো বুলি কোৱাত প্ৰথমতে কোবাইছিল পিছত যেনিবা এজনে কিবা ইংৰাজীতে কোৱাত এৰি দিলে। আপোনাৰ ঘৰতো সোমাইছিল নহয়?"

"কি কবি সেই কেইটাৰ যি চকুৰ চাৱনি। মই বিকাশ মিলিটেৰীত থকা বুলিলত অলপ থামিলে।"

"মাহী, তোমাৰ গাৰ বৰণটোৱে সিহঁতক চমক খুৱাব। ছোৱালীৰ গাৰ বৰণ এনে 'গাখীৰত ফাকু গুৰি' দিয়াৰ দৰে হ'লে মৰণ। আপোনাৰ বয়স বেছি হলেও কি হব। পিছে আমাৰ মুখৰ মাত গাৰ বৰণ দেখি যেনিবা ওচৰ চাপিবলৈ ইচ্ছা নকৰে।"

"জানো পাই, তই কি কথাবোৰ কৈছ। এতিয়া আমাৰ এই বয়সত সিহঁতে বেয়া চকুৰে চালেও প্ৰাপেই হব। অৱশ্যে 'হৰিণাৰ মাংসই বৈৰী' বোলাটো সঁচা কথা। তোৰ দৰে গাভৰুৰ কেঁচা মঙহৰ বাবেহে সিহঁতৰ লোভ বেছি যেন লাগে।"

"তই অলপ বহ, মই চাহখিনি বাকি আনো।" ৰহিলাই চালে, এইখন ঘৰ আজি কি হ'ল। দুজন ডেকা ল'ৰা থকা ঘৰৰ অৱস্থা–এনেকুৱা। বাৰীত বহুতো অলাগতিয়াল হাবি বন। ঘৰৰ ভিতৰতে কাঠফুলা গজিছে। মাকেনো আজি কিহৰ আশাত ঘৰটো চাফা কৰিব? কেতিয়া কোন অৱস্থাত কি হয় কোনে জানে? গাওঁখনৰ অৱস্থাও একেই। ইয়াকে কয় 'পানীত হাঁহ নচৰা' অৱস্থা। শান্তি কাহানি আহিব?–ৰহিলাৰ আগত চাহবাটি থৈ নিজেও এবাটি আগতলৈ গোলাপীয়ে এটা দীঘল হুমুনিয়াহ পেলালে। কলে "কচোন ৰহিলা, আমাৰ কি হবগৈ, আমি কিহৰ আশাত জীয়াই থাকিম।"

ৰহিলাই চাহবাটিত আঙুলি এটাৰে উমান ললে খাব পৰা হৈছে। চাহ বাটিত শোহা



এটা মাৰি কলে "মাহীদেউ, আমি জানো সঁচাকৈ জীয়াই আছো? আমি কাহানিবাই মৰিলো। আমি জীয়াই থকা হলে দেশত এই অৰাজকতা নহলহেঁতেন।– যি কেইটা জীয়াই আছে, সিহঁত মানুহ নহয় ৰাক্ষস। আপোনাক মোক সকলোকে এদিন সিহঁতে খাই পেলাব।"

গোলাপীয়ে চাহখিনি খাই তামোলৰ বটাৰ পৰা তামোল এখন ভৰাই বটাটো ৰহিলাৰ ফালে ঠেলা মাৰি দি কলে।

"নহয় অ' ৰহিলা, আমি যদি সঁচাকৈ মৰি যাওঁ তেতিয়াহে জীৱন পাম। নতুন জীৱন। এতিয়া আমি মৰা নাই আধামৰা হৈ আছো। আমাৰ কামবোৰ আধামৰা মানুহৰ কামহে হৈছে।

"মাহীদেউ দেশৰ বাবে যি বিলাকে যুদ্ধ কৰি মৰে সেইবিলাকক আমি শ্ৰদ্ধা কৰো। কিন্তু আজি এই যে খণ্ডযুদ্ধবোৰ হৈছে কিহৰ বাবে। এনেকৈ মানুহ মাৰি, ডকাইটি কৰি এজাক মানুহে ইমান অশান্তিৰ যে সৃষ্টি কৰিলে–ইয়াৰ উদ্দেশ্য কেতিয়াও মহৎ হব নোৱাৰে। আজি আমি ৰাতি শুব নোৱৰা কিয় হ'লো–আজি আমি অচিনাকি মানুহক বাঘৰ দৰে ভয় নকৰোনে? আমাক যদি আচল কথাবোৰ বুজাই দিলেহেঁতেন দেশৰ স্বাধীনতাৰ বাবে আমিও যুদ্ধ কৰিলোহেঁতেন।"

"কিন্তু ৰহিলা বৰ দুখ লাগে যে মোৰ ল'ৰাক ইমান দুখেৰে তুলি তালি ডাঙৰ দীঘল কৰিলো। ভাবিছিলো বাপেকে ভবাৰ দৰে সি দেশৰ নেতা হব, গান্ধী, জৱহৰলাল নহলেও আন কিবা হব। কিন্তু মোৰ পৰিচয় আজি প্ৰকাশৰ দৰে এটা সাংঘাতিক হত্যাকাৰী ডকাইতৰ মাক। আমাৰ বাবেই গাঁৱত অশান্তি। মোকেই কোনোবাই মাৰি পেলোৱা হলে। দেশৰ কাৰণে মৰিব পৰা হ'লেতো ভালেই আছিল। এতিয়া নিগনিৰ দৰেহে মৰিব লাগিব।"

ৰহিলাই কয়, "মাহীদেউ তেনেকথা নকব সিহঁতে দেখোন কয় "বন্দুকৰ নলীতহে বোলে শান্তি থাকে"। হয়তো এদিন ইমান দুখকষ্টৰ পিছত দেশলৈ সঁচাকৈ শান্তি আহিব। আমি নমৰো আমি জীয়াই থাকিম আপুনিও থাকিব।"

ৰহিলাই "যাওঁ দেই মাহীদেউ" বুলি গ'লগৈ।– আকাশত ডাৱৰ চাপ খাইছিল হয়তো আজি খুব বৰষুণ হব। --- গোলাপীয়ে ৰহিলা যোৱাৰ পিছত আকাশলৈ চাই ভাবে আজিকালি এন্ধাৰ আকাশৰ পৰা পপীয়া তৰাও নখহে দিনবোৰ সলনি হ'ল।

----প্ৰথমতে গোলাপীয়ে দুৱাৰখন কাণি দুৱৰীকৈ জপাই থৈছিল। ৰাতি হোৱাৰ লগে লগে হো-হোৱনি বতাহ, আকাশত মেঘৰ গাজনি। আজি দোপাল পিটা বৰষুণ–প্ৰকৃতিয়েও যেন কিবা গম পাইছে। মানুহৰ অনীতি অধৰ্ম অন্যায়ৰ লগে লগে প্ৰকৃতিয়েও বিধি নামানি মইমতীয়া হৈছে যেন লাগিছে। বহুত মানুহে এনেদৰেই ভাবিবলৈ ধৰিছে।

---নিশা দহমান বজাত গোলাপীয়ে ভাত ৰন্ধা আৰম্ভ কৰি দিলে। ভাজি এখন, দাইল আৰু মাছৰ জোল। প্ৰকাশ আজি আহিবই। সিহঁতৰ কথাৰ লৰচৰ নাই। সিহঁত মানুহ গুচি মেচিন হৈছে–একবিধ নতুন "ৰবট" দয়া, মায়া, আবেগ, অনুভূতি একো নাই। নিৰ্ভুলভাবে অতি কমসময়ৰ ভিতৰতে হত্যা, লুণ্ঠন আদি সম্পাদন কৰি নিমিষতে জনতাৰ চকুত ধূলি দি অদৃশ্য হয়। নিজৰ পৰিচয় নিজেই বাতৰি কাকতৰ অফিচত দি যায়। কোনে দিয়ে কোনেও কব নোৱাৰে। গোলাপীয়ে এইবোৰ মানুহৰ মুখত শুনিছে।

---- বাহিৰত এজাক কুকুৰে ভুকিছে। এই কুকুৰজাক সশস্ত্ৰ সৈন্যজাকক বাধা দিছে নে? প্ৰকাশহঁতক বাধা দিছে? প্ৰকাশহঁতক কুকুৰজাকে চিনি নাপায় নেকি? কুকুৰজাকেনো মালিকৰ পৰা কি ব্যৱহাৰ পাইছে? গোলাপীয়ে মনে মনে নিজেই যুক্তি উদ্ভাৱন কৰি চিন্তা কৰে? বাহিৰত বৰষুণজাক প্ৰবলভাবে দিছে। বাহিৰত থকা সকলো মানুহেই এনে বৰষুণত তিতিব। প্ৰকাশো তিতিব পায়। আগতে বৰষুণত তিতিলে তাৰ পানী লগা জ্বৰ হৈছিল। আজিকালি তাৰ এনে জ্বৰ নহয় নেকি বাৰু? গোলাপীয়ে ভাবে। গোলাপীৰ ভিতৰৰ মাতৃজনী জাগি উঠে। ----সময় আগবাঢ়ে। ৰাতি বাৰ বাজিছে। পৃথিৱীৰ সাংঘাতিক কামবোৰ সংঘটিত হোৱা সময়। পিছ দুৱাৰত সেই পৰিচিত খট্ খট্ শব্দ হ'ল। আকৌ ৰ'ল কিছুসময় পুনৰ শব্দ–গোলাপীয়ে লেখি গ'ল এঘাৰটা। ঠিকেই তেন্তে। প্ৰকাশে কৈছিল শব্দ কেইটা কৰে শুনিব লাগিব। সি সদায় এঘাৰটা শব্দ কৰিব। দুৱাৰখন খুলি দিলে। সি পলিথিনৰ পানীকোট আৰু টুপী পিন্ধি আহিছিল। সি মাকলৈ চালে মাকে লেম্পটো দেখুৱালে। সি সোমাই আহি মাকক মনে মনে কলে "সময় বেছি নাই, মই অহাটো পুলিচে গম পাইছে, ৰাতিপুৱাৰ আগতেই হয়তো মোক ধৰিবলৈ সিহঁত আহিব।" সি চকীখনত বহিল। মাকক কলে "পানীৰ ঘটিটো আৰু গিলাচ দুটা আনা, বৰ ঠাণ্ডা লাগিছে–অলপ খাই লওঁ। –মাকে আনি দিলে গিলাচ আৰু এঘটি পানী। সি গিলাচত বাকি খাবলৈ ধৰিলে। মাকক কলে তুমিও খোৱা ভালবস্তু 'স্কট্চ' বোলে বৰ দামী। খালে ভাল পাবা ঠাণ্ডাটো কমিব।

মাকে কলে "সৰুবোপাই আহিছিল, তোৰ ভালেইনে?" "মোৰ ভালবেয়া কি আছে। তোমালোকে ভালে থাকিলেই হয়।"

"আমি ভালে থাকিব নোৱাৰো। পুলিচ মিলিটেৰীৰ উৎপাত। গাঁৱৰ মানুহে আমাৰ কাৰণে বৰ কষ্ট পাইছে তোক বিচাৰি আহি সকলোকে অত্যাচাৰ কৰে। গতিকে তই এইবোৰ এৰি পেলা, ঘৰত আমি আগৰ দৰে থাকিম। ভায়েৰে চাকৰি কৰিছে তই ঘৰত থাকিবি তোৰ বিয়া পাতিম মই কিমান দিন জীয়াই থাকিম।"

"আই আৰু নকবা, মোৰ পথ এটাই। যি আগবাঢ়িলো উলটিব নোৱাৰো। আমাৰ নিয়ম বৰ কঠোৰ। মই তেনে কৰিলে মোৰ শাস্তি হব। তদুপৰি তুমি গাঁৱৰ মানুহৰ কথা কৈছা–এইজাক মানুহেই তোমাৰ এদিন বদনাম ৰটনা কৰিছিল দেউতাৰ মৃত্যুৰ পিছত। মোক মিছাকৈ চোৰ বুলি পুলিচত দিছিল। মই সকলো মনত ৰাখিছো। ইহঁতে তলে তলে চৰ বেয়া কাম কৰে। এতিয়া মোৰ কব লগা একো নাই।"

"তই তেন্তে শান্তি নিবিচাৰ?"

"শান্তি কোনে নিবিচাৰে কিন্তু শান্তিৰ নামত অন্যায় অশান্তি সহ্য কৰাতকৈ–আই খোৱা মই বাকি দিছো। খাবলৈ কিবা দিয়া বৰ ভোক লাগিছে।"

গোলাপীয়ে কলে "বৰবোপাই মোক দোষ নিদিবি–তোক মই আনৰ হাতত শাস্তি খাই মৰাটো সহ্য কৰিব নোৱাৰো।" গোলাপীয়ে প্ৰকাশৰ মূৰটো মোহাৰি বুকুতলৈ চুমা এটা খালে গিলাচটোও শেষ কৰিলে।

----- ভিতৰত ভাত ৰন্ধা কাম শেষ হৈছিল। অলপ বাকী আছিল তাকো কৰিলে। দুকাঁহী ভাত লগতে সকলো আঞ্জা তৰকাৰী দুয়ো খালে। কিন্তু খোৱাবোৰৰ স্বাদ হয়তো অস্বাভাৱিক লাগিছিল কোনোৱে কাকো একো কোৱা নাছিল। কিছুসময় খোৱাৰ পিছত প্ৰকাশে কলে "আই আজি ভাতৰ টেষ্টটো বৰ কেনেবা লাগিছে।" ইতিমধ্যে মাকে আধাখোৱাকৈ বিছনাত ঢলি পৰিল। প্ৰকাশে ওচৰত থকা মেকুৰীটোক মাছৰ তৰকাৰী ভাত দিলে সি খাই দুজাপ মান মাৰি মৰি থাকিল–

প্ৰকাশে ৰিভলভাৰ উলিয়াই নিজৰ বুকুত গুলি মাৰিবলৈ লওঁতেই সেইটো হাতৰ পৰা পৰি গ'ল। তাৰ মুখৰ "আই" বোলা শব্দটো ফুটিছিল।------

---- চাৰিমান বজাত ৰাতি সশস্ত্ৰ মিলিটেৰী আহি প্ৰকাশহঁতৰ ঘৰটো ঘেৰাও কৰিলে। গাঁৱৰ পৰা বাহিৰলৈ যোৱা সকলো পথতে সশস্ত্ৰ প্ৰহৰী ৰাখিলে। ওচৰৰ পুলিচ থানাকো সষ্টম কৰি ৰাখিলে।

--- ৰাতিপুৱালত আগদুৱাৰখন ভাঙি ভিতৰত সোমাল–এজন মিলিটেৰী অফিচাৰ আৰু কেইজনমান। দেখিলে তিনিটা মৃতদেহ; চিনাক্ত হ'ল ঃ প্ৰকাশ,–তাৰ মাক, আৰু সম্ভৱ ঘৰত থকা মেকুৰীটো। পাকঘৰত দেখিলে–নিগনিমৰা দৰবৰ দুটা খালি পেকেট। তেন্তে খোৱা বস্তুতেই বিষ। অফিচাৰ জনে কলে "এইবোৰ সাংঘাতিক জিনিচ্–কেৱাৰফুলি আঁতৰ কৰি পুতি পেলাব লাগে।" ৰাতিপুৱাইছে, কিন্তু তেতিয়াও সূৰ্য উদয় হোৱা নাই। ✿

# চিকিৎসা সেৱাঃ লেতেৰা ৰাজনীতি, ব্যৱসায় বন্ধ হওক

হিতেন মহন্ত

প্ৰায় এমাহতকৈ অধিককাল গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়খন বন্ধ হৈ থাকিল। সৰ্বসাধাৰণ ৰাইজৰ জীৱন-মৰণৰ সৈতে জড়িত চৰকাৰী চিকিৎসালয় এখন এমাহতকৈ অধিকাল বন্ধ হৈ থকাৰ ঘটনা বোধহয় দেশৰ ভিতৰত এয়ে প্ৰথম। যি কাৰণতেই নহওক চৰকাৰী চিকিৎসালয় এখন এমাহ কিয় এদিনৰ বাবে বন্ধ হৈ যোৱাটোও অতি পৰিতাপৰ বিষয়। চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়খনত কেতিয়াবা দুই মিনিট সময়ৰ বাবে বিজুলীৰ সৰবৰাহ বন্ধ হৈ গ'লেও ৰাজ্যিক বিদ্যুৎ পৰিষদ সমালোচনাৰ পাত্ৰ হৈ পৰে আৰু হোৱাটোও স্বাভাৱিক। কিয়নো দুই মিনিট সময়ৰ বাবে বিজুলীৰ সৰবৰাহ বন্ধ হৈ যোৱাটোও কেতিয়াবা এজন ব্যক্তিৰ জীৱন নাশৰ কাৰণ হ'ব পাৰে। তেনেস্থলত দুটা পক্ষৰ মাজত অৰিয়াঅৰিৰ বাবেই গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ দৰে গুৰুত্বপূৰ্ণ চিকিৎসালয় এখনত এমাহতকৈ অধিককাল মৰিশালিৰ পৰিস্থিতিয়ে বিৰাজ কৰিলে।

আধুনিক সমাজ ব্যৱস্থাত চিকিৎসালয় হৈছে জীৱন দানৰ প্ৰতিষ্ঠান। মৃত্যুমুখী ৰোগীয়েও চিকিৎসালয়ত লাভ কৰা আধুনিক চিকিৎসাৰ জৰিয়তে আৰোগ্য লাভ কৰে। আৰোগ্য লাভ কৰি এজন ব্যক্তিয়ে পুনৰ জীৱন সংগ্ৰামত ব্ৰতী হোৱাৰ উপৰিও নতুন স্বপ্ন দেখাৰ সুযোগ লাভ কৰে। সেয়ে চিকিৎসালয় এখনক জীৱনদায়িনীৰ উপৰিও ৰাইজে পৱিত্ৰ অনুষ্ঠান হিচাপে গণ্য কৰে। দুহেজাৰ চনত সকলোৰে বাবে স্বাস্থ্য – এই ধ্বনি এতিয়া দেশৰ চুকে-কোণে বিয়পি পৰিছে। এই ধ্বনিৰ মূল উদ্দেশ্য হ'ল দুহেজাৰ চনত দেশৰ প্ৰত্যেকজন ব্যক্তিক আধুনিক চিকিৎসাৰ সু-ব্যৱস্থা প্ৰদান কৰা। দুহেজাৰ চনলৈ মাত্ৰ সাত বছৰ বাকী। কিন্তু এই সাত বছৰ বাকী থকা অৱস্থাত আমাৰ ৰাজ্যখনত এতিয়া চলিছে কি ? চিকিৎসকসকলে নিজৰ দাবী পূৰণৰ বাবে ৰোগীসকলক পণ হিচাপে ব্যৱহাৰ কৰে। চিকিৎসকৰ দাবী পূৰণৰ স্বাৰ্থত ৰোগীসকল হ'ল যেন একোখন ট্ৰামকাৰ্ড। আনহাতে ৰোগী বিশেষকৈ দুখীয়া ৰোগীসকলৰ দুখ-যন্ত্ৰণাৰ নীৰৱ দৰ্শক হৈ পৰে চৰকাৰ। যোৱা বছৰ অসম চিকিৎসা সেৱা সংস্থাই ৰাজ্যজুৰি ধৰ্মঘট কৰাৰ সময়ত উক্ত পৰিস্থিতিৰ সৃষ্টি হৈছিল। এবছৰৰ পিছত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়ত নাম ভৰ্তিক কেন্দ্ৰ কৰি সেই একেই পৰিস্থিতিৰ পুনৰাবৃত্তি হৈছে। গণতান্ত্ৰিক দেশ এখনত চিকিৎসক বা চিকিৎসাৰ সৈতে জড়িত ব্যক্তি আৰু চৰকাৰৰ মাজত হোৱা যুদ্ধখনত ৰোগীসকল পণ হিচাপে ব্যৱহৃত হোৱাটো অক্ষমনীয় অপৰাধ নহয় নে ? ৰোগীক চিকিৎসা প্ৰদান কৰাটো যিদৰে চিকিৎসক এজনৰ অৱশ্য কৰ্তব্য, ঠিক সেই দৰে ৰোগীৰ চিকিৎসাৰ সু-ব্যৱস্থা কৰাটো চৰকাৰ এখনৰ মহান দায়িত্ব। কিন্তু আমাৰ ৰাজ্যখনত ঘটিছে কি ? কেতিয়াবা চিকিৎসকসকলে আৰু কেতিয়াবা চৰকাৰে দায়িত্ব বা কৰ্তব্যৰ প্ৰতি সম্পূৰ্ণৰূপে আওকাণ কৰি ৰোগীৰ জীৱনকলৈ হেতালি খেলিছে। ৰাইজৰ ধনেৰে নিৰ্মিত চিকিৎসালয় এখনত চিকিৎসা লাভৰ পৰা সৰ্বসাধাৰণ ৰাইজক বঞ্চিত কৰাৰ অধিকাৰ কাৰোৰেই নাই। কিন্তু অসমত সঘনাই সেইটোৱে ঘটিছে। চিকিৎসা মহাবিদ্যালয়ৰ ছাত্ৰ এজনৰ নামত চৰকাৰে ডেৰ লাখতকৈ অধিক টকা খৰচ কৰিবলগীয়া হয়। চৰকাৰৰ টকা মানে ৰাইজৰ টকা। সেয়ে পাঠ্যক্ৰম শেষ কৰি চৰকাৰী চাকৰিত যোগদান কৰাৰ পিছত ৰোগীক চিকিৎসা প্ৰদান কৰাটো চিকিৎসক এজনৰ কৰ্তব্য। কিন্তু এই কৰ্তব্য নিষ্ঠাৰে পালন কৰিছে কেইজন চিকিৎসকে ? এতিয়া অসমৰ চহৰে-নগৰে, গাৱেঁ-ভূঞে প্ৰাইভেট প্ৰেক্টিছৰ ধুম। সকলোৰে এতিয়া এটা বদ্ধমূল ধাৰণা হৈছে যে ডাক্তৰক ফিজ দি দেখুৱালেহে মনোযোগেৰে চায়। সেয়ে গাঁঠিৰ ধন ভাঙিও বহুতেই ডাক্তৰক প্ৰাইভেটকৈ দেখুৱায়। ফলস্বৰূপে অসমৰ চুকে কোণে এতিয়া কাঠফুলা ফুলাদি প্ৰাইভেট নাৰ্চিং হোমবোৰ গঢ়ি উঠিছে। চিকিৎসকসকলে এফালে চৰকাৰী চাকৰি কৰিছে আৰু আনফালে প্ৰাইভেট প্ৰেক্টিছ কৰিছে। ৰোগীৰ ভিৰলৈ চাই প্ৰাইভেট প্ৰেক্টিছ বন্ধ কৰি দিয়া কথাটো বাস্তৱসন্মত নহয়। কিন্তু উদ্বেগজনক বিষয়টো হ'ল এয়ে যে প্ৰাইভেট প্ৰেক্টিছৰ নামত ৰোগীসকলক লুট কৰা হয়। কিন্তু সকলো চিকিৎসকে যে লুট কৰিছে সেইটো নহয়। কিন্তু একাংশ চিকিৎসকৰ ক্ষেত্ৰত লুট কৰা কথাটো প্ৰযোজ্য। অপ্ৰিয় হলেও সত্য যে এতিয়া এটা সাধাৰণ বেমাৰৰ চিকিৎসাৰ বাবে ৰোগী এজনে পাঁচশৰ পৰা এহেজাৰ টকা খৰচ কৰিবলগীয়া হয়। চৰকাৰে প্ৰাইভেট প্ৰেক্টিছ বন্ধ কৰি দিয়া হ'ব বুলি মাজে সময়ে হুমকি দিয়ে। কিন্তু এই হুমকিং ফুটুকাৰ ফেনত পৰিণত হয়। চৰকাৰে যে প্ৰাইভেট প্ৰেক্টিছ বন্ধ কৰিব নোৱাৰে সেইটো খাটাং। কিন্তু প্ৰাইভেট প্ৰেক্টিছ কৰা সকলৰ ফিজ নিৰ্দিষ্ট হাৰত বান্ধি দিব নোৱাৰেনে ? চৰকাৰী চিকিৎসালয়ৰ এজন অধ্যাপকে প্ৰত্যেকজন ৰোগী চোৱাৰ বাবদ পঞ্চাশ টকা ফিজ লয়। কিন্তু কেৱল সেয়ে নহয়, কিছু সংখ্যক এনে চিকিৎসক আছে, যিসকলে এজন ৰোগীৰ পৰা তেওঁক পৰীক্ষা কৰাৰ বাবদ প্ৰতিবাৰতেই ফিজ আদায় কৰে। এইটো এটা অন্যায় নহয়নে ? দৰৱ বা অন্যান্য পৰীক্ষাৰ বাবদ হোৱা খৰচৰ কথা বাদেই দিলো। অলপতে আয়কৰ বিভাগে দহজন চিকিৎসকৰ ঘৰত তালাচী চলাই ৭৩ লাখ টকা উদ্ধাৰ কৰাৰ কথা বাতৰিত প্ৰকাশ পাইছে। চিকিৎসাৰ নামত যে ব্যৱসায় চলিছে, উক্ত বাতৰিটোৱে প্ৰমাণ কৰে। কিন্তু কেৱল সেই দহজন চিকিৎসকৰ উপৰিও আন বহুতো চিকিৎসকৰ ঘৰত তালাচী চলোৱাৰ প্ৰয়োজন আছে।

চিকিৎসাৰ নামত লেতেৰা ব্যৱসায় চলি থকাৰ পিছতো কোনো ধৰণৰ প্ৰতিবাদ নাই। আনহে নালাগে এমাহ ধৰি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ দৰে গুৰুত্বপূৰ্ণ চৰকাৰী চিকিৎসালয় এখন বন্ধ হৈ থাকিল। অথচ কাৰো মূৰ কামোৰণি নাই। দুই এখন প্ৰতিবাদ সভা, গৰিহণা, বিবৃতি আদি দিয়া হ'ল। তাৰ পিছত সকলো শেষ। লাহে লাহে সকলোৱে কথাবোৰ পাহৰি পেলালে।

চিকিৎসাৰ ক্ষেত্ৰত এনে এটা হতাশাৰ পৰিস্থিতিৰ মাজতো ব্যতিক্ৰম চিকিৎসক যে নাই এনে নহয়। এনে কিছু সংখ্যক চিকিৎসক এতিয়াও আছে, যি সকলে প্ৰকৃত চিকিৎসকৰ ৰূপত অক্লান্ত পৰিশ্ৰম কৰি মৃত্যুমুখী ৰোগীক জীৱন দান কৰে। কিন্তু এনে চিকিৎসকৰ সংখ্যা এপাচি শাকত এটা জালুকৰ নিচিনা।

সি যি কি নহওক চিকিৎসাৰ নামত লেতেৰা ৰাজনীতি বন্ধ হওক। ৰোগীক পণ হিচাপে ব্যৱহাৰ কৰাটো অচিৰেই বন্ধ হওক। অন্যথা ইয়াৰ কুফল এদিন সকলোৱে ভোগ কৰিব লাগিব। ■





# প্ৰসঙ্গঃ বড়োলেণ্ড আন্দোলন

ধীৰেণ বৰুৱা

বড়ো জনগোষ্ঠীৰ লোক সকলে ভাবিছে অৰ্থাৎ তেওঁলোকক একশ্ৰেণী ক্ষমতালোভী পাৱত গজা জনগণৰ ত্ৰাণকৰ্তাৰ (?) মুখা পিন্ধা নেতাই ভাবিবলৈ বাধ্য কৰাইছে যে উচ্চ-বৰ্ণ হিন্দু সকলে বড়োসকলক যুগ-যুগ ধৰি শোষণ কৰি আহিছে আৰু নায্য প্ৰাপ্যৰ পৰা বঞ্চিত কৰি আহিছে। সেয়েহে অসমত বড়োসকলৰ বাবে এখন পৃথক ৰাজ্য হ'লেহে তেওঁলোকৰ স্বাৰ্থ ৰক্ষা পৰিব। ৰাজনৈতিক, সামাজিক, আৰ্থিক সকলো ফালৰ পৰা অৱস্থা জয়-জয়-ময়ময় হ'ব। বৰ্তমান অসমৰ অধীনত তেওঁলোক নিপীড়িত হৈ পানীত হাঁহ নচৰা অৱস্থা হৈ আছে। গতিকে অসমৰ মাটিত তেওঁলোকক এখন পৃথক বড়োভূমি লাগিবই। এই বড়োলেণ্ড লাভ কৰাত তেওঁলোকক স্বয়ং ভগৱানেও বাধা দি ৰাখিব নোৱাৰিব।

সেইদৰে কাৰ্বি, ৰাভা, হাজং জনগোষ্ঠীৰ লোক সকলৰো ধাৰণা যে উচ্চ বৰ্ণৰ লোকসকলে তেওঁলোকক শোষণ নিপীড়ন কৰি আহিছে। চাহ মজদুৰ ভাই সকলে তেওঁলোকক অবিচাৰ কৰা বুলি চিন্তিত হৈ পৰিছে। বঙালী হিন্দু আৰু বঙালী মুছলমান সকলে সময়ে সময়ে অভিযোগ কৰে যে উচ্চ জাত্যাভিমানী অসমীয়া সকলে তেওঁলোকক পৰিকল্পিত ভাৱে শোষণ কৰি আহিছে। আনকি একালত অসমত ৰাজত্ব কৰা আহোম আৰু কোঁচসকলেও অসমৰ বৰ্ণহিন্দু সকলৰ শোষণৰ অভিযোগত কেতিয়াবা পৃথক ৰাজ্যৰ ধ্বনি তোলা পৰিলক্ষিত হৈছে।

তেনেহ'লে দেখা গ'ল, অসমত বসবাস কৰা সকলো জনগোষ্ঠীৰ লোকেই উচ্চ বৰ্ণৰ হিন্দুসকলৰ কৱলত পৰি শোষিত, জৰ্জৰিত। কেৱল মাত্ৰ মুষ্টিমেয় বামুণ, কলিতা আৰু খিলঞ্জীয়া মুছলমান সম্প্ৰদায়ৰ মানুহখিনিকহে এতিয়ালৈকে কোনেও শোষণ কৰিব পৰা নাই। এতিয়া কথা হ'ল, আন আন জনগোষ্ঠীৰ মানুহবিলাক ইমান এলাইবাদু ভোদানে যে এমুঠিমান বামুণ- কলিতা আৰু খিলঞ্জীয়া মুছলমান মানুহে তেওঁলোকক শোষণ কৰি ন্যায্য প্ৰাপ্য খিনিৰ পৰা বঞ্চিত কৰি পেলালে ?

প্ৰকৃতাৰ্থত দেখা যায় যে স্বাধীনোত্তৰ কালত দেশৰ আন-আন ৰাজ্যৰ তুলনাত অসম বহুত পিছ পৰি ৰ'ল। তাৰ বাবে বিশেষ দুটামান সম্প্ৰদায় দায়ী হ'ব নোৱাৰে। সেইবাবে দায়ী হ'ল অসমীয়া মানুহৰ কৰ্ম বিমুখতা আৰু অকৰ্মণ্যতা আৰু কিছু পৰিমাণে দায়ী কেন্দ্ৰৰ অসমৰ প্ৰতি থকা ঔপনিবেশিক দৃষ্টি-ভংগী। কিন্তু এইটো ঠিক পৃথিৱীত এনে কোনো শক্তি নাই যি নিজৰ প্ৰকৃত কৰ্ম কৰি যোৱা জনক কোনোবাই শোষণ কৰিব পাৰে।

তেনেহ'লে বৰ্তমান তথাকথিত শোষণৰ কথা যদি কোৱা হয়, তেন্তে উচ্চ-বৰ্ণৰ মানুহখিনিহে সকলোতকৈ শোষিত, বঞ্চিত। কাৰণ স্বাধীনোত্তৰ কালত আন আন জনগোষ্ঠীসকলক সংবিধানে ৰক্ষণাবেক্ষণ দিয়াৰ ফলশ্ৰুতি হিচাপে এমুঠিমান উচ্চ বৰ্ণৰ মানুহখিনিহে সকলো প্ৰকাৰে বঞ্চিত হৈছে যেন লাগে।

সংবিধানৰ সংৰক্ষণে সমাজত বিভেদৰ ভাব প্ৰকট কৰি তোলাৰ লগতে সামাজিক বৈষম্য আৰু ব্যাপক কৰি তুলিছে। সংৰক্ষণ প্ৰথাটো অৰ্থনৈতিক ভিত্তিত গ্ৰহণ কৰা হ'লে আজিৰ সমাজত ইমান পয়মাল নহ'লহেঁতেন। প্ৰকৃতাৰ্থত দেখা যায়–প্ৰথম বিভাগত পাছ কৰা দুখীয়া বামুণৰ ল'ৰা এজন অসমৰ ঐতিহ্য মণ্ডিত কলেজ খনত পঢ়িবলৈ চিট এটা পোৱাৰ পৰা বঞ্চিত হ'ব পাৰে। আনহাতে অনুন্নত সম্প্ৰদায়ৰ ধনীঘৰৰ ল'ৰা এজনে তৃতীয় বিভাগত পাছ কৰিও চৰকাৰৰ পৰা বৃত্তি লাভ কৰি নিৰ্বিবাদে, সেইখন কলেজত পঢ়িব পাৰে। আজি চাকৰিৰ এই মহাৰ্ঘৰ দিনত ক'ৰবাত চাকৰি এটা ওলালেই অনুসূচীত জনজাতি বা আন অনুন্নত সম্প্ৰদায়ৰ কাৰণে সংৰক্ষিত। সেই চাকৰিটোৰ বাবে বামুণ গোঁসাইৰ শিক্ষিত ডেকা এজনে এখন দৰ্খাস্ত দিবলৈও যোগ্য নহয়। বাকী আন-আন সা-সুবিধাৰ পৰাতো বঞ্চিত হৈছেই। ইফালে পৰিবৰ্তিত সমাজ ব্যৱস্থাত পূৰ্বাপৰ দৰে বামুণ-গোসাঁই সম্প্ৰদায়ৰ পঢ়া-শুনা কৰা ডেকা এজনে পূজা পাতল কৰি শৰণ-ভজন দিও জীৱিকা নিৰ্বাহ কৰাৰ স্থল নোহোৱা হ'ল। তাতে আন শূদিৰৰ ডেকা ল'ৰা এজনৰ দৰে পথাৰত গৈ ঘপহকৰে নাঙলৰ মুঠিটো ধৰিব নোৱাৰে। সকলো বামুণ গোঁসাইৰ ল'ৰাইটো মুধাফুটা পণ্ডিত হৈ ইউনিভাৰচিটিৰ প্ৰফেচাৰ হ'ব নোৱাৰে। গতিকে ভাৰতবৰ্ষৰ গণতন্ত্ৰত সাংবিধানিক ব্যৱস্থাত উচ্চ বৰ্ণ মানুহখিনিয়েই প্ৰতাৰিত আৰু বঞ্চিত হোৱা নাইনে ?

সেয়েহে অসমত উচ্চ বৰ্ণৰ মানুহখিনিয়েও নিজৰ ৰক্ষণা-বেক্ষণৰ কাৰণে পৃথক ৰাজ্যৰ দাবী তুলি আন্দোলন কৰিলে আচৰিত হ'ব লগা একো নাই। কাৰণ কিবা এটা ইছ্যু লৈ অসমত আন্দোলন কৰাটোৱেই আটাইতকৈ উজু কাম। এতিয়া আৰু প্ৰমাণৰ দৰকাৰ নাই যে কৰ্ম-বিমুখ অসমৰ মানুহে আন্দোলনৰ বাহিৰে একো কৰিব নাজানে। কিবা এটা লৈ কোনোবা দুজনমানে আন্দোলনৰ আহ্বান জনালে অসমৰ মানুহে হিল-দ'ল ভাঙি আহিব। এহৈলে সেই আন্দোলন সন্ত্ৰাসবাদী আন্দোলনেই হওক বা মহাত্মা গান্ধীৰ অহিংস আন্দোলনেই হওক।

ধৰি লোৱা হওক, উচ্চাকাংক্ষী কেইজনমান উচ্চ বৰ্ণ লোকে দুজনমান ছাত্ৰ নেতাৰ লগলাগি নিজৰ অস্তিত্ব ৰক্ষাৰ বাবে যোৰহাট জিলা তথা শিৱসাগৰ আৰু গোলাঘাট জিলাৰ কিছু অংশক লৈ এখন হিন্দু লেণ্ড দাবী কৰি বহিল। আৰু সেই আন্দোলন জোৰদাৰ কৰি গঢ়ি তুলি অসমৰ বা-বতাহ উত্তপ্ত কৰি তুলিবৰ কাৰণে একশ্ৰেণী অধ্যয়ন বিমুখ ছাত্ৰ-ছাত্ৰী আৰু এদল কৰ্মবিমুখ মানুহ গোটোৱাটো ভাতৰ লগত পানী খোৱাৰ দৰে তেনেই সহজ কথা। কাৰণ আন্দোলনৰ অপসংস্কৃতি ছয়-বছৰীয়া বিদেশী বিতাড়নৰ আন্দোলনৰ গুৰি ধৰোতা ৰাম-লক্ষ্মণ ৰূপী ক্ষণজন্মা পুৰুষ (?) সকলেই দেখুৱাই থৈ গৈছে– আন্দোলন কৰিলে কোনো অভিজ্ঞতা নোহোৱাকৈয়ে পোনচাটেই মুখ্যমন্ত্ৰী হ'ব পাৰি। নিজৰ জীৱন ধন্য কৰাৰ উপৰিও চৈধ্য পুৰুষলৈ ধন-সোণ গোটাই ল'ব পাৰি। এনে এক ভয়াবহ পৰিবেশৰ মাজত পৰিপুষ্ট হৈয়ে অসমত বিভিন্ন জনগোষ্ঠীৰ ছাত্ৰনেতা সকলে অধ্যয়নৰ প্ৰতি আওকাণ কৰি ক্ষমতাৰ গাদী লাভ কৰিবলৈ গোলাপী সপোন বুকুত বান্ধি নাভূত-নাশ্ৰুত একোটা ইছ্যু-লৈ আন্দোলনবোৰ গঢ়ি তুলিছে। এই আন্দোলনৰ ছাত্ৰ নেতাবোৰে সতীৰ্থ ছাত্ৰসকলক বিপথে পৰিচালিত কৰাৰ লগতে গাঁৱৰ হোজা নিৰীহ জনসাধাৰণকো বিপৰ্যয়ৰ মাজলৈ ঠেলি দিছে। ইয়াত ইন্ধন আৰু সাৰপানী যোগাইছে এক শ্ৰেণী অসন্তুষ্ট ৰাজনৈতিক নেতা আৰু এক শ্ৰেণী হালধীয়া সস্তীয়া সাংবাদিকতা কৰি পেট প্ৰৱৰ্তোৱা অদূৰদৰ্শী সাংবাদিকে। দুখন মান সাপ্তাহিক বাতৰি কাকতৰ ভূমিকাও এই সম্পৰ্কত মন কৰিব লগীয়া। কিছুমান কল্পনা প্ৰসূত ধ্বংসাত্মক চাঞ্চল্যকৰ বাতৰি পৰিবেশন কৰি যেন কাকত বিক্ৰী কৰাই এই বাতৰি কাকত কেইখনৰ কাম। সমাজৰ প্ৰতি যেন এই বাতৰি কেইখনৰ একো দায়িত্ব নায়েই। কাৰ্বি সকলক স্বায়ত্ত শাসিত ৰাজ্য আৰু অসমৰ বুকুত বড়োলেণ্ডখন গঠন কৰিবলৈ নিদিয়াৰ কাৰণে মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই যেন দায়ী। এই ছাত্ৰ আন্দোলনবোৰে যে শৈক্ষিক পৰিবেশেই

বিনষ্ট কৰিছে, এনে নহয় । বিভিন্ন জনগোষ্ঠীৰ মাজত চলি অহা কোটিকলীয়া ঐক্য সম্ভাৱ-সম্প্ৰীতিৰ এনাজৰিডালো সোলোক-ঢোলোক কৰি সামাজিক পৰিবেশ বিষময় কৰি তুলিছে । প্ৰলয়ংকাৰী ব্ৰহ্মপুত্ৰৰ বলিয়া বানক ৰোধিব নোৱৰাৰ দৰে ভয়াবহতাৰ ৰূপত বাঢ়ি অহা এই ছাত্ৰ আন্দোলনবোৰক বাধা দি ৰাখিব কোনে ?

অসমত বসবাস কৰা সকলো জনগোষ্ঠীৰ লোকেই যদি একোখন সুকীয়া সুকীয়া ৰাজ্য দাবী কৰি বহে তেন্তে অসমৰ অৱস্থা কি হ'ব ? ইতিহাসৰ পুনৰাবৃত্তি হোৱাৰ দৰে অসম প্ৰাক্-আহোম যুগৰ অৱস্থালৈ ঘূৰি যোৱা নহ'বনে ?

অসমৰ মুঠ জনসংখ্যাৰ মাত্ৰ সাত শতাংশ বিভিন্ন অঞ্চলত সিচঁৰতি হৈ থকা বড়ো সকলে যদি "হচাং" (বড়োলেণ্ড) দাবী কৰিব পাৰে, কাৰ্বিসকলে যদি কাৰ্বি স্বায়ত্ত শাসিত ৰাজ্য দাবী কৰিব পাৰে তেন্তে আন আন জনগোষ্ঠী– মিচিং, দেউৰী, সোনোৱাল, কছাৰী, মৰাণ, মটক, ঠেঙাল, তিৱা, ৰাভা, ডিমাচা, ফুলগুৰীয়া, বিমাল আদি অসমত বাস কৰা প্ৰত্যেক জন-গোষ্ঠীয়েই একোখন সুকীয়া ৰাজ্য দাবী কৰাৰ অধিকাৰ আছে । কাৰণ বড়ো, কাৰ্বি সকলৰ দৰে সেই সকল জনগোষ্ঠীৰো নিজৰ নিজৰ ভাষা, কলা, কৃষ্টি আৰু সংস্কৃতি আছে ।

সেয়েহে ভাৰতবৰ্ষৰ দৰে এখন গণতান্ত্ৰিক দেশত জনজাতি সকলৰ স্বাৰ্থ ৰক্ষাৰ বাবে সংবিধানত বিধান সভাৰ সমষ্টি সংৰক্ষণ, চাকৰি-বাকৰি সংৰক্ষণ আৰু অনুন্নতৰ বাবে চৰকাৰী অনুদানৰ ব্যৱস্থা আছে । তেন্তে বড়োলেণ্ড দাবীৰ যুক্তি-যুক্ততা ক'ত ? বড়োলেণ্ড দাবীৰ কাণ্ডাৰীসকলে দাবী কৰাৰ দৰে কেতিয়াবা কোনো যুগত অসমত যে বড়োভূমি আছিল, তাৰো কোনো বুৰঞ্জীমূলক তথ্য নাই । বড়োভূমি সম্পৰ্কত ১ নৱেম্বৰত গুৱাহাটীৰ লক্ষীৰাম বৰুৱা সদনত আঁয়োজন কৰা সভাত "বড়ো কছাৰী ৰাজ্য উত্থাপন আৰু পতনৰ" ওপৰত বক্তৃতা প্ৰদান কৰি আন্তৰ্জাতিক খ্যাতি সম্পন্ন বুৰঞ্জীবিদ "নেহুৰ (NEHU) বুৰঞ্জীৰ অধ্যাপক ড° জয়ন্ত ভূষণ ভট্টাচাৰ্যই ঐতিহাসিক বড়ো ৰাজ্য সন্দৰ্ভত দিয়া মন্তব্য প্ৰণিধান যোগ্য ।

"বড়োসকল অসমৰ অন্যতম প্ৰাচীন অধিবাসী । কিন্তু ব্ৰহ্মপুত্ৰ উপত্যকাত কিমান প্ৰাচীন সেয়া তথ্য সহকাৰে ক'ব নোৱাৰি । বুৰঞ্জী অধ্যয়নৰ নানা ধৰণৰ আহিলা পাতিৰ পৰাও একো তথ্য উম্ঘাটিত হোৱা নাই । ত্ৰয়োদশ শতিকাৰ আহোম সকলৰ আগমনৰ আগতে বড়োসকল ব্ৰহ্মপুত্ৰ উপত্যকাত আছিল যদিও কিমান আগৰে পৰা আছিল তাকো উপযুক্ত তথ্যপ্ৰাতিৰ অভাৱত কব নোৱাৰি । বৃহত্তৰ বড়ো কছাৰী জনগোষ্ঠীৰ চুতীয়া সকলৰ ৰাজ্য থকাৰ কথা জনা যায় । কিন্তু ব্ৰহ্মপুত্ৰ উপত্যকাত বড়ো-কছাৰী ৰাজ্য থকা বুলি কাৰো হাতত একো তথ্য নাই ।"

তেন্তে বড়োলেণ্ড দাবী কৰা সকলে ভূমিপুত্ৰ বুলি ধ্বনি তুলি এক সুকীয়া গৃহভূমি দাবী কৰাটো তেনেই অমূলক । ভাবিলে বিস্ময় মানিব লাগে বড়োনেতা সকলে "ডিভাইদ আসাম ফিফ্‌টি- ফিফ্‌টি" বুলি স্পৰ্দ্ধা আৰু ঊদ্ধতালি প্ৰকাশ কৰাৰ অধিকাৰ পালে ক'ৰ পৰা ? অগপ চৰকাৰেতো অসমখন তেওঁলোকৰ পৈতৃক সম্পত্তিৰ দৰে এশভাগকে লোৱা বুলি গোটেই অসমখনকে বড়োনেতা সকলক প্ৰদান কৰিছিল । বড়োলেণ্ড দাবীৰ সম্পৰ্কত লোক সাহিত্যিক, গৱেষক, পণ্ডিত তথা ৰাজনীতিক পুৰুষ স্বৰ্গীয় ভবেন নাৰ্জাৰীয়ে মৃত্যুৰ প্ৰাক্ মুহূৰ্তত দিয়া মন্তব্যও তাৎপৰ্যপূৰ্ণ– "বেলেগ ৰাজ্য কিয় লাগে ? অসমতে নোৱাৰি ? কাৰ লাভ হ'ব ? এইখন অসম আমাৰ, ইয়াৰ পৰা ওলাই যোৱা মানেই দুৰ্বল হোৱা । বড়োসকল অসমীয়া নহয়নে কি ? বড়ো আৰু অন্য জনজাতীয় সকলৰ ভাষা-সংস্কৃতিৰ সুৰক্ষাৰ ব্যৱস্থা ভালকৈ কৰিলেই হ'ল । জন-জাতীয় সকলৰ কাৰণে সংৰক্ষণৰ ব্যৱস্থাচোন আছেই । অসম খনক ভাঙি পেলোৱাত মই নাইদেঁ ।"

সৰ্বোপৰি বড়োসকলৰ বাবে অসমৰ বুকুত এখন পৃথক ৰাজ্য হ'লে কেইজন মান নেতাই মন্ত্ৰী, এম, এল, এ, হৈ উচ্চাকাংক্ষা পূৰণ কৰাৰ বাহিৰে সৰ্বসাধাৰণ ৰাইজৰ অৱস্থা নদন-বদন হৈ নাযায় । সেয়া হোৱা হ'লে অসমৰ অংগ কাটি তৈয়াৰ কৰা মেঘালয় ৰাজ্যত এইবাৰ শাৰদীয় পূজাৰ সময়ত থলুৱা লোকৰ প্ৰতিহিংসাৰ জুইত কেচুঁৱা, তিৰোতা সমন্বিতে একচল্লিশজন নিৰীহ অজনজাতীয় লোকে করুণভাবে প্ৰাণ হেৰুৱাব লগা নহ'লহেঁতেন । মেঘালয়ত জনজাতীয় সকলে সুকীয়া ৰাজ্য লাভ কৰাৰ পাছতো তাত সমস্যাৰ অন্ত পৰা নাই ।

বড়োলেণ্ড দাবীৰ সংগঠন কেইটাৰ ক্ষমতা-লোলুপ নেতা সকলে ক্ষমতাৰ মৰখক পূৰাবলৈকে নিৰীহ জনসাধাৰণক বিপথে পৰিচালিত কৰি আবেগিক কৰি তোলা নাইনে ? এই আদৰ্শবিহীন নেতাবোৰৰ আন্দোলন কৰাৰ বাহিৰে সমাজ সেৱা নাইবা কোনো গঠনমূলক কাম কৰাৰ কিবা নজিৰ আছেনে ? এই নেতাবোৰে ৰাজনৈতিক ক্ষুদ্ৰ স্বাৰ্থ পূৰণৰ বাবে ৰাইজক পণবন্দী হিচাপে লৈ তেওঁলোকক অবৰ্ণনীয় দুখ-কষ্ট আৰু বিপৰ্যয়ৰ মাজলৈ ঠেলি দিয়া নাইনে ? পৃথক ৰাজ্যৰ দাবীত বড়ো আন্দোলনৰ ফলত ৰাজ্যখনৰ উন্নয়নমূলক কাম কাজ ব্যাহত হোৱাৰ উপৰিও অনেক চৰকাৰী চাকৰিয়াল তথা অসংখ্য বড়ো অবড়ো লোকে প্ৰাণ হেৰুৱাব লগা হ'ল । এই আন্দোলনৰ অন্ত নপৰালৈকে আৰু কত জন নিৰীহ লোকে প্ৰাণ বিসৰ্জন দিব লাগিব তাৰ জবাব দিব কোনে ? (নিৰীহ লোকে এমুঠি বি, এছ, এফৰ হাতত নিতৌ নৃশংস ভাবে প্ৰাণ হেৰুঁওৱা নিকৰুণ ঘটনাই চৰকাৰৰ দক্ষতাহীনতা আৰু অকৰ্মণ্যতাৰ কথাকে ৰাইজক বাৰে বাঁৰে সোঁৱৰাই"দিব) । এই গণহত্যাৰ বাবে আন্দোলনকাৰী নেতা সকলেই দায়ী নহয়নে ? তেওঁলোকে বড়ো আন্দোলনত প্ৰাণ হেৰুওৱা হতভগীয়া আত্মীয়-কুটুম্বৰ করুণ কান্দোন কেতিয়াবা কাণ পাতি শুনিছেনে ?

অশান্ত বড়ো আৰু কাৰ্বি সকলক স্বায়ত্ত শাসিত ৰাজ্য প্ৰদান কৰিলেই সমস্যাৰ ওৰ পৰিবনে ? এনে এক গুৰুত্বপূৰ্ণ প্ৰশ্নৰ উত্তৰ হয়তো সময়েহে দিব পাৰিব । কিন্তু চৰকাৰে মেঘালয় ৰাজ্যৰ পৰা শিক্ষা আহৰণ কৰা উচিত । ১৯৭০ চনত তদানীন্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে ৰাজনৈতিক লাভালাভৰ বাবে নিচেই উজুতে অসমৰ এক অংগ কাটি প্ৰথমে অসম ৰাজ্যৰ ভিতৰতে (State Within a State) মেঘালয় ৰাজ্য ঘোষণা কৰিলে । কেপ্তেইন উইলিয়ামচন চাংমা মুখ্যমন্ত্ৰী হৈ শ্বিলঙৰ ধুনীয়া ফ্লাড্ কণ্ট্ৰল বিল্ডিঙত সতীৰ্থ সকলৰ সৈতে সাৰ্থক সপোন ৰোমন্থন কৰি দুমাহমান আলস্য জীৱন অতিবাহিত কৰিলে । তাৰ পিছত তেওঁলোকে উপলব্ধি কৰিলে যে ৰাজ্যৰ ভিতৰতে এখন ৰাজ্য চলোৱাটো সহজ নহয় । উপায়ান্তৰ হৈ কেপ্তেইন চাংমাই নিজৰ দুখ বৰ্ণনা কৰি দিল্লীৰ দৰবাৰত প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীৰ ওচৰত ৰাওচি জুৰি কান্দিলে । তেতিয়া ইন্দিৰা গান্ধীয়েও পাহাৰীয়া ভাইসকলৰ দুখত বিগলিত হৈ তেওঁলোকৰ দুখ নিৰসন কৰিবলৈ গৈ তথাস্তু বুলি বিনা প্ৰতিবাদে মেঘালয় ৰাজ্যক পূৰ্ণ ৰাজ্যৰ মৰ্য্যদা প্ৰদান কৰিলে । ফলত অসম চৰকাৰে অসমৰ তেজেৰে তৈয়াৰ কৰা ভাৰতবৰ্ষৰ ভিতৰতে শ্বিলঙৰ দৰে এখন ধুনীয়া ৰাজধানী এৰি থৈ দিশপুৰৰ ধাননি পথাৰত কেইটামান গোহালি ঘৰৰ দৰে কাৰ্যালয় সাজি অসমৰ ৰাজধানী তুলি আনিবলৈ থৰ-কাচুটি হেৰাল । সেই সময়তে কেন্দ্ৰীয় চৰকাৰে ষাঠি শতাংশতকৈ অধিক খৰচ বহণ কৰি এখন আটক ধুনীয়া ৰাজধানী গঢ়ি দিবলৈ প্ৰতিশ্ৰুতি দিছিল । কিন্তু আজিও অসমৰ মানুহৰ বাবে এখন মনোমোহা ৰাজধানী স্বপ্ন হৈয়ে ৰ'ল । ইয়াতকৈ পৰিতাপৰ কথা আৰু কি হ'ব পাৰে ।

স্বায়ত্ত শাসিত ৰাজ্যৰ দাবী মানি লোৱা মানেই এদেও দুদেওকৈ লোটা নিয়াৰ চেও নহবনে ? কাৰ্বি আংলং আৰু বড়োলেণ্ড দাবীদাৰ সকলেও স্বায়ত্ত শাসিত ৰাজ্য লাভ কৰাৰ পাছত পূৰ্ণৰাজ্যৰ দাবী নকৰিব বুলি নিশ্চয়তা দিব পাৰিবনে ?

"আজি সকলোৰে অসমীয়া নাম অসম আমাৰ আই,
বাৰ জিলাৰ বাৰ জাতি আমি একে সহোদৰ ভাই ।
পৰ্বত পাহাৰ সকলো আমাৰ ভৈয়ামৰ নৈ-জুৰি
অসম আমাৰ, অসমীয়া আমি, অসম সোণৰ পুৰী ।"

–তৰুণ চন্দ্ৰ পামেগাম





# পুনৰ জ্যোতিষ প্ৰসংগ ঃ সমালোচক সমীপেষু

প্ৰসেনজিৎ চৌধুৰী

১৯৯২ চনৰ ১৬-৩১ আগষ্টৰ 'সূত্ৰধাৰ'ৰ পাতত শ্ৰীযুত নগেন্দ্ৰনাথ বৰা ডাঙৰীয়াৰ চিঠিখন পঢ়ি পুনৰ দুআষাৰ লিখাৰ প্ৰয়োজন অনুভৱ কৰিছো । প্ৰথমেই তেখেতৰ নামটো ভুলকৈ উল্লেখ কৰাৰ বাবে ক্ষমা বিচাৰিছো । ভুলটো অৱশ্যে ছপাশালৰ ভূতৰ কীৰ্তিও হব পাৰে, পিছে আমিও সেইধৰণৰ ভুল কৰাটো আচৰিত নহয় । কিয়নো, চিঠিখন খৰধৰকৈ লিখিছিলো এটা অনিবাৰ্য পাৰিবাৰিক দুৰ্যোগৰ প্ৰায় আগমুহূৰ্তত ।

বৰ্তমানৰ বিজ্ঞান ভৱিষ্যত সম্পৰ্কে 'সম্পূৰ্ণ অন্ধ' নহয়– এই যুক্তিৰ সমৰ্থনত আমি জ্যোতিৰ্বিজ্ঞানীয়ে হেলিৰ ধূমকেতু পুনৰাৱিৰ্ভাৱ সম্পৰ্কে আগতীয়াকৈ কব পৰা ক্ষমতা বা দক্ষতাৰ কথা উল্লেখ কৰিছিলো । এই দৃষ্টান্তই শ্ৰীযুত বৰা ডাঙৰীয়াক সন্তুষ্ট কৰিব পৰা নাই । তেখেতৰ এই অসন্তুষ্টি দৰাচলতে একেবাৰে ভিত্তিহীন নহয় । কিয়নো, ধুমকেতুৰ আৱিৰ্ভাৱ আৰু অকাল বৈধব্য সম্পৰ্কে ভৱিষ্যদ্বাণী একে পৰ্যায়ত পৰিব নোৱাৰে । (যদিও এই কথা অনস্বীকাৰ্য য়ে যি ধূমকেতুক এসময়ত দুখ-দুৰ্দশাৰ কাৰণ বা নিৰ্দেশক বুলি ভবা হৈছিল সেই ধূমকেতুৰ গতিপথ সম্পৰ্কে আগতীয়াকৈ কব পৰাটো কম গুৰুত্বপূৰ্ণ' কথা নহয় ।) আমাৰ ধাৰণা, শ্ৰীযুত বৰা ডাঙৰীয়াই আচলতে যি ভৱিষ্যতৰ বিষয়ে জানিবলৈ বহুতো মানুহ জ্যোতিষীসকলৰ কাষ চাপে 'সেই ভৱিষ্যত সম্পৰ্কে বৰ্তমানৰ বিজ্ঞান 'সম্পূৰ্ণ অন্ধ' বুলি কব বিচাৰিছে । অৰ্থাৎ, জন্ম, মৃত্যু, বিবাহ, চাকৰি, সাফল্য, বিপৰ্যয়/দুৰ্ঘটনাৰ সম্ভাৱনা– এই প্ৰকাৰ ভৱিষ্যত সম্পৰ্কে বিজ্ঞান 'সম্পূৰ্ণ অন্ধ' । কোৱা বাহুল্য যে মানুহৰ অসহায়তা আৰু অনিশ্চয়তাৰ সতে জড়িত এই প্ৰকাৰ ভৱিষ্যত চিন্তাৰ লগত বিজ্ঞানৰ বিশেষ সম্পৰ্ক নাই । কাৰ কেতিয়া কেইটা সন্তান হব সেই বিষয়ে চিন্তা কৰাতকৈ বিজ্ঞানে সন্তান আৰু মাতৃৰ মংগল তথা স্বাস্থ্যৰ কথা চিন্তা কৰে ; কোনে কেতিয়া কেনেকৈ মৰিব সেই বিষয়ে আগতীয়াকৈ কিবা কোৱাৰ ওপৰত গুৰুত্ব নিদি বিজ্ঞানে চেষ্টা কৰে মৃত্যুক সাময়িকভাবে প্ৰতিহত কৰিবলৈ বা অনিবাৰ্য মৃত্যুক আপেক্ষিকভাবে কম যন্ত্ৰণাদায়ক কৰি তুলিবলৈ । কেতিয়াবা অৱশ্যে বিজ্ঞানে আগতীয়াকৈ মানুহৰ অদূৰ ভৱিষ্যতৰ বিষয়ে দুই এষাৰ কথা কোৱা দেখা যায় । বিয়াৰ পাছত বেছ কিছুদিন সতি-সন্ততি নহলে বহুতেই জ্যোতিষীৰ কাষ চাপে, অন্য বহুতে আকৌ চিকিৎসকৰ শৰণাপন্ন হয় । (একে সময়তে চিকিৎসক আৰু জ্যোতিষীৰ শৰণাপন্ন হোৱা মানুহৰ সংখ্যাও কম নহয় ।) এনে ক্ষেত্ৰত চিকিৎসকে কেতিয়াবা সঠিক 'ভৱিষ্যদ্বাণী' কৰা দেখা যায় ঃ সন্তান হব অথবা নহব । এই দৃষ্টান্তই অৱশ্যে শ্ৰীযুত বৰা ডাঙৰীয়াক সন্তুষ্ট কৰাৰ আশা কম । গতিকে আমাৰ প্ৰথম চিঠিৰ বাক্য এটি আমি পুনৰ দোহাৰিছো ঃ বিজ্ঞান-চৰ্চাৰ প্ৰথম আৰু প্ৰধান উদ্দেশ্য ভৱিষ্যত-গণনা নহয়, সত্যৰ অন্বেষণহে ।

শ্ৰীযুত বৰা ডাঙৰীয়াৰ এটা অভিযোগ হ'ল ঃ আমাৰ মূল প্ৰবন্ধত জ্যোতিষৰ এষাৰো উক্তি নাই । কিন্তু জ্যোতিষ শাস্ত্ৰৰ পৰা উদ্ধৃতি নিদিয়াকৈও জানো জ্যোতিষৰ ভিত্তিহীনতা প্ৰমাণ কৰিব নোৱাৰি ? ধৰক, দুৰ্ঘটনাত এখন উৰা জাহাজৰ ১০০ জন যাত্ৰী মৃত্যু মুখত পৰিল ।

> কেতিয়াবা অৱশ্যে বিজ্ঞানে আগতীয়াকৈ মানুহৰ অদূৰ ভৱিষ্যতৰ বিষয়ে দুই-এষাৰ কথা কোৱা দেখা যায় । বিয়াৰ পাছত বেছ কিছুদিন সতি-সন্ততি নহ'লে বহুতেই জ্যোতিষীৰ কাষ চাপে, অন্য বহুতে আকৌ চিকিৎসকৰ শৰণাপন্ন হয় ।

এই যাত্ৰীসকলৰ ভিতৰত যিসকলৰ জন্মপত্ৰিকা আছে তেওঁলোকৰ ৰাশিচক্ৰসমূহ জ্যোতিষ শাস্ত্ৰজ্ঞ প্ৰসিদ্ধ জ্যোতিষীৰ হতুৱাই পৰীক্ষা কৰাওক– অৱশ্যে কাৰ জন্মপত্ৰিকা আৰু কিয় দেখুওৱা হৈছে সেই কথা সদৰি নকৰাকৈ । সন্দেহ নাই, জন্ম মুহূৰ্তত গ্ৰহ-নক্ষত্ৰৰ অৱস্থানে মানুহৰ ভাগ্য-নিৰ্দ্ধাৰণ কৰে– এই কথাষাৰ সত্য নহয় বুলি পৰীক্ষাটোৱে নিশ্চিতভাবে প্ৰমাণ কৰিব । এই প্ৰকাৰ অনুসন্ধানমূলক পৰীক্ষাৰ দ্বাৰা জ্যোতিষৰ ভিত্তিহীনতা প্ৰমাণ কৰাটো তেনেই সহজ– 'ঋষি মুনি তথা গৱেষকে তেখেতসকলৰ দীৰ্ঘদিনৰ পৰীক্ষা-নিৰীক্ষা আৰু অভিজ্ঞতাৰ আধাৰত' ৰচনা কৰা শ্লোকৰ উদ্ধৃতি নিদিয়াকৈ । ঠিক সেইদৰে পৰিসংখ্যাৰ ভিত্তিতো– জ্যোতিষ শাস্ত্ৰৰ শ্লোকৰ উদ্ধৃতি নিদিয়াকৈ– জ্যোতিষৰ ব্যৰ্থতা প্ৰমাণ কৰা যায় । শ্লোক বিবৰ্জিত জ্যোতিষ বিষয়ক আলোচনা বিজ্ঞানসম্মত হব নোৱাৰে– এনে মনোভাব কিমান বিজ্ঞানভিত্তিক সেইকথা শ্ৰীযুত বৰা ডাঙৰীয়াক ভাবি চাবলৈ অনুৰোধ কৰিলো । (জ্যোতিষ শাস্ত্ৰৰ শ্লোকৰ ভিত্তিতো যে যুক্তিবাদী আলোচনা কৰিব পাৰি তাৰ সম্ভাৱনা আৰু প্ৰয়োজনক আমি অৱশ্যে নুই কৰিব বিচৰা নাই ।)

শ্ৰীযুত নগেন্দ্ৰনাথ বৰাৰ চিঠিত জ্যোতিষৰ চিত্তাকৰ্ষক শ্লোক এটাৰ উল্লেখ আছে । এই শ্লোকৰ সহায়ত আমি 'বিষয়টোক ভিতৰৰ পৰা বিশ্লেষণ' কৰাৰ চেষ্টা কৰিব পাৰো । শ্ৰীযুত বৰাই দৃঢ় আৰু দ্বিধাহীনভাবে লিখিছে যে জ্যোতিষ আৰু হস্তৰেখা বিদ্যা– 'উভয়ে মানৱ জীৱনৰ ওপৰত গ্ৰহ-নক্ষত্ৰৰ প্ৰভাৱ আৰু মানুহৰ ভাগ্য যে পূৰ্ব নিৰ্দ্ধাৰিত এই যুক্তিকে সমৰ্থন কৰে ।' একেটা অনুচ্ছেদত তেখেতে অনুবাদ সহ জ্যোতিষৰ শ্লোক এটা উদ্ধৃত কৰি লিখিছে যে 'অৱশ্যে জ্যোতিষেই কৈছে যে মানুহৰ ভাগ্য অপৰিবৰ্তনীয় নহয় । 'দৈব আৰু পুৰুষকাৰৰ সহায়ত মানুহৰ ভৱিষ্যত ফলৱতী হয়' । শেষোক্ত বাক্যটি জ্যোতিষৰ শ্লোকৰেই অনুবাদ । এতিয়া প্ৰশ্ন হ'ল– 'মানুহৰ ভাগ্য পূৰ্বনিৰ্দ্ধাৰিত' এই কথাকেই যদি জ্যোতিষে সমৰ্থন কৰে তেনেহলে মানুহৰ ভাগ্য পৰিবৰ্তনীয় হব কেনেকৈ ? পূৰ্বনিৰ্দ্ধাৰিত ভাগ্য অপৰিবৰ্তনীয় হোৱাটোৱেই স্বাভাৱিক । শ্ৰীযুত বৰাই কি ভাবে নাজানো, পিছে যুক্তিবাদী মানুহে ইয়াৰ মাজত নিৰ্ভেজাল স্ব-বিৰোধিতা বিচাৰি পাব । জ্যোতিষ শাস্ত্ৰৰ উদ্ধৃত শ্লোকটো এই পৰিপ্ৰেক্ষিতত বেছ চিত্তাকৰ্ষক । শ্লোকটো পঢ়ি সংশয়বাদী মানুহৰ মনত নানা তৰহৰ অস্বস্তিকৰ প্ৰশ্নই ভুমুকি মৰাটো খুবেই স্বাভাৱিক । যেনে– পুৰুষকাৰ আৰু দৈৱৰ কৃপাত জন্মলগ্নৰ গ্ৰহ-নক্ষত্ৰৰ অৱস্থান জানো সলনি হব পাৰে ? পূৰ্বনিৰ্দ্ধাৰিত ভাগ্যৰ লগত পুৰুষকাৰৰ সম্পৰ্ক কি ধৰণৰ ? কোনটো বেছি শক্তিশালী ? আকৌ, জ্যোতিষীৰ ওচৰত শৰণাপন্ন হোৱা, গ্ৰহ-পূজা কৰা, নানা তৰহৰ ৰত্নধাৰণ কৰা– এইবোৰও

পুৰুষকাৰৰ ভিতৰত পৰে নেকি ? আচলতে শ্ৰীযুত বৰাই উদ্ধৃত কৰা শ্লোকটোৰ সহায়ত জ্যোতিষৰ বিফলতাৰ সহজ ব্যাখ্যা সম্ভৱ ।

শ্ৰীযুত বৰা ডাঙৰীয়াই লিখিছে যে আমাৰ মূল প্ৰবন্ধত থকা তথ্যৰ 'সৰহভাগেই' তেখেতৰ 'উক্তি বা যুক্তি'ৰো ভিত্তি । কথাষাৰ বৰ পৰিষ্কাৰ নহল । কিয়নো, জ্যোতিষৰ ব্যৰ্থতা সম্বন্ধীয় বহু তথ্য আৰু জ্যোতিষৰ ভিত্তিহীনতা প্ৰমাণ কৰা একাধিক যুক্তি মূল প্ৰবন্ধটোত আমাৰ সীমিত সামৰ্থ্যানুযায়ী আমি আগবঢ়াইছিলো । সেইবোৰৰ ওপৰত কোনো গুৰুত্ব নিদি শ্ৰীযুত বৰা ডাঙৰীয়াই জ্যোতিষৰ তথাকথিত সাফল্যৰ ওপৰত মাত্ৰাধিক গুৰুত্ব দিলে । (উল্লেখ্য, প্ৰথম চিঠিখনত শ্ৰীযুত বৰা ডাঙৰীয়াই তথাকথিত সাফল্য ১০% বুলি যুক্তি আগবঢ়াইছিল, সম্ভৱতঃ আমাৰ প্ৰত্যুত্তৰ পঢ়াৰ পাছত দ্বিতীয় চিঠিখনত সেই তথাকথিত সাফল্যৰ হাৰ ৫% লৈ অৱনমিত হ'ল !)

শ্ৰীযুত বৰা ডাঙৰীয়াৰ মতে '৯৫% অসত্যতকৈ ৫% সত্য নিশ্চয় বহু মূল্যবান ।' কিন্তু কথা হ'ল, ৫% বা নগণ্য সংখ্যক ভৱিষ্যদ্বাণী 'শুদ্ধ' হলেই সি জানো সত্যৰ পৰ্যায়ভুক্ত হব ? আমাৰ মূল প্ৰবন্ধত আমি বিতংকৈ আলোচনা কৰি দেখুৱাইছো কেনেকৈ কেতবোৰ ভৱিষ্যদ্বাণীয়ে 'সঁচা' বুলি স্বীকৃতি লাভ কৰে । শ্ৰীযুত বৰা ডাঙৰীয়াই মুক্ত মনেৰে আৰু ধৈৰ্যসহকাৰে প্ৰবন্ধটো পুনৰ পঢ়ি চালে বুজিব পাৰিব যে আমাৰ 'সৰহভাগ' তথ্য দৰাচলতে তেওঁৰ যুক্তি নহয় । আমি কতো আকস্মিকভাবে বা অন্যান্য কাৰণে মিলি যোৱা ভৱিষ্যদ্বাণীক সত্যৰ মৰ্যাদা দিয়া নাই । জ্যোতিষৰ মাজত শ্ৰীযুত বৰা ডাঙৰীয়াই যি 'সত্য' আৱিষ্কাৰ কৰিছে তাৰ স্বৰূপ এই প্ৰকাৰ ঃ ধৰক, এহেজাৰ চৰাই উৰুৱাই এশজন মানুহৰ হাতত বন্দুক তুলি দি গুলি কৰিবলৈ কোৱা হ'ল । দেখা গ'ল বহুতো চৰাই মাটিত বাগৰি পৰিল । এই ঘটনাটো জানো বন্দুকধাৰী সকলৰ দক্ষতাৰ প্ৰমাণ হ'ব পাৰে ? 'লক্ষ্যভেদ'ৰ এনে দৃষ্টান্তৰ সতে জ্যোতিষৰ 'সাফল্য'ৰ সামঞ্জস্য তৰ্কাতীত ।

আমি লিখিছিলো, 'কোনো এটা পৰীক্ষাত ৮০% ভৱিষ্যদ্বাণী 'ফলিয়ালে'ও সি জ্যোতিষৰ বিশ্বাসযোগ্যতাৰ বিতৰ্কাতীত প্ৰমাণ হব নোৱাৰে । পৰীক্ষাত বাৰে বাৰে একেধৰণৰ ফলাফল পোৱা গলেহে সি বিজ্ঞান-মনস্ক মানুহৰ দৃষ্টি আকৰ্ষণ কৰিব ।' অৰ্থাৎ, বিজ্ঞানৰ মৰ্যাদা পাবলৈ হলে, অন্যান্য কথাৰ লগতে, 'repeatability' ৰ চৰ্তও পূৰণ কৰিব লাগিব । শ্ৰীযুত বৰা ডাঙৰীয়াই কিন্তু আমাৰ সদ্য-উদ্ধৃত কথাখিনিৰ কেৱল প্ৰথম বাক্যটো উদ্ধৃত কৰি আমাৰ যুক্তিক এক বেলেগ ৰূপ দিলে । তেখেতৰ সমালোচনা পঢ়ি পাঠক-পাঠিকাই ভাবিবলৈ বাধ্য হব যে ১০০% শুদ্ধ ফলাফল দেখুৱাব নোৱাৰিলে আমি জ্যোতিষক বিজ্ঞানৰ মৰ্যাদা দিবলৈ নাৰাজ । শ্ৰীযুত বৰাই যদি সচেতনভাবে আমাৰ যুক্তি বিকৃত কৰিবলৈ চেষ্টা কৰা নাই তেনেহলে আমাৰ কথাখিনি দুনাই পঢ়ি চাবলৈ তেখেতক বিনম্ৰ অনুৰোধ জনালো ।

শ্ৰীযুত বৰা ডাঙৰীয়াই লিখিছে যে কোভূৰৰ পৰীক্ষাৰ বিশ্বাসযোগ্যতাৰ 'কোনো প্ৰমাণ আমি পোৱা নাই ।' তেখেতে কি পদ্ধতিৰে কোভূৰৰ পৰীক্ষাসমূহ বিচাৰ বিশ্লেষণ কৰি চাইছে সেইবিষয়ে আমাক অৱশ্যে কোনো আভাস দিয়া নাই । 'জ্যোতিষৰ ওপৰত আস্থা আৰু সামান্য চৰ্চাও' থকা শ্ৰীযুত বৰা ডাঙৰীয়াৰ এই উক্তিত আমি পিছে অকণো আচৰিত হোৱা নাই । কোভূৰৰ পৰীক্ষাসমূহৰ বিষয়ে উক্ত মন্তব্য দি তেখেতে লিখিছে, জ্যোতিষৰ আস্থাভাজন এজন লোকে প্ৰকৃত জ্যোতিষীৰ পৰা তথ্য সংগ্ৰহ কৰা হ'লে হয়তো ৭০/৮০ শতাংশ শুদ্ধ উত্তৰ পালেহেঁতেন ।' অৰ্থাৎ তেখেতে পৰোক্ষভাবে কব বিচাৰিছে যে কোভূৰৰ জ্যোতিষ বিষয়ক পৰীক্ষা-নিৰীক্ষাৰ এটা ঘাই ক্ৰটি হ'ল জ্যোতিষৰ ওপৰত পৰীক্ষকৰ আস্থাহীনতা । যুক্তিবাদী লোকৰ পক্ষে এই প্ৰকাৰ সমালোচনা মানি লোৱাটো সম্ভৱ নহয় । কিয়নো, জ্যোতিষ যদি সঁচাকৈ বিজ্ঞান তেনেহলে পৰীক্ষাত উত্তীৰ্ণ হবলৈ 'আস্থাভাজন' পৰীক্ষকৰ ওপৰত নিৰ্ভৰ কৰাৰ কি অৰ্থ থাকিব পাৰে ? চিকিৎসকে জানো কেৱল 'আস্থাভাজন' ৰোগীৰ চাৰ্টিফিকেট লৈ চিকিৎসা-বিদ্যাৰ বৈজ্ঞানিক মৰ্যাদা দাবী কৰিব বিচাৰে ? অন্যহাতেদি, জ্যোতিষৰ বিশ্বাসযোগ্যতাৰ বিচাৰ কৰিবলৈ চলোৱা পৰীক্ষাৰ তথ্যসমূহ 'প্ৰকৃত' জ্যোতিষীৰ পৰা সংগ্ৰহ কৰা হোৱা নাই বুলি সাধাৰণ লোকক বিভ্ৰান্ত কৰা বা নিজে আত্মসন্তুষ্টি লাভ কৰাটো তেনেই উজু কাম । এই কথা ঠিক যে সকলো জ্যোতিষীৰ শাস্ত্ৰ-জ্ঞানৰ মানদণ্ড বা জ্যোতিষ-চৰ্চাৰ উদ্দেশ্য একে নহয় । কিন্তু উদ্দেশ্য সৎ আৰু শাস্ত্ৰ-জ্ঞান উন্নত হলেই জ্যোতিষে বিজ্ঞানৰ মৰ্যাদা পাব বুলি মনে নধৰে । উল্লেখযোগ্য যে আব্ৰাহাম কোভূৰে ভাৰত বিখ্যাত জ্যোতিষী বি, ভি, ৰমনক পত্ৰযোগে অনুৰোধ কৰিছিল তেওঁৰ (কোভূৰৰ) প্ৰত্যাহ্বান গ্ৰহণ কৰি জ্যোতিষৰ শুদ্ধতা প্ৰমাণ কৰি দেখুৱাবলৈ । এই পত্ৰ প্ৰেৰণৰ পাছত কোভূৰে বাংগালোৰ আৰু তাৰ আশে-পাশে আঠখন সভাত বক্তৃতা দিছিল যদিও বাংগালোৰ নিবাসী এই প্ৰসিদ্ধ 'প্ৰকৃত' জ্যোতিষী গৰাকীয়ে কিন্তু কোভূৰৰ মুখামুখি হবলৈ সাহস গোটাব নোৱাৰিলে । (দ্ৰ. A. Kavoor, **Gods, Demons and spirits**, p.114) বি, ভি, ৰমনক শ্ৰীযুত বৰাই প্ৰকৃত জ্যোতিষীৰ মৰ্যাদা দিয়ে নে নিদিয়ে নাজানো । যদি দিয়ে তেন্তে Astrological magazineত ৰমনে সদৰি কৰা কেতবোৰ ভৱিষ্যদ্বাণীৰ চৰিত্ৰ অনুধাৱন কৰিবলৈ তেখেতে এছ, বালাচন্দ্ৰ ৰাও নামৰ জনৈক যুক্তিবাদীৰ 'Indian Astrologers' squibs go damp' শীৰ্ষক প্ৰবন্ধ এটা পঢ়ি চাব পাৰে । (দ্ৰ. H. Narasimhaiah, **Science, Nonscience and the paranormal**, PP315-318)

কি যুক্তিৰ ভেটিত আমি জ্যোতিষক অনিষ্টকৰ বুলিছো সেইকথা শ্ৰীযুত বৰাৰ বোধগম্য হোৱা নাই । তেখেতে পৰোক্ষভাবে এই যুক্তি আগবঢ়াইছে ঃ 'বিশ্বৰ আটাইতকৈ উন্নত দেশ আমেৰিকা যুক্তৰাষ্ট্ৰ'তেই দেখোন ১২০০ খন কাকতত জ্যোতিষৰ শিতান আছে, গতিকে জ্যোতিষ অনিষ্টকৰ হ'ব কেনেকৈ ? শ্ৰীযুত বৰাৰ যুক্তিৰ এই ভংগী অনুসৰণ কৰি আমি কব পাৰো- যিহেতু 'আটাইতকৈ উন্নত দেশ' আমেৰিকাত ড্ৰাগছৰ প্ৰচলন অভাৱনীয়ভাবে ব্যাপক সেই গতিকে ড্ৰাগছৰ প্ৰচলনক আমি অনিষ্টকৰ বুলি আখ্যা দিয়াটো যুক্তিহীন কাম হব । কোৱা বাহুল্য যে মানুহৰ ভাগ্য ভৱিষ্যত আকাশ নিবাসী গ্ৰহ-নক্ষত্ৰৰ অৱস্থানৰ ওপৰত নিৰ্ভৰশীল - এই ধাৰণাই মানুহৰ আত্মবিশ্বাস হ্ৰাস কৰে, চিন্তাৰ গতিশীলতাক বাধা দিয়ে আৰু জ্ঞান তথা যুক্তিৰ বিকাশক কৰে ক্ষতিগ্ৰস্ত । জ্যোতিষৰ এই ভূমিকাক অনিষ্টকৰ বুলি ক'লে জানো ভুল কোৱা হব ? জ্যোতিষৰ এই ভূমিকাৰ কথা কিন্তু প্ৰাচীন ভাৰতৰ এচাম বুদ্ধিমান লোকে ধৰিব পাৰিছিল । তাহানি কৌটিল্যই লিখিছিল ঃ 'সততে নক্ষত্ৰৰ কথা পৰামৰ্শ কৰি থকা মূৰ্খৰ অভীষ্ট আঁতৰি যায় ; অভীষ্টই অভীষ্টৰ নক্ষত্ৰ ; গ্ৰহবিলাকে কি কৰিব ।' (কৌটিল্যৰ অৰ্থশাস্ত্ৰ, ৰজনীকান্ত দেৱ শৰ্মা সম্পাদিত, ৯/৪/২৬) গৌতম বুদ্ধইও কৈ গৈছে ঃ ('যিসকলে গ্ৰহ-নক্ষত্ৰৰ হিচাপ কৰি সুখ দুখৰ নানা ঘটনাৰ পূৰ্বাভাস দিব পাৰে বুলি দাবী কৰে আৰু তাৰ দ্বাৰা জীৱিকা নিৰ্বাহ কৰে, তেওঁলোকৰ সান্নিধ্যত নথকাই উচিত ।' (বিজ্ঞান জ্যোতিষ সমাজ, পৃঃ ২২) 'আমাৰ ঐতিহ্যক পাহৰি সকলো কথা পশ্চিমীয়া দৃষ্টিৰে' বিচাৰ কৰিছে- এই অভিযোগ অন্ততঃ বুদ্ধ বা কৌটিল্যৰ বিৰুদ্ধে শ্ৰীযুত বৰা ডাঙৰীয়াই নিশ্চয় উত্থাপন কৰিব নোৱাৰিব ।

আচলতে পশ্চিমৰ উন্নত দেশবোৰত জ্যোতিষৰ জনপ্ৰিয়তাৰ এটা ঘাই কাৰণ হল মানুহৰ কৌতূহল । এই কৌতূহলে পশ্চিমীয়া মানসত কি ধৰণে ক্ৰিয়া কৰে তাৰ নমুনা হিচাপে ইংলেণ্ডত চলোৱা এটি সমীক্ষাৰ কথা আমি এই প্ৰসংগত উল্লেখ কৰিব পাৰো । (দ্ৰ. G. Jahoda, **The Psychology of Superstition**, P. 30) সমীক্ষাত ৪,৯৮৩ জন লোকক প্ৰশ্ন কৰা হ'ল- তোমালোকে 'People' নামৰ কাকতখনত প্ৰকাশিত জ্যোতিষৰ শিতানটো পঢ়া নে ? উত্তৰ আহিল-

Regularly 50% Occasionally39%
Never 10% No answer 1%

তাৰ পাছত প্ৰশ্ন কৰা হ'ল- জ্যোতিষৰ শিতানত থকা পৰামৰ্শ/উপদেশবোৰ তোমালোকে বাৰু মানি চলানে ? উত্তৰ আহিল-

Regularly 3% Occasionally 22%
Never 70 % No answer 5%

লক্ষণীয় যে নিয়মিতভাবে বিশেষ এখন কাকতত প্ৰকাশিত জ্যোতিষ শিতানটো পঢ়ে ৫০% মানুহে, অথচ জ্যোতিষীৰ পৰামৰ্শ/উপদেশবোৰ মানি চলে মাত্ৰ ৩% মানুহে । পশ্চিমীয়া সমাজত জ্যোতিষৰ জনপ্ৰিয়তাৰ নেপথ্যত কৌতূহলৰ ভূমিকা কিমান গুৰুত্বপূৰ্ণ তাৰ তৰ্কাতীত সাক্ষ্য আছে এই সমীক্ষাটোত । উল্লেখ্য যে সভ্য সমাজত জ্যোতিষৰ জনপ্ৰিয়তাৰ কথা কওঁতে জনৈক লেখকে জ্যোতিষক 'Popular pastime' বুলি উল্লেখ কৰিবলৈ কুণ্ঠাবোধ কৰা নাই । ('Astrology', in **Encyclopaedia Britannica**, Vol-II, p. 642) সাময়িকভাবে অন্ততঃ মানুহৰ কৌতূহল চৰিতাৰ্থ কৰাৰ সম্ভাৱনা নথকাহেঁতেন জ্যোতিষ জানো অৱসৰ-বিনোদন হিচাপে জনপ্ৰিয় হলহেঁতেন ?

এইখিনিতে আমি এষাৰ কথা উল্লেখ কৰা সমীচীন হব । উন্নত দেশবোৰত জ্যোতিষীৰ জনপ্ৰিয়তাৰ এটা ঘাই কাৰণহে মানুহৰ কৌতূহল, সি কেতিয়াও এই জনপ্ৰিয়তাৰ একমাত্ৰ কাৰণ হব নোৱাৰে । আমি মনত ৰখা উচিত হব যে বৰ্তমানৰ অতৃপ্তি আৰু ভৱিষ্যতৰ অনিশ্চয়তাই পশ্চিমৰ বহু লোকক জ্যোতিষ-নিৰ্ভৰ বা জ্যোতিষৰ প্ৰতি আগ্ৰহী কৰি তুলিছে । সম্প্ৰতি পশ্চিমৰ সমাজত ৰহস্যবাদ বা অতীন্দ্ৰিয়বাদৰ যি পুনৰুত্থান ঘটিছে তাৰ সম্বেও জ্যোতিষৰ জনপ্ৰিয়তাৰ সম্পৰ্ক নথকা নহয় । (দ্ৰ. **A Dictionery for Believers and Non-Believers**, p.37) তদুপৰি, জ্যোতিষৰ ওপৰত নিৰ্ভৰ কৰা দুৰ্বল মনৰ মানুহ পশ্চিমৰ সমাজতো আছে, কিন্তু ই কেতিয়াও জ্যোতিষৰ 'ন্যায্যতা বা উপকাৰিতা' প্ৰমাণ নকৰে । (দ্ৰ, মেঘনাদ ৰচনা সংকলন, পৃঃ ১৪০-১৪১) পশ্চিমীয়া সমাজত জ্যোতিষৰ জনপ্ৰিয়তাৰ তথ্যটোক নিজৰ বক্তব্যৰ সপক্ষে ব্যৱহাৰ কৰোতে শ্ৰীযুত বৰা ডাঙৰীয়াই নিশ্চয় এই কথাবোৰ ফঁহিয়াই চোৱা নাই ।

শ্ৰীযুত বৰা ডাঙৰীয়াই নিজকে 'জ্যোতিষৰ অন্ধ অনুৰাগী' বুলি নাভাবে । জ্যোতিষৰ 'সফলতা'ৰ কেইটামান 'প্ৰমাণ' তেখেতে চিঠিৰ শেহৰ পিনে সন্নিৱিষ্ট কৰিছে । প্ৰথম প্ৰমাণটোৰ পৰা বুজিবলৈ অসুবিধা নহয় যে শ্ৰীযুত বৰা ডাঙৰীয়াও এগৰাকী 'প্ৰকৃত' জ্যোতিষী । (এই দৃষ্টান্তটোক বহুতে আত্ম-বিজ্ঞাপনৰ কৌশল বুলি সন্দেহ কৰাৰ থল আছে ।) দ্বিতীয় 'প্ৰমাণ' টোৰ বিষয়ে আমি থোৰতে দুআষাৰ কব বিচাৰিছো । যদি জ্যোতিষীৰ নিৰ্দেশ মতে চলিলেই অকাল বৈধৱ্য বা সেই প্ৰকাৰ দুৰ্যোগৰ পৰা হাত সাৰিব পাৰি তেনেহলে মানুহৰ ভাগ্য পূৰ্ব নিৰ্দ্ধাৰিত বুলি কোৱাৰ কি অৰ্থ থাকিব পাৰে ? নে জ্যোতিষীৰ শৰণাপন্ন হোৱাটো 'পুৰুষকাৰ'ৰ ভিতৰত পৰে ? শ্ৰীযুত বৰা ডাঙৰীয়াই এই প্ৰকাৰ ঘটনাক জ্যোতিষৰ সফলতাৰ প্ৰমাণ বুলি প্ৰচাৰ কৰিবলৈ যত্ন কৰিলেও যুক্তিবাদী মানুহৰ মনত এনেবোৰ সাফল্যই নতুন কেতবোৰ প্ৰশ্নৰহে জন্ম দিয়ে । এই প্ৰসংগত আমি বংকিম চন্দ্ৰ চট্টোপাধ্যায়ৰ জীৱনৰ ঘটনা এটা উল্লেখ কৰিব পাৰো । জীয়েকক বিয়া দিয়াৰ পূৰ্বে বংকিমচন্দ্ৰ জ্যোতিষীসকলৰ শৰণাপন্ন হৈছিল আৰু জ্যোতিষীসকলে সকলো চাই চিতি জীয়েক জোঁৱায়েকৰ জীৱন সুখৰ হব বুলি ঘোষণা কৰিছিল । পিছে বাস্তৱ জীৱনত দেখা গ'ল বিয়াৰ কিছুদিন পাছতেই জীয়েকে অকাল বৈধৱ্যৰ দুঃসহ জীৱন সাবটি লবলৈ বাধ্য হ'ল । (দ্ৰ. A Bandyopadhayay, Do the planets Rule Our Lives', **The Sunday Statesman**, Nov. 17 1991) নকলেও হব যে হিন্দু ঐতিহ্যৰ প্ৰতি বিশেষভাবে আকৃষ্ট সুপণ্ডিত বংকিম চন্দ্ৰই নিশ্চয় প্ৰকৃত জ্যোতিষীৰ কাষ চাপিছিল নিজৰ জীয়েকৰ ভাগ্য-ভৱিষ্যতৰ কথা জানিবলৈ । কিন্তু ইমান কৰা সত্ত্বেও জীয়েকৰ জীৱনলৈ ভয়ংকৰ এন্ধাৰ নামি অহা ঘটনাই বংকিমচন্দ্ৰৰ মনত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে । জ্যোতিষৰ ওপৰত অনাস্থা ব্যক্ত কৰি বংকিমচন্দ্ৰই যি মন্তব্য দিছিল তাৰ সতে সম্ভৱতঃ এই দুঃখজনক ঘটনাটোৰ সম্পৰ্ক আছে । বংকিমচন্দ্ৰই কোনো দ্বিধা আৰু অস্পষ্টতা নোহোৱাকৈ ঘোষণা কৰিছিল ঃ 'জ্যোতিষ শাস্ত্ৰেৰ গণনাৰ উপৰ কিছুমাত্ৰ বিশ্বাস কৰিবে না । আমি উহাৰ অনেক পৰীক্ষা কৰিয়া দেখিয়া এক্ষণে উহাতে বিশ্বাস পৰিত্যাগ কৰিয়াছি ।' (অৰ্জ্জুন ৰায়, জ্যোতিষ সম্পৰ্কে কয়েকটি অপ্ৰিয় প্ৰশ্ন, পৃঃ ৭৬)

শ্ৰীযুত বৰা ডাঙৰীয়াই অদম্য আত্ম-প্ৰত্যয়েৰে লিখিছে ঃ 'শ্ৰীচৌধুৰীদেৱে জ্যোতিষ বিশ্বাস কৰক বা নকৰক ঃ তেখেত জ্যোতিষৰ প্ৰভাৱৰ পৰা মুক্ত নহয় ।' ইয়াৰ অৰ্থ কি ? জ্যোতিষ শব্দটোৰ প্ৰাসংগিক অভিধানিক অৰ্থ হ'ল- 'গ্ৰহ-নক্ষত্ৰৰ গতি অনুসৰি মানুহৰ শুভাশুভ গণিবলৈ শিকোৱা পুথি' (হেমকোষ, পৃঃ ৪১৬) জ্যোতিষ শব্দটোৰ এই অৰ্থৰ ভিত্তিত আমি প্ৰশ্ন কৰিব পাৰো ঃ মনৰ সচেতন স্তৰত নহলেও আমাৰ অৱচেতনৰ গভীৰ গুহাত শ্ৰীযুত বৰা ডাঙৰীয়াই বাৰু জ্যোতিষ শাস্ত্ৰৰ প্ৰভাৱ আৱিষ্কাৰ কৰিছে নেকি ? অৱশ্যে অত্যধিক শিথিল অৰ্থত তেখেতে জ্যোতিষ শব্দটোৰ দ্বাৰা আকাশৰ গ্ৰহ-নক্ষত্ৰৰ কথাও বুজাব পাৰে । তেখেতে এই ধৰণৰ দাবী কৰিলে আমাৰ কবলগীয়া একো নাই । আমি মাত্ৰ ইয়াকে কব পাৰো যে তেখেতে এইবুলি নিজকে বুজাব পাৰে ঃ প্ৰসেনজিৎ নামৰ মানুহটোক সমালোচনা কৰাৰ কোনো মানে নাই, কিয়নো মানুহটোৰ চিন্তা-ভাবনা, লেখা-মেলা, কাম-কাজ আকাশৰ গ্ৰহ-নক্ষত্ৰৰ দ্বাৰা নিৰ্দ্ধাৰিত আৰু নিয়ন্ত্ৰিত । অৰ্থাৎ জ্যোতিষ-বিৰোধিতাও পূৰ্বনিৰ্দ্ধাৰিত ভাগ্যৰেই অভিব্যক্তি !

নিজৰ অধ্যয়ন অভিজ্ঞতা, বিচাৰ-বুদ্ধি ইত্যাদিৰ সীমাবদ্ধতা সম্পৰ্কে আমি সতৰ্ক । তথাপি পোনপটীয়া আৰু পৰিষ্কাৰভাবে কওঁ- আমাৰ অৱস্থান যুক্তিবাদৰ সপক্ষে । এই যুক্তিবাদৰ প্ৰচাৰ আৰু প্ৰসাৰ কোনোপধ্যেই নিৰ্বিঘ্ন হব নোৱাৰে- এই কথাষাৰ লুকঢাক নোহোৱাকৈ লিখাৰ বাবে শ্ৰীযুত বৰা ডাঙৰীয়াই আমাৰ মাজত গোড়ামি বা অহমিকা বিচাৰি পাইছে । তেখেতৰ ব্যাখ্যা অনুযায়ী এনে মন্তব্যৰ অৰ্থ হ'ল আমাৰ 'যুক্তিয়েই চূড়ান্ত আৰু তাৰ ওপৰত কাৰো একো কবলগীয়া থাকিব নোৱাৰে ।' আমাৰ কথা হ'ল, কব লগীয়া নিশ্চয় থাকিব পাৰে আৰু আছেও, কিন্তু কি দৃষ্টিকোণৰ পৰা কোৱা হয় বা হৈছে সিও বিচাৰ্য । (উল্লেখ্য, জ্যোতিষৰ প্ৰভাৱৰ পৰা আমি মুক্ত নহওঁ- এই মত দৃঢ়ভাবে ব্যক্ত কৰোতে আচলতে শ্ৰীযুত বৰা ডাঙৰীয়াই প্ৰমাণ কৰিবলৈ প্ৰয়াস কৰিছে যে তেখেতৰ 'যুক্তিয়েই চূড়ান্ত' ।)

শ্ৰীযুত বৰা ডাঙৰীয়াই তেখেতৰ চিঠিত পৰোক্ষভাবে কৈছে যে 'নিজৰবীয়া গৱেষণা বা বিজ্ঞানসম্মত বিশ্লেষণৰ দ্বাৰা তথ্যসমূহ দিয়া হলে' আমাৰ যুক্তি 'গ্ৰহণযোগ্য' হ'লহেঁতেন । তাৰমানে, আনৰ গৱেষণাৰ ওপৰত ভিত্তি কৰি বা সাধাৰণ যুক্তি-বুদ্ধি প্ৰয়োগ কৰি জ্যোতিষৰ বিচাৰ কৰাটো সম্ভৱ নহয় । আৰু তথ্যৰ 'বিজ্ঞানসম্মত বিশ্লেষণ' বোলোতে শ্ৰীযুত বৰাই কি বুজাব খুজিছে আমাৰ বোধগম্য হোৱা নাই । দুই এটা 'সাফল্য'ৰ নমুনাক জ্যোতিষৰ বিশ্বাসযোগ্যতাৰ অব্যৰ্থ-অকাট্য প্ৰমাণ হিচাপে কৌশলেৰে প্ৰচাৰ কৰাটোৱেই তথ্যৰ 'বিজ্ঞানসম্মত বিশ্লেষণ' নেকি ? সঁচা কথা কবলৈ গলে শ্ৰীযুত বৰা ডাঙৰীয়াৰ দৃষ্টিকোণৰ সতে আমাৰ দৃষ্টিকোণৰ পাৰ্থক্য সুস্পষ্ট আৰু দুৰ্লঙ্ঘ্য । এনে ক্ষেত্ৰত সমালোচনা আৰু প্ৰতি-সমালোচনা ক্ৰমে বন্ধ্যা বিতৰ্কলৈ পৰ্যবসিত হোৱাৰ সম্ভাৱনা থাকে । 'সূত্ৰধাৰ'ৰ পাতত প্ৰকাশিত শ্ৰীযুত বৰাৰ চিঠি দুখন পঢ়ি মনলৈ আহিছে টম পেইনৰ এষাৰ সাৰগৰ্ভ উক্তি ঃ 'To argue with a man who has rennounced the use and authority of reason is like administering medicine to the dead.' । আমি জানো- নিজৰ দৃষ্টিকোণৰ পৰা- শ্ৰীযুত বৰা ডাঙৰীয়াইও আমাক উদ্দেশ্যি একেষাৰ কথাই কব পাৰে । যদি কয় তেনেহলে আমাৰ পিনৰ পৰা এটি বিনম্ৰ অনুৰোধ থাকিল- 'reason' বা 'যুক্তি' শব্দটো যে তেখেতে উৰ্দ্ধ ক'মাৰ ভিতৰত ৰাখে । বৈজ্ঞানিক পদ্ধতিৰে জ্যোতিষ বিজ্ঞান বুলি প্ৰমাণিত হোৱাৰ পাছতহে উৰ্দ্ধ ক'মাৰ এই অস্বস্তিকৰ আলিংগনৰ পৰা যুক্তিয়ে পাব মুক্তি !

# অসমক "লেবাননকৰণ"

অৰূপ কুমাৰ গোস্বামী

হিৰণ্য কুমাৰ ভট্টাচাৰ্যৰ "অসমক লেবাননকৰণৰ দৰ্শন আৰু পৰিণতি" শীৰ্ষৰ প্ৰবন্ধৰ ওপৰত সম্পাদকে "চিন্তাশীল লোকসকলৰ যুক্তিপূৰ্ণ মন্তব্য আৰু মতামত আহ্বান" কৰিছে। এই আহ্বান স্পষ্টকৈ আমাৰ ঠিকনালৈ অহা নাই অৱশ্যে।

তথাচ আমি নিজকে চিন্তাশীল বুলি উপযাচি পৰিচয় দিবলৈ ওলাইছোঁৱেই যিহেতুকে, আমাৰ চিন্তা যে ঘাইকৈ অন্তৰ্মুখী (Introverted) – সেই সীমাবদ্ধতা পোনতেই স্বীকাৰ কৰি থোৱা উচিত হ'ব। মহাবিদ্যালয়ত প্ৰথম যেতিয়া ভৰ্তি হওঁ, তেতিয়া প্ৰপত্ৰত হিন্দু ধৰ্মীয় বুলি পোনপ্ৰথমবাৰৰ বাবে তথ্য যোগাবলৈ পাই পৰিবেশ আৰু ঐতিহ্যৰ সম্পৰ্কত আবাল্য পুঞ্জীভূত হোৱা আমাৰ খেলিমেলি বাঢ়িলহে। তাৰ আগেয়ে বাল্যকাল অতিবাহিত হৈছিল ঘাইকৈ একেখন ব্ৰাহ্মণ-শূদ্ৰ বসতিৰ হিন্দু গাঁৱত। শিশু অৱস্থাতো "মাজনিশা সাৰ পাই" ঘৰে-পৰে বয়সীয়াসকলে ৰাতি বহি গোৱা মহাপুৰুষীয়া "নাম" শুনিছিলো। বিস্ময়েৰে অন্ততঃ ইমানকণ বুজি পাইছিলো যে বয়সীয়াৰ মাজত এনে কিবা এবিধ আচাৰ থাকে যি ৰাতি ৰহিও পালনীয়। সেই প্ৰাৰ্থনা-প্ৰধান আচাৰৰ ভাষা আৰু কথাংশ তেতিয়া আমাৰ বোধগম্য হোৱা অসম্ভৱ। মাত্ৰ, প্ৰাৰ্থনাৰ গহীন সুৰ-লয়ে আমাৰ স্নায়ুত অকস্মাৎ স্নিগ্ধ চানেকি ৰচিছিল।

কিন্তু বঙালীসকলৰ ৰবীন্দ্ৰ নাথৰ দৰে, শঙ্কৰ-মাধৱ আধুনিক অসমীয়াৰ সমসাময়িক কিম্বা নিকট পূৰ্বসূৰী নহয়। শঙ্কৰ-মাধৱৰ নামঘৰত কলাবিভাগৰ আধুনিক অসমীয়াই আৱশ্যকীয় শিক্ষা নলয়। শঙ্কৰ-মাধৱৰ উত্তৰাধিকাৰী আধুনিক "সন্ত" ৰূপে বেজবৰুৱা, বাণীকান্ত প্ৰমুখ্যে প্ৰসিদ্ধ আধুনিক অসমীয়াৰ পৰিচয় দাঙি ধৰাটো ৰুচিসম্মত কথা নহয়। শিক্ষিত অসমীয়াৰ জ্ঞাতে-অজ্ঞাতে জৰুৰী আৱশ্যক হ'ব পাৰে (আৰু হৈ আহিছে) মহাপুৰুষীয়া ঐতিহ্যৰ বিশ্লেষণ কৰাহে। ই অৱশ্যে অসমীয়াৰ যুগোপযোগী আত্ম-বিশ্লেষণৰ নামান্তৰ মাত্ৰ। মই ভাৰতীয়তো হয়েই; গ্ৰাম্য মহাপুৰুষীয়া পটভূমিৰ পৰা আহি প্ৰতিকূল পৰিস্থিতত প্ৰাণৰ সমস্ত অবুজ আগ্ৰহেৰে ইংৰাজী ভাষা-সাহিত্যৰ ছাত্ৰ হ'বলৈ ওলাওঁতে মোৰ হিন্দু ধৰ্মীয় পৰিচয় এটা আদায় কৰাৰ প্ৰথাসিদ্ধ খেমালিৰ মূল্য কি আৰু উৎস ক'ত? ধৰ্মীয় পৰিচয় অতীতত অন্য ঠাইত অভ্যন্ত অথবা অত্যাৱশ্যক হব পাৰে। আজিও ধৰ্মীয় পৰিচয় উন্নত দেশৰ লোকৰ এবিধ বিলাসিতা হ'ব পাৰে – তেখেতসকলৰ বাবে পৰিপূৰ্ণ আন্তৰ্জাতিকতাবোধ অসম্ভৱ কৰি তোলা উচ্চাকাংক্ষাৰ গোপন উৎসও হব পাৰে। অনুন্নত

ধৰ্ম সম্যক আত্ম-পৰিচয় ৰূপে কোনোবাই চোলাত সী ল'ব পৰা এটি চিহ্ননে? কিয় সোধা নহয়, "তোমাৰ সংস্কৃতি কি" বুলি? দৰাচলতে ধৰ্মীয় পৰিচয় সম্পৰ্কীয় এই ৰুচিহীন জিজ্ঞাসা খৃষ্টীয় ঐতিহ্যৰ ঔপনিবেশিক প্ৰশাসনৰীতিৰ এক যান্ত্ৰিক অৱশেষ মাত্ৰ। ৰমিলা থাপাৰৰ দৰে বুৰঞ্জীবিদৰ দৃষ্টিকোণ অনুসৰণ কৰি কওঁ: হিন্দু ধৰ্ম দৰাচলতে ধৰ্ম নহয়, সংস্কৃতিহে – আৰু সেইবাবেইহে তাৰ অন্তহীন মহত্ব।

দেশতো নিম্নথাপৰ ৰাজনীতিত কিছু লোকে ধৰ্মীয় পৰিচয়ৰ অনুচিত সুবিধা গ্ৰহণ কৰিব পাৰে। কিন্তু মোৰ বাবে ধৰ্মীয় পৰিচয়ৰ কোনো মূল্য নাই। ধৰ্ম সম্যক আত্ম-পৰিচয় ৰূপে কোনোবাই চোলাত সী ল'ব পৰা এটি চিহ্ননে? কিয় সোধা নহয়, "তোমাৰ সংস্কৃতি কি" বুলি? দৰাচলতে ধৰ্মীয় পৰিচয় সম্পৰ্কীয় এই ৰুচিহীন জিজ্ঞাসা খৃষ্টীয় ঐতিহ্যৰ ঔপনিবেশিক প্ৰশাসন ৰীতিৰ এক যান্ত্ৰিক অৱশেষ মাত্ৰ। ৰমিলা থাপাৰৰ দৰে বুৰঞ্জীবিদৰ দৃষ্টিকোণ অনুসৰণ কৰি কওঁ: হিন্দু ধৰ্ম দৰাচলতে ধৰ্ম নহয়, সংস্কৃতিহে – আৰু সেই বাবেইহে তাৰ অন্তহীন মহত্ব। অপসৃয়মান সেই ঐতিহ্যৰ স্থানীয় ৰূপ আমাৰ মহাপুৰুষীয়া ভক্তিৰ স্বৰূপ সন্ধান আমাৰ স্বভাৱিক বৌদ্ধিক আকাংক্ষা। এয়া আজি ভালেমান শিক্ষিত অসমীয়াৰ আত্ম-সমীক্ষাৰ বৌদ্ধিক আৱশ্যকতা। সাংস্কৃতিক ঐতিহ্যৰ পৰিচয় ওলায় আৱশ্যকীয় উত্তৰণৰ ক্ষণ একোটাতহে – কথাটোৰ লক্ষ্যণীয় তাৎপৰ্য এয়ে যে সাংস্কৃতিক সংৰক্ষণৰ চৰম আৱশ্যকতা অলীক।

বাংলাদেশৰ ইছলামৰ বুকুত "হিন্দুত্ব" সমন্বিতে "অসমীয়াত্ব" "জাহ" যোৱাৰ যি আশঙ্কা হিৰণ্য কুমাৰ ভট্টাচাৰ্যই তেখেতৰ প্ৰবন্ধত প্ৰকাশ কৰিছে, ওপৰত ব্যক্ত হোৱা আমাৰ চৰিত্ৰৰ বাবেই আমি তাৰ সমভাগী হ'বলৈ অপাৰগ। "হিন্দুত্ব" তথা "অসমীয়াত্ব"ৰ সমস্যা আমাৰ বিচাৰত শিক্ষিতৰ আমাৰলোকলৰ তাত্ত্বিক-সাংস্কৃতিক সমস্যা – সম্ভাব্য তেনে সমস্যাৰ ৰাজনৈতিক নিৰসন নাই।

অসমৰ সামাজিক তথা ৰাজনৈতিক-অৰ্থনৈতিক অনেক সমস্যা আছে। খেতিমাটি আৰু বাসস্থানৰ সমস্যা সিবোৰৰ অন্তৰ্গত। জনসংখ্যা বৃদ্ধিৰ সমস্যা আছে, কিন্তু জনসংখ্যাৰ ভাষিক-সাম্প্ৰদায়িক হিচাপ আহুকলীয়া অনুভৱ হোৱাটো দুৰ্বলতাৰ লক্ষণ। অসম অদূৰ-সুদূৰ ভৱিষ্যতে ভাৰতৰ অংশ নহৈ বাংলাদেশৰ অংশ হ'ব নেকি? – স্বৰূপতে এনে সমস্যা আছে যদি সেয়া ভাৰত-ৰাষ্ট্ৰৰ প্ৰতিৰক্ষাৰেই চোন এক গম্ভীৰ প্ৰত্যাহ্বান! যি সমস্যাই নাথাকক, তাৰ সমাধানৰ বাবে "অসমীয়াক" আকৌ আন্দোলন কৰিবলৈ প্ৰৰোচিত নকৰিব। উপযুক্ত শিক্ষিতৰ স্বেচ্ছামূলক সংগঠনৰ যোগে সিবোৰৰ সমাধানৰ প্ৰয়াস কৰক। সামাজিক আৰু ৰাজনৈতিক সমস্যা লৈ ভোটদাতাবো ওচৰ নাচাপিব, অৰ্থনৈতিক কাৰ্যসূচীৰ বাবেহে ভোটদাতাৰ সমৰ্থন বিচাৰক। বাংলাদেশীৰ প্ৰব্ৰজনৰ সমস্যা সমগ্ৰ উত্তৰ পূৰ ভাৰত, দূৰ প্ৰাচ্য আৰু আনকি পাশ্চাত্যৰো অংশবিশেষ সমস্যা বুলি হিৰণ্য কুমাৰ ভট্টাচাৰ্যই নিজে চিহ্নিত কৰিছে। পাৰিলে ব্যাপক ভিত্তিত আন্তৰ্জাতিক আলোচনাৰ বাবে জনাশুনা আৰু প্ৰভাৱশালী সাংবাদিক সকলে হেঁচা দিয়ক। কিন্তু বাংলাদেশীৰ অনুপ্ৰৱেশ ৰোধ কৰিবৰ বাবে পূৰ্বৰ দৰে এক "নতুন অসম আন্দোলন"ৰ প্ৰতি ধাউতি প্ৰদৰ্শন নকৰিব। পূৰ্বৰ "অসমীয়াত্ব"ৰ লগত নতুনকৈ "হিন্দুত্ব" মিহলাই কঢ়া শপত এটা তৈয়াৰ নকৰে যেন! যুৱ-ছাত্ৰসকলক একেবাৰে "ছুটী" দিয়ক – শিক্ষাৰ আভ্যন্তৰীণ সমস্যা, শিক্ষিতৰ নিযুক্তিৰ সমস্যা, ইত্যাদিৰ বিষয়েহে তেখেতসকল প্ৰশাসনেৰে মুখামুখি হলে হ'ব লাগে। যুৱ-ছাত্ৰসকল "অসমীয়া" হোৱাৰো কোনো অপৰিহাৰ্য দায় নাই। তেখেতসকলে অসমীয়াকে ধৰি একাধিক সাধুভাষা শিকাৰ এক আধুনিক শিক্ষা-সংস্কৃতিমূলক আৱশ্যকতাহে মাত্ৰ থাকিব পাৰে।

অসম "লেবানন" হ'ব, "ইন্দোনেচিয়া" হ'ব – ইত্যাদি অস্পষ্ট সকীয়নি মোৰ কাণত অভিশাপৰ দৰেহে বাজিছে। অসমত মধ্যপ্ৰাচ্যৰ ইছলামীয় মৌলবাদ বুলিবৰ ষড়যন্ত্ৰ শিপাইছে বুলি হিৰণ্য কুমাৰ ভট্টাচাৰ্য যদি পতিয়ন যাব পাৰে, তেনেহলে তেখেতো উন্নততৰ সংবাদ মাধ্যম, ৰাজনৈতিক দল, সংসদ আদিৰ যোগেৰে সক্ৰিয় হোৱা উচিত। এই সন্দৰ্ভত আমি কি সূত্ৰে কি কৰিম, "সূত্ৰধাৰ"ৰ অন্যান্য পাঠকেই বা কি কৰিব, ভাবি নাপাওঁ। অন্য এটা কথাৰহে কিন্তু আভাস পাইছো। ভট্টাচাৰ্যই এবাৰ ভাবে, তেখেতে দেখা পোৱা ইছলামীয় মৌলবাদ দানৱটোৱে অন্তৰ্দ্বন্দ্বৰ বাবে নিজৰ ভৰিত নিজে কুঠাৰ মাৰিব: আন এবাৰ ভাবে, নহয়, অসমকে মুখ্য কৰি নানা অঞ্চল গ্ৰাস কৰিব। বোধকৰো নিজৰ অনুপযোগী দৃষ্টিকোণৰ বাবেই তেখেতৰ এনে দুৰাশা আৰু দুঃস্বপ্ন। আমাৰ বাঞ্ছিত লক্ষ্য অসম ভাৰতৰ ঐহিক সভ্যতা-সংস্কৃতিৰ সমৃদ্ধি, চুবুৰীয়াৰো অনুৰূপ সমৃদ্ধি। অলীক হিন্দুত্বৰ সংৰক্ষণ আধুনিক আৰু ধৰ্মনিৰপেক্ষ ভাৰত-ৰাষ্ট্ৰৰ সচেতন লক্ষ্য বা আদৰ্শ নহয়। অসমৰ "উন্নয়নৰ" খাতিৰতে – শিল্পায়নৰ যোগে অতীত অসম ৰূপান্তৰিত হওঁতেই – যদি অনেক বাংলাদেশী শ্ৰমিক আহি সোমাল, তেনেহলে আধুনিক হিন্দু অসমপ্ৰেমীৰ প্ৰতিক্ৰিয়া কেনেধৰণৰ হোৱা সমীচীন বুলি ভট্টাচাৰ্যই ভাবে?

আমাৰ বাবে অজান বাংলাদেশৰ অৰ্থনীতিবিদ এগৰাকীৰ ৰচনাৰ যি উদ্ধৃতি হিৰণ্য কুমাৰ ভট্টাচাৰ্যই আগবঢ়াইছে, তাৰ

অসমত মধ্যপ্ৰাচ্যৰ ইছলামী মৌলবাদ বুলিবৰ ষড়যন্ত্ৰ শিপাইছে বুলি হিৰণ্য কুমাৰ ভট্টাচাৰ্য যদি পতিয়ন যাব পাৰে, তেনেহ'লে তেখেতো উন্নততৰ সংবাদ মাধ্যম, ৰাজনৈতিক দল, সংসদ আদিৰ যোগেৰে সক্ৰিয় হোৱা উচিত।

প্ৰাসঙ্গিকতাও মোৰ অলপ অবোধ্য হৈছে। দীঘলীয়া উদ্ধৃতিৰ মাজে মাজে ভট্টাচাৰ্যই টিপ্পনী দিছে এনেধৰণে:

(ক) "অৰ্থাৎ, আমি ইমান দিনে দি অহা সকীয়নিৰেপ্ৰতিধ্বনি.........................."

(খ) "যিটো কথা আমি বহুবাৰ চিঞৰি চিঞৰি কৈছো........."

পূৰ্বতে ভট্টাচাৰ্যই কি কৈছে বা লেখিছে নুশুনা-নপঢ়াকৈয়ো বুজিব পাৰিছো যে তেখেতৰ ধাৰণা অনুসৰি বাংলাদেশী প্ৰব্ৰজনৰ যি তথ্য তেখেতে আশংকাৰে দেখুৱাইছে, সেই একেখিনি তথ্যকে বাংলাদেশী অৰ্থনীতিবিদ গৰাকীয়ে আশাৰে কিম্বা গঢ়িত মৌলবাদী অভিপ্ৰায়েৰে আঙুলিয়াইছে। কিন্তু ভট্টাচাৰ্যই দিয়া উদ্ধৃতিৰ পৰিসৰত বাংলাদেশৰ অৰ্থনীতিবিদ গৰাকীয়ে এই প্ৰব্ৰজন সম্পৰ্কে ব্যক্তিগতভাৱে মৌলবাদী আশা তথা তৃপ্তি প্ৰকাশ কৰাৰ নিৰ্ভুল চিন আমি নাপালো। ৰাজনৈতিক আৰু কূটনৈতিক ব্যক্তি দুই-চাৰিৰ আচৰণ ভট্টাচাৰ্যই নিজৰ ৰচনা-ৰীতিৰ এনে এখন ওৰণিৰে ঢাকি আমাৰ দৰে পাঠকৰ সমুখ পোৱাইছেহি যে সেইবোৰৰ বিশেষ গৰিমা-কালিমা একো ধৰিব নোৱাৰিলো। ভট্টাচাৰ্যই নকলেও অৱশ্যে গম পাওঁ যে, বহুদিন হ'ল, আমাৰ বিভিন্ন অভিব্যক্তিৰ গণতান্ত্ৰিক ৰাজনীতি আৰু নানা স্তৰৰ ৰাজহুৱা জীৱন যেন দুতলীয়া হোৱাইহে নিয়ম!

অসমত সম্প্ৰতি সবাতোকৈ "স্পৰ্শকাতৰ" সমস্যা হৈছে, আমি আকৌ এটা "অসমীয়া" আন্দোলন কৰিমনেকি থিৰ কৰাটো। ভট্টাচাৰ্যই নিজৰ প্ৰবন্ধত এটি "নতুন অসম আন্দোলন"ৰ কথা আমিও শুনাকৈ ভাবিছে নেকি? যদি ভাবিছে, "সূত্ৰধাৰ"ৰ পাঠকৰ মন পাবলৈ তেখেতে যে কথাটো আগতীয়াকৈ উনুকিয়াইছে, তাৰ বাবে ধন্যবাদ! কিন্তু আমাৰ – এই পাঠকৰ – ভীৰু-কাতৰ অনুৰোধ, আৰু এটা "অসমীয়া" আন্দোলন নকৰিব! ❑

সূত্ৰধাৰ
ডাকযোগেও আপুনি পাব
বছৰেকীয়া বৰঙণি: ১৪৪ টকা
ছমহীয়া বৰঙণি: ৭২ টকা
ডাক মাচুলৰ পৰা ৰেহাই দিয়া হ'ল।
আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফট অথবা চেক যোগে পূৰ্বী প্ৰকাশন প্ৰা: লি:, গুৱাহাটীৰ নামত তলৰ ঠিকনালৈ পঠিয়াওক:
চাৰ্কুলেচন মেনেজাৰ
সূত্ৰধাৰ
ৰূপজ্যোতি হাউচ, মতিলাল নেহৰু পথ
পানবজাৰ, গুৱাহাটী-৭৮১০০১

# সম-সাময়িক পৰিৱৰ্তন
## যুৱতীৰ মনৰ কথা

*সময়ৰ পৰিবৰ্তন হৈছে, কথা আৰু কামৰ মাজত এক বিৰাট ব্যৱধান। আত্মিক উপলব্ধিৰ ফালৰ পৰা আঁতৰি আহি বাহ্যিকতাৰ উতলা বা-ত উমলি আছো। সাধনা, সৎ সাহস কৰ্তব্য- নিষ্ঠাৰ পৰিবৰ্তে স্থিতাৱস্থাৰ সৈতে আপোচ কৰি আহিছো। কেৱল নতুনত্ব লাগে। পৰিবৰ্তন লাগে। সম-সাময়িকৰ ওপৰত ভিত্তি কৰি কেইগৰাকীমান যুৱতীৰ মনৰ কথা বিচাৰি সূত্ৰধাৰৰ ফালৰ পৰা তেওঁলোকক কেইটামান প্ৰশ্ন কৰা হৈছিল।*

### প্ৰশ্ন সমূহ

১। তোমাক যদি কোৱা হয় যে, পৃথিৱীৰ যি কোনো এখন দেশলৈ ভ্ৰমণ কৰিব যাবলৈ, তোমাক সকলো প্ৰকাৰৰ সুবিধা দিয়া হ'ব। তেতিয়া হ'লে তুমি কোনখন দেশলৈ যাবলৈ ঠিক কৰিবা।

দ্বিতীয়তে, পৃথিৱীৰ সকলো দেশৰ ভিতৰত সেইখন দেশ বাছি লোৱাৰ কাৰণ কি ?

২। তোমাক যদি মাত্ৰ এদিনত ৫০ হাজাৰ টকা খৰচ কৰি শেষ কৰিবলৈ দিয়া হয়, তেতিয়া হ'লে তুমি সেই টকা কেনেকৈ খৰচ কৰিবা ?

৩। তোমাৰ আদৰ্শ পুৰুষ জনৰ স্বভাৱৰ কি কি গুণ তুমি থকাটো বিচৰা ?

৪। সকলো মানুহেই এটা সুখী জীৱন কামনা কৰে, তুমিও নিশ্চয় কৰা। তোমাৰ মতে সুখৰ সংজ্ঞা কি ? কি কি বস্তু পালে তুমি জীৱনত সুখী হ'ব পাৰিম বুলি আশা কৰা ?

### গীতাঞ্জলী দেৱী


গীতাঞ্জলী দেৱী

১। তেনে অৱস্থাত বোধহয় মোৰ এখন দেশলৈ আগ্ৰহ বেছি থাকিব, সেই দেশখন হ'ল চুইজাৰলেণ্ড।

যাৰ নাম সৰুৰে পৰা শুনিছো। প্ৰাকৃতিক দৃশ্যৰে সুশোভিত সেইখন দেশক হেনো ভূ-স্বৰ্গ বুলি কোৱা হয়, পৃথিৱীৰ স্বৰ্গ -। দ্বিতীয়তে, সেইখনেই হ'ল গণতন্ত্ৰৰ প্ৰথম কঠীয়া তলি (Mother of Democacy) য'ত এতিয়াও গাওঁবাসীয়ে সভাপাতি প্ৰত্যক্ষ নিৰ্বাচনেৰে মুখ্যমন্ত্ৰী তথা প্ৰশাসক নিৰ্বাচন কৰে।

২। ঠিক এতিয়াই মোৰ এনে কোনো বস্তুৰ প্ৰতি প্ৰয়োজন নাই যে, তাৰ মূল্য ৫০ হাজাৰ টকা হ'ব। গতিকে নিশ্চয় এই ৫০ হাজাৰ টকা খুছুৰাকৈ খৰচ কৰিব লাগিব। পূৰ্বৰ পৰিকল্পনা নাথাকিলে কেৱল খুচুৰা সামগ্ৰী ক্ৰয় কৰি ইমান টকা শেষ কৰা টান হ'ব মোৰ বাবে। যদি পৰিকল্পনা কৰিবলৈ কোৱা হয়, তেতিয়া মই এখন উৎপাদনশীল ফাৰ্ম খোলাৰ বাবে পৰিকল্পনা যুগুত কৰিম আৰু সেই অনুপাতে প্ৰয়োজনীয় বস্তুবোৰ ক্ৰয় কৰিম।

৩। কোনো কপটতা নথকা সৎ সৰল আৰু মৰমিয়াল মানুহক মই ভাল পাওঁ। তদুপৰি সামাজিক মূল্যবোধ সমূহৰ প্ৰতি দায়বদ্ধ তেওঁ হৱই লাগিব।

৪। সকলোৱে সকলোকে ভাল পাব পৰা এখন সুচল সমাজত থাকিবলৈ পোৱাটোৱে মই সুখ বুলি ভাবো।

কিন্তু অৰ্থনৈতিক নিৰাপত্তা যিকোনো মানুহৰ সুখী জীৱনৰ আধাৰ হ'বই। হয়তো মই ভাল পোৱা, মোৰ ওচৰত থকা মানুহবোৰৰ কামে কাজে মোৰ সুখ বহু পৰিমাণে নিৰ্ভৰ কৰে। তেওঁলোক সৎ হোৱাটো আৰু প্ৰত্যেকে একোটা আদৰ্শক অনুসৰণ কৰাটো মই কামনা কৰো। সময়ৰ লগত খোজ মিলাই কাম কৰাটো মই বিচাৰো।

আন অৰ্থত সুখী বুলি ক'বলৈ হ'লে ৰোগ আৰু ভীতি বিহ্বলতাৰ পৰা উন্মুক্ত এটা শান্তিপূৰ্ণ জীৱনকে মই সুখী জীৱন বুলি বিবেচনা কৰো।

### শিখামণি ডেকা

১। সকলো প্ৰকাৰৰ সা-সুবিধা দি মোক এমাহৰ বাবে কোনো এখন দেশ ভ্ৰমণ কৰিব দিলে মই "জাপান" দেশখন বাছি লম। কিয়নো জাপান এখন উদ্যোগ প্ৰধান দেশ। দ্বিতীয় বিশ্ব যুদ্ধৰ সময়ত সম্পূৰ্ণৰূপে ধ্বংস হোৱা দেশ এখন কেনেকৈ ইমান কম দিনৰ ভিতৰত পৃথিৱীৰ অন্যান্য দেশতকৈ কাৰিকৰী দিশত আগবাঢ়ি গৈছে ; সঁচাকৈয়ে ই ৰহস্যৰ বিষয়। সেইবাবে জাপান ভ্ৰমণ কৰি মই তাৰ প্ৰযুক্তি বিদ্যা আৰু কাৰিকৰী কৌশল সমূহ আয়ত্ত কৰি নিজৰ দেশত প্ৰয়োগ কৰিব বিচাৰো।

২। মোক যদি এদিনত ৫০ হাজাৰ টকা খৰচ কৰিবলৈ দিয়া হয় তেনেহলে মই সেই টকাখিনি বেঙ্কৰ জৰিয়তে (N.S.C.) জাতীয় সঞ্চয় আঁচনিৰ অধীনত এখন সঞ্চয় পত্ৰ কিনিম। এই সঞ্চয় পত্ৰখনৰ হোৱা আয় সমূহৰ পৰা ভৱিষ্যত উঠি অহা শিশু সকলৰ মংগলাৰ্থে খৰচ কৰা হ'ব।


শিখামণি ডেকা

৩। মোৰ আদশ পুৰুষ জন সৎ স্বভাৱৰ তথা বহুতো গুণৰ অধিকাৰী হোৱাটো বিচাৰো।

যিজন পুৰুষ মিষ্টভাষী, বিনম্ৰ, সত্যবাদী, ত্যাগী আৰু সংযমী, যিজনে আনৰ বস্তুক তুচ্ছ জ্ঞান কৰে, নাৰীক মাতৃ জ্ঞান কৰে, সকলো মানুহকে নিজৰ দৰে দেখে আৰু যিজনে সকলো কঠোৰ বন্ধনৰ পৰা মুক্ত আৰু সংস্কাৰী তেনে এজন পুৰুষকে মই মোৰ এজন আদৰ্শ পুৰুষ হিচাপে স্বীকৃতি দিব পাৰো।

৪। সকলো মানুহে সুখী জীৱন কামনা কৰাৰ দৰে ময়ো কৰো। মোৰ মতে, সুখৰ কোনো নিৰ্দিষ্ট সংজ্ঞা নাই। মই কবলৈ হলে কঠোৰ পৰিশ্ৰমৰ মাজেৰে জীৱনৰ নিম্নতম সুবিধাখিনি পোৱাটোৱে জীৱনৰ অমিয়া বা সুখ। এইটো সঁচা যে- আনৰ কাৰণে স্বাৰ্থ ত্যাগ কৰিব পাৰিলেই সুখ পোৱা যায়। তদুপৰি নিষ্ঠাবান লোক সদায় সুখী। থাকিবলৈ এটা ঘৰ, খাবলৈ দুবেলা দুমুঠি ভাত আৰু লাজ নিবাৰণ কৰিবলৈ এডোখৰ বা দুডোখৰ কাপোৰ পালেই মই নিজকে সুখী যেন অনুভৱ কৰো।

### বনগীতা হাজৰিকা

১। এটা কথা, ভাৰততে অসমতকৈ বহু আগবঢ়া ৰাজ্য আছে। এতেকে, সেই ৰাজ্য কেইখন খুব ভালকৈ চাবলৈ বিচাৰো, সুবিধা পালে। মোৰ আটাইতকৈ ডাঙৰ আগ্ৰহটো হৈছে, অসমক কি ধৰণে পৰ্যটকৰ আকৰ্ষণীয় কৰি গঢ়ি তুলিব পাৰি। আমি খুব বাহিৰলৈ যাবলৈ ইচ্ছা ক'ৰো, কিন্তু অসমতে থকা হাফলঙৰ জাতিংগালৈ আমাৰ মনতে নপৰে। ধৰক ঠিক তেনেকুৱা ধৰণৰ ঠাই চোৱাৰ মোৰ খুউব হেঁপাহ।

২। এদিনতে ৫০ হাজাৰ টকা খৰচ কৰিব দিলে, মই হয় বিউটি পাৰ্লাৰ এখন খুলিবৰ বাবে সা-সৰঞ্জাম কিনিম, নহয় এখন হোটেল। কিয়নো আজিকালি অসমীয়া বুঢ়ীৰ পৰা ডেকেৰীলৈ সকলোকে বিউটি পাৰ্লাৰ খুবেই প্ৰয়োজন, হয়তো অসমীয়া মানুহৰ আজিকালি


বনগীতা হাজৰিকা

অসমীয়া ব্যঞ্জনবোৰ মুখত নালাগে যাৰ বাবে তেওঁলোক হোটেললৈ চাউথ ইণ্ডিয়ান ডিচ, চাইনিজ ফুড্ আদি খাবলৈ যায়। এই দুটা অৱলম্বনৰ যিকোনো এটাৰ পৰা মোৰ অৰ্থনৈতিক দিশত লাভ হোৱাৰ উপৰিও আন লোককো আনন্দ দিয়াৰ বাবে মোৰ নিশ্চয় পুণ্য হ'ব। (অৱশ্যে হোটেলখনত অসমীয়া ৰন্ধন প্ৰণালী উন্নত মানৰ কৰি তেওঁবিলাকৰ মুখত লগা কৰিব পাৰি নেকি সেই বিষয়ে চিন্তা কৰা হ'ব।)

৩। তেওঁ মানুহ হিচাপে এজন সৎ নাগৰিক হ'ব লাগিব। এটা মনৰ কথা কওঁ কি জানেনে, তেওঁক যেন নামটো কলেই মানুহে জানে সেইটো কিন্তু মই বিচাৰো।

৪। সুখ সকলোৱে পাই জানো ? মোৰ মনে বিচৰা সকলোখিনি পালেই মই সুখ পোৱা বুলি ভাবো।

*অভাৱ অনাটন নোহোৱাকৈ, পৰিয়ালটোৰ সকলোৰে মাজতে বুজাবুজি থকাটো, আকৌ পৰিয়াল টোৰ সকলো মানুহৰে সৎ গুণবোৰ থকাটো মই বিচাৰো।

### জয়শ্ৰী বৰুৱা


জয়শ্ৰী বৰুৱা

১। জাপানলৈ যাবলৈ ইচ্ছা কৰিম। কাৰণ জাপান দেশখন বৈদ্যুতিক শক্তিত অন্য দেশতকৈ যথেষ্ট আগবঢ়া। বিশেষকৈ এই দেশৰ কাৰ্টুন ছবিবোৰে মোক বাৰুকৈয়ে আকৰ্ষণ কৰে। আৰু বৈদ্যুতিক শক্তিৰ দ্বাৰা কেনেকৈ এই ছবিবোৰ নিৰ্মাণ হয় সেই পদ্ধতিৰ বিষয়ে জানিবলৈ মই বৰ আগ্ৰহী। তাৰ উপৰি মানুহবিলাক কেনেদৰে প্লাষ্টিকৰ ঘৰত থাকি জীৱন কটাইছে, সেয়া মোৰ অতি কৌতূহলৰ বিষয়। পুতলা দেশ জাপানলৈ মই নিশ্চয় যাম, যদি মই সকলো ধৰণৰ সুবিধা পাওঁ।

২। ৫০ হাজাৰ টকা এদিনত ! আজিকালি এটা চাকৰি ( দাম বুলিয়ে ক'ব পাৰি ) পাবলৈ হলে ৫০ হাজাৰ মান টকা ভিতৰুৱাকৈ ( ভেটি হিচাপে ) দি, চাকৰি এটা লৈ গোটেই জীৱনলৈ আৰ্থিক দিশৰ ফালৰ পৰা সকাহ পাবলৈ বিচাৰো।

৩। মোৰ আদৰ্শ পুৰুষ জন, যি জনক মই মনে প্ৰাণে বিচাৰো, সেই পুৰুষ জনৰ লগতে মই ভৱিষ্যত জীৱন কটাবলৈ বিচাৰো। সেয়ে, তেওঁ আত্ম সংযমী, সাহসী, সততা, উদাৰতা, বহল দৃষ্টিভঙ্গী আৰু সামাজিক হোৱাটো বিচাৰো।

৪। মানুহ মাত্ৰেই সুখ বাঞ্চা কৰে। মোৰ মতে সুখৰ সংজ্ঞা দিবলৈ হ'লে শান্তিয়েই সুখ। এটা পৰিয়ালৰ সদস্য হিচাপে মই মোৰ পৰিয়ালটো শান্তিৰে দুবেলা দুমুঠি খাই জীয়াই থকাটোৱেই মোৰ জীৱনৰ সুখ বুলি ভাবো।

### দীপামণি বেজবৰুৱা

১। যদি সকলো প্ৰকাৰৰ সা-সুবিধা দিয়া হয়, তেতিয়া হ'লে ভাৰতবৰ্ষৰ নিচেই কাষতে থকা বাংলাদেশলৈ যাম।

কিয়নো, অতি দুখীয়া পৃথিৱীৰ সৰু দেশৰ অন্যতম বাংলাদেশ মোৰ বাবে আগ্ৰহৰ দেশ। প্ৰতিবছৰে হোৱা বানপানী, দুৰ্ভিক্ষই বাংলাদেশৰ আৰ্থিক ৰাজনৈতিক আৰু সামাজিক দিশ সম্পূৰ্ণ ৰূপে দুৰ্বল কৰে। দূৰদৰ্শন, বাতৰি কাকত নাইবা কোনো চিত্ৰ গ্ৰহণকাৰীৰ আলোকচিত্ৰত দেখা পোৱা বাংলাদেশৰ দুৰৱস্থাই মোৰ মনত কৌতূহলৰ সৃষ্টি কৰে। কাৰণ ইমান দুখৰ মাজতো এই এমুঠি মান জনসাধাৰণক লৈ কেনেদৰে এখন চৰকাৰে স্বাধীনভাৱে দেশখন শাসন কৰি আছে তাক স্ব-চকুৰে চাবলৈ মোৰ বৰ ইচ্ছা হয়। বৰ্তমান পৃথিৱীৰ সকলো দেশেই সকলো ফালৰ পৰা উন্নত, নতুবা সকলোৰে লক্ষ্য হৈছে উন্নতিৰ শিখৰত থিয় হোৱা আৰু এই উদ্দেশ্যে সকলোৱেই কমবেছি পৰিমাণে আগবাঢ়ি গৈ আছে। কিন্তু এই বাংলাদেশ, য'ত জনসাধাৰণে এখন কাপোৰৰ কাৰণে হাহাকাৰ কৰে, তাৰ জনসাধাৰণৰ লক্ষ্য কি সেই বিষয়ে জনাৰ মোৰ খব আগ্ৰহ


দীপামণি বেজবৰুৱা

২। পোন প্ৰথমে এগৰাকী ছাত্ৰী হিচাপে মই মোৰ সংস্থানৰ কাৰণে এখন দোকান কিনাৰ ব্যৱস্থা কৰিম। অৱশ্যে দোকানখন কিতাপৰ দোকানেই হ'ব। তাৰ পিছত বাকী ৰোৱা টকা পৰিস্থিতিয়ে ক'ব।

৩। এজন পুৰুষ হিচাপে প্ৰথমে পুৰুষত্বৰ গুণ থকাটো নিতান্তই প্ৰয়োজনীয়। দ্বিতীয়তে, এজন সৎ নাগৰিক হ'ব লাগিব যাতে সমাজৰ সকলো দিশত সৎ উদ্দেশ্যেৰে আগবাঢ়ি, অন্যায়ৰ বিৰুদ্ধে সাহসেৰে প্ৰতিবাদ কৰিব পাৰে। তৃতীয়তে, সকলো ৰাগিয়াল দ্ৰব্যৰ পৰা চিৰদিন আঁতৰি থাকিব লাগিব।

৪। মোৰ বোধেৰে পেটে-ভাতে দুবেলা দুমুঠি খাই থাকিব পাৰিলে, অত্যাৱশ্যকীয় বস্তু খিনি পালে, মুকলিমুৰীয়াকৈ থাকিব পাৰিলেই মোৰ জীৱনটো সুখী বুলি বোধ হয়।



'ৰূপ কা ৰাণী চোৰো কা ৰাজা'ৰ এটি চমৎকাৰ দৃশ্য।

## খৰচী ছবিখন

হিন্দী ছবিৰ ইতিহাসত এতিয়ালৈকে নিৰ্মিত ছবিবোৰৰ ভিতৰত সৰ্বাধিক ব্যয়বহুল ছবিখন হ'ল 'ৰূপ কা ৰাণী চোৰো কা ৰাজা'। অনিল কাপুৰ-শ্ৰীদেৱী অভিনীত এই ছবিৰ পৰিচালক সতীশ কৌশিক, প্ৰযোজক বনি কাপুৰ।

মিঃ ইণ্ডিয়া ছবিৰ সাফল্যৰ পিছতেই এই ছবি পৰিকল্পনা কৰা হৈছিল। মিঃ ইণ্ডিয়াৰ পৰিচালক শেখৰ কাপুৰে এই ছবি পৰিচালনা কৰা কথা আছিল। শেষত দেখা গ'ল মিঃ ইণ্ডিয়াত সহকাৰী পৰিচালকৰ কাম কৰা সতীশ কৌশিকেই পৰিচালকৰ মেগাফোন হাতত তুলি ল'লে।

বনি কাপুৰ হ'ল অনিল কাপুৰৰ ককায়েক। ভায়েকৰ ছবি যেনেতেনে হিট কৰাবৰ বাবে প্ৰযোজকে বাৰে বাৰে শ্বুটিং কৰিছে, অপছন্দ হোৱা অংশবোৰ পুনৰ শ্বুটিং কৰিছে – এইবোৰ কৰি থাকোতেই ১৯৮৭ চনতে আৰম্ভ কৰা ছবিখনে '৯২ৰ শেষৰ ভাগতহে মুক্তিলাভ কৰিব। ছবিখনত সৰ্বমুঠ খৰচ হ'ল সাত কোটি টকা।

এই খৰচী ছবিখনে বক্স অফিচৰ পৰা কিমান অৰ্থ সংগ্ৰহ কাৰব পাৰে তাকে লৈ চৌদিশে আলোচনা আৰম্ভ হৈ গৈছে। সাত কোটি টকা ঘূৰাই অনাৰ বাবে ছবিখনে বক্স অফিচত তুমুল তোলপাৰ লগাব লাগিব। অৱশ্যে, বনি কাপুৰ হাতদীঘল প্ৰযোজক-পৰিবেশক–ছবি হিট নহলেও নানা কায়দা-কিটিপ কৰি তেওঁ ছবিৰ খৰচ উলিয়াই ল'ব। কিন্তু সতীশ কৌশিকহে অসুবিধাৰ সমুখীন হ'ব–পুনৰ ছবি পৰিচালনাৰ কাম লাভ কৰাত।

## কেমেৰামেনৰ পৰা পৰিচালক

বহু কেমেৰামেনেই পিছলৈ গৈ পৰিচালনাৰ কামত হাত দিয়ে। ৰাজ কাপুৰৰ প্ৰিয় কেমেৰামেন ৰাধু কৰ্মকাৰে ছবি এখন পৰিচালনা কৰিছিল – 'যিচ দেশ মে গংগা বেহতী হেঁ'। যোৱা দেৰ দশকৰ ভিতৰত এই ৰূপ পৰিবৰ্তনৰ সুন্দৰ উদাহৰণ হ'ল গোবিন্দ নিহলানী, বালু মহেন্দ্ৰ আদি। এই তালিকাৰ শেষৰ উল্লেখযোগ্য নামটো হ'ল অপূৰ্ব কিশোৰ বীৰ, যি এ কে বীৰ নামেৰেহে জনাজাত। বহু বিখ্যাত ছবিৰ অবিস্মৰণীয় চিত্ৰ গ্ৰহণকাৰী এ কে বীৰে নিজে পৰিচালনা কৰা প্ৰথমখন ছবি 'আদি মীমাংসা'ই ৰাষ্ট্ৰীয় বঁটা অৰ্জন কৰিছিল। এতিয়া তেওঁ দ্বিতীয় ছবিৰ কাম আৰম্ভ কৰিছে।

হিট হিন্দী ছবি 'সাজন'ৰ পৰিচালক লৰেন্স ডি চুজা আছিল কেমেৰামেন। 'সাজন'ৰ সাফল্যৰ পিছত তেওঁ একেৰাহে কেইবাখনো ছবি পৰিচালনা কৰা কামত ব্যস্ত হৈ পৰিছে।

'মাচুম' ছবিৰ সফল কেমেৰামেন প্ৰবীন ভাটে পৰিচালনা কৰিছিল 'ভাবনা' নামৰ ছবিখন। সুন্দৰ চিত্ৰগ্ৰহণৰ এই ছবিখন নচলিল। প্ৰবীন ভাটেও পিছত পৰিচালনাৰ কামত মনোযোগ নিদি চিত্ৰগ্ৰহণকাৰীৰ কামতেই লাগি থাকিল। মুকুল আনন্দৰ অগ্নিপথ, হাম, খুদা গৱাহ আদি ছবিৰ সুন্দৰ চিত্ৰগ্ৰহণ এই প্ৰবীন ভাটৰেই। মহেশ ভাটৰ এতিয়াৰ প্ৰতিখন ছবিৰেই কেমেৰামেন প্ৰবীন ভাট।

এই শিবিৰ সলনি তালিকাৰ নতুন নাম মনমোহন সিং। পুনাৰ ফিল্ম এণ্ড টিভি ইন্সটিটিউটৰ পৰা চিনেমেটোগ্ৰাফিৰ ডিপ্লমা লোৱা মনমোহন সিঙে ৰাধু কৰ্মকাৰৰ সহকাৰী হিচাপে কাম কৰিছিল 'সত্যম শিৱম সুন্দৰম' ছবিত। যোৱা ফিল্ম ফেয়াৰ এৱাৰ্ডত মনমোহন সিঙে শ্ৰেষ্ঠ চিত্ৰগ্ৰহণকাৰীৰ পুৰস্কাৰ পোৱাৰ পৰা বঞ্চিত হ'ল, পুৰস্কাৰ পালে 'হেনা' ছবিৰ বাবে ৰাধু কৰ্মকাৰে। 'লমহে' ছবিৰ চিত্ৰগ্ৰহণেৰে সুখ্যাতি অৰ্জন কৰা মনমোহন এতিয়া বিভিন্ন ধৰণৰ ছবিৰ কামত ব্যস্ত। নিজে পৰিচালনা কৰিবলৈ লোৱা ছবিখনৰ কাম প্ৰায় শেষ। পাঞ্জাবী ভাষাত নিৰ্মাণ কৰা এই ছবিখনৰ নাম 'নচীবো'।

৩৬ চৌৰংগী লেন, ত্ৰিকাল, উৎসৱ, মাণ্ডি আদি ছবিৰ সফল কেমেৰামেন অশোক মেহতাইও প্ৰথম ছবিৰ কাম আৰম্ভ কৰিছে। মনীষা কৈৰালা আৰু সঞ্জয় দত্তক মুখ্য চৰিত্ৰৰ বাবে নিৰ্বাচন কৰা এই ছবিৰ নাম 'মোক্ষ'।

'দামুল' ছবিৰে দৃষ্টি আকৰ্ষণ কৰা কেমেৰামেন ৰাজন কোঠাৰীয়ে তেওঁৰ প্ৰথম ছবিৰ কাম সম্পূৰ্ণ কৰিছে। বিখ্যাত মাৰাঠী সাহিত্যিক জয়বন্ত দলভীৰ নাটক এখনক লৈ নিৰ্মাণ কৰা এই ছবিৰ নাম 'পুৰুষ'। মুখ্য ভূমিকাত অভিনয় কৰিছে ওম পুৰী আৰু অশ্বিনী ভাবেই। ছবিখনে অলপতে মুক্তি লাভ কৰাৰ কথা।

## দোষী চুলি

'আশিকী' ছবিৰ ৰাহুল ৰয় বিখ্যাত হৈ পৰিছিল বেলেগ ধৰণে আঁচোৰা চুলিকোচাৰ বাবে। বহু যুৱতী সেই চুলিৰ বাবেই ৰাহুলৰ ভক্ত হৈ পৰিছিল। কিন্তু শেহতীয়া ভাবে 'স্বপনে সাজন কা' ছবিখন ফ্লপ হোৱাৰ পিছত ৰাহুলে কি কৰিব ভাবি নাপাই চুলি কোচাকেই সলনি কৰাৰ সিদ্ধান্ত ল'লে।





'খুদা গৱাহ' ছবিত অমিতাভ আৰু শ্ৰীদেৱী

## অমিতাভৰ অভিনয়

'খুদা গৱাহ' ছবিখনৰ মুক্তিৰ সময়ত প্ৰচাৰ চলোৱা হ'ল যে এইখনেই অমিতাভৰ শেষ ছবি। পিছত যেনিবা শুধৰণি দিয়া হ'ল 'নায়ক হিচাপে শেষ ছবি' বুলি। তাৰ পিছতো কিন্তু অমিতাভে ছবিত অভিনয়ৰ বাবে চুক্তিবদ্ধ হোৱা নাই। আনকি হৃষীকেশ মুখাৰ্জীৰ ছবিৰ বাবে অহা আমন্ত্ৰণো তেওঁ প্ৰত্যাখান কৰিছে। এতিয়া অমিতাভ ব্যস্ত হৈ আছে বৃটেইন আৰু ইউৰোপত আৰম্ভ কৰা কেবল নেটৱৰ্ক এচিয়া টিভিৰ কামত।

## বিয়াৰ বতাহ

অসমীয়া ছবিৰ লগত জড়িত বহু লোকক এতিয়া বিয়াৰ বতাহে স্পৰ্শ কৰিছে। হলধৰ খ্যাত সঞ্জীৱ হাজৰিকা, গায়িকা মনজোৎস্না মহন্ত, ভিডিঅ' তথ্যচিত্ৰ নিৰ্মাতা



অসমী দত্তবৰুৱা

অসমী দত্তবৰুৱা আদিৰ শাৰদীয় বতৰতেই গাত মাহ-হালধিৰ বোল লাগিল।

## ড° ভবেন্দ্ৰনাথ শইকীয়াৰ নতুন ছবি

অৱশেষত 'সাৰথি'য়ে দূৰদৰ্শনৰ যোগেৰে মুক্তিলাভ কৰিলে। ৰাষ্ট্ৰীয় পুৰস্কাৰৰ বিতৰ্কৰ পিছত 'সাৰথি'য়ে সাধাৰণ দৰ্শকৰ মনত যি কৌতূহলৰ সৃষ্টি কৰিছিল, তাৰ সফল সমাপ্তি ঘটিল। সকলো শ্ৰেণীৰ দৰ্শকক ছবিখনে আপ্লুত কৰিছে।

এতিয়া ড° শইকীয়া তেওঁৰ পৰৱৰ্তী ছবিৰ কামত ব্যস্ত। এইবাৰেই ড° শইকীয়াই লৈছে ছবিৰ বাবেই লেখি উলিওৱা নতুন গল্প। ঠিক গল্প নহয়–পোনপটীয়াকৈ একেবাৰতেই লেখি



ড° ভবেন্দ্ৰ নাথ শইকীয়া

গৈছে চিত্ৰনাট্য আৰু সংলাপ। ছবিৰ পটভূমি ভ্ৰাম্যমান থিয়েটাৰ। আজি বাৰবছৰৰো অধিক কাল ড° শইকীয়া ভ্ৰাম্যমান থিয়েটাৰৰ লগত জড়িত হৈ আছে। নাট্যকাৰ আৰু পৰিচালক হিচাপে। এই এযুগৰ পুঞ্জীভূত অভিজ্ঞতা আৰু উপলব্ধিয়ে এইবাৰ প্ৰকাশৰ বাট বিচাৰি লৈছে।

ছবিৰ ভূমিকালিপি এতিয়াও থাটাং কৰা হোৱা নাই। হিন্দী ছবিৰ কেইবাগৰাকীও বিখ্যাত অভিনেতা অভিনেত্ৰীয়ে ড° শইকীয়াৰ ছবিত কাম কৰিবলৈ বহুদিনৰ পৰাই আগ্ৰহ কৰি আছে। কোনে জানে এই ছবিতে যে সেই আগ্ৰহ পূৰণ নহ'ব ?

উৎপল দত্ত

ভূপেন্দ্ৰনাৰায়ণ ভট্টাচাৰ্য

# 'লেতেৰা'

খোজকাঢ়ি ফুৰোতে হঠাৎ বন্ধুৱে ক'লে- আমাৰ চহৰৰ আলিবাটবোৰ বৰ লেতেৰা হৈ আহিছে। মই তেওঁৰ ফালে চালো আৰু এই বিষয়ে মোৰ মন্তব্যটো কলো- 'আচলতে সেইটো সঁচা নহয়; বৰ্তমান আমাৰ মানসিকতাই লেতেৰা আৰু দুৰ্গন্ধময় হৈ আহিছে; আলিবাটৰ লেতেৰাখিনি আমাৰ মানসিকতাৰ প্ৰতিফলনহে মাত্ৰ। আমাৰ ঘৰৰ কুকুৰ বা মেকুৰীটো মৰিলে তাক আমি আমাৰ চৌহদত দ' গাঁত কৰি পুতি থবও পাৰো কিন্তু তাকে নকৰি, নেজত ধৰি চোঁচৰাই চোঁচৰাই নি ৰাতিৰ অন্ধকাৰত আলিৰ কাষত থৈ আহো। অথচ এই কুকুৰটোৱেই এদিন আমাৰ কাৰোবাৰ মৰমৰ পোহনীয়া জন্তুটো আছিল। ইয়েই আমাৰ চহৰীয়া জীৱনৰ নিঃসঙ্গতা আঁতৰাই ৰাখিছিল; মৰম লগাইছিল। কিন্তু যেতিয়া সি মৰিল তাক আমি আলিবাটত থলো। তাৰপাছত কুকুৰটো পচি পচি আলিবাটটো দুৰ্গন্ধময় হৈ উঠিল। আচলতে, সেই দুৰ্গন্ধ কেৱল কুকুৰৰেইনে? আমি যদি অলপ গভীৰভাবে কথাটো ভাবি চাওঁ; তেতিয়া নিশ্চয় অনুভৱ হব- সেই দুৰ্গন্ধ কেৱল কুকুৰটো পচি ওলোৱাই নহয়; আচলতে সেই দুৰ্গন্ধ আমাৰ মানসিকতাৰ পচনৰ। যিহেতু, আমি কুকুৰটোক গাঁত খান্দি পুতি থলে সেই দুৰ্গন্ধ কেতিয়াও নোলালহেঁতেন। সেই কাৰণেই বন্ধুক কলো- আমাৰ মানসিকতাই লেতেৰা আৰু অপৰিষ্কাৰ হৈ গৈছে। অপৰিষ্কাৰ মানসিকতাই অপৰিষ্কাৰ চিন্তাৰ জন্ম দিয়ে। অইন নালাগে, দৈনন্দিন জীৱনত আমি কোৱা বাক্যবোৰ জানো পৰিষ্কাৰ? সিও লেতেৰা। এটা বাক্য কওঁতে আমি চাৰিটা ইংৰাজী প্ৰতিশব্দ, তিনিটামান বঙালী শব্দ, দুটামান হিন্দী শব্দৰ লগত মাত্ৰ এটা অসমীয়া শব্দ যোগ দি ইজনে সিজনৰ লগত কথাৰ আদান-প্ৰদান কৰো আৰু বাক্যটো ইজনে সিজনৰ আগত এনেকৈ উপস্থাপন কৰো যেন মই অসমীয়া শব্দবোৰ পাহৰি (অলপ গৰ্বিত ভাবত) গৈছো। ব্যক্তিৰ এনে মনোভাবে আচলতে তেওঁক মহান নকৰে বৰঞ্চ তেওঁৰ লেতেৰা আৰু দুৰ্গন্ধময় মানসিকতাকহে প্ৰতিফলন কৰে। বোধহয়, সেই ব্যক্তিয়ে নিজকে অসমীয়া নহয় বুলি প্ৰতিপন্ন কৰিব বিচৰাৰ বাবেহে এনেকুৱা হয় নেকি? ব্যক্তিৰ ওপৰোক্ত মানসিকতাক যদি আমি বিশ্লেষণ কৰো, তেনেহলে দেখা যাব- (১) হীনমন্যতাত ভুগিছে (২) হীনমন্যতাৰ বিপৰীতে সমপৰিমাণৰ উচ্চ মানসিকতাত ভুগিছে (৩) নিশ্চয় সেই ব্যক্তিৰ সামান্যতম হলেও মানসিক বিকাৰ আছে (৪) তেওঁ এখন কোনোৱে নজনা আৰু কোনোৱে নুশুনা জগতত বাস কৰিবলৈ লৈছে। আৰু থোৰতে কবলৈ গলে তেওঁ মানসিকভাবে ৰুগীয়া। ৰুগীয়া মানুহে কথা-বতৰা পাতোতে সদায় তেওঁৰ ৰুগ্নভাৱটো প্ৰকাশ পায়। ৰুগীয়া মানুহ লেতেৰা আৰু অপৰিষ্কাৰ।

ৰাতি মানুহে শুই নিঃপালি দিলে আমি কাৰোবাৰ বাটৰ কাষৰ পকীদেৱালত ৰাজনৈতিক শ্লোগান, মিছিলৰ তাৰিখ, প্ৰতিবাদ সভা আহ্বানৰ সময় অথবা স্থান লিখো কিন্তু আমাৰ চৌহদৰ পকীবেৰত যদি কোনোবাই তেনে কাম কৰে বেয়া পাওঁ। স্কুল-কলেজ অথবা ৰাজহুৱা স্থানত থকা মূত্ৰাগাৰত শৌচাগাৰত অশ্লীল শালীনতাহীন কথা লিখি নগ্ন পুৰুষ বা স্ত্ৰীৰ যৌনাংগৰ ছবি আঁকি থৈ আহো কিন্তু, নিজৰ ঘৰৰ শৌচাগাৰ বা মূত্ৰালয়টোত সুগন্ধি দ্ৰব্য ব্যৱহাৰ কৰি চূণ-মোকাম কৰি ৰাখো। এইবোৰে বাৰু কি সূচায়? সৎ আচৰণ? নিশ্চয় নহয়। আচলতে আমাৰ মানসিকতা অপৰিষ্কাৰ আৰু ৰুগ্ন। এইবোৰো এবিধ মানসিক বেমাৰ।

আমাৰ মাতৃভাষাৰ শিক্ষানুষ্ঠানবোৰ ভগা-চিগা, লেতেৰা-পেতেৰা বুলি মিশ্যনেৰীৰ স্কুলবোৰ পৰিষ্কাৰ বুলি কৈ নিজৰ ল'ৰা-ছোৱালীক পঢ়ুৱাবলৈ নিওঁ বা নিজৰ ঘৰটো পৰিষ্কাৰ পৰিচ্ছন্ন কৰি ৰাখি আনৰ ঘৰৰ কাষৰ চুকত লেতেৰা বস্তুবোৰ পেলাবলৈ নিওঁ; এইবোৰে বাৰু কি সূচায়? আমাৰ বিকাৰগ্ৰস্ত মানসিকতাকে প্ৰতিফলিত নকৰে জানো? মানসিকভাবে বিকাৰগ্ৰস্ত নহলে কেতিয়াও আমি আমাৰ মৰা কুকুৰটো বেলেগৰ ঘৰৰ ফুলনিৰ মাজত থৈ নাহিলোহেঁতেন বা আমি আমাৰ ল'ৰা-ছোৱালীক মিশ্যনেৰীৰ স্কুলত ভৰ্তি নকৰাই সমপৰ্যায়ৰ স্কুল এখন গঢ়ি তুলিবলৈ চেষ্টা কৰিলোহেঁতেন। দৰাচলতে মিশ্যনেৰীৰ স্কুল ভাল বুলি নিজৰখনক বেয়া বুলি প্ৰতিপন্ন কৰিব খোজা এই পলায়নবাদী চিন্তাই আমাৰ লেতেৰা মনটোকহে প্ৰতিফলিত কৰে।

আমাৰ ঘৰবোৰ? মা-দেউতা, বাই-ভনী, ককাইদেউ, ভাই এইবোৰৰ মাজত যি এক পাৰিবাৰিক সম্পৰ্ক সেইবোৰ অটুট আছেনে? আছেনে আমাৰ প্ৰতিবেশীৰ ইঘৰ সিঘৰৰ মাজত এক মধুৰ সম্পৰ্ক? একো নাই। সকলোতে শূন্যতা। সমাজ এক মৰুপ্ৰান্তৰ; চুবুৰিবোৰো সেই একে মৰুপ্ৰান্তৰ- শুকান, লঠঙা লঙঠা এক ভাব। ঘৰৰ ককায়েক বা ভায়েকৰ অথবা ভনীয়েক বা ককায়েকৰ মাজত আছেনে পাৰস্পৰিক বুজাবুজি, শ্ৰদ্ধা-ভক্তি অথবা মৰম-স্নেহ? একো নাই, মাত্ৰ আছে শব্দ কেইটামান যেনে- ককায়েক, ভায়েক, ভনীয়েক অথবা মা-দেউতা তাৰ মাজত কোনো ৰস নাই; শুকান ঠম ঠমীয়া পৰিবেশ। এনে পৰিবেশ কিয়? অৰ্থাৎ আমাৰ মনবোৰ পৰিষ্কাৰ নহয়- লেতেৰা।

সিদিনাখন এজন অসমীয়া মানুহে শ্বিলঙৰ পৰা ঘৰ-মাটি বেচি আহি গুৱাহাটীত নতুনকৈ মাটি কিনি ঘৰ-দুৱাৰ সাজিলে। তেখেতক মই সুধিলো - শ্বিলঙতকৈ নিশ্চয় গুৱাহাটীত থাকি ভাল পাইছে? মোৰ কথা শুনি তেওঁ সিংহৰ দৰে গোজৰণি মাৰি উঠিল- 'কি - নো কয় হে- ৰি! ইয়াতনো মানুহ থাকেনে? ইয়াৰ মানুহে এতিয়াও বাৰীত কলগছ ৰুৱে, বাঁহ গছ ৰোৱে।' মই ওলোটাই সুধিলো- 'আপুনি কল নাখায় নেকি? তেওঁ কলে- 'উৱা কল আকৌ নাখাম কিয়? তাৰপাছত আকৌ সুধিলো- 'আপোনাৰ যে চাৰিসীমাৰ জেওৰাখন দিছে, - কিহেৰে'? তেওঁ কলে - 'বাঁহেৰে'। তেনেস্থলতু আপোনাৰ নিজৰ বাৰীত কলগছ বা বাঁহগছ ৰোৱাত অসুবিধা ক'ত? নহয়হে আপুনি বুজাই নাই; তেনেকুৱা কৰিলে মোৰ কিবা গাঁৱলীয়া গাঁৱলীয়া লাগে। মই কলো- 'আচলতে আপুনিহে মানসিকতাত বেছি গাঁৱলীয়া।'

'কাৰণ'?

যিহেতু, আপোনাৰ মন অপৰিষ্কাৰ আৰু লেতেৰা। ভুৱা ভেম, ফিতাহিৰে আপোনাৰ মন মস্তিষ্ক ভৰি আছে। এই লেতেৰা [illegible]ৰবোৰ এৰি পেলাওক।

'আৰু সেই ভেম বা ফিতাহি জানো আপোনাৰ মন বা মস্তিষ্কত নাই?'

অস্বীকাৰ নকৰো; যিহেতু ময়ো একেখন সমাজৰে ব্যক্তি, নাথাকিব কিয়? কিন্তু তথাপিও আপোনাৰ আৰু মোৰ মাজত এটা পাৰ্থক্য আছে।

কেনেকুৱা পাৰ্থক্য?

আমি সকলোৱেই যে লেতেৰা আৰু অপৰিষ্কাৰ সেই কথাটো অন্ততঃ বুজি পাইছো।



OKDISCD